# শিৱসাগৰ ছোৱালী কলেজ আলোচনী

২০০৫-০৬ বৰ্ষ



ড° লীলা মহন্ত বৰচেতিয়া
শ্ৰীমতী মুকুতা বৰকাকতি
শ্ৰীমতী সংগীতা হাজৰিকা
মঃ জাকিৰ হুছেইন
দেষ্টা মণ্ডলী, আলোচনী বিভাগ

শ্ৰীমতী মৌচুমী কোঁৱৰ
সম্পাদিকা
সাহিত্য আৰু আলোচনী বিভাগ

*Sibsagar Girls' College Annual College Magazine, Edited by Mousumi Knowar, Publish[ed] by Sibsagar Girls' College Students Union on behalf of The Sibsagar Girls' Colleg[e] Sivasagar - 785 640; Printed at Sivasagar Graphic, Sivasagar.*

**সম্পাদনা সমিতি**

**সভাপতি ঃ**

ড° হেমন্ত কুমাৰ ফুকন

**উপদেষ্টা মণ্ডলী ঃ**

ড° লীলা মহন্ত বৰচেতিয়া

শ্ৰীমতী মুকুতা বৰকাকতি

শ্ৰীমতী সংগীতা হাজৰিকা

মঃ জাকিৰ হুছেইন

**সম্পাদিকা ঃ**

শ্ৰীমতী মৌচুমী কোঁৱৰ

**সম্পাদনাৰ নেপথ্যত ঃ**

**অলংকৰণ ঃ**

শ্ৰীমতী মাইনু গগৈ

শ্ৰীমতী মণিকা চুতীয়া

শ্ৰীমতী চুমি বৰুৱা

**বেটুপাতৰ শিল্পী ঃ**

শ্ৰীমতী আফ্ৰিজা চুলতানা

**অক্ষৰ বিন্যাস ঃ**

শিৱসাগৰ গ্ৰাফিকচ্

**প্ৰকাশন ঃ**

ছাত্ৰী একতা সভা

শিৱসাগৰ ছোৱালী কলেজ

**মুদ্ৰণ ঃ**

শিৱসাগৰ গ্ৰাফিকচ্, জমিল কমপ্ৰেক্স

প্ৰথম মহলা, বৰ্ডিং ৰ'ড, শিৱসাগৰ



দুচকুত অযুত স্বপ্নৰ হেঙুলী আভা লৈ
একবিংশ শতিকাৰ বিশাল বুকুৰ মাজত
নতুন উদ্যমেৰে
হৃদয়ৰ,
জীৱনৰ,
মানুহৰ
জয়গান গোৱা প্ৰতিজন
উত্তৰাধিকাৰীৰ
সুকোমল দুহাতত...................

২০০৬ বৰ্ষৰ
শিৱসাগৰ ছোৱালী কলেজ আলোচনীখন
আগবঢ়োৱা হ'ল।

— সম্পাদিকা

# শ্ৰ দ্ধা ঞ্জ লি

*"মৃত্যুওটো এটা শিল্প, জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য্য।"*

বিগত বছৰত সাহিত্য-সংস্কৃতিকে আদি কৰি বিভিন্ন ক্ষেত্ৰত বহু দিক্‌পাল ব্যক্তিত্বই এই জগতৰ প
মহাপ্ৰস্থান কৰিলে, সেইসকল পুৰুধা ব্যক্তিৰ শোকময় স্মৃতিত এমুঠি বেদনাসিক্ত অশ্ৰু-অঞ্জলি নিবেদিছো।

কলেজ পৰিয়ালৰ সদস্য ঃ **মাণিক বৰা (কৰ্মচাৰী)**
অসমৰ ৰাজনীতি জগতৰ কাণ্ডাৰী তথা সিংহপুৰুষ ঃ **শৰৎ চন্দ্ৰ সিংহ**
প্ৰখ্যাত ৰাজনীতিবিদ ঃ **ভৃগু ফুকন**
ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ঃ **কে. আৰ. নাৰায়ন**

*ভাষা সাহিত্য আৰু বৌদ্ধিক জগতৰ বৰেণ্য ব্যক্তি —*

সাহিত্যাচাৰ্য্য ঃ **যতীন্দ্ৰ নাথ গোস্বামী**
সাহিত্যসভাৰ সভাপতি ঃ **চন্দ্ৰ প্ৰসাদ শইকীয়া**
প্ৰৱাদ প্ৰতীম নাট্যকাৰ ঃ **মহেন্দ্ৰ বৰঠাকুৰ**
জ্ঞানপীঠ বঁটা বিজয়ী ভাৰতৰ বিশিষ্ট সাহিত্যিক ঃ **নিৰ্মল বাৰ্মা**
ভাৰতবৰ্ষৰ প্ৰখ্যাত কবি সাহিত্যিক ঃ **অমৃতা প্ৰতীম**
কেন্দ্ৰীয় মন্ত্ৰী তথা অভিনেতা ঃ **সুনীল দত্ত**
চেহনাই সম্ৰাট ঃ **ওস্তাদবিছমিল্লা খাঁ।**
ভাৰতীয় চলচিত্ৰ জগতৰ পিতৃপুৰুষ দাদাচাহেব ফাল্কে বঁটা প্ৰাপ্ত ঃ **হৃষিকেশ মুখাৰ্জী**

কাক পথাৰৰ সেনাৰ সন্ত্ৰাসত প্ৰাণ হেৰুৱা আৰু আৰু কাৰ্বি আংলংৰ জনজাতীয় লোকৰ মাজত হে
ভ্ৰাতৃদ্ৰোহী দন্দত প্ৰাণ হেৰুৱা নিৰীহ জনগণ, ভাৰত পাকিস্তান সীমান্তৰ ভূমিকম্প, অসম, দিল্লী আৰু মহাৰা
বোমা বিস্ফোৰণত হোৱা ৰেল দুৰ্ঘটনাত জীৱন নিৰ্বাপিত হোৱা জ্ঞাত-অজ্ঞাত বিশ্ববাসীৰ লগতে নিয়তিৰ নিষ্ঠুৰ
বলি, অকালতে সপোন হেৰুৱা আমাৰ মহাবিদ্যালয়ৰ স্নাতক তৃতীয় বাৰ্ষিকৰ ছাত্ৰী-সুস্মিতা কোঁৱৰ—

সকলোটি পৱিত্ৰ আত্মালৈ আমাৰ শত-সহস্ৰ শ্ৰদ্ধাঞ্জলি যাচিছোঁ।

# কৃতজ্ঞতা স্বীকাৰ

- মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হেমন্ত কুমাৰ ফুকন ছাৰ
- মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীযুত ৰঞ্জিত তামুলী ছাৰ, অধ্যাপিকা শ্ৰীমতী কাকলি সোণোৱাল বাইদেউ
- আলোচনী বিভাগৰ তত্বৱধায়ক - ড° লীলা মহন্ত বৰচেতিয়া বাইদেউ, শ্ৰীযুতা মুকুতা দাস বৰকাকতী বাইদেউ, শ্ৰীযুত জাকিৰ হুচেইন ছাৰ, শ্ৰীযুতা সংগীতা হাজৰিকা বাইদেউ।
- শিৱসাগৰ ছোৱালী কলেজ আলোচনীৰ সম্পাদনা সমিতিৰ সদস্য সকল।
- মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীসকল।
- ছাত্ৰী একতা সভাৰ সদস্যাসকল আৰু শুভাকাংশী ছাত্ৰীসকল।
- আলোচনীৰ সমূহ লেখিকা।
- শিৱসাগৰ গ্ৰাফিকচৰ স্বত্বাধিকাৰী নৰেন গগৈ, আচিক আহমেদ আৰু প্ৰেছৰ সমূহ কৰ্মীবৃন্দ।
- আলোচনীখনৰ প্ৰকাশত সাহস আৰু প্ৰেৰণা যোগোৱা সমূহ সতীৰ্থ তথা শুভাকাংশী।

—সকলোকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

— সম্পাদিকা

# সূচী পত্ৰ


শিতান/ শিৰোনামা — লেখক / লেখিকা

❑সম্পাদকীয় ঃ

**চিন্তন ঃ**

❑সংস্কৃত ভাষাৰ অতীত, বৰ্ত্তমান আৰু ভৱিষ্যত ঃ কাকলি সোণোৱাল, প্ৰৱক্তা, অসমীয়া বিভাগ /১-২

❑গ্ৰন্থাগাৰৰ বিষয়ে এটি চমু আভাস ঃ সংগীতা দাস বৰুৱা, গ্ৰন্থাগাৰ সহায়িকা /৩-৬

❑ ইউনিফৰ্মৰ প্ৰয়োজনীয়তা ঃমৌচুমী আখতাৰ /৭

❑আই. এম. ডি. টি. আইনৰ বাতিলকৰণ আৰু অসমৰ বিদেশী অনুপ্ৰবেশকাৰীৰ সমস্যা ঃ মল্লিকা দিহিঙীয়া /৮-১১

❑যুৱ উচ্ছৃংখলতা ঃ লিপিকা বড়া /১২-১৩

❑অসমৰ ছাত্ৰ সমাজৰ সুস্থ মানসিকতাৰ অপচয় ঃপল্লৱী বুঢ়াগোঁহাই /১৪

❑গ্ল'বেল ৱাৰ্মিং ঃ নিলাক্ষী দাস /১৫

❑ছাতিৰ ইতিবৃত্তি ঃ উৰ্বশী পোদ্দাৰ /১৬

❑বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ "মৃত্যুঞ্জয়"ৰ ৰাজনৈতিক দিশ ঃ মণিকা চুতীয়া /১৭-২০

❑আব্ৰাহাম লিংকনৰ বিষয়ে এটি অৱলোকন ঃ গীতাঞ্জলী কলিতা /২১-২৩

❑ জ্যোতিপ্ৰসাদৰ কাৰেঙৰ লিগিৰী ঃ মেঘালী গগৈ /২৪-২৮

**উপন্যাস ঃ**

❑এটা নেদেখা সপোনৰ শেষত ঃ লিপি ফুকন /২৯-৪০

**গল্পৰ শৰাই ঃ**

❑স্বাধীনতাৰ বিধ্বস্ত গান ঃ মিছ টুটুমণি বেগম /৪১-৪২

❑ উপলব্ধি মাথো জীৱনৰ এটি ক্ষণৰ ঃ প্ৰণতি ফুকন /৪৩-৪৪

❑অসম বন্ধৰ দিনা ঃ অনামিকা বৰুৱা /৪৫

❑দুখবোধৰ মাজতো অলপমান প্ৰশান্তিৰ অৱশেষত অনিন্দিতা ঃ অভিজ্যোতি দত্ত /৪৬-৪৭

❑ সোঁৱৰণি ঃ কাৰ্বি চলিহা /৪৮

**কবিতাৰ কুঁকি ঃ** /৪৯-৫৯

❑ কিশোৰ কুমাৰ দেউৰী, মনোৱাৰা বেগম, পল্লৱী বড়া, সংগীতা কলিতা, মৈত্ৰেয়ী গগৈ, আৰফিনা শইক... গীতাশ্ৰী দেৱী, গীতাঞ্জলী গোস্বামী, বিতুমণি নাওশলীয়া, প্ৰজ্ঞাজ্যোতি বৰুৱা, সেৱীকা দাস, আকাশ জ্যোতি দাস, লক্ষ্... দত্ত, চয়নিকা শৰ্মা, গীতা দহোটীয়া, গীতাঞ্জলী কলিতা, কিৰণবালা দেৱী, কাকুমণি গগৈ, শিৰোমণি দিহিঙীয়া, ... দুৱৰা, মৌচুমী কোঁৱৰ, মৌচুমী আখতাৰ

**গীত ঃ**

❑কুসুম ফুকন /৬০

**ভ্ৰমণ কাহিনী ঃ**

❑দিল্লী, ছিমলা, মানালী ৰ মিঠা স্মৃতিৰ পাপৰিবোৰ আৰু বহুতো.......... ঃ চয়নিকা শৰ্মা /৬১-৬৫
❑উদ্যোগজ্যোতি ২০০৫ ঃ এক শিক্ষামূলক ভ্ৰমণ ঃ আলাপিনী ফুকন, এঞ্জেলিকা বৰগোঁহাই /৬৬-৬৭

**অনুভৱ কলাজত ঃ**

❑মোৰ দৃষ্টিত “জীৱন, মৃত্যু, প্ৰেম আৰু বন্ধুত্ব” ঃ মেঘালী গগৈ /৬৮-৭০
❑হতাশাৰ পিছৰচোৰা অনুভৱ ঃ সংগীতা কলিতা /৭১-৭২
❑অনুভৱৰ এক কলাজ- বন্ধু-বন্ধুত্ব ঃ মাধবী শইকীয়া /৭৩

**নাটকঃ**

❑জীৱন থমকি নোৰোৱা হ’লে ঃ ৰচনা - প্ৰিয়ংকা বৰা /৭৪-৮০

**সংস্কৃতিৰ ৰহঘৰা ঃ**

❑নামঘৰ আৰু অসমীয়া গ্ৰাম্য সমাজ ঃ গীতাশ্ৰী দেৱী /৮১-৮৪
❑ অসমীয়া লোকসংস্কৃতিত ‘কলগছ’ ঃ ভাৰতী কোঁৱৰ /৮৫-৮৬
❑অসমৰ মুখাশিল্প ঃ জাচিংফা চাংমাই /৮৭
❑ থোৰতে শিৱসাগৰ ছোৱালী কলেজ ঃ মৌচুমী কোঁৱৰ /৮৮-৮৯

**ভিন্ন স্বাদ**

ছাত্ৰীৰ অনুভৱত কলেজখন ঃ প্ৰশ্নোত্তৰ শিতান ঃ সম্পাদনা সমিতি /৯০-৯৬
‘ৰংপুৰ’ - এক ভিন্ন অনুভৱ ঃ সংগীতা বৰুৱা /৯৭-৯৯
হোষ্টেলীয়া জীৱনৰ কিছুমান অভিজ্ঞতাৰে ঃ গংগোত্ৰী গগৈ /১০০-১০২

**বিভাগীয় সম্পাদিকাৰ প্ৰতিবেদন** ঃ /১০৩-১১৪

**ENGLISH SECTION :**

**PROSE :**

❑Gender Equality in Health Some Observations :Mrs. Sorifa Begum Doullah, Sr. Lecturer, Deptt. of Economics /115-116
❑Anger-The Dreaded Disease : Chitralekha Saikia, Office Staff /117-121
❑Women’s Role in Uprooting Terrorism : Shabarna Bhattachearjee /122-123
❑The Niagara - The Living Art : Tesha Baruah /124-125
❑The Rag - Picker : L. Bimola Devi /126
❑Handicraft - Elixir to the Rural Economy of Assam : Ajanta Borah,Lect. Deptt. of Economics, Sanjay Das, Lect. Deptt. of Geography, /127-132

**POETRY :**

❑**Peace :** Poly Gogoi, **Light up My Life :** Poly Gogoi, **Answer :** Moitrayee Gogoi, **In the Valley.....,** Shazia Ahmed Nilam
❑Result of T.D.C. Part- III Examination, 2005 /১৩৫

# সম্পাদকীয়

নৈৰ দৰে —

বৈ যায় সময়

সোপানে সোপানে

ৰ'দে বৰষুণে

দূৰ নীলিমৰ

সীমনা ভাঙি

নিৰলে নিৰলে....... ।।

সময় চিৰপ্ৰৱাহমান। একবিংশ শতিকাই গৰকা আজিৰ পৃথিৱী উন্নত প্ৰযুক্তিবিদ্যাৰ উদ্ভাৱনৰ ফলত বহু আগুৱাই গৈছে। ফলত সলনি হৈছে মানৱ সমাজৰ জীৱন ধাৰণৰ প্ৰণালীও। এনে এক যুগসন্ধি ক্ষণতে ধোঁৱা আৰু ধূলিৰ ধোঁৱাই ধূসৰিত কৰিছে আমাৰ পৃথিৱী, সংশয়ৰ মাজেৰে আগবাঢ়িছে আমাৰ সমাজ। আধুনিক মানৱ জীৱন বন্দী হৈছে যান্ত্ৰিকতাৰ স্কেচত। যান্ত্ৰিকতাই আমাৰ দেহ-মন কৰি তুলিছে সংকীৰ্ণ। এই সংকীৰ্ণতাৰ দুৱাৰ মুকলি কৰি সংশয় আৰু অনিশ্চয়তাক জয় কৰি আমি আদৰিব লাগিব সৃষ্টিৰ পাপৰিক..... । যিয়ে সজাই তুলিব এখন সম্ভাৱনাময় সমাজ।

সাহিত্য সমাজৰ দাপোন। সাহিত্যই প্ৰতিফলিত কৰে সমাজ জীৱনৰ পূৰ্ণ প্ৰতিচ্ছবি। য'ত পোৱা যায় আশা নিৰাশা, মিলন-সংঘাত, প্ৰেম-বিষাদেৰে ভৰা এখন বাস্তৱ চিত্ৰ। ঠিক সেইদৰে, শিৱসাগৰ ছোৱালী কলেজৰ এখন পূৰ্ণ প্ৰতিচ্ছবি দাঙি ধৰে এই আলোচনীখনে। শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সৃষ্টিশীল, কলাত্মক মনক পৰিচয় কৰাৰ এক অনুপম মাধ্যম হৈছে এই আলোচনীখন। জ্ঞান অন্বেষণৰ অন্যতম প্ৰতিষ্ঠান শিৱসাগৰ ছোৱালী কলেজত সৃষ্টি অন্বেষণ প্ৰক্ৰিয়া হিচাপে এইবিধ কলাৰ চৰ্চা অতীতৰে পৰা চলি আহিছে আৰু অনাগত দিনতো চলি থাকিব। কাৰণ সৃষ্টিৰ হেঁপাহ শেষ নহয় কেতিয়াও, অনাদি অনন্ত কাললৈ......

আধুনিক জীৱনৰ গতিপথে সলনি কৰিছে যুৱচামৰ মানসিকতাক। আজিৰ যুৱচামৰ মাজত আত্মবিশ্লেষণৰ অভাৱ দেখা গৈছে। ফলত যুৱচামৰ মাজত ক্ৰমশঃ উৎশৃংখলতা বৃদ্ধি পোৱা দেখা গৈছে। এনে উচ্ছৃংখল অৱস্থাৰ মূল কাৰণ হৈছে শিক্ষাৰ প্ৰতি অনিহা আৰু কৰ্মবিমুখিতা। আজিৰ যুৱচাম কৰ্মবিমুখ হৈ পৰাৰ লগতে বিবেতকৈ আবেগক অধিক প্ৰাধান্য দিবলৈ ধৰিছে আৰু অতি কম আয়াসতে ধনবান হ'বলৈ বিচাৰে। এইদৰে যুৱচামৰ মাজত কৰ্মসংস্কৃতিৰ ঠাইত দুসংস্কৃতিয়ে গা কৰা দেখা গৈছে। ফলত "সপোনৰ সমাজ গঢ়াত যুৱ চামৰ ভূমিকা।" — এই বিষয়ক লৈ চৰম সংশয়ে দেখা দিছে। গতিকে এখন সপোনৰ সমাজ গঢ়িবলৈ হ'লে ৰঘুমলাৰ দৰে বিয়পি পৰা দুসংস্কৃতিক নিৰ্মূল কৰি এখন সংস্কৃতিবান সমাজ গঢ়াৰ সময় সমাগত। ইয়াৰ বাবে আগবাঢ়ি আহিব লাগিব যুৱচাম। সেয়ে, যুৱচামৰ মানসিকতাক প্ৰথমে উত্তৰণ ঘটাব লাগিব। যুৱচামক শাৰীৰিক, মানসিক, অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক আদি সকলো দিশতে প্ৰয়োজনীয় জ্ঞান প্ৰদান কৰিব লাগিব। আনহাতে যুৱচামেও আত্মবিশ্লেষণৰ জৰিয়তে উক্ত বিষয়ত আগ্ৰহ প্ৰকাশ কৰি জ্ঞান আহৰণ কৰিব লাগিব। যাৰ ফলত আমাৰ সমাজ চৰম সংকটৰ পৰা মুক্ত হ'ব। গতিকে আহক আমি সকলোৰে মিলি এখন নতুন তথা সুন্দৰ সমাজ গঢ়াৰ সপোন ৰচো আৰু সংকল্পবদ্ধ হওঁ।

মৌচুমী কোঁৱৰ

সম্পাদিকা

# সংস্কৃত ভাষাৰ অতীত, বৰ্ত্তমান আৰু ভৱিষ্যত

কাকলি সোণোৱাল
প্ৰৱক্তা, অসমীয়া বিভাগ

Mahatma Gandhi Said, " Without the study of Sanskrit are cannot become a true Indian and a true learned man."

भारतभूषा संस्कृतभाषा विलसतु हृदये हृदये।
संस्कृतशिक्षा राष्ट्रसमृद्धिः भवन्तु हि भारत देशे॥

সংস্কৃত ভাৰতবৰ্ষৰ আদিমতম ভাষা। এই ভাষাক লোকভাষা আৰু দেৱভাষা বুলিও কোৱা হয়। কিয়নো পোনতে সংস্কৃত লোকসমাজৰ ভাষাৰ লগত দেৱতাসকলৰো ভাষা আছিল।

আদিকবি "বাল্মীকি" য়ে সহচাৰী বিয়োগত কাতৰ ক্ৰৌঞ্চ পক্ষীৰ বেদনা দেখি আচম্বিতে অভিশাপ বাণী উচ্চাৰণ কৰিলে —

"মা নিষাদ প্ৰতিষ্ঠাং ত্বমগমঃ শাশ্বতী সমাঃ।
যৎ ক্ৰৌঞ্চমিথুনাদেকম বধীঃ কামমোহিত্ম ।।"

মাত্ৰ দুটা শাৰীত উচ্চাৰিত হোৱা এই শ্লোকটোৱেই তেওঁৰ মনত স্ৰষ্টাৰ সংহত আবেগক জগাই তুলিলে-

"তমেখৌ ব্ৰুৰতশ্চিন্তো বভূব হৃদি বীক্ষতঃ।
শোকৰ্তানস্য শকুনেঃ কিমিদং ব্যাহৃতং ময়া।।"

অৰ্থাৎ বাল্মীকি মুণিয়ে ব্যাধৰ প্ৰতি এইদৰে অভিসম্পাত কৰি চিন্তা কৰিলো - "কিমিদং ব্যাহৃতংময়া" মই চৰাইটোৰ শোকত আকুল হৈ এয়া কি কাম কৰিলোঁ। তেওঁ বাৰে বাৰে এইদৰে চিন্তা কৰিলে আৰু তাৰ পাছত ভাবিবলৈ ধৰিলে —

"পাদবদ্ধোহক্ষৰ মন্তন্ত্ৰী লয়সমন্বিতঃ।
শোকাৰ্তস্য প্ৰবৃত্তো যে শ্লোকো ভৱতু নান্যথা।।"

অৰ্থাৎ মোৰ মুখৰ পৰা যি বাক্য নিঃ সৃত হ'ল সি সমাক্ষৰ পদনিবন্ধ আৰু তন্দ্ৰীলয়সমন্বিত। এই বাক্য যেতিয়া শোকসহকাৰে কণ্ঠৰ পৰা সমুচ্চাৰিত হৈছে সেয়ে ই শ্লোক নামেৰে পৰিচিত হওঁক। এইদৰে আদিকবি বাল্মীকিৰ শোকাৰ্তচিত্তৰ আবেগমথিত বাঙ্ময় আত্মপ্ৰকাশ সংস্কৃত ভাষাতেই আৰম্ভ হৈছিল।

আজিৰ পৰা প্ৰায় হাজাৰ হাজাৰ বছৰৰ আগতেই গছৰ তলত বহি গছৰ বাকলিতে ঋষিমুণিসকলে ৰচনা কৰি থৈ গৈছিল বেদ, বেদান্ত, ধৰ্মশাস্ত্ৰ, নাট্যশাস্ত্ৰ, তৰ্কশাস্ত্ৰ, চিকিৎসাশাস্ত্ৰ, সংগীতশাস্ত্ৰ, জ্যোতিষশাস্ত্ৰ, পুৰাণ, মহাকাব্য আদি সংস্কৃতত ৰচিত গ্ৰন্থসমূহ। এই ফালৰ পৰা বিচাৰ কৰিলে আজিও সংস্কৃত সাহিত্যকেই শ্ৰেষ্ঠ সাহিত্যৰাজিৰ ভিতৰত ধৰিব পাৰি। ইয়াৰ উপৰিও পুৰণিকালত বিশ্বৰ বিভিন্ন প্ৰান্তৰপৰা বহু পণ্ডিতে যাতায়তৰ অসুবিধা থকা সত্বেও বেদ, উপনিষদ আদিৰ অধ্যয়ন কৰিবলৈ ভাৰতবৰ্ষৰ নালন্দা বিশ্ববিদ্যালয়, তক্ষশীলা বিশ্ববিদ্যালয়লৈ আহিছিল, য'ত সংস্কৃত ভাষাতেই শিক্ষা প্ৰদান কৰা হৈছিল।

পৃথিৱীৰ সকলো ভাষাৰ সাহিত্যতে আছে মহাকাব্য, বেদ, উপনিষদৰ প্ৰভাৱ আছে। আমেৰিকা, চীন, জাপান, ফ্ৰান্স আদি বিদেশী ৰাষ্ট্ৰই বেদ-ভাষা, সংস্কৃত ভাষাৰ অধ্যয়ন আৰু গৱেষণাৰ কাম আৰম্ভ

কৰিছে, যাতে নতুন নতুন তথ্য উদ্ভাৱন কৰিব পাৰে। পৃথিৱীৰ প্ৰায় ১১০ টা বৈজ্ঞানিক গৱেষণা সংস্থাত সংস্কৃতশাস্ত্ৰ বিষয়ক অধ্যয়ন চলি আছে। Computer বৈজ্ঞানিক সকলেও সংস্কৃত ভাষাৰ অধ্যয়ন আৰম্ভ কৰিছে। সেই হিচাবে অনতি পলেমে Computer তো এই ভাষাৰ প্ৰয়োগ হ'ব।

Sanskrit As a Indian Language :

1. There are nine Sanskrit Universities in India and one in Nepal.
2. Sanskrit is tought in about 250 Universities in about forty Countries.
3. There are about five thousand traditional Sanskrit Pothashalas.
4. About three Crore students study Sanskrit from class I to XII.
5. News in Sanskrit All India Radio and Doordarshan.
6. Nearly Sixty Sanskrit magazines are also being brought out.
7. There are some villages in India where everybody communicates in Sanskrit as a matter of routine.

ভাৰতবৰ্ষৰ চাৰিখন গাঁৱত সংস্কৃতকেই মাতৃ ভাষাৰ ৰূপত গঢ় দি এতিয়া তাত কেৱল সংস্কৃত ভাষাই হৈছে একমাত্ৰ ভাৱপ্ৰকাশৰ ভাষা। ইয়াৰে ভিতৰত অসমৰ গহপুৰৰ নিকটবৰ্ত্তী "গমিৰি" নামৰ গাওঁখনক সম্পূৰ্ণ সংস্কৃত গ্ৰাম্য ৰূপে আখ্যা দিয়া হৈছে।

প্ৰতিবছৰে শ্ৰাৱণী পূৰ্ণিমাৰ দিনটো "সংস্কৃত দিৱস" ৰূপে পালন কৰা হয়। যোৱা কেইবছৰমানৰ পৰা সমগ্ৰ ভাৰতবৰ্ষত এই "সংস্কৃত দিৱস" বৰ ধুমধামেৰে পালন কৰি আহিছে। সাম্প্ৰতি ভাৰতৰ লগতে বিদেশতো এই ভাষাই প্ৰচুৰ সমাদৰ লাভ কৰা দেখা গৈছে। দিল্লীৰ সংস্কৃত ভাৰতী, বিশ্ববিদ্যালয় অনুদান আয়োগ, প্ৰচাৰ ভাৰতী আদি অনুষ্ঠান সমূহেও সংস্কৃত ভাষাৰ প্ৰচাৰত উঠি পৰি লাগিছে। এইদৰে সকলোৰে সহযোগিতাত এদিন সংস্কৃত ভাষাই দেৱভাষাৰ পৰা পুনৰ লোকভাষা আৰু মাতৃভাষা ৰূপে প্ৰচলন হ'ব বুলি আশা কৰিব পাৰি।

" अमृतं मधुरं सम्यक संस्कृतं हि
ततौधिकम्। "

অৰ্থাৎ অমৃত সঁচাকৈয়ে মধুৰ, কিন্তু সংস্কৃত তাতোকৈ মধুৰ।।

❑❑❑

আমি আমাৰ সন্মুখৰ বাধা-বিঘিনি আওকান কৰিলে সি দূৰ নহয়।
তাৰ সন্মুখীন হ'ব পাৰিব লাগিব।

— জৱাহৰলাল নেহৰু

# গ্ৰন্থাগাৰৰ বিষয়ে এটি চমু আভাস

সংগীতা দাস বৰুৱা
গ্ৰন্থাগাৰ সহায়িকা

"গ্ৰন্থাগাৰ" বুলিলে সাধাৰণতে বুজা যায় পুথিভঁৰালৰ কাৰ্য্যক্ৰমণিকাত কেৱল কিতাপ-পত্ৰ সংগ্ৰহ আৰু ৰুচিবোধ অনুসৰি পঢ়ুৱৈসকললৈ কিতাপ আদি যোগান ধৰি সেৱা আগবঢ়োৱা। পূৰ্বতে Record Room আৰু Library ৰ মাজত কোনো পাৰ্থক্য নাছিল। প্ৰকৃততে গ্ৰন্থাগাৰ বুলিলে এনে এটি অনুষ্ঠানক বুজা যায় - যি গ্ৰন্থাগাৰত সংগ্ৰহ কৰা সম্পদখিনিৰ দ্বাৰা আৰু সমস্ত জগতখনত বিস্তাৰিক হৈ থকা তথ্য সংগ্ৰহৰ দ্বাৰা পৃথিৱীৰ সকলো ব্যক্তিৰ জ্ঞান বৃদ্ধি কৰাত, সুস্থ চিন্তাধাৰাক ভাল কামত ব্যৱহাৰ কৰাত সহায় কৰা আৰু ব্যক্তিত্ব গঢ়ি তোলাত সকলো ফালৰপৰা সহয় কৰা। খ্ৰীঃ দ্বিতীয় আৰু তৃতীয় শতিকাৰ বেবিলন, ইজিপ্ত আদিৰ মঠ-মন্দিৰ বিলাকত বহুতো Clay Tablets ত তথ্য সংগ্ৰহ কৰি সাঁচি ৰখা হৈছিল। যাক তেতিয়াৰ দিনতে সংগ্ৰহালয় বা গ্ৰন্থাগাৰ বুলি ক'ব পৰা গৈছিল। লাহে লাহে মানুহে শিল, ইটা, গছৰ বাকলি, জন্তুৰ শুকান ছাল আদিতো তথ্য সংগ্ৰহ কৰি সাঁচি ৰাখিছিল।



মধ্যযুগৰ শেষৰ ফালে যিবিলাক বিশ্ববিদ্যালয়ৰ পুথিভঁৰাল নতুনকৈ গঢ়লৈ উঠিছিল, যিবিলাক তেতিয়াৰ দিনত মঠ-মন্দিৰবিলাকৰ (Monestries) লগত জড়িত হৈ আছিল, যি মঠ-মন্দিৰ বিলাক জ্ঞান বিস্তাৰৰ কেন্দ্ৰ আছিল তাত অকল ধনী শ্ৰেণীয়েহে কিতাপ-পত্ৰ পঢ়াৰ-ব্যৱহাৰ কৰাৰ সুবিধা পাইছিল কাৰণ তেতিয়াৰ দিনত কিতাপ পত্ৰৰ দামো বহুত বেছি আছিল যাৰ বাবে সাধাৰণ মানুহৰ সেইবোৰ ব্যৱহাৰ কৰাৰ ক্ষমতা নাছিল।

১৩ শ, ১৪ শ আৰু ১৫ শ শতিকাত ব্যক্তিগত ভাৱে কিতাপ-পত্ৰ সংগ্ৰহ আৰু সংৰক্ষণৰ ঘৰ হিচাবে গ্ৰন্থাগাৰ উন্নতি কৰা দেখা যায়। Gutenberg ৰ Printing Machine উদ্ভাৱন পিছৰপৰা কিতাপ-কাগজ যথেষ্ট ভাৱে ছপা হোৱাত সাধাৰণ মানুহে সেইবোৰ ব্যৱহাৰ কৰিবলৈ ল'লে, লগতে ধনী শ্ৰেণীয়ে নিজাববীয়াকৈ পুথিভঁৰালত Medicine, Herbals, Devotional Works ৰ তথ্য সংগ্ৰহ কৰিবলৈ ল'লে।

Franch ৰ Cardinal Mazarin ৰ ব্যক্তিগত সংগ্ৰহখিনিও লেখত ল'বলগীয়া ধৰণৰ আছিল যাক এটা উন্নত মানৰ ব্যক্তিগত গ্ৰন্থাগাৰ বুলিব পাৰি। ১৫৮৪ চন মানত Madrid ৰ Escordial গ্ৰন্থাগাৰত বাকচৰ দৰে কোঠালী-কোঠালী কৰি কিতাপ পত্ৰ সজাই মধ্যযুগীয় ধৰণেৰে থিয় কৰোৱা হৈছিল।

১৯ শতিকাৰ মাজৰপৰাহে মানুহে গ্ৰন্থাগাৰৰ ব্যৱহাৰ আৰু প্ৰয়োজনীয়তা উপলব্ধি কৰিবলৈ ধৰিলে। সামাজিক, ৰাজনৈতিক আৰু উদ্যোগিক ইত্যাদিৰ পৰিবৰ্ত্তনৰ লগে লগে মানুহৰ চিন্তাধাৰাৰো পৰিবৰ্ত্তন হ'বলৈ ধৰিলে। লগে লগে মানুহৰ শিক্ষাৰ উন্নতি হোৱাত গ্ৰন্থাগাৰৰ প্ৰয়োজনীয়তাও আহি পৰিল।

কুৰি শতিকাৰ আৰম্ভনিৰ পৰাই Dr. S. R. Ranganathan আৰু তেখেতৰ সমসাময়িক ব্যক্তিত্বপূৰ্ণ

লোকৰ প্ৰচেষ্টাৰ ফলতেই পূৰ্বৰ গ্ৰন্থাগাৰবিলাকে বিস্তৃতি আৰু বৈজ্ঞানিক পদ্ধতিত প্ৰতিষ্ঠিত হ'বলৈ সক্ষম হয়। এই প্ৰসংগত বিশ্বৰ কিছুমান অতি নামধাৰী গ্ৰন্থাগাৰৰ নাম উল্লেখ কৰিব পাৰি। 1. National Library হিচাবে British Libary in London, The Library of Congress in Washington D.C., Lenin Libary of Moscow (USSR), Calcutta National Libary, 2. University & Research Lobary হিচাবে Harvard University Libary at Cmabridge ৰ নাম ল'ব পাৰি। 3. Public Libary হিচাবে New York Public Libary, Boston Public Libary ৰ নাম ল'ব পাৰি। 4. Special Library হিচাবে National reference Library of Science & Invention ৰ নাম ল'ব পাৰি যিটো বৰ্ত্তমান British Libary ৰ অংশ। 5. আৰু আছে School Libary বিলাক। 6. Private Library হিচাবে Shakespeare Libary of Washington ৰ নম ল'ব পাৰি। আৰু আছে Arehives বিলাক। উদাহৰণ হিচাবে US National Arehives, The British Public Record Office, Archives Nationa in Franch.

ইয়াৰে Lenin State Libary, Moscow ত ২৪,০০০,০০০ তকৈও বেছি Printed Books, Periodicals Serial আৰু 3,45,000 Manuscripts আছে। আৰু লগতে Soviet Union ত সদ্যপ্ৰকাশিত হৈ থকা Publications বিলাক আছে। এইয়া এটা বিশ্বৰ সৰ্ব্ববৃহৎ পুথিভঁৰালৰ উদাহৰণহে মাত্ৰ। ওপৰত উল্লেখ কৰা গ্ৰন্থাগাৰবিলাক অধুনিক প্ৰযুক্তিবিদ্যাৰে সু-সজ্জিত আৰু অতি উন্নতমানৰ গ্ৰন্থাগাৰ।

চীন, ৰাচিয়া আদি দেশতো অতিতৰেপৰা গ্ৰন্থাগাৰক প্ৰাধান্য দিয়া হৈছিল। আমাৰ ভাৰততো নালন্দা, মিথিলা আদিতো গ্ৰন্থাগাৰৰ থকাৰ উল্লেখ আছে। তেতিয়াৰ দিনত মঠ-মন্দিৰ আদিৰ দৰে ধৰ্ম্মীয় অনুষ্ঠান বিলাকতহে ৰাজগৃহৰদ্বাৰা গ্ৰন্থাগাৰ সমূহ সংগ্ৰহ কৰা হৈছিল। অসমতো বহুত মানুহৰ ঘৰত সাঁচিপাতত মন্ত্ৰ আদি লিখি আৰু অসমৰ সত্ৰ সমূহতো গ্ৰন্থ সংগ্ৰহ কৰাৰ উল্লেখ আছে। মানুহৰ চিন্তাধাৰৰ উন্নতি হোৱাৰ লগে-লগে গ্ৰন্থাগাৰৰ আৰু ইয়াৰ কাম-কাজ বিলাকৰো পৰিৱৰ্ত্তন হ'ব ধৰিছে।

বৰ্ত্তমান যুগত গ্ৰন্থাগাৰৰ আন্দোলন প্ৰতিখন দেশতে সম্প্ৰসাৰিত হৈ আহিছে আৰু ইয়াৰ ফলত ভাৰতকে ধৰি প্ৰত্যেকখন দেশৰ ৰাজ্যিক, জিলা, মহকুমা ভিত্তিক আৰু ঠিক সেইদৰে বিশ্ববিদ্যালয়, মহাবিদ্যালয় আৰু প্ৰায়বিলাক বিদ্যালয়তে সৰু-বৰ বিভিন্ন ধৰণৰ গ্ৰন্থাগাৰ পৰিচালিত হৈ আহিছে আৰু ইয়াৰ পৰাই ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, চিকিৎসক, অভিযন্ত্ৰা, গৱেষকসকল উপকৃত হৈ আহিছে। কিন্তু এই গ্ৰন্থাগাৰে যোগান ধৰা সেৱা অতি সীমিত অৱস্থাতে আছে বুলি ক'ব পৰা যায়।

বৰ্ত্তমান যুগত আধুনিক গ্ৰন্থাগাৰ বিলাকৰ কাম কাজ বিলাক বিভিন্ন ধৰণৰ। এই কাম-কাজবিলাকৰ ভিতৰত পূৰ্ব্বৰ পৰম্পৰাগত কাৰ্য্য যেনে - পঢ়ুৱৈসকললৈ কিতাপ পত্ৰ যোগান ধৰা, বিভিন্ন ধৰণৰ তথ্য সংগ্ৰহ কৰি যোগান ধৰা ইত্যাদি এতিয়াও প্ৰধান কাম হিচাবে অব্যাহত আছে। এই কাম-কাজ বিলাকৰ উপৰিও বৰ্ত্তমান যুগত বহুত গ্ৰন্থাগাৰে Intrernet অৰ্থাৎ Computer Networking ৰ যোগেদি গ্ৰন্থাগাৰৰ সম্পদৰ ভাগ বতৰা কৰিব পাৰে। বহুত গ্ৰন্থাগাৰে Computer ব্যৱহাৰ কৰি Cataloging, Indexing আদি কামবোৰ কৰে। বৰ্ত্তমান Dewey Decimal Classification খন C.D. ৰ আকাৰত বনাই গ্ৰন্থাগাৰৰ Classification ৰ কামো Computer ৰ যোগেদি কৰিবৰ বাবে চেষ্টা কৰি থকা হৈছে।

বৰ্ত্তমান যুগত বিভিন্ন ধৰণৰ বা-বাতৰি যোগান ধৰা, জ্ঞান বৃদ্ধি কৰা, গৱেষণাগাৰৰ সকলো ধৰণৰ তথ্য প্ৰয়োজন অনুসৰি আৰু বিচাৰমতে যোগান ধৰা কামবিলা সম্পূৰ্ণ কৰিবৰ কাৰণে বৰ্ত্তমান যুগৰ গ্ৰন্থাগাৰ

বিলাক সু-সজ্জিত হৈ থাকিব লগা হয়। এই কামবিলাকৰ বাবে Microform, Motion Picture Film, Audio Tape Recording, T.V. Electronic Media যেনে CD- Rom, Worm, Floppy ইত্যাদিৰ ব্যৱহাৰ কৰা হয়।

বৰ্ত্তমান উল্লেখ কৰা কথাখিনি আধুনিক গ্ৰন্থাগাৰৰ সন্দৰ্ভতহে কোৱা হৈছে। অধুনিক গ্ৰন্থাগাৰ বুলিলে যি বিলাক সা-সুবিধাৰ প্ৰয়োজন হয় সেই সা-সুবিধাবিলাক যোগান ধৰিবৰ বাবে বৃহৎ পৰিমাণৰ ধনৰ প্ৰয়োজন হয়। এই ক্ষেত্ৰত ভাৰতত ৰাজ্যিক চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে বিশ্ববিদ্যালয় অনুদান আয়োগ আৰ্থাৎ UGC ৰ যোগেদি কিছু পৰিমাণৰ ধন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়বিলাকলৈ যোগান ধৰি আহিছে। কিন্তু Computer ৰ ব্যৱহাৰ, Internet স্থাপন, উন্নত মানৰ Software Package ৰ ব্যৱহাৰ কৰিবলৈ বিভিন্ন ধৰণৰ আহিলাবিলাক সংগ্ৰহ কৰিবলৈ এই ধন যথেষ্ট নোহোৱাৰ বাবে এই গ্ৰন্থাগাৰবিলাক সম্পূৰ্ণ আধুনিকীকৰণ কৰিব পৰা হোৱা নাই।

ইয়াৰোপৰিও প্ৰতিটো গ্ৰন্থাগাৰতে অভিজ্ঞতা সম্পন্ন মানৱ সম্পদৰো (Experienced Personnel) প্ৰয়োজন হয়। "If the motto (মুলমন্ত্ৰ) of Library Personnel is who cares (আৰ্থাৎ কাকো মই গণ্য নকৰো) nothing good can be expected of such Library. On the other hand if the motto is "We care and we care much." অৰ্থাৎ আমি বেছিকৈ প্ৰাধান্য দিও বা যত্ন লও গ্ৰন্থাগাৰত সংগৃহীত বস্তুলিবাক আৰু পঢ়ুৱৈসকলৰ প্ৰতি, তেন্তে "The reputation of the Library will definetely go-up and every user of such Library will be able to get satisfaction to the best."

চৰকাৰীভাৱে স্থাপন কৰা জিলা ভিত্তিক গ্ৰন্থাগাৰবিলাক বিশেষকৈ অসমত যথেষ্ট পিছপৰি আছি। গাঁৱে-ভূঞে শিক্ষাৰ প্ৰসাৰৰ বাবে বিভিন্ন শিক্ষানুষ্ঠানত থকা গ্ৰন্থাগাৰবিলাক অধুনীকিকৰণ কৰাৰ বাবে ব্যৱস্থা হাতত লোৱাটো অতি প্ৰয়োজন বুলি আমি ভাৱো।

Library collections are described as "Instructors of Instructor" অৰ্থাৎ গ্ৰন্থাগাৰৰ সংগ্ৰহবিলাক যেনে- Books, Periodicals, Journal, News Paper, Collects of Antique Piece, Museum আদিক Instructior of Instructors বুলি কোৱা হয়। কাৰণ এই গ্ৰন্থাগাৰৰ Collection বোৰেও এজন প্ৰশিক্ষক বা Instructor এজনৰ দৰেই কাম কৰে। অৰ্থাৎ সকলো ধৰণৰ পঢ়ুৱৈৰে এই প্ৰশিক্ষক বা বোৰৰ পৰাই জ্ঞান আহৰণ কৰে। এই Collection বোৰকেই "নীৰৱ প্ৰশিক্ষক" বুলি কোৱা হয়। অৰ্থাৎ " The library collections are inanimated objects (মুখেৰে নমতা) but they act as living organisms and quite capable of giving education to people. Not only they are of different kinds but also can provide diferent types of knowledge on different sunject fields. These collections helps the student and research scholar as instructor and are capable of provide necessary instructions.

শিক্ষা হ'ল নিজক বুজিবৰ বাবে আৰু নিজক মানুহৰূপে গঢ়িবলৈ আয়ত্ব কৰা এক সংস্কাৰ মাত্ৰ। প্ৰকৃততে শিক্ষা বুলি কওঁতে একমাত্ৰ পাঠ্যপুথিৰ জ্ঞানতে শেষ নহয়। বহল অৰ্থত শিক্ষা বা জ্ঞানৰ পৰিধি অসীম যাক সাধাৰণ মানুহে সীমিত বুদ্ধিৰে ঢুকি নাপায়। জ্ঞান আহৰণৰ বাবে অধ্যয়নৰ প্ৰয়োজন হয়। অধ্যয়ন অবিহনে সঠিত জ্ঞান আহৰণ সম্ভৱ নহয়। "অধ্যয়ন" বুলিলে সাধাৰণতে অকল গ্ৰন্থ অধ্যয়নকেই ধৰি লোৱা হয়। আচলতে এই শব্দটো ধাৰণাটো ইমান ঠেক নহয়- বহুত বহল। বৰ্ত্তমান অধ্যয়নে গ্ৰন্থ অধ্যয়নকেই ধৰি কোনো এটা ঘটনা, বা সমস্যা পদ্ধতিগত ভাৱে পৰীক্ষা নিৰীক্ষা কৰা, বিশ্লেষণ কৰা, জৰীপ কৰা, অনুসন্ধান কৰা, পুনৰিক্ষণ

কৰা আৰু গৱেষণা কৰা আদি সকলোখিনিকেই সামৰি লৈছে। এই অধ্যয়নৰ ফলতেই আমি কিবা এটা জানিবলৈ সক্ষম হওঁ। অৰ্থাৎ জ্ঞান পাব পাৰো আৰু অধ্যয়নৰ ফলত যি জ্ঞান লাভ হয় তাক লিপিবদ্ধ কৰিয়েই গ্ৰন্থৰ সৃষ্টি হয় অৰ্থাৎ গ্ৰন্থত জ্ঞান সাঁচি ৰখা হয় আমাৰ সকলোৰে ভৱিষ্যতবোৰৰ বাবেই। অধ্যয়নৰ অভ্যাস নেথাকিলে অকল বাহিৰা কথাৰে জ্ঞান লাভ কৰাটো ইমান সহজ নহয়। তাৰবাবে পঢ়াৰ অভ্যাস লাগিব। অকল গ্ৰন্থ অধ্যয়নৰ অভ্যাস থাকিলেই নহ'ব, কিতাপ পত্ৰৰ প্ৰতি শ্ৰদ্ধা ভক্তি লাগিব। একোখন গ্ৰন্থত একোজন জীৱিত বা মৃত মানুহৰ সুস্থ চিন্তাধাৰাক লিপিবদ্ধ কৰি ৰখা হয়। মানুহজন জীৱিত নহ'লেও আমি তেখেতে লিখি থৈ যোৱা গ্ৰন্থখনৰ মাজেদিয়েই তেখেতক লগ পাব পাৰো, তেখেতৰ চিন্তাধাৰাক বুজি পাব পাৰো। আনহাতে শিক্ষত মানুহজন জ্ঞানী নহ'লেও কোনো বিদ্যাৰ বা শিক্ষাৰ মূল্য নাথাকে। অৰ্থাৎ তেওঁৰ শিক্ষাৰ অৰ্থ অসাৰ হয়। সেইবাবে আমি ভাবো সমাজত শিক্ষিত আৰু জ্ঞানী শ্ৰেণীটোৱে ভালপথ প্ৰদৰ্শন কৰি সমাজক শুদ্ধ পথে পৰিচালিত কৰি নতুন চামৰ মাজত শিক্ষাৰ আৰু জ্ঞানৰ প্ৰতি ধাউতি জন্মাত সহায় কৰে যেন।

পঢ়ুৱৈ সকলৰ বাবে অধ্যয়নৰ পৰিবেশটোও অত্যন্ত জৰুৰী কথা। ছাত্ৰী-ছাত্ৰী, অন্যান্য পঢ়ুৱৈসকলক আমি এটা গ্ৰন্থ অধ্যয়নৰ পৰিবেশ দিব পাৰিব লাগিব। ঘৰতেই সৰুৰেপৰা শিশু সকলক আমি পঢ়াৰ পৰিবেশ এটা গঢ়ি দিলে ভৱিষ্যতে ডাঙৰহৈ নিজেও এটা সুস্থ পঢ়াৰ অভ্যাস পৰিবেশ গঢ়ি ল'ব পাৰে। পঢ়াৰ অভ্যাস নথকাকৈ আৰু পঢ়াৰ পৰিবেশ নোহোৱাকৈৰে বহুত ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়-বিশ্ববিদ্যালয় পৰা ওলাই গৈছে। মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰবিলাকত কিছু পৰিমাণে হ'লেও পঢ়াৰ পৰিবেশ এটা আছেই।

আজিকালি বিবাহ-উৎসৱ, জন্মদিন আদিত উপহাৰ হিচাবে কোনেও গ্ৰন্থ উপহাৰ নিদিয়ে আৰু হাতত কিতাপৰ দৰে সৰু এটি উপহাৰ কিনি নি মানুহে দেখোন দিবলৈও বৰ সংকোছবোধ কৰে যেন বৰ পাতল বস্তু এটাহে দিয়াৰ দৰে হয়। দোকানবিলাকতো Text Book, Reference Book (Matric, Higher Secondary Level ৰ Suggestion Book) আদি কিতাপৰ বাহিৰে অন্য কিতাপৰ বিক্ৰীও বহুত কম হয় বুলি বিক্ৰেতাসকলেও আক্ষেপ কৰে।

সৰ্বশেষত, শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ বিষয়ে দুষাৰ কথা উনুকিওৱা ভাল হ'ব। এই মহাবিদ্যালয়খন স্থাপন হোৱাৰ লগে লগে অৰ্থাৎ ১৯৪৬ চনতে ইয়াৰ গ্ৰন্থাগাৰৰ কাম কাজো আৰম্ভ হয়। ১৯৬৪ চনতেই অৰ্থাৎ প্ৰথম অৱস্থাত ইয়াৰ কিতাপৰ সংখ্যা আছিল ১৫১ খন। বহুত দান-বৰঙণি, মহাবিদ্যালয়ৰ পইচা আৰু বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ সহায়- সহযোগত এতিয়া অৰ্থাৎ ২০০৬ চনৰ মাজভাগলৈকে ইয়াৰ কিতাপৰ সংখ্যা প্ৰায় ৩০,০০০ খন হৈছেগৈ। দৈনিক বাতৰি কাকত, সাপ্তাহিক কাকত, আলোচনী, জাৰ্নেল আদিৰ সংখ্যাও ইয়াত যথেষ্ট উন্নত মানৰ। ইয়াত "INFLIBNET" ৰ "SOUL" Software Package ও Computer ৰ যোগেদি স্থাপন কৰাৰ চেষ্টা কৰি থকা হৈছে।

এটা গ্ৰন্থাগাৰ এখন সমাজৰ হৃদপিণ্ডৰ দৰে। সামাজিক অনুষ্ঠান হিচাবে গ্ৰন্থাগাৰে ইয়াত পঢ়াৰ পৰিবেশ, অধ্যয়নৰ অভ্যাস গঢ়ি তুলি ভৱিষ্যতে এটি উন্নত মানৰ আধুনিক পদ্ধতিৰে সু-সজ্জিত হৈ জ্ঞানৰ পোহৰ বিলাই উন্নতিৰ দিশত আগুৱাই যাব পাৰে যেন তাৰেই কামনা কৰা হ'ল।

□□□

# ইউনিফৰ্মৰ প্ৰয়োজনীয়তা

মৌচুমী আখতাৰ
উচ্চতৰ মাধ্যমিক শ্ৰেণী (বিজ্ঞান)

ইউনিফৰ্ম বা একেআগী পোছাক পৰিধান কৰাটো আজিৰ যুগৰ সৃষ্টি নহয়। অতীজতে ভাৰতবৰ্ষত শিষ্য সকলে গুৰুৰ আশ্ৰমত থাকি শিক্ষা গ্ৰহণ কৰাটো এক পৰম্পৰা আছিল। ৰাজপুত্ৰই হওক বা ঋষি পুত্ৰই হওক, শিক্ষা গ্ৰহণ কালত শিষ্যত্ব গ্ৰহণ কৰি গাত পিন্ধিছিল গেৰুৱা বসন, ভৰিত খৰম, ডিঙিত ৰুদ্ৰাক্ষৰ মালা। যাক দেখি থমকি ৰৈছিল ৰজা-মাহৰজাৰো ৰথ আৰু প্ৰণাম জনাইছিল নতশিৰে।

ভাৰতীয় সংস্কৃতি হৈছে সমন্বয়ৰ সংস্কৃতি। য'ত দেখা যায় "অনৈক্যৰ মাজত ঐক্য"। যিটো আমাৰ বিদ্যালয় মহাবিদ্যালয় সমূহলৈ আনি দিছে ইউনিফৰ্মে। আমি বিদ্যাৰ্থীসকলে বিভিন্ন পাৰিপাৰ্শ্বিক অৱস্থাত বিভিন্ন পৰিবেশৰ পৰা আহি একত্ৰিত হওঁ বিদ্যা অৰ্জনৰ বাবে বিদ্যালয় সমূহত। ইউনিফৰ্মে আমাৰ মাজত একতা প্ৰতিষ্ঠা হোৱাত সহায় কৰে। না না তৰহৰ পোছাক পৰিধান কৰা হ'লে হয়তো আমাৰ মাজত এক শ্ৰেণী বৈষম্যৰ সৃষ্টি হ'লহেতেন। হয়তো উন্নত সাজ-সজ্জা তথাকথিত সমাজৰ জাকজমকতাই একশ্ৰেণীৰ বিদ্যাৰ্থীক মনোকষ্ট দিলেহেতেন। কাৰণ একে কিছুমান বিদ্যাৰ্থী দেখা যায় যি বিদ্যাঅৰ্জনৰ পৰিবৰ্তে নিজৰ সামাজিক মৰ্যদা সাজ-পাৰৰ যোগেদি প্ৰতিপন্ন কৰিব বিচাৰে। গতিকে এনে পৰিবেশত অৰ্থনৈতিক ভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীৰ শিক্ষা গ্ৰহণত মনোকষ্টই দেখা দিলেহেতেন। ইউনিফৰ্মে এই ক্ষেত্ৰত যথেষ্ট সকাহ প্ৰদান কৰিছে।

যিদৰে দেশৰ প্ৰতিৰক্ষা বিভাগৰ পোছাকৰ যোগেদি প্ৰতিৰক্ষা বিভাগত বৈশিষ্টতা প্ৰকাশ পায়, ঠিক সেইদৰেই প্ৰত্যেক শিক্ষানুষ্ঠানৰ পোছাকেও এক সুকীয়া বৈশিষ্ট ফুটাই তোলে।

একেআগী পোছাকে কৰ্মশক্তি প্ৰদান কৰে। আৰক্ষী, উকীল, ডাক্টৰ আদি বিভিন্ন বৃত্তিধাৰী লোকসকলে নিজৰ ইউনিফৰ্ম পৰিধান কৰাৰ লগে লগে নিজৰ কৰ্ত্তব্যৰ কথা সোঁৱৰে, ঠিক সেইদৰেই আমি বিদ্যাৰ্থী সকলেও নিজৰ ইউনিফৰ্ম পিন্ধাৰ লগে লগে সকলো এলাহ পাহৰি কৰ্মতৎপৰ হৈ পৰো।

মানুহৰ মন সহজে বেয়াৰ প্ৰতি আকৃষ্ট হয়। পশ্চিমীয়া অপসংস্কৃতিৰ কবলত পৰি বহুতো ছাত্ৰ-ছাত্ৰী বিপথগামী হোৱা দেখা যায়। ইউনিফৰ্ম নথকা হ'লে নিঃসংকোচে বহুতো ছাত্ৰ-ছাত্ৰী এনে অপসংস্কৃতিৰ প্ৰতি আকৃষ্ট হ'লহেতেন। যিটোৱে মহাবিদ্যালয়ৰ সুস্থ বাতাবৰণত ব্যাধাত জন্মালেহেতেন। ইউনিফৰ্মে মহাবিদ্যালয়ৰ বাহিৰতো সংযম অটুট ৰখাত সহায় কৰে। Leo Tolostoy ৰ ভাষাত ক'বলৈ গ'লে "মানুহৰ শৰীৰত বনৰীয়া জন্তুৰ তেজো থাকে।" যেতিয়া মানুহ অপসংস্কৃতিৰ কবলত পৰি বিপথে পৰিচালিত হয়, তেতিয়া এনেতেজ সাৰপাই উঠে। যি সুস্থ পৰিবেশৰ অন্তৰায় ৰূপে দেখা দিয়ে। সুস্থ জীৱনেহে সুন্দৰ নাগৰিকৰ জন্ম দিয়ে। আজিৰ ছাত্ৰ কাইলৈ দেশৰ নাগৰিক। গতিকে ইউনিফৰ্মৰ যোগেদি এক সুস্থ পৰিবেশৰ সৃষ্টি কৰি সৎ জীৱন যাপন আৰু বিদ্যাঅৰ্জনেই ছাত্ৰৰ মূল লক্ষ্য হোৱা উচিত।

ভালপথ সদায়েই কাইটীয়া। বেয়াপথ সদায়েই ৰংচঙীয়া। এনে ৰংচঙীয়া পথে ছাত্ৰ-ছাত্ৰীক সহজে আকৰ্ষিত কৰে। কিন্তু আমি পৰিধান কৰা পোছাকে আমাক প্ৰতিক্ষণে সোঁৱৰাই দিয়ে আমাৰ কৰ্ত্তব্যৰ প্ৰতি। যি কৰ্ত্তব্য আমাৰ বাবে তপস্যা স্বৰূপ। যি তপস্যাই আমাক আনি দিয়ে সফলতা আৰু এই সফলতাই কৰি তোলে প্ৰত্যেক শিক্ষানুষ্ঠানক মহিমামণ্ডিত। ☐☐☐

# আই. এম. ডি. টি. আইনৰ বাতিলকৰণ আৰু অসমৰ বিদেশী অনুপ্ৰবেশকাৰীৰ সমস্যা

মল্লিকা দিহিঙ্গীয়া
ইংৰাজী বিভাগ, স্নাতক দ্বিতীয় বৰ্ষ

ভাৰতবৰ্ষৰ উত্তৰ পূৰ্ব দিশত অৱস্থিত অসম প্ৰাকৃতিক সম্পদেৰে পৰিপূৰ্ণ এখন চহকী ৰাজ্য। সেয়েহে বুৰঞ্জীয়ে ঢুকি পোৱা সময়ৰ আগৰে পৰা যুগে যুগে অসমলৈ বিভিন্ন জাতি, ধৰ্ম, ভাষাৰ লোকৰ প্ৰব্ৰজন ঘটি আহিছে। কিন্তু, ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছৰে পৰা চুবুৰীয়া বাংলাদেশৰ পৰা বৃহৎ হাৰত ঘটি থকা অবৈধ প্ৰব্ৰজন অসমৰ বাবে বৰ্ত্তমান এক জ্বলন্ত সমস্যাৰূপে দেখা দিছে। এই সমস্যা বৰ্ত্তমান ইমানেই ভয়াবহ হৈ পৰিছে যে, ই অসমৰ জনসংখ্যাৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাইছে।



অসমৰ পৰা অবৈধ প্ৰব্ৰজনকাৰী বিতাড়নৰ অৰ্থে ১৯৮০ চনত "সদৌ অসম ছাত্ৰ সন্থাৰ" নেতৃত্বত "বিদেশী বহিষ্কাৰ আন্দোলন হৈছিল। অসমীয়া জাতিৰ এই অস্তিত্ব ৰক্ষাৰ আন্দোলনত সমগ্ৰ অসমবাসী জপিয়াই পৰিছিল। এই আন্দোলনত আঠশৰো অধিক শ্বহীদৰ তেজৰ বিনিময়ত কেন্দ্ৰীয় চৰকাৰে অসমত আই. এম. ডি. টি. (Illegal Migration of Detection Tribunal) আইন ১৯৮৩ ত প্ৰৱৰ্ত্তন কৰে। এই আইনখনৰ মূল উদ্দেশ্য আছিল ১৯৭১ চনৰ ২৫ মাৰ্চৰ পাছৰ অবৈধ অনুপ্ৰবেশকাৰীক চিনাক্ত কৰি বহিষ্কাৰ কৰা। কিন্তু কাৰ্য্যক্ষেত্ৰত এই আইনখনে অবৈধ বিদেশী নাগৰিকক বিতাড়ন কৰাৰ পৰিবৰ্তে সুৰক্ষা প্ৰদান কৰাহে পৰিলক্ষিত হয়। যিহেতু এই আইনখনে সম্পূৰ্ণৰূপে ইয়াৰ উদ্দেশ্য সাধনত বিফল হয়, সেয়েহে এসময়ৰ প্ৰাক্তন ছাত্ৰনেতা তথা বৰ্ত্তমানৰ সাংসদ সৰ্বানন্দ সোণোৱালে আই. এম. ডি. টি. আইনখন বাতিলৰ বাবে দেশৰ উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হয়। সুদীৰ্ঘ পাঁচ বছৰৰ আইনৰ যুঁজৰ শেষত মহামান্য উচ্চতম ন্যায়ালয়ে ২০০৫ চনৰ ১২ জুলাইত ২৭ টা শুনানিৰ শেষত এশ চৈধ্য পৃষ্ঠাজোৰা ৰায়দানেৰে এই ক'লা আইনখন বাতিল কৰে।

এই আইনখনৰ বাতিকৰণৰ পাছত অসমৰ বুদ্ধিজিৱীমহল আৰু সচেতন নাগৰিকৰ মাজত গা কৰি উঠা প্ৰশ্নটো হ'ল, আই. এম. ডি. টি. আইনখন বাতিল হোৱাৰ পাছত অসমৰ দীৰ্ঘদিনীয়া অবৈধ অনুপ্ৰবেশ সমস্যা সঁচা অৰ্থত এইবাৰ সমাধান হ'বনে? এই আইনৰ বাতিলৰ লগে লগে বহু সমস্যাই পুনৰ মূৰ দাঙি উঠিছে। অসমৰ সংখ্যালঘুসকলে এই ত্ৰুটিপূৰ্ণ আইনখনৰ বাতিলকৰণৰ বিৰোধিতা কৰিছে। এই আইনৰ বাতিলে সংখ্যালঘুসকলক নিৰপত্তাহীন কৰি তুলিছে বুলি তেওঁলোকে অভিযোগ উত্থাপন কৰিছে। ১৯৮৫ চনত অসম চুক্তিৰ পাছত সৰ্বসন্মতিক্ৰমে ১৯৭১ চনৰ ২৫ মাৰ্চৰ তাৰিখটোক বিদেশী নাগৰিক চিনাক্তকৰণ আৰু বহিষ্কাৰকৰণৰ ভিত্তি বছৰ হিচাপে মানি লোৱা হৈছিল। বিশেষকৈ ভাৰত চৰকাৰ আৰু অসম চৰকাৰে "অসম গণ সংগ্ৰাম পৰিষদ"ৰ

লগত চুক্তিবদ্ধ হোৱাত উপৰি উক্ত ভিত্তি বছৰটোৰ সম্পৰ্কত বিৰোধিতা কৰাৰ বিশেষ যুক্তি নাছিল। কিন্তু এই চুক্তি বাতিলৰ দাবীৰে "সংযুক্ত সংখ্যালঘু মৰ্চা"ই বিৰোধিতা কৰি কেইজনমান বিশিষ্টলোকক বিধায়ক আৰু সাংসদ হোৱাৰ সুযোগ দিলে। কিন্তু, বাস্তৱক্ষেত্ৰত সংখ্যালঘু ৰাইজৰ সামগ্ৰিক উন্নতিও নহ'ল আৰু ভীতিগ্ৰস্ততাও নকমিল। বৰ্তমান এই আইনৰ বাতিলৰ পাছত কিছুমান জাতীয়াবাদী সংগঠনে সংখ্যালঘু অধ্যুষিত অঞ্চলত ১৯৮৩ চনৰ আগৰ ভীতিগ্ৰস্ত পৰিবেশ ঘূৰাই অনাৰ চেষ্টা কৰিছে। এই ভয়ৰ সুযোগ লৈ এচাম সুবিধাবাদী সংখ্যালঘু ৰাজনীতিকে নিজৰ স্বাৰ্থ পূৰণ কৰাত ব্যস্ত হৈ পৰিছে। আলোচ্য সংখ্যালঘুসকলক ধৰ্মভিত্তিক দৃষ্টিকোণৰ পৰা চাব বিচৰা হৈছে। এনে কৰোতে পূৰ্ববংগীয় মূলৰ অসমৰ খিলঞ্জীয়া মুছলমানসকল স্বাভাবিকতেই ক্ষুব্ধ হৈ পৰিছে। কিয়নো, যি সকল অবৈধ বাংলাদেশী মুছলমান অনুপ্ৰৱেশকাৰীৰ বাবে এনে জটিল পৰিস্থিতিৰ সৃষ্টি হৈছে, তাৰ ক্ষুদ্ৰতম অংশও খিলঞ্জীয়া মুছলমানসকলৰ অন্তৰ্ভূক্ত নহয়। কাৰণ "খাচ অসমীয়া" ৰূপে পৰিচিত এই মুছলমানসকলৰ পূৰ্বপুৰুষসকলে বৃটিছ সাম্ৰাজ্যবাদৰ বহু আগতেই অসমত নিগাজিকৈ বসবাস কৰিবলৈ লয়। এওঁলোক অসমৰে থলুৱা বাসিন্দা। তাৰোপৰি ১৯৭১ চনৰ ২৫ মাৰ্চৰ পাছৰ অবৈধ অনুপ্ৰৱেশকাৰী হিন্দুয়েই হওক বা মুছলমানেই হওক অথবা সংখ্যালঘুৱেই হওক বা সংখ্যাগুৰুৱেই হওক সকলোকে চিনাক্ত কৰি বহিষ্কাৰ কৰা হ'ব। সেয়ে, অসমৰ যি সকল খিলঞ্জীয়া লোক তেওঁলোকে ভীতিগ্ৰস্ত হোৱাৰ প্ৰয়োজন নাই। আজি ৫৮ বছৰৈ পূৰ্ববংগীয় মুলৰ যিসকল মুছলমান লোকে নাগৰিকত্বৰ সন্দেহৰ দ্বাৰা পদে পদে অপমানিত হৈ আহিছে, তেওঁলোকেও সম্প্ৰীতিৰ মনোভাৱেৰে ১৯৭১ চনৰ ২৫ মাৰ্চৰ পিছত চোৰাংভাৱে অনুপ্ৰৱেশ কৰা বিদেশী নাগৰিকক চিনাক্তকৰণ কৰা আৰু বহিষ্কাৰ কৰাত সহায়ৰ হাত আগবঢ়োৱা লাগে। আবেগৰ বশৱৰ্ত্তী হৈ চিঞৰ বাখৰ কৰি থাকিলে কোনো সমস্যাৰে সমাধান নহয়। তাৰোপৰি, আমাৰ দেশৰ প্ৰচলিত কোনো আইনেই যিহেতু সংখ্যাগুৰু বা সংখ্যালঘু কাকো সুৰক্ষা আৰু নিৰাপত্তা দিব পৰা নাই। গতিকে, অসমৰ এই থলুৱা সংখ্যালঘু জনসাধাৰণক বৰ্ত্তমানৰ আতংকগ্ৰস্ত পৰিবেশৰ পৰা উদ্ধাৰ কৰিব পাৰে একমাত্ৰ সংখ্যাগুৰুসকলৰ সহৃদয়তাৰ আৰু একতাইহে। অসমৰ বিভিন্ন জনগোষ্ঠী, ভাষা, ধৰ্ম নিৰ্বিশেষে সকলোৰে ঐক্যবদ্ধ হৈ বিদেশী সমস্যাৰ সমাধানৰ বাবে আগবাঢ়ি আহিলেহে প্ৰকৃতাৰ্থত ইয়াৰ স্থায়ী সমাধান সম্ভৱ হ'ব। সেই উদ্দেশ্য আগত ৰাখি ২০০৫ চনৰ ২৮ জুলাইত আছুৱে "আশ্বাস দিৱস" পালনেৰে সকলো সংগঠন, জাতি, ধৰ্ম, ভাষাৰ লোকক ঐক্যবদ্ধ হৈ বিদেশী সমস্যা সমাধানৰ বাবে আগবাঢ়ি আহিবৰ বাবে আহ্বান জনায়। অসমৰ এনে এক জটিল পৰিবেশত আছুৰ এই সমন্বয় ৰক্ষাকাৰী পদক্ষেপ সঁচাই আদৰণীয়।

প্ৰধানমন্ত্ৰী মনমোহন সিঙ নেতৃত্বাধীন ইউ. পি. এ চৰকাৰে আই. এম. ডি. টি. আইনৰ বাতিলৰ পৰৱৰ্ত্তী পৰ্য্যায়ত উদ্ভৱ হোৱা জটিল পৰিস্থিতিক নিয়ন্ত্ৰণ কৰিবলৈ কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ সদস্যসকলক লৈ প্ৰতিৰক্ষামন্ত্ৰী প্ৰণৱ মুখাৰ্জীৰ নেতৃত্বত "মন্ত্ৰীগোট" গঠনৰ কথা ঘোষণা কৰে। কিন্তু, ২০০৫ চনৰ ১৮ জুলাইত সংবাদ মাধ্যমৰ আগত প্ৰণৱ মুখাৰ্জীয়ে এই বিষয়ে তেখেত অৱগত নহয় বুলি জাঙি ধৰা বিবৃত্তিটোৱে সচেতন মহলত চাঞ্চল্যৰ সৃষ্টি কৰিছে। কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীৰ এনে মন্তব্যই অসমৰ অবৈধ নাগৰিকৰ সমস্যাৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ ৰহস্যজনক স্থিতিৰ কথাকে প্ৰকাশ কৰিছে।

বৰ্ত্তমান ১৯৪৬ চনৰ দেশত প্ৰচলিত "ফৰেইনাৰ্ছ এক্ট"ৰ আধাৰত অবৈধ বিদেশী নাগৰিক চিনাক্তকৰণ তথা বহিষ্কাৰ কৰাৰ ওপৰত পৰ্য্যালোচনা চলি আছে। অসমৰ ৩৪ টা সংখ্যালঘু সংগঠনৰ ঐক্যমঞ্চই সংখ্যালঘুৰ নিৰাপত্তাৰ খাতিৰত "ফৰেইনাৰ্ছ এক্ট" খন সংশোধনৰ দাবী জনাইছে। বৰ্ত্তমান সমগ্ৰ অসমবাসী সচেতন

হ'ব লাগিব। যাতে, পুনঃ আই. এম. ডি. টি.ৰ দৰে এখন ক'লা আইন অসমত প্ৰৱৰ্ত্তন নহয় আৰু অসমৰ ৰাইজ পুনৰ প্ৰৱঞ্চনাৰ বলি হ'ব লগা নহয়। এই সমগ্ৰ বিষয়টোৰ ওপৰত আছুৱে চোকা দৃষ্টি ৰাখি আছে। কিন্তু, অতি লক্ষণীয় কথা হ'ল যে, আই. এম. ডি. টি. ৰ দৰে এখন ক'লা আইন বাতলৰ বাবে অসম চৰকাৰে ২২ বছৰ ৬ মাহ ৮ দিন ধৰি কোনো পদক্ষেপ গ্ৰহণ কৰা নাছিল। তাৰোপৰি, এই আইন বাতিলৰ পাছত উদ্ভৱ হোৱা জটিল পৰিস্থিতিতো অসম চৰকাৰে নীৰৱ দৰ্শকৰ ভূমিকা গ্ৰহণ কৰি থকা পৰিলক্ষিত হৈছে। তেওঁলোকে ভোটবেংকৰ বাবে কিছুমান কথাৰ ফুলজাৰিহে মাৰি আছে। এখন ৰাজ্যৰ চৰকাৰ হিচাপে কোনো কাৰ্য্যপন্থা হাতত লোৱা নাই। অসমৰ জনসাধাৰণৰ দ্বাৰা গনতান্ত্ৰিক পদ্ধিতিৰে নিৰ্বাচিত প্ৰতিনিধিৰে গঠিত অসম চৰকাৰৰ এনে নিৰ্বিকাৰ ভূমিকাই ভাৰতৰ গণতান্ত্ৰিক প্ৰক্ৰিয়াটোকে ভালুকৰ সাঙীত পৰিণত কৰি তুলিছে। অন্যহাতেদি, আছুৱে অসমীয়া জাতিৰ অভিভাৱকস্বৰূপ হৈ বিদেশী সমস্যাটোক গুৰুত্বসহকাৰে লৈ দায়িত্ব পালন কৰি থকা দেখা গৈছে।

২০০৪ চনৰ ১৫ জুলাইত ৰাজ্যসভাৰ সদনত গৃহ ৰাজ্যমন্ত্ৰী প্ৰকাশ জয়ছোৱালে দাঙি ধৰা তথ্য অনুসৰি সমগ্ৰ ভাৰতত ১ কোটি ২০ লাখ ৫৩ হাজাৰ ৯৫০ জন বাংলাদেশী অবৈধ অনুপ্ৰবেশকাৰী আছে। তাৰে ৫০ লাখ মাত্ৰ অসমতেই আছে। এই গাৰ নোম শিঁয়ৰি যোৱা তথ্যই অসমৰ থলুৱা ৰাইজৰ অস্তিত্বৰ সংকটৰ কথাকেই প্ৰকাশ কৰে। ইয়াক ৰোধ কৰিবলৈ অসম বাংলাদেশ সীমান্তৰ চাৰি হেজাৰ কিল'মিটাৰ উন্মুক্ত হৈ থকা অঞ্চলত কাঁটা তাঁৰৰ বেৰা দিয়া কাৰ্য্য অতি শীঘ্ৰে সমাপন কৰিব লাগিব। এই সন্দৰ্ভত ভাৰতৰ বৈদেশিক মন্ত্ৰী কে. নটবৰ সিঙে ২০০৫ চনৰ ২৪ আগষ্ট তাৰিখে সংবাদ মাধ্যমৰ আগত কয় যে ডেৰ বছৰৰ ভিতৰত ভাৰত-বাংলাদেশ সীমান্তৰ এই চাৰি হেজাৰ কিল'মিটাৰ অঞ্চলত কাঁটা তাঁৰৰ বেৰা দিয়া কাম সম্পন্ন হ'ব। ভাৰত পাকিস্থানৰ সীমা যিহেতু ভাৰত চৰকাৰে নিৰ্দিষ্ট সময়ৰ ভিতৰত বন্ধ কৰিলে, গতিকে আমি আশাবাদী যে, ভাৰত-বাংলাদেশৰ সীমাও নিৰ্দ্ধাৰিত সময়ৰ ভিতৰতে বন্ধ হ'ব। তাৰোপ্ৰৰি, জলপথতো সীমান্ত সুৰক্ষা বাহিনীৰ (বি.এচ.এফ.) চোকা পহৰাৰ ব্যৱস্থা কৰিব লাগিব। এইখিনিতে এটা কথা উনুকিয়াটো অত্যাৱশ্যকীয় যে বাংলাদেশে ভাৰত বাংলাদেশ সীমান্তৰ চাৰিহেজাৰ কিল'মিটাৰ অঞ্চলত কাইটীয়া তাঁৰৰ বেৰা নিৰ্মাণৰ ক্ষেত্ৰত প্ৰবল আপত্তি দৰ্শাই আহিছে। বাংলাদেশৰ এনে বিৰোধ কাৰ্য্যই অসমত দ্বিতীয় এখন বাংলাদেশৰ সৃষ্টি কৰিব বিচাৰিছে। যাতে, অসমক বাংলাদেশৰ সীমাৰ ভিতৰুৱা কৰিব পাৰে। এই কথাৰ প্ৰমাণ তলত উল্লেখিত কথাৰ দ্বাৰা পাব পাৰি —

বাংলাদেশ অৰ্থাৎ পুৰণি পূৱ পাকিস্তানৰ সমৰ্থক "শ্বেখ মুজিবুৰ ৰহমানে" তেওঁৰ "Eastern Pakistan : It's Population determination and economics" গ্ৰন্থ লিখিছিল যে, " Assam has abundant forest and mineral resources, coal, petrolium etc. Eastern Pakistan must include Assam to be financially and economically strong." আমি মনত ৰাখিব লাগিব যে মুজিবুৰ ৰহমানে লিখিছিল - Eastern Pakistan must include Assam.আই. এম. ডি. টি. আইন বাহাল হৈ থকা কালছোৱাত ২২ বছৰ ৬ মাহ ৮ দিন ধৰি পাৰিকল্পিতভাৱে অহৰহ পানীৰ সোঁতৰ দৰে অবৈধ বাংলাদেশী নাগৰিক অসমলৈ আহে। যাতে, অসমৰ খিলঞ্জীয়া লোকৰ জনসংখ্যাতকৈ বাংলাদেশীৰ জনসংখ্যা বৃদ্ধি কৰি অসমক বাংলাদেশৰ অন্তৰ্ভূক্ত কৰিব পাৰি।

এই দীৰ্ঘদিনীয়া ৰাজনৈতিক ষড়যন্ত্ৰ বিফল কৰিবলৈ হ'লে ভাৰত বাংলাদেশ সীমান্তত শীঘ্ৰে কাঁটা তাঁৰ দিয়া কাৰ্য্য সমাপন কৰাৰ উপৰিও অসমত অতি সোনকালে "পূৰ্ণাংগ নাগৰিকপঞ্জী" খন প্ৰস্তুত কৰিব লাগিব। পূৰ্ণাংগ নাগৰিকপঞ্জীৰ প্ৰস্তুত কৰাৰ ওপৰত বুদ্ধিজীৱী সকলে পূৰ্ণ সমৰ্থন আগবঢ়োৱা দেখা গৈছে। অসমত বিদেশী নাগৰিকৰ সমস্যা সমাধানৰ বাবে আই. এম. ডি. টি. নথকা বা থকাটো মুল কথা নহয়, তাৰ

পৰিবৰ্তে গুৰুত্বপূৰ্ণ কথাটো হ'ল, পূৰ্ণাংগ নাগৰিকপঞ্জী থকাটোহে। এই নাগৰিকপঞ্জীখন অতি শীঘ্ৰে প্ৰস্তুত কৰিবলৈ হ'লে ১৯৭১ চনৰ ২৫ মাৰ্চৰ সময়সীমাক ভিত্তি হিচাপে লৈ ধৰ্ম, জাতি, ভাষা, জনগোষ্ঠী, অঞ্চল ৰাজনৈতিক দলৰ মতবাদ আদি নিৰ্বিশেষে অসমৰ প্ৰতিখন গাঁৱত প্ৰতিখন নগৰ মহানগৰৰ প্ৰতিটো চুবুৰীত বৈধ অসমবাসীৰ জৰিয়তে নাগৰিক সমিতি গঠন কৰি নিজ নিজ অঞ্চলৰ লোকৰ খচৰা তালিকা প্ৰস্তুত কৰি তাত সহজতে অসমৰ পূৰ্ণাংগ নাগৰিকপঞ্জীখন গণতান্ত্ৰিক পদ্ধতিৰে প্ৰস্তুত কৰিব পৰা যাব। যেতিয়া পূৰ্ণাংগ নাগৰিকপঞ্জীখন থাকিব তেতিয়া অসমত কোনেবিলাক দৰাচলতে বিদেশী নাগৰিক সেয়া অতি স্পষ্টৰূপত ওলাই পৰিব। অসমৰ অবৈধ বিদেশী নাগৰিকৰ সমস্যাটো নাগৰিকপঞ্জীৰ জৰিয়তে অতি সহজতে সমাধান কৰিব পৰা যাব। এই নাগৰিকপঞ্জীখন প্ৰস্তুত কৰোতে "বৈধ অসমবাসীৰ ঐক্য" অতি গুৰুত্বপূৰ্ণ। একমাত্ৰ পাৰস্পৰিক বিশ্বাসৰ জৰিয়তে এই ঐক্য সম্ভৱ। এনে কৰোতে উগ্ৰ সাম্প্ৰদায়িকতা তথা ধৰ্মান্ধতা আদি পৰিহাৰ কৰিব লাগিব। আনহাতে, সংখ্যালঘু নাগৰিকসকল শংকিত হোৱাৰ কোনো কাৰণ নাই। যিহেতু সংখ্যালঘু নাগৰিক সকলো ভাৰতীয় নাগৰিক, সেয়ে বিদেশী অনুপ্ৰৱেশকাৰী তেওঁলোকৰ বাবেও নাগৰিকৰ সমস্যাৰ পৰা মুক্ত কৰাটো সকলো বৈধ নাগৰিকৰে প্ৰধান দায়িত্ব। ১৯৫১ চনৰ নাগৰিকপঞ্জীখনৰ সংশোধনৰ ওপৰত বিভিন্ন সংগঠনে দাবী জনাইছে। এইক্ষেত্ৰতো, অসমৰ ৰাইজে তীক্ষ্ণ পৰ্য্যবেক্ষণ কৰিব লাগে। যাতে ইয়াৰ পৰা কোনো কু-ফল অসমবাসীয়ে ভোগ নকৰে।

আই এম. এম.ডি.টি. আইনৰ বাতিলৰ পাছত অসমৰ বহু পুৰণি অবৈধ অনুপ্ৰৱেশকাৰীৰ সমস্যা সমাধান হ'বনে নহয়, ই এতিয়াও অসমবাসীৰ বাবে এক জটিল সাঁথৰ হৈয়ে আছে। অসমৰ ৰাইজ বৰ্ত্তমান সচেতন হ'ব লাগিব যাতে, আই.এম. ডি.টি. ৰ দৰে অন্য এখন ক'লা আইন পুনৰ অসমত প্ৰৱৰ্ত্তন নহয় আৰু তাৰ কু-ফল পুনৰ যাতে অসমীয়া জাতিটোৱে ভুগিব নালাগে। আই. এম. ডি. টি.ৰ বাতিলৰ বাবে ২২ বছৰ ৬ মাহ ৮ দিন সময়ৰ প্ৰয়োজন হ'ল। আকৌ, এনধৰণৰ ক'লা আইন অসমত প্ৰৱৰ্ত্তন হ'লে ই অসমীয়া জাতিটোকেই পংগু কৰি তুলিব আৰু ইয়াক বাতিল কৰিবলৈ কিমান বছৰৰ প্ৰয়োজন হ'ব, সেয়া মাত্ৰ সময়েহে ক'ব পাৰিব। কেন্দ্ৰীয় চৰকাৰেও এই সমস্যা সমাধানৰ বাবে ক্ষিপ্ৰ ব্যৱস্থা হাতত ল'ব লাগে। তাৰ বাবে যুগুত কৰা নীতিবোৰ স্পষ্টকৈ অসমবাসীক জনাব লাগে। এই সমস্যাটো অতি সোনকালে কেন্দ্ৰীয় চৰকাৰ আৰু অসমৰ ৰাইজৰ একক প্ৰচেষ্টাত সমাধান হ'ব বুলি আশা কৰিলো।

" জয় আই অসম।।"

❑❑❑

> তেওঁৰেই আদৰ্শবান পুৰুষ যিজনে আনৰ উন্নতিত সহায় কৰে।
>
> — *হেনৰি ফ'ৰ্ড*

# যুৱ উচ্ছৃংখলতা

লিপিকা বড়
অসমীয়া বিভাগ, স্নাতক দ্বিতীয় ব

সাম্প্ৰতিক কালৰ সমাজবোৰৰ এটা গুৰুত্বপূৰ্ণ তথা মানসিক বিকাৰ হৈছে যুৱ উচ্ছৃংখলতা। ই বৰ্ত্তমা সমাজ ব্যৱস্থাৰ এটা ডাঙৰ সমস্যাৰূপে মূৰ দাঙি উঠিছে। বৰ্ত্তমানে উঠি অঙা যুৱ চামৰ মাজত ইয়াৰ প্ৰভাৱ যথেষ্ট পৰিমাণে পৰাটো পৰিলক্ষিত হৈছে। মানহবিলাক নাইবা সমাজখন যিমানেই প্ৰতিবাদ্য হৈ অধুনিকতাৰ উৰ্দ্ধলৈ গতি কৰিছে, সিমানেই সমাজত উচ্ছৃংখলতাৰ প্ৰভাৱ বেছিকৈহে পৰা দেখা গৈছে। মানুহবিলাকে বেছিকৈ আধুনিকতাৰ লগত খাপ খাই স্মাৰ্ট হ'বলৈ যাওঁতে উচ্ছৃংখলত পৰিক্ৰমা এটাতহে ভৰি দিছে বুলি ক'ব পৰ অৱস্থা হৈছেগৈ। কাৰণ তেওঁলোকে অধিক স্মাৰ্ট হ'বলৈ যাওঁতে নিজৰ অৱস্থিতিৰ কথাও পাহৰি পেলাইছে।

বৰ্তমান স্কুল-কলেজসমূহত শৃংখলাবদ্ধ ছাত্ৰ-চাত্ৰীৰ তুলনাত অশৃংখল ছাত্ৰ-ছাত্ৰীকহে সহজে পৰিলক্ষিত হয়। এই উঠি অহা ছাত্ৰ-ছাত্ৰী নাইবা যুৱ চামৰ উচ্ছৃংখল হোৱাৰ প্ৰধানকৈ দুটা কাৰণ বুলি ক'ব পৰা যায় প্ৰথমটো হৈছে মাক-দেউতাক নাইবা অভিভাৱকসকল আৰু আনটো হৈছে সংগদোষ। প্ৰথম কাৰণটো হৈছে মাক-দেউতাক নাইবা অভিভাৱক সকলৰ ব্যৱহাৰ সাধাৰণতে দেখা যায় যে অভিভাৱকসকলে নিজৰ সন্তানৰ দোষ বা মানসিক অৰ্ধঃপতন দেখিও তাক নেদেখাৰ ভাওঁ ধৰাৰ বাবেই আজিৰ যুৱচামৰ মাজত বেছিকৈ উচ্ছৃংখলত দেখা গৈছে। তেওঁলোকে সন্তানক উপযুক্ত অনুশাসন নকৰাৰ বাবেই এই ৰূপে ধৰা দিছে। অন্যহাতে অত্যাধিব বা কঠোৰ অনুশাসনেও ল'ৰা-ছোৱালীক উচ্ছৃংখল কৰে।

দ্বিতীয়টো কাৰণ হৈছে, সংগদোষত পৰিও বহুতো ভাল যুৱক যুৱতীয়ে উচ্ছৃংখলতাৰ পথত গতি কৰে তেওঁলোকে সংগদোষৰ বাবেই লাহে লাহে শৃংখলাবদ্ধতা পাহৰি যায়। এটা বেয়া আমে যিদৰে এপাচি ভাল আমকো গেলাব পাৰে, সেইদৰেই এটা মাত্ৰ বেয়া ল'ৰাৰ সংগত পৰি বহুতো ভাল ল'ৰাও বেয়া হ'ব পাৰে। কাৰণ মানুহৰ বেয়া হৈ যাবলৈ বেছি সময় নালাগে। কিন্তু বেয়া মানুহ এজন পুনৰ ভাল হৈ আহিবলৈ যথেষ্ট সময়ৰ প্ৰয়োজন হয়। বেয়া বা উচ্ছৃংখল হৈ যোৱাতো যথেষ্ট সহজ, কিন্তু ইয়াৰ পৰা ঘূৰি ভাল হ'ব পৰাটো অত্যন্ত কঠিন।

যুৱ উচ্ছৃংখলতা বুলি কওঁতে অকল ল'ৰাৰ উচ্ছৃংখলতাৰ দিশটোহে এনে নহয়। ল'ৰাৰ লগতে বৰ্ত্তমানে ছোৱালীবোৰো সমানেই উচ্ছৃংখল। উচ্ছৃংখল মানে এনে নহয় যে সকলো সময়তে কাজিয়া নাইবা মাৰ পিত আদি কৰি থকাকে বুজায়। উচ্ছৃংখলতা মানে এইবোৰৰ লগতে মানুহৰ আচাৰ ব্যৱহাৰ, কথা-কোৱাৰ ধৰণ কৰণ, কাম-কাজ, পিন্ধা-উৰা আৰু খোজ- কাটলৰ সকলো দিশকে ধৰা হয়। শিষ্টাচাৰ বিহীন কথা-বতৰা নাইবা ব্যৱহাৰে উচ্ছৃংখলতাৰে লক্ষণ। স্কুল কলেজলৈ আহি ক্লাচ নকৰি দোকানে দোকানে ঘুৰি ফুৰা, উতনুৱা ভাৱ-ভংগী কথাই প্ৰতি অশ্লীল শব্দৰ প্ৰয়োগ আজিকালি সহজতে কলেজসমূহত দেখা পোৱা যায়। ইয়াৰ উপৰিও নিজৰ শিক্ষকক সন্মান নকৰা, শিক্ষকৰ মুখে-মুখে ইতিকিং কৰাটোও উচ্ছৃংখলতা বুলি ক'ব পাৰি। মেধাৱী ছাত্ৰ-ছাত্ৰীবোৰ যে উচ্ছৃংখল নহয় এনে নহয়। তেওঁলোকৰো বেছিভাগেই উচ্ছৃংখল হোৱাও দেখা যায়। অন্যহাতে কম পৰিমাণৰ ছাত্ৰ-ছাত্ৰীহে শৃংখলাবদ্ধ হোৱাটো দেখা গৈছে।



এইবোৰৰ উপৰিও বৰ্ত্তমানৰ উচ্ছৃংখলতাৰ দুটা মুল কাৰণ হৈছে বাইক আৰু ম'বাইল ফোন। তীব্ৰ স্পীডত

বাইক চলোৱাৰ লগতে এখন হাতত ম'বাইলত কথা পাতি যোৱাটোও এক প্ৰকাৰৰ উচ্ছৃংখলতাৰ চিন আৰু আজিকালি কলেজলৈও ম'বাইল ফোন লগত আনি ক্লাচৰ সময়তো ইয়াক অফ নকৰাকৈ ৰাখি ৰিং কৰি থাকিবলৈ দিয়াটোও উচ্ছৃংখলতাৰে চিন। কাৰণ ইয়াৰ ফলত শিক্ষকৰ লগতে অন্যবোৰ ছাত্ৰ-ছাত্ৰীৰ ধ্যান পঢ়াই থকা বিষয়টোৰ পৰা আঁতৰি যায়।

বৰ্ত্তমান আমাৰ সমাজত উচ্ছৃংখলতাই এনে এটা পৰ্য্যায়ত উপনীত হৈছেগৈ যে, পুতেকে মাকৰ লগত, ভনীয়েকে ককায়েকৰ লগত একেলগে ফুৰিবলৈ নাইবা বজাৰ-সমাৰ কৰিবলৈও সমস্যাই দেখা দিছে। এই উচ্ছৃংখলতাৰ অন্য এটা মুখ্য কাৰণ হৈছে চিনেমা বা টেলিভিচন। আজিকালি যুৱচামৰ গাত চিনেমাৰ প্ৰভাৱ বেছিকৈ পৰা দেখা যায়। তেওঁলোকে টি. ভি. নাইবা চি. ডি. চাই নিজেও চিনেমাবোৰ কিছুমান উচ্ছৃংখল নীতি-নিয়ম অনুকৰণ কৰিবলৈ লয়। এখন চিনেমাত যে উচ্ছৃংখল দৃশ্যসমূহৰ উপৰিও যে এটা মূল শিক্ষা থাকে সেই মূল শিক্ষাটোক বা ভাল দিশটোক বৰ্ত্তমানৰ যুৱচামে বুজি ল'ব নাইবা অনুকৰণ কৰিব নিবিচাৰে। তেওঁলোকে মাত্ৰ নায়ক-নায়িকাৰ কাপোৰ পিন্ধা, চুলি আৰু কথাকোৱাৰ ধৰণটোহে অনুকৰণ কৰিবলৈ লয়। সেয়ে এইবোৰ চাই থাকি তেওঁলোকে বেছিকৈ অশৃংখল হৈ পৰে।

শিক্ষানুষ্ঠানসমূহলৈ অহা ছাত্ৰ-ছাত্ৰীসকলে এটা কথা মনত ৰাখিব লাগে যে তেওঁলোকৰ অভিভাৱক সকলে কিছুমান বিশেষ ধৰণৰ আশা কৰিহে নিজৰ সন্তানসমূহক শিক্ষানুষ্ঠানলৈ পঠিয়ায়। অভিভাৱসকলৰ আশা যাতে তেওঁলোকৰ সন্তানে পঢ়ি শুনি ভাল কিবা এটা কৰিবহি নাইবা তেওঁলোকৰ লগতে নিজ বংশৰো নাম উজ্জ্বল কৰিবহি। যদিহে ল'ৰা ছোৱালীবোৰে এই কথাটোকে নুবুজে নাইবা তাৰ বাবে কোনো ধৰণৰ বিশেষ চেষ্টাই নকৰে তেন্তে অভিভাৱকসকলে মনত ডাঙৰ আঘাট পায়। অন্যহাতে যদি ল'ৰা-ছোৱালীবোৰে চেষ্টা কৰিও যদি নোৱাৰে তেন্তে তেওঁলোকৰ মনত কোনো ধৰণৰ খেদ ভাৱ নাথাকে।

শিক্ষানুষ্ঠানসমূহৰ সকলো শিক্ষাৰ্থীৰ লগতেই তেওঁলোকৰ শিক্ষানুষ্ঠানটো আৰু অভিভাৱকসকলৰ মান-সন্মানো জড়িত হৈ থাকে। সেইবাবে তেওঁলোকে এনে কিছুমান কামহে কৰিব লাগে যিয়ে তেওঁৰ লগতে শিক্ষানুষ্ঠানটো আৰু অভিভাৱক সকলৰ নামো উজ্জ্বল কৰিব পাৰে। পঢ়াৰ ক্ষেত্ৰত নোৱাৰিলেও মানুহে আনবোৰ দিশৰ লগতে চৰিত্ৰটোও সদায় ভাল কৰি ৰাখিব লাগে। কাৰণ এনে কিছুমান উদাহৰণো পোৱা যায় যি নিজৰ লগতে অভিভাৱক আৰু শিক্ষানুষ্ঠানখনৰ নামকো বদনাম কৰা দেখা যায়। সেয়ে মানুহে নিজৰ চৰিত্ৰটোৰ প্ৰতি সদায়ে চকু ৰাখিব লাগে। ইংৰাজীত এষাৰ কথা পোয়া যায় যে, Money is lost something lost, but character is lost everything lost. আমি এটা বুজিব লাগে যে আজিৰ এই ছাত্ৰ-ছাত্ৰীসমূহেই ভৱিষ্যতে দেশৰ নাগৰিক নাইবা মুৰব্বী হ'বগৈ সেই বাবে নিজৰ চৰিত্ৰ আৰু কাম-কাজৰ প্ৰতি সততে চকু ৰাখিব লাগে আৰু উচ্ছৃংখলতাই যে প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে তাৰ বাবেও সজাগ দৃষ্টি তথা ইয়াক দূৰ কৰিবলৈ বা প্ৰতিকাৰ কৰিবলৈ চেষ্টা কৰিব লাগে। চেষ্টাৰ অসাধ্য একো কাম নাই আৰু ৰাইজে নখ জোকাৰিলে নৈ বয় বুলিও প্ৰৱচন পোৱা যায়। আমি এই প্ৰৱচনক সত্যত ৰূপায়িত কৰিবলৈ চেষ্টা কৰিব লাগে। ইয়াৰ ফলত নিশ্চয় উচ্ছৃংখলতাক কিছু দূৰ হ'লেও নিৰ্মূল কৰিব পৰা যাব।

❑❑❑

# অসমৰ ছাত্ৰ সমাজৰ সুস্থ মানসিকতাৰ অপচয়

পল্লৱী বুঢ়াগোঁহাই
শিক্ষা বিভাগ, স্নাতক দ্বিতীয় বৰ্ষ

জীৱনৰ প্ৰাপ্তিৰ অমূল্য ৰত্ন লুকাই থাকে ছাত্ৰ জীৱনৰ বলুকাত। জ্ঞানৰ প্ৰাচুৰ্য্য আহৰণৰ সময় এই কালছোৱা। জীৱনৰ সুন্দৰতম ৰূপ প্ৰতিফলিত হয় দাপোনময় জীৱনৰ বুকুত। জীৱন এখন পঢ়াশালী। প্ৰতিজন মানুহেই এই পঢ়াশালীৰ ছাত্ৰ। সেই দিশৰ পৰা ছাত্ৰ জীৱনৰ সংজ্ঞা দিয়াটো জটিল যদিও প্ৰাকঃ প্ৰাথমিক বিদ্যলয়ৰ পৰা স্নাতকোত্তৰ পৰ্য্যায়লৈকে আনুষ্ঠানিক ভাৱে শিক্ষা আহৰণ কৰা সময়ছোৱা ছাত্ৰ জীৱনৰ সময়সীমা। এই সময়ছোৱাতেই ছাত্ৰ সকল অধ্যয়ণ পিপাসু নহ'লে জ্ঞানৰ সমুদ্ৰ মন্থন কৰিবলৈ অপাবগ হয়। জীৱনৰ পথ প্ৰদৰ্শকেই হ'ল ছাত্ৰ জীৱন। ছাত্ৰ জীৱনৰ অৱহেলা মনোভাৱে জীৱনক কৰি তোলে দিকভ্ৰান্ত। জীৱনটো হৈ পৰে অসহায় বিপদগ্ৰস্ত। তাৰ বুকুত আৰু কেতিয়াও জ্ঞানৰ সৌন্দৰ্য্যই জিৰণী নলয়।

আজি একবিংশ শতিকাৰ দুৱাৰ দলিত খোজ থৈ দেখা যায় যে অতীতৰ পৰা বৰ্ত্তমানলৈকে আজি দ্ৰুতগতিত ছাত্ৰ সমাজৰ সুস্থ মানসিকতাৰ অপচয় ঘটিছে। এই সুস্থ মানসিকতাৰ অপচয়ে নতুনকৈ জন্ম দিছে আৰু এটি নতুন পংগুমনক। গঢ়ি উঠিছে ৰুগ্ন ছাত্ৰ সমাজ। সুস্থ মানসিকতাৰ অৱনতিয়ে ছাত্ৰ সকলক কৰি তুলিছে অধ্যয়ণ বিমুখ, তেওঁলোকে আগবাঢ়ি গৈছে ধ্বংসৰ গহ্বৰলৈ। ছাত্ৰৰ অৱনতিয়ে গোটেই সমাজখনৰ ধ্বংসৰ কথাকেই বুজাইছে।

উচ্চতৰ শ্ৰেণীত ভৰি দিয়েই সন্মুখীন হ'ব লাগে এটা নতুন পৰিস্থিতিৰ। ইয়েই হ'ল ৰেগিং। এই ৰেগিং নামৰ ৰোগটোৰ যদি উদ্দেশ্য হ'ল হেঁতেন - নতুনকৈ অহা ছাত্ৰ-ছাত্ৰী সকলৰ লগত চিনাকি হৈ উৎসাহ উদ্দীপনা আৰু প্ৰেৰণাৰ যোগেদি তেওঁলোকৰ শৈক্ষিক জীৱনৰ লক্ষ্যৰ পথ সুগম কৰি তোলা, তেতিয়া হ'লে শৈক্ষিক ব্যৱস্থাটো সুস্থ আৰু সৰল হৈ উঠিলহেতেন। কিন্তু তাৰ পৰিবৰ্তে আজি ৰেগিংৰ ৰূপ ভয়ংকৰ। নতুন চামৰ ওপৰত পুৰণি চামৰ প্ৰভুত্ব। পুৰণি চামে নতুন চামক নানাধৰণৰ অ-গঠনমূলক প্ৰশ্ন অসভ্যালিৰে বিব্ৰত কৰি তুলে। অসহায় হৈ সিহঁতে বিৰহৰ সংজ্ঞা দিয়ে চকুপানীৰে, কিন্তু পুৰণি চামে আনন্দত মতলীয়া হৈ হাঁহে। এই দুখ যন্ত্ৰাণা পাৰ কৰি নতুনো হয়গৈ পুৰণি। পুনৰ আহে নতুন এচাম ছাত্ৰ। সেই পুৰণি ছাত্ৰ সকলেও আগৰ চামে তেওঁলোকৰ ওপৰত কৰা অত্যাচৰৰ প্ৰতিশোধ ল'বলৈ বিচাৰে নতুন চামৰ ওপৰত। এনেদৰেই ধাৰাবাহিক ভাৱে চলি আছে এই ৰেগিং নামৰ ব্যাধিটো। এই ৰেগিংৰ মাৰাত্মক ৰূপটোৱে প্ৰদূষিত কৰিছে আমাৰ ছাত্ৰ সমাজক, শৈক্ষিক ব্যৱস্থাটোক। ফলস্বৰূপে ছাত্ৰ সকল হৈ পৰিথে উতনুৱা আৰু উশৃংখল। সিহঁতৰ লক্ষ্য অধ্যয়নৰ পৰিৱৰ্তে মূল লক্ষ্য হৈ পৰিছে এচাম নিঃসহায় লোকৰ ওপৰত নিজৰ প্ৰভুত্ব স্থাপন কৰা। ইয়াৰ ফলস্বৰূপে ছাত্ৰ সমাজৰ -সুস্থ মানসিকতাৰ অপচয় ঘটিছে।

ৰাগিয়াল বস্তুৰ আবাধ প্ৰচলনে ছাত্ৰ সকলক দিছে এটা নতুন পৰিবেশ। এই ৰাগিয়াল বস্তুৰ প্ৰতি প্ৰলোভিত হৈছে ছাত্ৰ সকল। এজন ৰাগিয়াল বস্তু সেৱন কৰা ছাত্ৰই এটা সুস্থ চিন্তা কৰিব নোৱাৰে। এই দ্ৰব্যৰ ৰাগিত ছাত্ৰ সকল হৈ পৰিছে অধ্যয়ণ বিমুখ। এনে পৰিপেক্ষিতত যদি ছাত্ৰ সকলে নিজেই এই অপসংস্কৃতি সমূহৰ পৰা এৰাই চলিব নোৱাৰে, এদিন হয়তো আমাৰ গোটেই ছাত্ৰ তথা সমাজ ব্যৱস্থাটোৱেই পংগু হৈ যাব। সেয়ে আমি সকলোৱে মিলি গঠন কৰিব লাগিব এখন পৰিবৰ্তনশীল সমাজ ব্যৱস্থা, যাৰ জৰিয়তে বৰ্তমান ধ্বংসৰ পথত আগবাঢ়ি গৈ থকা এই ছাত্ৰ সমাজখনক উন্নতিৰ দিশলৈ উভতাই আনিব পাৰি। অন্যথা এই দ্ৰুত গতিত বৃদ্ধি হোৱা পংগু মানসিকতাই ছাত্ৰ-সমাজৰ শৈক্ষিক ব্যৱস্থা বিলুপ্তি কৰি পেলোৱাৰ সম্ভাৱনাই অধিক। ❑❑❑

# গ্ল'ৱেল ৱামিং

নিলাক্ষী দাস
স্নাতক দ্বিতীয় বৰ্ষ



আমাৰ পৃথিৱীখনৰ উষ্ণতা প্ৰতিদিনে বৃদ্ধি পাইছে। এক তথ্যমতে, যোৱাটো শতিকাত পৃথিৱীৰ গড় উষ্ণতা ১ ডিগ্ৰী ফাৰেনহাইট (০.৫) ডিগ্ৰী ছেণ্টিগ্ৰেত বাঢ়িছে। এই উষ্ণতা বৃদ্ধিয়ে পৃথিৱীৰ জলবায়ুৰ পৰিৱৰ্ত্তন আনিছে। বৰ্ধিত উষ্ণতাই বৰষুৰ পৰিমাণৰ তাৰতম্য ঘটাব পাৰে, সাগৰত পানীৰ পৰিমাণ বৃদ্ধি কৰিব পাৰে, তথা গছ-গছনি, জীৱ জন্তুৰ আৰু মানুহৰ ওপৰত সাংঘাটিক প্ৰভাৱ পেলাব পাৰে। এই উষ্ণতা বৃদ্ধিকেই গ্ৰ'ৱেল ৱাৰ্মিং বোলা হয়। গ্ৰ'ৱেল ৱামিংৰ লক্ষণ সমূহ ইতিমধ্যে আমাৰ চাৰিওফালে দেখা গৈছে। বিভিন্ন অঞ্চলৰ বৰফৰ নৈ বা হিমবাহসমূহ লাহে লাহে গলিবলৈ আৰম্ভ কৰিছে। তদুপৰি বিভিন্ন ঠাইত বতাহে জীৱ জন্তুক জুৰুলা কৰিছে। বানপানী, খৰাং অৱস্থা, বনজুই আদিৰ পৰিমাণ বৃদ্ধি পাবলৈ ধৰিছে। ইতিমধ্যে ইয়াৰ লক্ষণ বিভিন্ন অঞ্চলত পৰিস্ফুট হৈছেই। গ্ল'ৱেল ৱাৰ্মিংৰ ফলত জলবায়ুৰ পৰিৱৰ্ত্তন হৈ অহাৰ লগে লগে বিভিন্ন ধৰণৰ বেমাৰৰ বীজাণু কঢ়িয়াব পৰা মহৰ পৰিমাণ বৃদ্ধি পাইছে। ইণ্ডোনেছিয়াৰ নতুন নতুন অঞ্চলত অধিক পৰিমাণে মেলেৰীয়াৰ প্ৰাদুৰ্ভাৱ ঘটিছে। ইয়াৰ ওপৰিও গ্ৰ'ৱেল ৱাৰ্মিংৰ ফলত পানীৰ উষ্ণতা বৃদ্ধিৰ লগে লগে গোটমাৰি বৰফ হৈ থকা হিমবাহসমূহ দৈনন্দিন গবিলৈ ধৰিছে। "নাছাৰ" মতে মেৰুঅঞ্চলৰ বৰফসমূহ এতিয়া প্ৰায় দহ বছৰত ন শতাংশকৈ গলিব ধৰিছে। তদুপৰি আটলাণ্টিক অঞ্চলৰ ৰবফৰ ঘনত্বও ক্ৰমাৎ হ্ৰাস পাইছে। বৰ্তমান সাগৰ-পৃষ্ঠৰ উচ্চতা পূৰ্বৰ তুলনাত তিনিগুণ অধিক হাৰত বৃদ্ধি পাইছে। গ্ৰ'ৱেল ৱাৰ্মিংৰ ফলত বিভিন্ন অঞ্চলত খৰাং অৱস্থাৰ ভয়াবহ ৰূপ ধাৰণ কৰাও দেখা গৈছে। ইয়াৰ ফলত মানুহৰ লগতে জীৱ-জন্তুও বিপদৰ সন্মুখীন হৈছে আৰু খেতি বাতিও বিকৃত কৰি তুলিছে। গ্ল'ৱেল ৱামিংৰ গৱেষণাৰ পৰা এইটো স্পষ্ট হৈছে যে যদি গ্ল'ৱেল ৱামিংৰ ফলত হোৱা প্ৰদূষণৰ মাত্ৰা নিয়ন্ত্ৰণ কৰিব পৰা নাযায়, তেনেহ'লে ২০৫০ চনৰ ভিতৰত প্ৰায় এক নিযুত জীৱ পৃথিৱীৰ পৰা বিলুপ্ত হৈ পৰিব।

□□□

# ছাতিৰ ইতিবৃত্তি

উৰ্বশী পোদ্দাৰ
স্নাতক দ্বিতীয় বৰ্ষ, অৰ্থনীতি বিভাগ

ছাতি বা Umbrella এই শব্দটো সকলোৰে পৰিচিত। কণমানি ল'ৰাৰ ইংৰাজী কিতাপৰ পৰা বৃদ্ধা চাইকেলৰ লৈকে "ছাতি" দেখা যায়। গতিকে ছাতিক আমাৰ জীৱনৰ এক অবিচ্ছেদ্য অংশ বুলি কলেও ভুল কোৱা নহয়। ছাতি অবিহনে ৰ'দেই হওঁক বা বৰষুণেই হওক ওলাই যোৱাটো সম্ভৱ নহয়। ছাতিৰ বিষয়ে আমি এনেদৰে ক'ব পাৰো 'ছাতি হ'ল আমাৰ জীৱনৰ ৰ'দ বৰষুণৰ সংগী।"



ছাতি প্ৰথমতে কেতিয়া আৰু ক'ত আৱিষ্কাৰ হৈছিল তাৰ কোনো নিৰ্ভৰযোগ্য তথ্য পোৱা নাযায়। খ্ৰীষ্ট্ৰপূৰ্ব একাদশ শতিকাৰ পৰা ৰ'দৰ পৰা ৰক্ষা পাবলৈ চীনৰ আদিবাসী লোকে সিংহ ছালৰ ছাতি ব্যৱহাৰ কৰিছিল যদিও দেৱ দেৱীৰ দৰ্শনৰ বাবে নাৰিকল আৰু খেজুৰ পাতৰ ছাতি তৈয়াৰ কৰিছিল। পুৰণি চিত্ৰ আৰু শিলত অংকিত ছাতিৰ ছবিয়ে খ্ৰীষ্ট্ৰপূৰ্ব পঞ্চদশ শতিকাত ইজিপ্তত ছাতি ব্যৱহাৰ সম্পৰ্কে প্ৰমাণ কৰে। ছাতিৰ হেলনীয়া অৱয়ৱে আকাশখন ৰজাৰ মূৰৰ ওপৰলৈ অহা আৰু তাৰ ছাঁত থকা মাত্ৰেই ক্ষমতাৰ আশ্ৰয়ত নিৰ্ভয়ে থকা বুলি ইজিপ্তবাসীয়ে বিশ্বাস কৰিছিল। ইজিপ্তৰ শাসনকৰ্তা সকলে বহা সিংহাসনৰ ওপৰত আৰু তেওঁলোকক কবৰ দিয়া পিৰামিডৰ ভিতৰতো ছাতিৰ অস্তিত্ব পোৱা যায়। সেউজীয়া ৰঙৰ কাপোৰত হাতীদাঁতৰ নাল ব্যৱহৃত ছাতি ৰোমান সকলে বৰষুণৰ পৰা ৰক্ষা পাবলৈ প্ৰথমে ব্যৱহাৰ কৰিছিল। আকৌ ইটালীত ছাতিৰ আৰম্ভনি ঘটে ষোড়শ শতিকাৰ আন্তিমফালে, ফ্ৰান্স আৰু ইংলেণ্ডত ছাতিৰ প্ৰচলন হয় ১৬৮০ চনতহে। ইংলেণ্ডত প্ৰথম অৱস্থাত ছাতিলৈ খোজকাঢ়ি যোৱা ব্যক্তিক হেয় ভাৱ লৈ ইতিকিং কৰা হৈছিল। চতুৰ্থদশ পঞ্চদশ শতিকাত ইউৰোপত কেৱল ৰাজতন্ত্ৰৰ লোকে ছাতি ব্যৱহাৰ কৰিছিল বাবে সাধাৰণ লোকে ছাতি ব্যৱহাৰ কৰিলে আজীৱন কাৰাবাস খাটিব লগা হৈছিল। অৱশ্যে পিছত অষ্টদশ শতিকালৈ সাধাৰণ মানুহৰ মাজতো বিয়পি পৰিছিল। মেক্সিকোত ছাতি হাতেৰে ধৰি যাবলৈ প্ৰয়োজন নহয়। কিয়নো ইয়াৰ ছাতিবোৰ এনেদৰে প্ৰস্তুত কৰা হয় যে টুপিৰ দৰে মাত্ৰ মূৰত ললেই হয়। এই ছাতি বৰ্ত্তমান বহু ঠাইত প্ৰচলন হৈ আছে। প্ৰাচীন কালত ছাতিক সন্মানৰ প্ৰতীক ৰূপে গণ্য কৰিছিল। আজিও আফ্ৰিকা প্ৰমূখ্যে কিছুমান ঠাইত ছাতিক সন্মানৰ প্ৰতীক ৰূপে ব্যৱহাৰ কৰে। বিবাহৰ লগতো ইয়াৰ ওতঃপ্ৰোত সম্বন্ধ আছে। অসমত যেনে কইনা গৃহলৈ দৰাই ছাতি লৈ যোৱাটো নিয়ম, তেনেদৰে কেৰেলাতো বিবাহত দ'ৰা কইনা পক্ষৰ মাজত ছাতিৰ আদান প্ৰদান কৰা হয়। জাভাত আকৌ কবৰত ৰ'দ নপৰিবলৈ চাতি টানি দিয়া হয়। আকৌ আমাৰ অসমীয়া সমাজত ছাতিক দানৰ প্ৰতীক হিচাপেও ব্যৱহাৰ কৰা হয়। আৰ্থাৎ লোক সমাজত যদি কাৰবাৰ কিবা বাধা বিঘিনি থাকে তাৰ ক'লা ছাতি দান কৰি আঁতৰোৱা হয়। গতিকে এই দৰে বহু কাৰণতে ছাতিৰ ব্যৱহাৰ কৰা হয়।

□□□

# বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ "মৃত্যুঞ্জয়"ৰ ৰাজনৈতিক দিশ

মণিকা চুতীয়া
স্নাতক দ্বিতীয় বৰ্ষ, অসমীয়া বিভাগ

অসমীয়া সাহিত্যজগতৰ পুৰোধা ব্যক্তি বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ "মৃত্যুঞ্জয়" এখন বহুপঠিত, বহু আলোচিত সফল ৰাজনৈতিক উপন্যাস। উপন্যাসখন ১৯৭০ চনত প্ৰকাশ পায় আৰু ১৯৭৯ চনত প্ৰথম অসমীয়া "জ্ঞানপীঠ বঁটা" বিজয়ী গ্ৰন্থৰ সন্মান লাভ কৰে। উপন্যাসখনৰ জুমুঠিটো ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ অবিচ্ছেদ্য অংগ '৪২ ৰ মহৎ জাগৰণে ঢৌৱাই যোৱা অসমৰ ৰাজনৈতিক বাতাবৰণক কেন্দ্ৰ কৰি নিৰ্মাণ কৰা হৈছে। ১৯৪২ চনৰ ৮ আগষ্টত বোম্বাইত ভাৰত ত্যাগ প্ৰস্তাৱ গৃহীত হোৱাৰ লগে লগে গান্ধী, নেহেৰুৰ পৰা আৰম্ভ কৰি সমগ্ৰ দেশৰ নেতা সকলক বৃটিছ চৰকাৰে জেলত ভৰাই থ'লে। ৯ আগষ্টৰ দিনা অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি মহম্মদ তৈয়বুল্লা, ফখৰুদ্দিন আলি আহমদ, বিষ্ণুৰাম মেধি, দেৱেশ্বৰ শৰ্ম্মা, ড° হৰেকৃষ্ণ দাস, লীলা বৰুৱা আদিকে ধৰি সকলো আগশাৰীৰ নেতাক চৰকাৰে বন্দী কৰিলে। আনহাতে সেই ঐতিহাসিক অধিবেশনৰ পৰা উভতি আহোতে গোপীনাথ বৰদলৈ আৰু সিদ্ধিনাথ শৰ্ম্মাক ধুবুৰীত গ্ৰেপ্তাৰ কৰা হ'ল। এনে অৱস্থাত "ভাৰত-ত্যাগ" প্ৰস্তাৱ কাৰ্য্যত ৰূপায়িত কৰিবলৈ নেতাসকলে কোনো ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰিলে। ক্ষোভত ফাটি উঠা সংগ্ৰামীসকলৰ এটা ঠালে "কৰিম বা মৰিম" নীতিত বিশ্বাসী হৈ মথাউৰি ছিগা বানৰ দৰে হিংসাত্মক পন্থাত আশ্ৰয় ল'লে। উপন্যাসখনৰ কাহিনীত অসমলৈ বৈ অহা হিংসাত্মক বানৰ চিত্ৰ অংকন কৰা হৈছে। ইয়াক ফুটাই তোলা হৈছে নগাওঁ জিলাৰ মুখ্যত মায়ং অঞ্চলৰ বৈষ্ণৱ পৰম্পৰাৰ কেতবোৰ গান্ধী অনুগামী লোকে এটি বিশেষ হিংসাত্মক ঘটনা কাৰ্য্যকৰী কৰাৰ মাজেদি। এই বিশেষ হিংসাত্মক ঘটনাটো অৰ্থাৎ ৰেল আলিৰ ফিটপ্লেট খুলি ৰেল বগৰোৱা কাৰ্য্যটো নগাওঁ জিলাৰ জাগীৰোডত সঁচা সঁচিকৈয়ে সংঘটিত হৈছিল।

মৃত্যুঞ্জয়ৰ পাতনিত ভট্টাচাৰ্য্যই উল্লেখ কৰিছে "এই উপন্যাসত বৰ্ণোৱা ঘটনাৰ কাল ১৯৪২ চন। চৰিত্ৰসমূহ কাল্পনিক। অৱশ্যে ইয়াত স্বাধীনতাৰ এই শেষ আন্দোলনৰ চিৰস্মৰণীয় ঘটনাৱলীৰ আভাস আৰু চিত্ৰণ আছে। ই ইতিহাস নহয়। নিজৰ কালত ঘটা ঘটনাৰ আলম লৈ ৰচা কাহিনীহে। এই ঘটনাবোৰ আন যুগৰ মানুহে বা ঐতিহাসিকে আনধৰণে চাব আৰু সেইবোৰৰ বেলেগ ব্যাখ্যা দিব। কিন্তু তথাপি ৰচকে নিজে দেখা সেই মহৎ জাগৰণ; তাত লিপ্ত হৈ অনুভৱ কৰা উত্তোলনৰ ভাৱ আৰু তাৰ মাজেদি প্ৰত্যক্ষ কৰা স্বপ্ন এইবোৰ জনাবলৈ অন্য যুগৰ লেখক বা বুৰঞ্জীবিদ সমৰ্থ হ'ব বুলি আমাৰ ধাৰণা নহয়। সেইবিলাক অভিজ্ঞতা কোৱাৰ অধিকাৰ কেৱল সমকালীন লেখকৰ। দেখা, লিপ্ত হোৱা আৰু অনুভৱ কৰাৰ সুবিধা প্ৰত্যেক কালে কেৱল নিজৰ মানুহকহে দিয়ে। আন কালৰ বিদ্বানে বা কাহিনী লেখকে এইবোৰ ঘটনাক হয়তো ভিন্ন ৰূপে চাব। কিন্তু এই উপন্যাসত ফুটি উঠা ৰূপ স্বাধীনতাৰ সাধনা কালৰ। সেই সাধনাৰ মহত্ব আৰু একক অনুভূতিৰ যি সকল অধিকাৰী হৈছিল; সেই সকলৰ আত্মাৰ যৎসামান্য চিনাকী ইয়াত আছে। মানৱ মুক্তিৰ সাধনাতকৈ মানুহৰ সত্ত্বা আৰু চিত্ত আলোড়িত কৰা আন কিবা কোৱাল সাধনা আছে বুলি ধাৰণা কৰা টান। এই সাধনাইহে মানৱ সমাজ আৰু মানৱ চিত্তৰ দ্ৰুত ৰূপান্তৰ সাধে।" সেয়েহে উপন্যাসখনে সমসাময়িক আৰু ঐতিহাসিকভাৱে সত্য ভালেমান ঘটনাৰ বিৱৰণ সামৰি লৈছে। উদাহৰণস্বৰূপে ৮ পৃষ্ঠাত উল্লিখিত বাৰপূজীয়াত মিটিং কৰিবলৈ গৈ তিলক বৰাৰ মৃত্যু,

বৰঢ়মপুৰত ভোগেশ্বৰী ফুকননী, ঠগী সূত, লক্ষী হাজৰিকাৰ প্ৰাণ আহুতি দিয়াৰ বৰ্ণনা (পৃঃনঃ-৩৬-৩৭), ব্ৰজ শৰ্ম্মাই সৰভোগৰ মিলিটেৰী ঘাটি জ্বলোৱাৰ বৰ্ণনা (পৃঃ নং - ৪৩-৪৪), গহপুৰ থানাত পতাকা উত্তোলন্ কৰিবলৈ গৈ কনকলতা, তিলেশ্বৰীয়ে পুলিচৰ হাতত প্ৰাণ এৰিলে; ইয়াৰ বৰ্ণনা দাঙি ধৰিছে ৬৪-৬৫ পৃষ্ঠাত। ইয়াৰোপৰি ৰিহাবাৰীৰ ৰাজহুৱা সভাত মদন আৰু ৰাউতক পুলিচে গুলীয়াই মৰাৰ বৰ্ণনা, সৰুপথাৰৰ ৰেল-বগোৱা কাৰ্যত দোষী সাব্যস্ত কৰি কুশল কোঁৱৰক ফাঁচি দিয়াৰ বিৱৰণ আৰু নিধন কোঁচৰ হত্যা (পৃঃনং- ৬৯), কমলা মিৰিয়ে ৰেলৰ ভিতৰত অৱৰ্ণনীয় যন্ত্ৰনা সহি মৃত্যুবৰণ কৰাৰ বিৱৰণ (১১৯ পৃঃ) আদি ঘটনাৰ উল্লেখনীয়। স্বাধীনতা আন্দোলনৰ চূড়ান্ত পৰ্য্যায়ৰ সময়ছোৱাত ঘটা, অসমৰ ৰাজনৈতিক পৰিৱেশ উতপ্ত কৰি তোলা এইসকলোবোৰ বাস্তৱ ঘটনাকে অতি কৌশলেৰে উপন্যাসখনত গ্ৰথিত কৰি ঔপন্যাসিকে পটভূমি সৃষ্টিৰ ক্ষেত্ৰত দক্ষতাৰ পৰিচয় দিছে।

উপন্যাসখনৰ চৰিত্ৰসমূহে সমসাময়িক ৰাজনৈতিক পৰিস্থিতি সম্পৰ্কে যথেষ্ট খা-খবৰ ৰাখে। সৰ্বভাৰতীয় ৰাজনৈতিক আৰু আৰ্ন্তজাতিক পৰিস্থিতি সম্পৰ্কে স্পষ্ট হ'বৰ চেষ্টা কৰে। উপন্যাসখনৰ এঠাইত গোঁসায়ে কৈছে —'মোৰো ধাৰণা হৈছে এইবাৰেই নিবাৰ। ইংৰাজৰ অৱস্থা বেয়া। জাপানে কাবু কৰি আনিছে। ইহঁতি যেনেকৈ পলাইছে, অসম এৰি যাবলৈ বেছি দিন নাই। আমি জাপানীৰ তলতো থাকিব নোৱাৰো। গতিকে নিজৰ বাহুবলেৰে স্বাধীন চৰকাৰ পাতিব লাগিব। শুনিছো সুভাষ চন্দ্ৰ বসুও আহিছে আই. এন. এ. লৈ।" (পৃঃনং - ৩০)- গোঁসাইৰ এই মন্তব্যৰ মাজত লুকাই আছে সেই সময়ৰ প্ৰতিজন ভাৰতীয়ৰ অপূৰ্ণ আশা।

আনহাতে, সেই সময়ৰ নেতৃবৃন্দ আৰু সাধাৰণ প্ৰজাৰ মনত ধুৱঁলী কুৱলী হৈ থকা স্বাধীনতাৰ ছবিখন ফুটি উঠিছে ধনপুৰ আৰু আহিনা কোঁৱৰৰ বাৰ্তালাপত।— "ইংৰাজ যাওকচোন, মায়ঙত আমি ৰজা পাতোনে নেপাতো চা, কৃষ্ণক চিন্তি।"

ধনপুৰে ক'লে —"সেইফালে পানী এচলু দি থোৱা ভকত। গপত গেলাটো ভাল নহয়। এইখনত ভোট হ'ব। ভোট দি শ্বিলঙলৈ মেম্বৰ বাছিব লাগিব। মেম্বৰবোৰে মিলি মন্ত্ৰী বাছিব, সেই মন্ত্ৰীয়ে দেশ চলাব।

........................

ধনপুৰে ক'লে — তোমালোকৰ এই দাঁতিয়লীয়া ৰজা-পোৱালিবোৰে এতিয়াও ৰাজ্যৰ আশা এৰা নাই। পিছে সেইফালে নেচেল।

এয়া আদৰ্শৰ সংঘাত। ৰাজনৈতিক অস্থিৰতাই সৃষ্টি কৰা মানসিক সংঘাত। ক্ৰমাৎ জটিল হৈ পৰা ৰাজনৈতিক পৰিস্থিতিত জৰ্জৰিত স্বদেশ প্ৰেমীসকল কিংকৰ্তব্যবিমূঢ় হৈ পৰিছিল। তথাপি গান্ধীৰ ওপৰত পৰম আস্থাশীল সকলে কৈছিল, "গান্ধীয়ে আমাক বাট কাটি দিছে। আমি মাত্ৰ যাব লাগে।" এওঁলোকৰ মতে - "নৃসিংহৰ দৰে এই যুগতো দৰিদ্ৰ নাৰায়ণ অৱতাৰ হৈছে। সেই অৱতাৰ তাৰ মতে গান্ধী।" তথাপি অহিংসা নীতিয়ে কাটি দিয়া দীঘলীয়া বাট এৰি এচাম গান্ধীবাদৰ প্ৰতি বিতুষ্ট হৈ পৰিছিল। গান্ধীবাদৰ ওপৰত আস্থা হেৰাই যোৱা সৰ্বসাধাৰণৰ এটা অংশৰ কণ্ঠৰ সুৰ মৃত্যুঞ্জয়ে এনেদৰে ধৰি ৰাখিছে- "আন্দোলন ভালে চলা নাই। নেতাসকলৰ দুটা ভাগ হৈছে। এভাগে অহিংসাৰ পথেদি যাব খোজে। ইভাগে হিংসাৰ পন্থাইদি যাব খোজে।......... এভাগে গৰিলা যুদ্ধ পতাৰ কথা ভাবিছে। সুৱৰ্ণ সুযোগ আহিছে। বৃটিছ সেনা ভাগি আহিল বৰ্মাৰ পৰা। জাপানী আহি কহিমা সোমাইছেহি।..........আমি শূণ্য ঠাইত গৰিলা বাহিনী গঠন কৰি নিজৰ চৰকাৰ গঠন কৰিবলৈ ওলাইছো।" অহিংসা নীতিত বিশ্বাস হেৰুৱা জনগণক প্ৰতিনিধিত্ব কৰা, গৰিলা কৌশলৰে বৃটিছক খেদাব খোজা

লোকসকলে এদিন উপলব্ধি কৰিছিল যে - "মানুহৰ মুক্তিৰ যুঁজ অহিংসাৰে নহয়। হোৱা হ'লে ইমানদিনে ভাৰতে স্বাধীনতা পালেহেঁতেন।"

আদৰ্শৰ সংঘাতত জুৰুলা হ'লেও মৃত্যুঞ্জয়ৰ সমসাময়িক অসমীয়া সমাজখনত জাতীয় চেতনাই তীব্ৰতৰ ৰূপ ধাৰণ কৰিছিল। ডাকঘৰ, চৰকাৰী কাৰ্য্যালয়, কাছাৰী আদিত ত্ৰিৰঙ্গা উৰুওৱা নিত্য নৈমিত্তিক কাৰ্য্যসূচীৰ ভিতৰত পৰিছিল। মৃত্যুঞ্জয় তো যমুনামুখ থানাত ত্ৰিৰঙ্গা পতাকা উৰুওৱাৰ উল্লেখ আছে। উপন্যাসৰ মুখ্য চৰিত্ৰ ধনপুৰ ৰ দৰে ডেকাৰ জলন্ত উদাহৰণ অসমৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসৰ পাতে পাতে অমৰ হৈ আছে।

স্বাধীনতা আন্দোলনৰ সময়ছোৱাত অসমীয়া মানুহৰ ওপৰত পুলিছ মিলিটেৰীয়ে অৱৰ্ণনীয় অত্যাচাৰ চলাইছিল। মৃত্যুঞ্জয় উপন্যাসতো এই অত্যাচাৰৰ বৰ্ণনা ফুটি ওলাইছে। য'তেই মুক্তি সংগ্ৰামীসকল একগোট হৈছিল তাতেই পুলিছৰ নৃশংসতা প্ৰখৰতৰ হৈছিল। জাতীয় ইতিহাসেও ক্ষমা নকৰা মেজৰ ফিঞ্চৰ পৈশাচিক অত্যাচাৰৰ এটা কৰুণ দৃশ্য মৃত্যুঞ্জয়ে দাঙি ধৰিছে। জাতীয় পতাকাসহিত মুক্তি সংগ্ৰামী দেখিলেই গুলীয়াই হত্যা কৰি ত্ৰাসৰ সৃষ্টি কৰা এই দানৱীয় চৰিত্ৰটোৰ নাম শুনিলেই একো একোটা পাহুৱাল জেকাৰ গাৰ নোম ডালি ডালি হয়। এই অত্যাচাৰ যেন মানৱ দিনতকৈও বেছি। মানুহক যাকে য'তে পালে কোৰালে, হালে হালে সাঙুৰি নি ৰহাৰ থানাত টিকটিক দি কথা উলিয়াবলৈ চালে, কোনোদিনে পৰপুৰুষক স্পৰ্শ নকৰা একোজনী সতী তিৰোতাক চোঁচৰাই নিওঁতে গাৰ কাপোৰ কানি খহি গ'ল। ....... সিঁহতে সকলোৰে চেৰ পেলালে।" দ্ৰুতগতিত বাঢ়ি অহিছিল ধৰ্ষিতা আৰু নিৰ্যাতিতা নাৰীৰ সংখ্যা। তেনে এগৰাকী অসমীয়া নাৰী হৈ থিয় দিছে - সুভদ্ৰা। দেশ সেৱক তথা ভলণ্টিয়াৰসকলৰ অৱস্থাও বেছ দুখজনক হৈ পৰিছিল; বিশেষকৈ স্বাধীনতা প্ৰয়াসী ডেকাসকলৰ কৰ্তব্য সম্পাদনৰ উচ্চ আকাংক্ষাৰ মাজেদি শ্বহীদ হোৱাৰ হৃদয় বিদাৰক বাস্তৱকাহিনীয়ে "মৃত্যুঞ্জয়"ৰ সময়ৰ এটা ৰাজনৈতিক তথা সামাজিক দিশ উন্মোচন কৰিছে।

যিহেতু মৃত্যুঞ্জয়ৰ পটভূমি নগাওঁ জিলাৰ অঞ্চলবিশেষক কেন্দ্ৰ কৰি গঢ় লৈ উঠিছে সেয়ে ঘটনাচক্ৰই প্ৰায় সমগ্ৰ নগাওঁ জিলাৰ ৰাজনৈতিক, উতপ্ত সামাজিক পৰিস্থিতি ধৰি ৰাখিছে। আনকি ২৫ ছেপ্তেম্বৰ নগাঁও দিৱসৰ কথাও উল্লিখিত হৈছে। সেই সময়ৰ সমগ্ৰ জিলাখনেই ৰাজনৈতিক ভাৱে উতপ্ত হৈ উঠিছে। কিন্তু ইয়াৰ মাজতে ৰাইদঙীয়া অঞ্চলৰ পৰিস্থিতি অত্যন্ত বেয়ালৈ গতি কৰিছিল। উপন্যাসখনে এই সময়ছোৱাক এনেদৰে ধৰি ৰাখিছে -- "ৰাইদঙীয়ালৈ যোৱাটোৰ মুখখন চাওঁ।"

আন্দোলনৰ সময়ছোৱাত সমগ্ৰ অসমৰে ৰাজনৈতিক পৰিৱেশ এনেদৰে বিধস্ত হৈছিল যে সুস্থভাৱে নিজ পৰিয়ালৰ সতে এসাজ হাঁহিমুখেৰে খোৱাটো স্বপ্নৰ দৰে হৈছিল। সকলো সময়তে য়েন মূৰৰ ওপৰত মৃত্যু অদৃশ্য ছাঁ ই নৃত্য কৰি আছে। উপন্যাসখনৰ বিভিন্ন ঠাইত এইঅস্থিৰ পৰিৱেশ অংকিত হৈছে। কোনোৱা তিৰোতাই যদি স্বামী ঘৰলৈ ঘূৰি নহাৰ বাবে চিন্তাত টোপনি ক্ষতি কৰিছে, আন এগৰাকী সম্ভ্ৰান্ত ঘৰ বোৱাৰীয়ে দেখাদেখিকৈ সন্তান প্ৰসৱ কৰিব লগীয়া হোৱাৰ দৰে লজ্জাজনক পৰিস্থিতিৰ সৃষ্টি হৈছে। এই নাৰীসকল যেন আধুনিক যুগৰ একো-একোজনী জয়মতী।

এটা কথা চিৰসত্য যে সদায় এটা পৰস্পৰবিৰোধী মতভেদ সকলো বিষয়তে প্ৰভাৱ বিস্তাৰ কৰে। অসম তথা ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ছোৱাৰ ক্ষেত্ৰতো এই কথা খাটে। ভাৰতৰ দৰে অসমতো ইংৰাজৰ পদলেহন কৰা এচাম ব্যক্তি আছিল; বিশেষকৈ বুজন সংখ্যক চৰকাৰী চাকৰিয়াল বৃটিছ শাসনৰ অন্ত পেলোৱাৰ পক্ষপাতী নাছিল। মৃত্যুঞ্জয়েও অংকন কৰিছে শইকীয়া আৰু দাৰোগাৰ দৰে লোক। পুলিচ বিষয়া শইকীয়াৰ

মতে দেশে স্বাধীনতা নাপায় আৰু পালেও তেওঁ আত্মহত্যা কৰিব।

বিয়াল্লিছৰ আন্দোলনৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক নেতাসকলৰ বাবে কাৰাবৰণ কৰাটোও এক সন্মানীয় বিষয় স্বৰূপ হৈ পৰিছিল। কাৰাগৰ যেন দেশ মাতৃৰ মুক্তিযজ্ঞৰ বাবে দৰ্শন কৰিবলগীয়া এক পূণ্য তীৰ্থভূমি।

বিয়াল্লিছৰ আন্দোলনৰ গভীৰতাই অসমীয়া নাৰী সমাজতো ব্যাপক জাগৰণ সৃষ্টি কৰিছিল। ইয়াৰ জলন্ত প্ৰমাণ ইতিহাসে দাঙি ধৰাৰ লগতে উপন্যাসত বৰ্ণিত গোঁসানী, কলী বাইদেউ, ডিমি প্ৰত্যেকেই প্ৰতীক হৈ ধৰা দিছে। মৃত্যুঞ্জয়ৰ সমসাময়িক সমাজখনত উথলি উঠা এই জাগৰণক লিপিবদ্ধ কৰি ঔপন্যাসিকে সেই সময়ৰ ৰাজনৈতিক পৰিৱেশৰ আন এটা দিশ উন্মোচন কৰিছে।

উপন্যাসখনৰ এটাইত অন্যতম নাৰী চৰিত্ৰ গোঁসানীয়ে পৰম প্ৰত্যাশাৰে স্বাধীন ভাৰতৰ সপোন দেখি ছহিদ হোৱা, এজন এজনকৈ কাৰাবৰণ কৰিবলগীয়া হোৱা মুক্তিকামীসকলক উদ্দেশ্যি কৈছিল — " কৃষ্ণকে দেখোন কংসই জেলত ৰাখিছিল। মাৰিবও খুজিছিল। পাৰিলে জানো? এতিয়াও নোৱাৰে। আৰু ভলণ্টিয়াৰ সাঁ নমৰে নবৌ। ইহঁত ৰক্তবীজ।"

অৱশেষত এই ৰক্তবীজৰ বংশৰ আপ্ৰাণ চেষ্টাত, "মৰি যাওঁ, মাৰি যাওঁ, গুৰুৰ ঋণ শুজি যাওঁ" যেন ঐকান্তিক ত্যাগ আৰু অতুলনীয় দেশপ্ৰেমে জয়লাভ কৰিলে।

একেআষাৰে ক'বলৈ গ'লে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ মৃত্যুঞ্জয়ে সেইসময়ৰ অসমীয়া সমাজৰ ৰাজনৈতিক পৰিৱেশৰ প্ৰতিটো পৰিবৰ্ত্তনকে সফল ভাৱে ধৰি ৰখাত কৃতকাৰ্য্য হৈছে। যাৰ ফলত উপন্যাসখনক সেইসময়ৰ অসম ইতিহাসৰ সুখপাঠ্য দস্তাবেজ বুলিও ক'ব পৰা যায়।

*সহায় লোৱা গ্ৰন্থ ঃ*

১) মৃত্যুঞ্জয় - বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য।
২) ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য আৰু তেওঁৰ উপন্যাস - ড° মলয়া খাওন্দ।
৩) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যঃ ঔপন্যাসিক - গোবিন্দ প্ৰসাদ শৰ্ম্মা।

□□□

নিজৰ ভৰিৰ ওপৰত ঠিয় হ'বলৈ শিকা,
তেতিয়াহে সংসাৰক প্ৰকৃততে ভাল পাব পাৰিবা।
— স্বামী বিবেকানন্দ

# আব্ৰাহাম লিঙ্কনৰ বিষয়ে এটি অৱলোকন

গীতাঞ্জলী কলিতা
স্নাতক প্ৰথম বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ

আমেৰিকাৰ এসময়ৰ প্ৰাক্তন ৰাষ্ট্ৰপতি আছিল আব্ৰাহাম লিঙ্কন। আমেৰিকা যুক্তৰাষ্ট্ৰৰ কানিকটীয়া নামৰ ঠাইত ১৮০৯ তনৰ ১২ ফেব্ৰুৱাৰীত এটি দুখীয়া কাঠকটীয়াৰ পৰিয়ালত তেখেতৰ জন্ম হয়। এওঁৰ দেউতাক টমাছ লিঙ্কন এজন নিৰক্ষৰ লোক আছিল। আনহাতে মাক নামংছি এগৰাকী শিক্ষিতা মহিলা আছিল। মাক নানংছিৰ অনুপ্ৰেৰণাতেই আব্ৰাহাম লিঙ্কনে লিখা পঢ়া শিকিবলৈ যথেষ্ট অনুপ্ৰেৰণা পাইছিল। তেতিয়া আজিৰ দৰে স্কুল, কলেজ স্থাপন হোৱা নাছিল যদিও একোজন ভ্ৰমণকাৰী শিক্ষকে বিভিন্ন গাঁৱলৈ গৈ ল'ৰা-ছোৱালী গোটাই এডোখৰ ঠাইত শিক্ষা দিছিল। এবাৰ সেই ঠাইলৈ এজন শিক্ষক অহাৰ সংবাদ পাই মাকে আব্ৰাহাম আৰু তেওঁৰ ভগ্নী ছাৰাক সেই শিক্ষকজনক তেওঁলোক দুয়োকে শিক্ষা দিয়াৰ দায়িত্ব দিলে। সেই শিক্ষকজনৰ আদৰ্শতে তেওঁ বৰ্ণ-পৰিচয় আৰু মৌখিক গণনাৰ শিক্ষা লাভ কৰে। ইতিমধ্যে শিক্ষকজনে সেই ঠাই ত্যাগ কৰাত তেওঁলোক দুয়োৰে শিক্ষা সিমানতেই অন্ত পৰিল।

পিতাক টমাছ লিঙ্কনৰ কথামতে এদিন হঠাৎ কানিকটীয়াৰ পৰা ইণ্ডিয়ান প্ৰদেশলৈ স-পৰিয়ালেই উঠি আহিল। সেই ঠাইলৈ আহি আব্ৰাহামে হাবি-বননীয়ে ঘূৰি ফুৰা; সাতোঁৰা, গছত-উঠা ইত্যাদি কামবোৰ তেওঁৰ এখন দিনলিপিৰ দৰে হৈ পৰিছিল। মাকে সদায় তেওঁক সৈন্য-বাহিনীৰ যুদ্ধ বিগ্ৰহৰ ৰসাল কাহিনীবিলাক অধিক শুৱলাকৈ কৈছিল। সেই সময়ত বনৰীয়া ঘেঁহুৰপৰা কৰা আটাৰ ৰুটিয়েই আমেৰিকাৰ অধিকাংশ মানুহৰ একমাত্ৰ আহাৰৰ সামগ্ৰী আছিল। আব্ৰাহামে কিন্তু ল'ৰালি কালছোৱাত কোনো ধৰণৰ সুস্বাদ্যৰ সোৱাদ নোপোৱাকৈয়ে জীৱন অতিবাহিত কৰিছিল।

ইণ্ডিয়ানো প্ৰদেশলৈ অহাৰ পিছত এবিধ প্ৰাচীন ৰোগে দেখা দিয়াত মাক নানংছিৰ মৃত্যু হয়। মাকৰ মৃত্যুৰ পিছত আব্ৰাহাম সম্পূৰ্ণ নিঠৰুলা হৈ পৰিল। দেউতাক টমাছ লিঙ্কনে আন এগৰাকীক বিয়া কৰালে যদিও তেওঁক নিজৰ পুতেকৰ দৰেই মৰম কৰে।

সেইসময়ত আমেৰিকাৰ প্ৰথমজন ৰাষ্ট্ৰপতি আছিল জৰ্জ ৱাশ্বিংটন। জৰ্জ ৱাশ্বিংটনৰ জীৱনীখন তেওঁ এজন খেতিয়কৰ ঘৰলৈ যাওঁতে দেখি আহি সেই জীৱনীখন পঢ়িবৰ বাবে খুজি আনিলে। এই জীৱনীখন আধাৰুৱাকৈ পঢ়ি থাকোতে তেওঁ তৎক্ষণাত এফালে যাবলগীয়া হোৱাত বৰষুণত তিতি সেইখন নষ্ট হৈ গ'ল। এই কথাটো তেওঁ অতি সোনকালে গৈ খেতিয়কজনক জনালেগৈ আৰু ইয়াৰ বাবে কি ক্ষতিপূৰণ দিব লাগিব সেইটোও সুধিলে। তেতিয়া খেতিয়কজনে ক্ষতিপূৰণ নিবিচাৰি তেওঁৰ পথাৰত তিনিদিন কাম কৰি দিলেই হ'ব বুলি ক'লে। গতিকে সৎ, নম্ৰ স্বভাৱৰ লিঙ্কনে খেতিয়কজনৰ পথাৰত তিনিদিন কাম কৰি সেই আপুৰুগীয়া জীৱনীখন চিৰদিনৰ বাবে লাভ কৰি মনতে যথেষ্ট শান্তি পালে।

ইণ্ডিয়ানা প্ৰদেশত এজন চহকী ব্যৱসায়ী আছিল। সেই ব্যৱসায়ীজনে সৎ, নম্ৰ স্বভাৱৰ এজন বিশ্বাসী ল'ৰাৰ সন্ধান বিচাৰিছিল। লিঙ্কন তেওঁৰ সাধু স্বভাৱটোৰ বাবে সেইসময়ত তেওঁ বিখ্যাত বা জনপ্ৰিয় আছিল। ব্যৱসায়ী জনে তেওঁৰ পুত্ৰ জেণ্টি আৰু লিঙ্কনক ব্যৱসায় কৰিবলৈ দিলে। কিন্তু সেইসময়ত ভ্ৰমণ কৰোতে জলে-স্থালে মৃত্যুৰ আশংকা আছিল অধিক।

লিঙ্কন আৰু জেণ্টিয়ে এদিন দিনটো যাত্রা কৰি এঠাইত নাওঁ বান্ধি ৰাতি জিৰণি লৈ থাকোতে হঠাৎ লিঙ্কনে সাৰ পাই দেখিলে যে, কোনোৱাই পানীত নামি তেওঁলোকৰ নাৱৰ ওচৰ চাপিছেহি। আন্ধাৰতেই লিঙ্কনে ৰেড ইণ্ডিয়ান ৰোৰলৈ কেইজাইমান গুলী মাৰিলে যদিও তেওঁলোকৰ গাত নালাগিল আৰু তৎক্ষণাত তেওঁলোক পলাল। ৰেড ইণ্ডিয়ানবোৰলৈ গুলি মৰাৰ পাছৰ পৰাই মানুহে লিঙ্কনক সাহসী বীৰ বুলি সকলোৰে প্ৰশংসা কৰিবলৈ ল'লে।

১৮৩১ চনত লিঙ্কনৰ স-পৰিয়ালেই ইলিয়নিছ অঞ্চলৰ উত্তৰ ফাললৈ উঠি আহিল। সেই আঞ্চলত আফৰি নামেৰে এজন ব্যৱসায়ী আছিল। ব্যৱসায় চোৱা চিতা কৰাৰ কাৰণে তেওঁ এজন উপযুক্ত ল'ৰা বিচাৰিছি। আব্ৰাহামৰ বিশেষ পঢ়া শুনা নাথাকিলেও প্ৰখৰ বুদ্ধি, সৎ আৰু নম্ৰ স্বভাৱৰ বাবেই তেওঁকেই ল'লে। তেতিয়া তেওঁৰ বয়স হৈছিল ২১ বছৰ। তেতিয়ালৈকে তেওঁ ভালদৰে আখৰ লিখিবলৈও শিকা নাছিল। গতিকে তেওঁ নিজৰ হাতৰ আখৰক কাউৰী আৰু কুকুৰা নখৰ আচোঁৰৰ লগত তুলনা কৰিছিল। তেনেকৈয়ে তেওঁ আফাটৰ লগত এই ব্যৱসায় চলালে। তাৰ পাছত আফাটৰ নিউছালেমত এখন দোকান আৰু কাৰখানা আছিল। তাতে লিঙ্কনক আফাটে দোকান চলোৱা আৰু গুদামঘৰত ৰখীয়া হিচাবে দিলে। তাত থাকোঁতে তেওঁৰ সত্যতা ও বন্ধুত্বপূৰ্ণ তথা বাকপটু স্বভাৱৰ বাবে সকলোৰে মাজত অতি মৰমৰ হৈ পৰিছিল।

এদিন আফাটৰ দোকানখন সন্ধিয়া বন্ধ কৰি ঘৰলৈ আঁহোতে এডল ডেকাই লিঙ্কনক আগছি ধৰিলে। সেই দলটোত "জক" নামৰ এজন ডেকা আছিল। তেওঁ লিঙ্কনৰ দৰেই বাহুৱলী আৰু নিউছালেমৰ এজন বিখ্যাত কুস্তিবীৰ আছিল। প্ৰথমে জকে লিঙ্কনক হতাহতি যুদ্ধৰ বাবে টানি অনাৰ কাৰণে জকৰ লগৰ ডেকাসকলে লিঙ্কনে ভালকৈয়ে জকৰ পৰা মাৰ খাব বুলি ভাবি আনন্দত জপিয়াছিল। কিন্তু লিঙ্কনেহে জকক শক্তিশালী বাহুদুখনেৰে গবা মাৰি মাটিত চোচৰালে। তেতিয়া জকে লগে লগে লিঙ্কনৰ ওচৰত পৰাজয় স্বীকাৰ কৰিলে। গতিকে সেইদিন ধৰিয়েই সকলোতে লিঙ্কনৰ খ্যাতিৰ কথা অধিক জনপ্ৰিয় হৈ পৰিল।

সেইসময়ত কিতাপ আজিৰ দৰে সহজলভ্য নাছিল। তেওঁ সংবাদ মাধ্যমৰ দ্বাৰা জানিব পাৰিলে যে নিউছালেমৰ পৰা বাৰ মাইল দূৰৈত অৱস্থিত "কাৰ্কহাম" নামৰ ঠাইত এখন ব্যাকৰণ আছে। গতিকে তেওঁ সেই ব্যাকৰণখন আনি দোকানৰ কাম শেষ কৰি ৰাতি দুপৰলৈকে কেইদিনমান ব্যাকৰণৰ সূত্ৰসমূহ ভালদৰে মুখস্থ কৰিলে। কিয়নো নিউছালেমত আফাটৰ দোকানত কাম কৰোতে কিছুমান লোকৰ লগত কথা-বতৰা পতাৰ সুযোগ পালে যাৰ ভাষা আছিল একেবাৰ পৰিপূৰ্ণ। কিন্তু লিঙ্কনে ব্যৱহাৰ কৰা ভাষা আছিল ব্যাকৰণৰ দোষেৰে পৰিপূৰ্ণ। গতিকে লিঙ্কনে জানিব পাৰিলে যে ব্যাকৰণৰ জ্ঞান নাথাকিলে কোনো ভাষা শুদ্ধকৈ ক'ব নোৱাৰি। সেইকাৰণে তেওঁ ব্যাকৰণৰ সূত্ৰবোৰ মুখস্থ কৰিলে।

আপাটৰ ব্যৱসায় লাহে লাহে নচলা হৈ অহাত তেওঁ সেই ব্যৱসায়ো ত্যাগ কৰি ১৮৩২ চনত সক্ৰিয় ৰাজনীতিত অংশ লোৱাৰ মানসেৰে প্ৰাদেশিক মণ্ডলীৰ নিৰ্বাচনত প্ৰতিদন্দ্বিতা কৰিছিল যদিও পৰাজয় বৰণ কৰিবলগীয়া হয়। নিৰ্বাচনত পৰাজিত হৈ তেওঁ বেৰি নামৰ এজৱন লোকৰ লগত চিনাকি হয়। বেৰিৰ নিউছালেমত এখন দোকান আছিল তাতে তেওঁক দোকানৰ অংশীদাৰ হিচাপে ল'লে। কিন্তু বেৰী আছিল প্ৰকৃততে এজন অসৎ প্ৰকৃতিৰ লোক। তেওঁ আছিল অত্যন্ত মদপী আৰু তেওঁ ৰাতিটোৰ ভিতৰতেই দোকানৰপৰা টকা সংগ্ৰহ কৰি ধনী হোৱাৰ কামনা কৰিছিল। এদিন হঠাতে বেৰিৰ অকাল মৃত্যু হয়। ফলত তেওঁৰ দোকানো নচলা হৈ আহিল। ইতিমধ্যে যুটীয়া ব্যৱসায়ৰ সমগ্ৰ ধাৰৰ বোজা লিঙ্কনে হাঁহি মুখেই পৰিশোধ কৰিলে। তাৰ

পাছত তেওঁ নিউছালেমৰ ডাকঘৰত পোষ্ট মাষ্টৰৰ চাকৰি পালে। উল্লেখযোগ্য যে; এইটোৱেই লিঙ্কনৰ জীৱনৰ প্ৰথম চৰকাৰী চাকৰি।

লিঙ্কনে ডাকঘৰত পোষ্টমাষ্টৰৰ চাকৰি পোৱাৰ পাছত নিউছালেমত চাৰিবছৰমান ওকালতি কৰি ৰাজধানী স্প্ৰিংফিল্ডলৈ উঠি আহি নিজকে এজন আগশাৰীৰ শ্ৰেষ্ঠ আইনজীৱী হিচাপে প্ৰতিষ্ঠিত কৰি সকলোৱে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়।

১৮৩৪ চনত অৰ্থাৎ তেওঁৰ ২৫ বছৰ বয়সত পুনৰ নিৰ্বাচনত প্ৰতিদন্দ্বিতা কৰে আৰু সেইবাৰো পৰাজয় বৰণ কৰে। ইতিমধ্যে দিনৰ পাছত দিন বাগৰি আহি এটা সময়ত ছিনেট সভাৰ নিৰ্বাচনৰ দিন পৰিল। ইলিয়নিছ প্ৰদেশৰপৰা ডেমক্ৰেটিক দলৰ হৈ ডগলাছ আৰু ৰিপাব্লিকান দলৰ হৈ লিঙ্কনে ছিনেট সভাৰ প্ৰাৰ্থী ৰূপে নিৰ্বাচনত অংশগ্ৰহণ কৰে। আনহাতে ইলিয়নিছ প্ৰদেশ আছিল দাসত্ব প্ৰথাৰ ঘোৰ বিৰোধী। ডগলাছ এই দাসত্ব প্ৰথাৰ উগ্ৰ সমৰ্থক আছিল। লিঙ্কনক পৰাজিত কৰি ডগলাছ যদিও ছিনেট সভাৰ সদস্য হ'ল; তথাপিও তেওঁ লুটি-বাগৰ মৰা নীতিত দক্ষিণ অঞ্চলৰ লোকসকল খংত গৰজি উঠিল। নিৰ্বাচনত পুনৰবাৰ পৰাজয় বৰণ কৰিও তেওঁ নিজৰ মনটোত উৎসাহ দি নিজৰ প্ৰদেশ ত্যাগ কৰি নিৰ্বাচনত জয় লাভ কৰাৰ মানসেৰে আন-আন প্ৰদেশসমূহত দাসত্ব প্ৰথাৰ নিৰ্মূলৰ সমৰ্থনত বক্তৃতা দি ফুৰিলে।

আনহাতে ৰাষ্ট্ৰপতি নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে দক্ষিণ আঞ্চলৰ লোকে ডগলাছকে নিৰ্বাচনত জয়ী কৰিব বুলি ধৰি লৈছিল। ১৮৬০ চনত উত্তৰ অঞ্চলৰ ৰিপাব্লিকান দলে লিঙ্কনক এই পদত মনোনীত কৰিলে। ফলত নিৰ্বাচনত লিঙ্কনৰেই জয় হ'ল।

এইদৰেই কনিকটকীৰ বননিৰ মাজত অতি দৰিদ্ৰ কাঠকটীয়াৰ পৰিয়ালত জন্ম গ্ৰহণ কৰা এজন লোক গৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৰ্ব্বোচ্চ আসনখনত অধিষ্ঠিত হ'ল।

নিউজিলেণ্ডৰ ৰাজধানী প্ৰিংফিল্ডত ১৮৪০ চনত মেৰীটোড মানৰ এগৰাকী উচ্চবংশৰ সু-শিক্ষিতা গাভৰুৰ সৈতে তেওঁ বিবাহ পাশত আবদ্ধ হয়। এওঁলোক দুয়োৰে বিবাহিত কালছোৱা বেছিভাগ সময় দুখ-কষ্টৰ মাজেৰে অতিবাহিক কৰাৰ পাছত ১৮৬০ চনত নিৰ্বাচনত জয়ী হৈ আমেৰিকা যাক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি হোৱাৰ লগে লগেই তেওঁলোকৰ দুয়োৰে জীৱনৰ সপোন সফল হয়। ইতিমধ্যে তেওঁলোক চাৰিটা সন্তানৰ পিতৃ মাতৃ হয়।

ৰাষ্ট্ৰপতিৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই লিঙ্কন তেওঁ দাস প্ৰথাক লৈ সংঘটিত গৃহযুদ্ধৰ সন্মুখীন হ'ল। ৰক্তক্ষয়ী গৃহযুদ্ধৰ মাজতেই ১৮৬৩ চনৰ ১ জানুৱাৰীৰ এটা ঘোষণাৰ দ্বাৰা আমেৰিকাৰ সকলো দাসকে মুক্তি দিয়া হয়। ১৮৬৫ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ শাসন তন্ত্ৰৰ ত্ৰয়োদশ সংশোধনত এই আদেশক স্থায়ী ৰূপ দিয়া হয়। ১৮৬৫ চনৰ ৯ এপ্ৰিলত আমেৰিকাৰ গৃহযুদ্ধৰ অন্ত পৰে।

ৰাষ্ট্ৰপতিৰ গুৰু দায়িত্বৰ মাজতেই আনন্দ উপভোগ কৰাৰ মানসেৰে পত্নী মেৰীটোড আৰু কেইজনমান বন্ধুৰ সৈতে "বাশ্বিংটনৰ ফোৰ্ড" নামৰ এখন থিয়েটাৰ চাবলৈ গ'ল। বিশিষ্ট আসনত বহি থিয়েটাৰ চাই থকা অৱস্থাত হঠাতে বুথ নামৰ এজন অভিনেতাৰ গুলীত আব্ৰাহাম লিঙ্কন ধাৰাশায়ী হয়। তেতিয়া বুথ নামৰ অভিনেতাজনে লগে লগেই চিঞৰি ক'লে — "দক্ষিণৰ পৰাজয়ৰ এয়েই হ'ল চৰম প্ৰতিশোধ"। আঁততীয়াৰ গুলিয়ে মানৱৰ সম অধিকাৰৰ সমৰ্থক নিপীড়িতজনৰ আন্যতম বন্ধু এজন মহান পুৰুষক পৃথিৱীৰ বুকুৰ পৰা আকালতে হেৰুৱালে। অৰ্থাৎ ১৮৬৫ চনৰ ১৫ এপ্ৰিলত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। গতিকে আব্ৰাহাম লিঙ্কনে জীৱন নাটৰ যৱনিকা পেলালে যদিও সমগ্ৰ পৃথিৱীতে তেওঁ অমৰ হৈয়ে থাকিল। ❑❑❑

# জ্যোতিপ্ৰসাদৰ কাৰেঙৰ লিগিৰী

মেঘালী গগৈ
স্নাতক দ্বিতীয় বৰ্ষ, ইংৰাজী বিভাগ

নাট্যশিল্পীৰূপে জ্যোতিপ্ৰসাদ আগৰৱালাই আধুনিক অসমীয়া সাহিত্যত এক নতুন পথ মুকলি কৰে। নাটকৰ ৰচনা বিধানৰ গতানুগতিকতাৰ অৱসাদ কিছুদূৰ আঁতৰ কৰি তাত এক নতুনত্ব আনি দিয়ে। তেঁৰেই পোনপ্ৰথমে ৰোমাণ্টিক নাট্যৰীতি ভঙ্গ কৰি নাট্যকাৰৰ সূক্ষ্মদৃষ্টিৰে বিভিন্ন দৃশ্যৰ পৰিকল্পনা তথা বিস্তৃত নাট্য নিৰ্দেশনাৰ অৱতাৰণা কৰে। তেওঁৰ পূৰ্বৰ বা পৰৱৰ্ত্তী কালৰ কোনো নাট্যকাৰেই তেওঁৰ দৰে নাট্য পৰিকল্পনা কৰা নাই। ই তেওঁৰ নাট্য প্ৰতিভাৰ মৌলিকতাৰ এক নিদৰ্শন বহন কৰে। আকৌ, চৰিত্ৰ চিত্ৰণৰ দিশতো তেওঁ অভিনৱত্ব দান দি গৈছে। তেওঁৰ চৰিত্ৰসমূহ আছিল মনোবিশ্লেষণধৰ্মী। এই প্ৰসঙ্গত ইংৰাজ নাট্যকাৰ শ্বেক্সপীয়েৰৰ চৰিত্ৰ চিত্ৰণ সম্পৰ্কে এজন সমালোচকে মন্তব্য কৰিছিল যে -- "আধুনিক চিকিৎসা-পদ্ধতিত মনঃ সমীক্ষণ এটা বিজ্ঞান বুলি প্ৰতিষ্ঠিত হোৱাৰ বহু আগতেই শ্বেক্সপীয়েৰে এই মনোবিজ্ঞানক তেওঁৰ চৰিত্ৰ বিশ্লেষণত প্ৰয়োগ কৰিছিল।" এই প্ৰসঙ্গতে উল্লেখ কৰিব পাৰি যে গ্ৰীক ট্ৰেজেডীৰ ৰজা ইডিপাছৰ ভয়ংকৰ নৈতিক দ্বিধাভাৱক ছিগমাণ্ড ফ্ৰয়েডে তেওঁৰ মনঃসমীক্ষণৰ অধাৰ কৰি লৈছিল। জ্যোতিপ্ৰসাদৰ নাটকসমূহ অগতানুগতিক; ইয়াৰ ৰূপায়ন ৰীতি আৰু চৰিত্ৰ সৃষ্টিত স্বকীয়তা পৰিলক্ষিত হয়।

নিচেই কোমল বয়সৰ পৰা নাটক ৰচনা কৰিবলৈ লোৱা জ্যোতিপ্ৰসাদৰ প্ৰথমখন নাটক "শোণিত কুঁৱৰী" (১৯২৫)। চৈধ্য বছৰতে ৰচনা কৰা এই নাটকখনে তেখেতৰ সৃজনী প্ৰতিভাৰ পৰিচয় দাঙি ধৰে। পৌৰাণিক কাহিনীৰ মূল ৰূপৰেখা অব্যাহত ৰাখি তাক কবি কল্পনাৰ মধুৰ বোলেৰে চিত্ৰিত কৰি মাধৱী জোনালী নিশাৰ স্বপ্নলোকৰ সৌন্দৰ্য্য সৃষ্টি কৰিছে। ১৯৩০ চনত প্ৰকাশ পোৱা তেওঁৰ "কাৰেঙৰ লিগিৰী" নাটকখন জ্যোতিপ্ৰসাদৰ ৰচিত নাটকসমূহৰ ভিতৰত শ্ৰেষ্ঠ হিচাপে কৃতিত্ব অৰ্জন কৰিছে। মধ্যযুগীয় পটভূমিত ৰচনা কৰা এই নাটকখনিত সুন্দৰ কোঁৱৰক প্ৰগতি বাদৰ প্ৰতীকস্বৰূপে সৃষ্টি কৰিছে। আহোম যুগৰ পটভূমিত তেওঁ সুন্দৰ, শেৱালী, ৰাজমাও আদি চৰিত্ৰৰ যোগেদি মানুহক বাস্তৱ দৃষ্টিৰে চাবলৈ শিকালে। অভিজাত্যৰ মিছা-ভেম, যুগ-যুগান্তৰৰ সঞ্চিত সংস্কাৰক আৰু সামাজিক বাধা নিষেধৰ বিৰুদ্ধে তেওঁ ইয়াত ব্যক্তিৰ এক সংঘৰ্ষ ঘোষণা কৰিছে। নাটকৰ বিষয়বস্তু ৰচনা আৰু বিকাশত ৰোমাণ্টিক দৃষ্টিভঙ্গীৰ প্ৰাধান্য আছে যদিও নিৰ্মাণ কৌশলৰ চাতুৰ্য্য পৰিলক্ষিত হয়। ইয়াত প্ৰতিটো চৰিত্ৰৰে নিজস্ব সৌন্দৰ্য্য প্ৰকাশ পাইছে। বুদ্ধিদীপ্ত আৰু বলিষ্ঠ সংলাপে নাটকখনৰ সৌন্দৰ্য্যবৰ্দ্ধন কৰিছে। আনফালে আকৌ চৰিত্ৰ আৰু পটভূমিৰ পৰিচয়জ্ঞাপক বিৱৰণেও নাট উপলব্ধি আৰু ৰসাস্বাদনত সহায় কৰে। "কাৰেঙৰ লিগিৰী" নাটৰ সুন্দৰ কোঁৱৰ চৰিত্ৰটো সম্পৰ্কে জ্যোতিপ্ৰসাদে কৈছিল, "সুন্দৰৰ চৰিত্ৰ আদৰ্শ হিচাপে তাত দাঙি ধৰাতকৈ চৰিত্ৰৰ বৈচিত্ৰ্য এটাৰ চিৰবিপ্লৱী মনৰ দুৰ্নিবাৰ গতিৰ সৈতে সমাজৰ সংঘৰ্ষ আৰু সংঘাত, তাৰ পৰিণতি দেখুৱালৈহে প্ৰয়াস কৰা হৈছে।

সুন্দৰ কোঁৱৰ এজন শিক্ষিত, চিন্তাশীল, আদৰ্শবাদী অভিজাত যুৱক। নাট্যকাৰৰমতে তেওঁ বিপ্লৱী, সমাজৰ প্ৰচলিত নীতি নিয়মৰ বাটকটীয়া বান্ধোন মানি চলিব নোখোজে। তেওঁৰ কথা বতৰা আৰু ভাৱ ভঙ্গীমাৰ পৰা ভাৱ হয় তেওঁৰ যেন তিৰোতাৰ প্ৰতি কোনো সম্ভাৱ নাই আৰু সেয়ে তেওঁ বৈবাহিক সম্পৰ্কৰ প্ৰতিও নিৰাসক্ত। তেওঁ ৰাজ্যশাসনৰ গধুৰ দায়িত্ব গ্ৰহণ কৰিব, কিন্তু এগৰাকী কুঁৱৰী গ্ৰহণ নকৰে। তেওঁৰ মতে তিৰোতা

—আৰু খোঁচৰা ব্যাধি একে বস্তু। ৰাজমাওৰ মতে বিবাহ পূৰ্বাপৰ ৰীতি, তেওঁ কোঁৱৰক নেৰা নেপেৰাকৈ ধৰি আছে যে কাৰেঙলৈ এজনী কুঁৱৰী আনিব লাগে। আনহাতে সুন্দৰে শাস্ত্ৰাদি চৰ্চা কৰি নিজৰ মতে জীৱন অতিবাহিত কৰিব খোজে যাৰবাবে প্ৰচলিত সমাজব্যৱস্থাৰ প্ৰতিভূস্বৰূপ মাকে কয়, "এই পুথিপাঁজিবোৰেই ইয়াৰ কোমল মতি অবাটে নিলে। এইবোৰে ইয়াৰ মূৰটো ঘোলা কৰিলে।" সমাজত থাকি সামাজিকতাক একেবাৰে উলংঘা কৰিব নোৱাৰি। সেয়ে অৱশেষত ৰাজপাট আৰু ৰাজকাৰেঙৰ বশৱৰ্ত্তী হৈ তেওঁ মাকৰ ইচ্ছা অনুসৰি ৰাজ্যৰ প্ৰধানমন্ত্ৰীৰ জীয়েক কাঞ্চনমতীক বিয়া কৰায়। কিন্তু লাহে লাহে কোঁৱৰে গম পায় যে তেওঁৰ পত্নীয়ে তেওঁক প্ৰকৃততে ভাল নাপায়। তেওঁ অন্য কোনো ডেকাৰ প্ৰতিহে আসক্ত। তেতিয়া কোঁৱৰে এইটো পাহৰি যায় যে তেওঁ কাঞ্চনমতীক ভাল পাই নহয়, মাকৰ সন্তুষ্টিৰ বাবেহে বিয়া কৰাইছিল। সুন্দৰে পত্নীৰ পৰা দেহ মন দুয়োটাই দাবী কৰে; যিটো কাঞ্চনমতীৰ মতে, তেওঁৰ অধিকাৰৰ গণ্ডীত নপৰে। কাৰণ সামাজিক অনুষ্ঠান হিচাপে বিবাহৰ ক্ষেত্ৰত কেৱল দৈহিক পৱিত্ৰতাৰ ওপৰতহে গুৰুত্ব দিয়া হয়। ডেকা গাভৰু দুয়োজনে প্ৰকৃততে পৰস্পৰক ভাল পাই নে নাপায় তাক বিচাৰ কৰি চোৱাৰ প্ৰয়োজনীয়তা অনুভৱ কৰা নহয়। সেইবাবে কাঞ্চনে কৈছে, "অন্তৰতম প্ৰদেশৰ বিষয়ে সমাজে যদিও নিৰ্দেশ দি থৈছে সি সঁচাকৈয়ে পালিত হৈছে নে তাক চাবলৈ চন্তৰী নপঠায়, কিন্তু বিবাহিতা তিৰোতাই বাহিৰা নিয়মবোৰ ৰীতিমতে পালন কৰে নে নকৰে তাৰ কাৰণে সমাজে যথেষ্ট চোৰাং চোৱা থৈছে। আৰু সমাজ তাতেই সন্তুষ্ট। কাৰণ এইখিনি পালন হ'লেই সমাজৰ অনিষ্ট নহয়।" কোঁৱৰে নিজৰ ভুল উপলব্ধ কৰে যদিও সেই ভুল শুদ্ধৰাবলৈ গৈ আন এটা ভুল কৰি পেলায়। সুন্দৰে ভাৱে যে পূৰ্বৰ প্ৰেমিক অনঙ্গৰ হাতত কাঞ্চনমতীক গতাই দিলেহে তেওঁৰ ভুলৰ পৰিসমাপ্তি ঘটিব। সেয়ে এদিন তেওঁ বনভোজ খাবলৈ নিয়াৰ ছলেৰে কাঞ্চনক অনঙ্গৰ সৈতে কাজিৰঙাৰ হাবিত এৰি থৈ আহে। কাঞ্চনমতীয়ে বিহ খাই আত্মহত্যা কৰে আৰু এই ঘটনাই কাৰেঙত ভীষণ হুলস্থুলৰ সৃষ্টি কৰে। সেই সময়তে কাৰেঙত লগুৱা লিগিৰীবোৰৰ মাজত বু-বু-বা-বা চলে যে কোঁৱৰৰ শেৱালি নামৰ লিগিৰীজনীৰ প্ৰতি দুৰ্বলতা আছে। সেইকাৰণেই নিজৰ বিয়া কৰাই অনা পত্নীকো ত্যাগ কৰি তেঁওক মৃত্যুক আকোৱালি ল'বলৈ বাধ্য কৰে। এই কথাবোৰ লাহে লাহে ৰাজমাওৰ কাণত পৰেগৈ আৰু তেওঁ শেৱালিক সন্দেহৰ চকুৰে চাবলৈ ধৰে। কোঁৱৰে সেইবোৰ কথা পাতলকৈ লৈ মাকক আশ্বাস দিয়ে, "সেইবোৰ কথাত তুমি বিশ্বাস নকৰিবা আই। ৰজাৰ কোঁৱৰে লিগিৰীক তিমান ওখ শাৰীলৈ নোতোলে।" এই সন্দেহ সকলোৱে মনত দ' কৈ শিপাই পৰাৰ ফলত সুন্দৰে এদিন শেৱালিক নিজেই সুধিছে, "শেৱালী, তই মোক ভাৱ পাৱনে?" শেৱালিয়ে সমৰ্থসূচক উত্তৰ দিয়াত তেওঁ পুনৰ, "কিয় ভালপাৱ?" বুলিও প্ৰশ্ন কৰিছে। তাই এনেয়ে ভালপাওঁ বুলি কোৱাত সুন্দৰে কৈছে, "এনেয়ে পাৱ—? কেতিয়াও নহয়। ভালপাৱ? এনেয়ে? মই, মই তোৰ মণি মুকুতাৰে যোগান ধৰিব পাৰিম বুলি। সেইকাৰণে, সেইকাৰণে ভাল পাৱ? তিৰোতা- তিৰোতাই ভালপোৱা দিব! স্বাৰ্থৰ অগ্নিত ভালপোৱা পুৰি ভস্ম কৰি ছাইসোপা আনি আগত ধৰি কৈছে, "হোৱা এয়া ভালপোৱা আৰু আমি পুৰুষে সেইখিনিকে গাত সানি সকলো পাহৰি প্ৰণয়ৰ ধুনি জ্বলাই — তিৰোতাৰ প্ৰেমৰ ব'ৰগী। তই মোক এনেয়ে ভালপাৱ। ভালপোৱাৰ ছাই তহঁতে পুৰুষৰ চকুত মাৰি পুৰুষক কণামুনা কৰ, পুৰুষক ভুৱা দিয়া মায়াবিনী। এনেয়ে ভালপাৱ। এনেয়ে ভালপাৱ! এনেয়ে?" ৰাজমাৱে শেৱালিক নগাপাহাৰলৈ নিৰ্বাসন দিয়াৰ পাছত কিন্তু সেই কোঁৱৰেই শেৱালিক বিচাৰি কাৰেঙত তল-ওপৰ লগাই মাকক হৈছে, "শেৱালিক যদি লুকুৱাই থৈছা উলিয়াই দিয়া। খেদাই দিছা যদি ওভোটাই আনা, নিৰ্বাসিত কৰিছা যদি সেই আ[illegible] বদ কৰা, অঙ্গ ক্ষত কৰিছা যদি অঙ্গ দি আনা। প্ৰাণে মাৰিছা যুদি তুমি তুমি তাইৰ প্ৰাণ দি সঞ্জীৱিত কৰি মোৰ ওচৰলৈ

আনি দিয়া।” মাকে ইয়াৰ বিৰোধিতা কৰাত মাকৰ সৈতে তেওঁৰ তৰ্কাতৰ্কি হৈছে আৰু কথাত লাগি তেওঁ শেৱালিক লিগিৰী গুচাই কুঁৱৰী পাতিব বুলি ঘোষণা কৰিছে। সুন্দৰে নগাপাহাৰত শেৱালিক বিচাৰি পাইছেগৈ আৰু বিয়া কৰোৱাৰ প্ৰস্তাৱ দিছে। কিন্তু শেৱালিয়ে সিংহাসন তথা কোঁৱৰৰ জীৱন-বিপন্ন হোৱাৰ আশংকা কৰি পথাৰৰ জুৰিলৈ জাঁপ দি আত্মহত্যা কৰে। শেৱালিৰ এই প্ৰাণদানৰ ঘটনাই কোঁৱৰৰ মনত ভীষণ শোক আৰু প্ৰবল অৰ্ন্তদ্বন্দৰ সৃষ্টি কৰে। তেওঁ আত্ম গ্লানিত দগ্ধ হৈ কৈছে, “বুজালি- শেৱালি, মোক বুজালি। জীৱনৰে বুজালি, মৰণৰে বুজালি, মোৰ জীৱনযজ্ঞত তোৰ জীৱন আহুতি দিলি। তিৰোতাৰ অন্তৰৰ গুপুত সৌন্দৰ্য্যৰ নিৰ্জন খনি পোহৰাই জ্বলি থকা তিৰোতাৰ হিয়াতো শুভ্ৰ ভালপোৱাৰ সম্ভেদ মোক কৈ গলি। ত্যাগৰ মুকুটেৰে উজ্জ্বলি শেৱালি গোঁসানী মোৰ জীৱন শুদাকৈ, কাৰ আহ্বানত, সৃষ্টিৰ ইন্দ্ৰজাল ভেদি কোন ব্ৰহ্মাণ্ডলৈ উফৰি গলি? বিশ্বজগতৰ সকলো তিৰোতাৰ গালতে কি গৌৰৱৰ সেন্দুৰ সানি গলি! মোৰ কাৰণে, অ’ মোৰ কাৰণে তই হাঁহিমুখে চাকনৈয়াক চুমা খালি! বন্ধু এৰি দিয়া, মোক এৰি দিয়া। শেৱালিক মই বিচাৰি যাওঁ। পৰ্বতৰ গায়ে গায়ে —, নিজৰাৰ পাৰে পাৰে — বিচাৰি যাওঁ— শেৱালিক মই বিচাৰি যাওঁ। প্ৰথম অৱস্থাত সুন্দৰক দেখাত নাৰীবিদ্বেষী যেন লাগে যদিও বাস্তৱতে কিন্তু সেয়া নহয়। হয়তো নিজৰ অজ্ঞাতেই তেওঁ শেৱালিৰ প্ৰতি অনুৰক্ত আছিল। ঠিক পাফ্‌নুচিয়াচৰ অৱচেতনাত থৈইছ লুকাই থকাৰ দৰে। নগাপাহাৰত সলিল সমাধি ঘটা শেৱালিৰ শোকত বেদনা জৰ্জৰিত কোঁৱৰে এজন অস্বাভাৱিক বলিয়া প্ৰেমিকৰ আচৰণ কৰি দেখুৱালে, যিটো আন দহজন স্বাভাৱিক লোকৰ লগত নিমিলে।

সুন্দৰৰ দৰে বিষ্ময়াভিভূত হ’ব পৰা লোকৰ অস্তিত্বও আমাৰ সমাজত নথকা নহয়। সাহিত্যত অৱশ্যে জীৱনৰ সমলক চালি জাৰি কেৱল আৱশ্যকীয় মলখুখিনিহে গ্ৰহণ কৰাৰ ৰীতি চলি আহিছে। নিজৰ অভিজ্ঞতাৰ পৰা ইংৰাজ লেখক ছমাৰছেট মমে কৈছে, “নিতৌ লাভ কৰা অভিজ্ঞতাৰ পৰাই সাহিত্যৰ সমল লোৱা হয় যদিও লেখকে তাৰ দৰকাৰখিনিহে লয়, বাকীখিনি পৰিহাৰ কৰে।” সেয়ে একোটি চৰিত্ৰৰ চিত্ৰণত তীব্ৰ কেন্দ্ৰীভূতকৰণ কৰা হয়। কিন্তু তেনে কেন্দ্ৰীভূতকৰণৰ পৰাই সাধাৰণ পৰিচিতি পাঠকৰ মনত অনুভূত হয়। সমাজ তথা সংসাৰৰ বন্ধনৰ পৰা মুক্তি বিচৰা সুন্দৰৰ চৰিত্ৰই সেইকাৰণেই আমাক স্পৰ্শ কৰে। ব্যক্তিস্বাধীনতাৰ প্ৰতীক সুন্দৰ কোঁৱৰে ৰীতি নীতি, নিয়ম কানুনেৰে দৃঢ়ভাৱে আৱদ্ধ এখন সমাজত ব্যক্তিস্বাধীনতা বিচৰাটো এটা অলীক কল্পনা মাথোন। সুন্দৰ হৈছে যুগে যুগে বিভিন্ন দেশত ব্যক্তি স্বাধীনতাৰ কাৰণে চলি থকা প্ৰচেষ্টাৰে এক প্ৰতীক। সেইবাবে এই নাটখনিক অসম বুৰঞ্জীৰ কোনো এটা যুগত সীমাবদ্ধ কৰিব নোৱাৰি। নাটৰ কাহিনীভাগত অসমীয়া পৰিবেশ দিবৰ কাৰণেই তেওঁ আহোমযুগৰ পটভূমি লোৱা বুলি আগৰৱালাই নিজেই কৈছে। অৰ্থাৎ তেওঁ সুন্দৰৰ জৰিয়তে কোনো বিশেষ সময়সীমাত আৱদ্ধ নোহোৱা কেতবোৰ চিৰন্তন প্ৰশ্নৰহে অৱতাৰণা কৰিব খুজিছিল। সুন্দৰৰ দৰে বিদ্ৰোহীমনৰ লোকৰ মাজত সদায় হৃদয় আৰু মস্তিষ্কৰ দন্দ্ব থাকে। কিয়নো এনে লোকে হৃদয় বৃত্তিক তল পেলাই মস্তিস্কৰ চিন্তাৰ দ্বাৰা পৰিচালিত হ’বলৈ বিচাৰে। সুন্দৰে মস্তিষ্কৰে তিৰোতা অগ্ৰহ্য কৰি হৃদয়েৰে মনে মনে শেৱালিক গ্ৰহণ কৰি আছিল। ৰাস্কলনিকফে যিদৰে এটা আদৰ্শৰ বশৱৰ্তী হৈ বান্ধৱী ব্যৱসায়ী বুঢ়ী গৰাকীক অকাতৰে হত্যা কৰিছিল। অথচ পিছত অপৰাধবোধত ভুগি শেষলৈ মানৱ প্ৰেমকে সৰ্বোচ্চ বুলি ঘোষণা কৰিছিল। সুন্দৰ হৈছে সমাজৰ কু-সংস্কাৰ, অন্ধবিস্বাস, উঁৱলি যোৱা ৰীতি নীতি আৰু অনুষ্ঠানবোৰ ধ্বংস কৰি মুক্তি আৰু চিন্তাচৰ্চাৰ ভিত্তিত এখন নতুন সমাজ গঢ়াৰ পক্ষপাতী। বৈপ্লৱিক মানসিকতাৰ প্ৰতীক সুন্দৰৰ দৃঢ় বিশ্বাস যে ৰূপান্তৰৰ মাজেদিহে নতুন সমাজ গঢ়িব লাগিব আৰু ৰূপান্তৰৰ বাবে বিপ্লৱ আৱশ্যৰাম্ভী। সুন্দৰৰ চৰিত্ৰৰ

আগৰছোৰা দুৰ্বল আৰু দোদুল্যমান অৱস্থাত থকাৰ আভাস পোৱা যায়। মাকে পচন্দ কৰা ছোৱালী বিয়া কৰাবলৈ দৃঢ় তথা মুকলিভাৱে অনিচ্ছুকতা প্ৰকাশ কৰিছে যদিও ৰাজমাওৰ বিৰুদ্ধে যাব পৰা নাই। উচ্চ বংশ তথা অভিজাত্যৰ ভেম তেওঁৰ চৰিত্ৰৰ প্ৰথম অৱস্থাত প্ৰকাশ পাইছে। লিগিৰী শেৱালীৰ প্ৰতি অনুৰক্ত হোৱা সত্বেও ৰাজসন্মান হানি হোৱাৰ ভয়ত তেওঁ এই কথা স্বীকাৰ কৰিব পৰা নাই। পিছলৈ সুন্দৰে এই দুৰ্বলতা জয় কৰিবলৈ সক্ষম হৈছে। নৈতিকভাৱে গ্ৰহণযোগ্য নহয় যদিও নিজৰ বিবাহিতা পত্নীক আনৰ হাতত গতাই দিয়ে বা শেৱালীৰ দৰে লিগিৰীক বিয়া কৰাম বুলি খোলাখুলিকৈ ৰাজমাওৰ আগত ঘোষণা কৰে। তেওঁ কয়, "আই মাতৃ, তোমাৰ এই হুকুম মই অমান্য কৰিম। তাকে কৰিয়েই নেৰো। তাতকৈ আৰু কৰিম। তোমাৰ আজ্ঞা, সমাজৰ আজ্ঞা, উপৰি পুৰুষৰ আজ্ঞা, শাস্ত্ৰৰ বিধান, শাস্ত্ৰকাৰৰ নিবন্ধন আটাইবোৰৰ বিৰুদ্ধে যাম। মই শেৱালিক কাৰেঙৰ ভিতৰলৈ আনিম, মই মই, তাইক বিয়া কৰাম। আৰু আৰু কি কৰিম জানিছানে আই মাতৃ-- গোটেই কাৰেঙক গোটেই ৰাইজক তাইৰ আগত আঁঠু লোৱাম-- তাইক মই কাৰেঙৰ লিগিৰী গুচাই কৰেঙৰ কুঁৱৰী কৰিম।" সুন্দৰৰ এনে যুক্তি তথা বলিষ্ঠ সংলাপে বৈপ্লৱিক মানসিকতাৰ লগতে সাহসিকতাৰ পৰিচয় বহন কৰে।

চমুকৈ এই নাটৰ আনবিলাক চৰিত্ৰ বিশ্লেষণ কৰিলে পাওঁ, "ৰাজমাও" আছিল এগৰাকী সাধাৰণ স্বভাৱিক তিৰোতা। তেওঁ উপৰিপুৰুষৰ দিনৰ ৰাজপাট বৰ্তি থকাটো বিচাৰে। একমাত্ৰ পুতেকৰ বিয়াৰ যোগেদি বংশগতিৰ ধাৰাটো অক্ষুন্ন ৰাখিবলৈ বিচাৰে। "অনঙ্গৰাম" আছিল এজন অবিচল প্ৰেমিক; কিন্তু দুৰ্বল মনৰ। তেওঁ কাঞ্চনমীতৰ সৈতে থকা গভীৰ প্ৰেমৰ কথা সুন্দৰক খুলি ক'বলৈ সাহস গোটাব নোৱাৰিলে। তেওঁৰ বিপৰীতে কাঞ্চমনতী আছিল এগৰাকী সাহসী তিৰোতা। তেওঁ অনঙ্গৰ দুৰ্বলতা বুজিব পাৰি নিজেই বিয়াৰ পাছত সুন্দৰক সকলো কথা খুলি কৈছিল। তেওঁ সুন্দৰৰ অন্যায় ধৰিব পাৰি তাক আঙুলিয়াই ক'ব পাৰিছিল যে সুন্দৰে যদি অনিচ্ছাসত্বেও সমাজৰ কথা ৰাখিবলৈ তেঁওক বিয়া কৰাই আনিব পাৰে তেন্তে তেঁৰো মনটো আন এঠাইত থৈ কেৱল মানুহজনী কাৰেঙৰ ভিতৰলৈ আহিব নোৱাৰিব কিয়। সুন্দৰে যদি শাৰীৰিক ভাৱে কোঠাটোত সোমাই থাকি মনটো হিমালয়ত থৱ পাৰে, তেন্তে কাঞ্চনমতীয়ে কিয় তেওঁৰ মনৰ ভালপোৱা আনৰ বাবে ৰাখিব নোৱাৰে। এইফালৰ পৰা চাবলৈ গ'লে কাঞ্চনমতী সুন্দৰৰ সমকক্ষ চৰিত্ৰ আৰু সেয়ে দুয়ো দুয়োৰে সন্মুখত কাঠে কাঠে পৰিছিল। হয়তো ইয়াকে সহ্য কৰিব নোৱাৰি সুন্দৰে কাঞ্চনক কঠোৰ শাস্তি প্ৰদান কৰে আৰু কাঞ্চনেও জীৱনৰ বিনিময়ত হ'লেও তেওঁৰ আদেশ অমান্য কৰি যায়। নায়িকা "শেৱালি" আছিল নামটোৰ দৰেই সুন্দৰী, কোমল আৰু নম্ৰ স্বভাৱৰ ছোৱালী। এই নিৰীহ ছোৱালীজনীয়েই হৈছিল উভয় পক্ষৰ দ্বন্দৰ বলি। তাইৰ মাজত বিদ্ৰোহৰ চিন মোকাম নাই। সমাজত তথা কাৰেঙত তাইৰ যি স্থান তাক তাই অকাতৰে মানি লৈছিল। তাইৰ গাভৰু মনটো সুন্দৰৰ প্ৰতি উন্মুখ আছিল, কিন্তু এজনী সামান্য লিগিৰী হৈ তাক প্ৰকাশ কৰাৰ সাহস তাইৰ নাছিল। সামাজিকতাৰ কাৰণে তাই হৃদয় বৃত্তিক তল পেলাই থৈছিল। তাই কোঁৱৰক এনেয়ে ভালপাওঁ বুলি কৈছিল বিৰাট সামাজিক বাধাৰ বাবে। নহ'লে লিগিৰী বা নাচনীছোৱালীক ৰজা বা ৰাজকোঁৱৰে বিয়া কৰাই ৰাণী কৰি লোৱাৰ দৃষ্টান্তৰ কোনো অভ নাছিল। শেৱালিয়েও হয়তো মনে মনে তেনে এক আশাই পোষণ কৰিছিল। দৈহিক আৰু মানসিক দুয়ো সৌন্দৰ্য্যৰে তাই কোঁৱৰক মোহিত কৰিছিল, যি তাইৰ লগৰ লিগিৰীবিলাকক ঈৰ্ষান্বিত কৰিছিল। তাইৰ স্বভাৱি শক্তি ৰাজমাৱে অনুভৱ কৰিছিল। সেয়ে তেওঁ শেৱালিক নিৰ্বাসন দিছিল। আনফালে শেৱালিয়েও বিনা প্ৰতিবাদে সেই শাস্তি মানি লৈছিল। এক হিচাপে ৰাজমাও আৰু শেৱালি দুয়োটা টাইপ চৰিত্ৰ। ৰাজমাও আছিল নিজৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ আপ্ৰাণ চেষ্টা কৰা এগৰাকী সাধাৰণ তিৰোতা। সেইদৰে শেৱলিও আছিল এজনী সাধাৰণ

ছোৱালী যি আত্মধ্বংস কৰাৰ বাহিৰে সামাজিক নীতি নিয়মৰ বাহৰলৈ গৈ নিজৰ আকাংক্ষা পূৰণৰ চেষ্টা কৰি নোৱাৰে। হিয়াৰ গুপুত কোঁণত থকা প্ৰেম চৰিতাৰ্থ কৰিবলৈ শেৱালিৰ মানসিক প্ৰস্তুতি নাছিল। শেৱালিয়ে কোঁৱৰক মনে প্ৰাণে ভাল পাইছিল যদিও তেওঁক পাবলৈ আকাংক্ষা কৰা নাছিল, "আই অ' কোঁৱৰৰ মুখখন মনত পৰি মাজে মাজে বুকুখন কেনেকৈ চিৰিংকৈ গৈছে। কোঁৱৰলৈ মোৰ ইমান মৰম কিয়? তুমি নুবুজা নহয় মোৰ তোমালৈ কিমান মৰম। মোৰ বুকুৰে নধৰে, মোৰ মনেও ভাবি ভাবি শেষ কৰিবলৈ ভাগৰে কিমান মৰম সুৰুযৰ পোহৰবোৰ যেনেকৈ পৃথিৱীলৈ বিয়াকুল হৈ আহি আই বসুমতীক সাৱটি ধৰি আছে মোৰো মৰমবোৰ তোমালৈ সেইদৰে গৈ তোমাক আগুৰি আছেগৈ। তোমাৰ সোণ বৰণীয়া মুখত মোৰ মৰমবোৰ জিলমিলাই আছে। মই দেখিছো তোমাৰ কেকোঁৰা চুলিৰ চামে চামে মোৰ মৰমবোৰ লুকাভাকু খেলিছে। তোমাৰ ডিঙিৰ মুকুতামণি কেইটাত কেনে ৰহন সানিছে। তুমি মোলৈ নীলা আকাশৰ পূৰ্ণিমাৰ জোন, তোমাক মই নাপাওঁ কিন্তু তোমাৰ মৰমৰ জোনাকত মোক জুৰ লবলৈকো নিদিবানে। বৰ মৰম — তোমালৈ মোৰ বৰ মৰম! সৌৱা সৌৱা আকাশৰ নীলা, নীলা- নীলবোৰ যিমান দূৰলৈ গৈ গৈ আছে সমান সিমান সিমান!" শেৱালিৰ ঠাইত কাঞ্চনমতী থকা হ'লে তাই হয়তো নিজৰ প্ৰেমক এক সফল ৰূপ দিব পাৰিলেহেতেন। কিয়নো তাই শেৱালিতকৈ পৃথক, এক বেলেগ ধাতুৰে গঢ়া ছোৱালী আছিল। অনঙ্গৰ দুৰ্বলতা আৰু বিশ্বাসঘাটকতাৰ বাবেই এটা প্ৰতিশোধৰ ভাৱত কাঞ্চনমতীয়ে সুন্দৰৰ সৈতে বিয়া হ'বলৈ সন্মতি দিছিল। প্ৰেম নোহোৱাকৈ বিয়া হ'ব পাৰে, সংসাৰ হ'ব পাৰে; হয়তো কাঞ্চনৰো হ'লহেতেন। কিন্তু সুন্দৰে সেয়া হ'বলৈ নিদিলে। নাটকৰ শেৱালি চৰিত্ৰটোৱে আমাৰ পৰা সহানুভূতি লাভ কৰে, আনহাতে কাঞ্চনলৈ আমাৰ সন্মান উপজে, শেৱালিৰ সৌৰভ আৰু কাঞ্চনৰ উজ্জ্বলতা আমাৰ চকুত চিৰদিন অম্লান হৈ ৰ'ব। সুদৰ্শনে সুন্দৰৰ বন্ধু হিচাপে পৰিস্থিতিসাপেক্ষে সৎ-পৰামৰ্শ সথা সহায় সহযোগ আগবঢ়াইছে। বপুৰা চৰিত্ৰটোৱে দৰ্শক-পাঠকক মাজে মাজে হাঁহিৰ খোৰাক যোগাই নাটখন সুখপাঠ্য কৰি তুলিছে। সেউজী আৰু ৰেৱতী শেৱালিৰ দৰে ৰাজকাৰেঙৰ লিগিৰী ছোৱালী। আনফালে কপুক, জুনুক ঠেনুক হৈছে নগা পাহাৰত শেৱালিক আশ্ৰয় প্ৰদান কৰা নাগিনীছোৱালী।

"কাৰেঙৰ লিগিৰী" নাটকখন চৰিত্ৰ আৰু ঘটনাৰ দিশৰ পৰা কাল্পনিক যদিও নাটকীয় শৈলী, কাৰিকৰী চিন্তা চৰ্চা আদিৰ দিশত নাটখন এখন বাস্তৱিক চিন্তামূলক সামাজিক নাটক। এই নাটখনিত পশ্চিমীয়া সাহিত্যৰ বাস্তৱধৰ্মী, সমস্যামূলক, চিন্তাশীল নাটকৰ প্ৰভাৱ পৰিছে। ঊনৈশ শতিকাৰ নৰৱে দেশৰ নাট্যকাৰ হেনৰিক ইবচেনে পোনপ্ৰথমে এই ধৰণৰ নাটক লিখি ইউৰোপৰ নাট্য জগতত বিপ্লৱৰ সূচনা কৰে। ইয়াৰ পিছত ইংৰাজী সাহিত্যত জৰ্জ বাৰ্ণাৰ্ড শ্বই চিন্তামূলক, আলোচনাপ্ৰধান নাটকৰ প্ৰসাৰ সাধন কৰে। ইংৰাজী সাহিত্যৰ যোগেদি ইবচেনৰ প্ৰভাৱ অসমীয়া সাহিত্যত পৰেহি। জ্যোতিপ্ৰসাদৰ কাৰেঙৰ লিগিৰী, নাটকত পোনপ্ৰথমবাৰৰ বাবে ইবচেনীয় নাট্যৰীতিৰ সুন্দৰ প্ৰয়োগ দেখা যায়। কথোপকথনত গদ্যৰ ব্যৱহাৰ, আলোচনাৰ প্ৰাধান্য, সুন্দৰৰ দৰে বিপ্লৱী চৰিত্ৰৰ উপস্থাপন, কাঞ্চনমতী আৰু শেৱালিৰ নিচিনা বৈশিষ্ট্যপূৰ্ণ আৰু ব্যক্তিত্বসম্পন্ন নাৰী চৰিত্ৰৰ সৃষ্টি আদি দিশত বিশ্লেষণ কৰিলে এই নাটকখন ইৱচেনৰ লগত তুলনা কৰিব পাৰি। জ্যোতিপ্ৰসাদে অৱশ্যে পাশ্চাত্য নাটকৰ অন্ধ অনুকৰণ কৰা নাই। তেওঁ কেৱল ইৱচনৰ বৈপ্লৱিক নাট্যচিন্তা আৰু ইয়াৰ কৃতকাৰ্য্যতাৰ দ্বাৰা প্ৰভাম্বান্বিত আৰু উৎসাহিত হৈ অসমীয়াটো এনে নাটক ৰচনা কৰি নিজৰ মৌলিক প্ৰতিভাৰ পৰিচয় ডাঙি ধৰিছে। জ্যোতিপ্ৰসাদেই সমাজিক সমস্যামূলক আৰু চিন্তাশীল আলোচনাত্মক নাটকৰ প্ৰথম আৰু প্ৰধান বাটকটীয়া।

উপন্যাসঃ

# এটা নেদেখা সপোনৰ শেষত

লিপি ফুকন
স্নাতক তৃতীয় বৰ্ষ, ইংৰাজী বিভাগ

।। এক ।।

কলেজৰ পৰা কোৱাৰ্টাৰলৈ আহি থাকোতেও তাই মাথো মনত পেলাই আহিল ডিগ্ৰী ছেকেণ্ড ইয়েৰৰ আলোক নামৰ ল'ৰাজনক তাই কৰবাত আগতে লগ পাইছে নেকি? অৱশ্যে পাব নালাগে। ডিগ্ৰী ছেকেণ্ড ইয়েৰত এইটোৱেই তাইৰ প্ৰথম মেজৰ ক্লাছ। তাৰোপৰি সৰুৰেপৰা এই ঠাইলৈ তাই এবাৰো অহাই নাই। তথাপিও কিবা এক চিনাকি চিনাকি ভাৱে তাইক আচ্ছন্ন কৰি ৰাখিছিল ক্লাছৰুমৰ ভিতৰত। ডিপাৰ্টমেণ্টৰ হেড শৰ্মাছাৰে তাইক ডিগ্ৰী ছেকেণ্ড ইয়েৰত থাৰ্ড পেপাৰৰ ইলেকট্ৰিচিটি আৰু মেগনেটিজম চেপ্টাৰটো পঢ়াবলৈ দিছে। কিন্তু প্ৰথম দিন হোৱাৰ বাবেই বৃষ্টিয়ে কৰ্চটো আৰম্ভ কৰি নিদিলে। পাৰ হৈ যোৱা বছৰত ফাইনেল পৰীক্ষাত কোনখন পেপাৰত কোনে কিমান নম্বৰ পাইছে, তাৰেই হিচাপ ল'লে। আলোক ফাৰ্ষ্ট ক্লাছ পাইছে বুলি ডিপাৰ্টমেণ্টত তাই শুনিছে। মনত ধাৰণ এটা হ'ল ল'ৰাটো নিশ্চয় পঢ়াত ভাল হ'ব। ফাৰ্ষ্ট ইয়েৰত ফাষ্ট ক্লাছ পোৱাটোৱে তাৰেই প্ৰমাণ দিয়ে। ফাষ্ট পেপাৰত মেকানিকছ, ছেকেণ্ড পেপাৰত অপটিকচ আৰু থাৰ্মে ফিজিক্সত নম্বৰ পোৱাটো বৰ সহজ বুলিও ক'ব নোৱাৰি। ল'ৰাছোৱালীখিনি ভাল লাগিল তাইৰ। যিটো শংকা মনত লৈ আহিছিল সেইশংকা লাহে লাগে দূৰ হৈছে তাইৰ মনৰপৰা। সমুখত বহুত ছাত্ৰ-ছাত্ৰী থাকিলে এগৰাকী শিক্ষকে প্ৰথম ক্লাছত কিছু অসহজ অনুভৱ কৰাটো স্বাভাৱিক। সেইবাবেই হয়তো হায়াৰ ছেকেণ্ডাৰীত ফিজিক্সৰ ক্লাছটো কৰোতে প্ৰথমদিনা নিজকে বৰ অসহায় যেন লাগিছিল বৃষ্টিৰ- প্লেটফৰ্মৰ ওপৰত। কলেজখনত জইন কৰি মনে মনে বৰ সন্তোষ্টি লাভ কৰিছে তাই। অন্ততঃ ফিজিক্সত মাষ্টাৰ ডিগ্ৰী কৰি এবছৰ ইটো সিটো পোষ্টত এপ্লাই কৰাৰ পাছত এইখন কলেজত চাকৰি পোৱাৰ কথাটোৱে তাইৰ মনলৈ অলপ স্বস্তি আনিছে। অৱশ্যে ঘৰৰ পৰা দূৰ হোৱাৰ বাবেই কলেজৰ শিক্ষকৰ কোৱাৰ্টাৰ এটাতে তাই থকাৰ ব্যৱস্থা হৈছে। তাইৰ ৰুমৰ কাষতে কেমিষ্ট্ৰি বিভাগৰ হেড দিপালী কলিতাও থাকে। দিপালী বাইদেউৰ একমাত্ৰ ল'ৰা আবিৰৰ হাঁহি ফূৰ্তিৰে মুখৰিত হৈ থাকে কোৱাৰ্টাৰটো। হয়তো আবিৰ থকা বাবেই কলেজৰ পৰা ঘূৰি অহাৰ পাছতো অকলশৰীয়া অনুভৱ কৰিবলৈ বৃষ্টিয়ে সময় নাপায়। বহুদিনৰ মূৰত তাই যন্ত্ৰণাৰ এক অন্ধকাৰ কোঠাৰ পৰা মুক্তি পাইছে। কলেজত জইন কৰিছে. দেউতাকৰ সপোন এটাক বাস্তৱৰ ৰূপ দিছে। যোৱা চাৰি, পাঁচ বছৰে যিখন মুখে তাইৰ মনত দোলা দি থাকে বিষন্নভাৱে, সেই মুখখনত যেন এতিয়া সুখ আৰু গৌৰৱৰ আভা জিলিকি উঠে। কথাষাৰ ভবাৰ লগে লগে মনৰ মাজত যেন হাজাৰজনী বৃষ্টিয়ে হাঁহাকাৰ কৰি উঠিল। আহ্ দেউতা। এৰা, বৃষ্টিৰ প্ৰয়োজন আছিল এই মানুহজনক। সমগ্ৰ জীৱনৰ বাবে। অথচ, তেৱেঁই মাজবাটতে এৰি দিলে তাইৰ হাত। কি অভিমানত? কি খঙত? বৃষ্টিয়ে নাজানিলে। দেউতাকৰ



ইচ্ছা অছিল বৃষ্টিয়ে ফিজিক্স বিষয়ত মাষ্টাৰ ডিগ্ৰী কৰিব। অথচ সেই মানুহজনেই তাই বি. এছ. চি. পাছ কৰাৰ আগতেই তাইক এৰি গুচি গ'ল। মৃত্যু ইমান অকষ্মিক হ'ব পাৰে বুলি তাৰ আগতে তাই কেতিয়াও ভবা নাছিল।

টেবুলত থকা কিতাপ এখন হাতলৈ টানি ল'লে তাই। শিক্ষক হোৱা সহজ কথা নহয়। কাৰোবাক শিকাবৰ বাবে নিজেই যে কিমান বেছি জানিবলগীয়া হয়। পঢ়া-শুনাৰ পৰিমাণ আৰু দায়িত্ব যেন বঢ়িহে যায় সময়ৰ লগে লগে। পাঠটো পঢ়িবলৈ গৈ বৃষ্টিয়ে মনটো আকৌ আলোক নামৰ সেই ছাত্ৰজনৰ ওচৰলৈ ঘূৰি গ'ল। ল'ৰাটোৰ চকুদুটাই বৃষ্টিক আমনি কৰিলে। হয়, তাৰ চকুযোৰ কাৰোবাৰ দুচকুৰ সৈতে মিলে। তাৰ চকুযোৰ যোৱা পাঁচবছৰে তাইৰ মনৰ মাজত দোলা দি থকা সেই চকুযোৰৰ লগত মিলে। যিযোৰ চকুৱে তাইক প্ৰতিপল অনুসৰণ কৰিছিল। যিযোৰ চকুৱে তাই ডিগ্ৰী ফাষ্ট ইয়েৰত নিজৰ ডিপাৰ্টমেণ্টত ক্লাছ কৰি থাকোতে কেমিষ্ট্ৰি ডিপাৰ্টমেণ্টৰ পৰা তাইক লক্ষ্য কৰি থাকিছিল, চঞ্চল হাঁহি মাৰি অগ্নিগড়ত লুইতক শুনোৱাই বহুতে চিঞৰ মৰা চিত্ৰলেখা নামটোক সমৰ্থন কৰিছিল। এৰা আলোকৰ চকুযোৰ সেই দুটা চকুৰ লগত মিলে। যি দুটা চকু তাই প্ৰথমে পঢ়া কলেজখনৰ পৰা ট্ৰেন্সফাৰ হোৱাৰ পাছত যোৱা কেইবাবছৰে বৃষ্টিয়ে ক'তো দেখা নাই। কি কাৰণত এই চকুযোৰ তাইৰ মনৰ মাজত স্থায়ী ভাৱে বৈ গ'ল তাই নাজানে। এই আকৰ্ষণৰ নাম কি তাই হৃদয়ক কেতিয়াও সোধা নাই।

দিপালী বাইদেউৰ মাত শুনি বৃষ্টি বাস্তৱলৈ ঘূৰি আহিল। "বৃষ্টি তোমাৰ ফোন, কোন বা ৰাঘৱে কৰিছে।" ৰা...ঘ..ৱ..... অস্ফুটভাৱে উচ্চাৰণ **কৰিলে** তাই। অভিমানত দুচকু সেমেকি আহিল। ডিঙিলৈকে উজাই অহা দুখটোৱে কেইটামান মুহূৰ্ত্তৰ বাবে বোবা কৰি পেলালে তাইক।

## ।।দুই।।

ডিপাৰ্টমেণ্টলৈ তাইক বিচাৰি এটা অচিনাকি ল'ৰা অহাত আচৰিত হৈছিল বৃষ্টি। ইউনিভাৰচিটিতো তাইৰ কোনো চিনাকী নাই। ভয় খাইছিল তাই কিজানি নাম সুধি চিনাকিৰ দৰে দেখুৱাই ৰেগিং কৰা পদ্ধতি এয়া চিনিয়ৰ ষ্টুডেণ্টৰ। অৱশ্যে ল'ৰাজনৰ শান্ত মুখখন দেখি মনলৈ এক সাহস আহিছিল। ওচৰলৈ গৈ সেয়ে তায়েই সুধিছিল ল'ৰাজনক প্ৰথম প্ৰশ্নটো -

আপুনি মোক বিচাৰিছিল?

বৃষ্টি? ফিজিক্স ডিপাৰ্টমেণ্ট?

হয়।

এই টেলিফোন ইনডেক্সখন তোমাৰ?

হয়। মই জনাই নাছিলো এইখন ক'ৰবাত পৰি আহিছিল বুলি।

নতুনকৈ অহিছা, কনটেক্ট নম্বৰবোৰ হেৰালে অসুবিধা হয় বুলিয়ে দিবলৈ আহিলো।

ধন্যবাদ। আপুনি পঢ়ি আছে?

Same department. But I am senior.

তেতিয়াহ'লে লগ পম। আপোনাৰ নামটো নাজনিলো.....

ৰাঘৱ...।

ইউনিভাচিটিৰ হোষ্টেলত থাকিবলৈ সাহস নহ'ল বৃষ্টিৰ। দেউতাকৰ মৃত্যুৰ পাছত কোনোমতেহে আকৌ পঢ়াৰ মানসিক শক্তি গোটাব পাৰিছিল তাই। তথাপিতো মানুহৰ লগত সংশ্ৰৱ কমি গ'ল তাইৰ। অন্তমুখী হৈ পৰিল বৃষ্টি। নিজৰ ঘৰখন আৰু তাইৰ নিজৰ কোঠাৰ মাজতে আৱদ্ধ কৰি পেলালে তাই নিজৰ পৃথিৱী।

হোষ্টেলত এখন বহল সমাজৰ লগত সহজ হ'ব পাৰিব বুলি তাইৰ মনে নক'লে। সেয়ে ঘৰৰ ওচৰৰ দুজনী ছোৱালীৰ স'তে এটা প্ৰাইভেট মেছত থাকি ল'লে তাই। বি.এছ. চি.ত তাই ভাল ৰিজাল্ট কৰিব নোৱাৰিলে। অৱশ্যে সেই পাৰ্চেণ্টেজটোৰ ইউনিভাৰ্চিটিত ছিট পাবলৈ অসুবিধা নহ'ল তাইৰ। ৰেগিঙৰ ভয়ে ভিতৰি ভিতৰি বিতত কৰি তুলিছিল বৃষ্টিক। তাইও জানে, ৰাঘৱ নথকা হ'লে কেতিয়াও নোৱাৰিলেহেতেন তাই ইমান সাহসেৰে ডিপাৰ্টমেণ্টত খোজ দিব। নোৱাৰিলেহেতেন ইউনিভাৰ্চিটিৰ অলিখিত নিয়মবোৰ বুজি পাব। ৰেগিঙৰ নামত কোনো আতিশয্যৰ সন্মুখীন হ'ব লগীয়া নহ'ল তাই। শিক্ষকসকলৰ প্ৰিয় আৰু মেধাৱী ছাত্ৰ ৰাঘৱ তাইৰ সাহস হৈ ৰ'ল। দেউতাকক হেৰুৱাই কথা ক'বলৈ পাহৰি যোৱা বৃষ্টিক আকৌ সহজ হ'বলে শিকালে সি। ককায়েকৰ পৰা দূৰত থাকিও প্ৰতিপল বৃষ্টিয়ে ৰাঘৱৰ মাজত নিজৰ ককায়েকৰ পৰা পোৱা আশ্বাসখিনি পালে। পাছলৈ ৰাঘৱ বন্ধু হৈ পৰিল তাইৰ। যিখন কলেজৰ পৰা গ্ৰেজুৱেচন ল'লে বৃষ্টিয়ে, সেই কলেজত তাইৰ বন্ধুৰ সংখ্যা শূণ্য। শৈশৱৰ পৰা যি ঠাইত দেউতাকৰ চাকৰিসূত্ৰে বৃষ্টিহঁত আছিল তাত তাই এৰি থৈ আহিলে বহু বন্ধু বান্ধৱীক। নতুন ঠাইত নতুন ঘৰখনত কিছুদিন কটোৱাৰ পাছতেই এটা দুৰ্ঘটনাত দেউতাকৰ মৃত্যু হ'ল। নতুন কলেজখনত কাৰো লগত বন্ধুত্ব কৰিবলৈয়ে নাপালে বৃষ্টিয়ে। সেয়ে ইউনিভাৰ্চিটিত ৰাঘৱৰ বন্ধুত্বই তাইক পুৰণা দিনবোৰ ঘূৰাই আনি দিলে। সি ডিপাৰ্টমেণ্টৰপৰা ভাল ৰিজাল্ট কৰি ওলাই যোৱাৰ পাছতো তাইৰ খবৰ ৰাখিলে। মেছলৈ ফোন কৰি খবৰ খাতি ললে। পঢ়াৰ ক্ষেত্ৰত যিমান পাৰে তাইক সহায় কৰিলে। অৱশ্যে তাইৰ ভাল লাগিলহেঁতেন, তাই ফাষ্ট ক্লাছ পোৱা দিনটোত যদি ৰাঘৱ তাইৰ স'তে থাকিলেহেতেন।

ৰাঘৱক প্ৰথম লগপোৱাৰ দুমাহমান পাছতহে বৃষ্টিয়ে জানিছিল যে সি অসমৰ ল'ৰা নহয়। আচৰিত লাগিছিল তাইৰ। ইমানে শুদ্ধ অসমীয়া ক'ব পৰা ল'ৰাটো অসমৰ প্ৰতিটো খবৰ আগ্ৰহেৰে ৰখা ল'ৰাটো যে ৰাজস্থানৰ কোনো বিকানেৰ নামৰ ঠাইৰ সেই কথাটোৱে অভিভূত কৰিছিল বৃষ্টিক। ৰাঘৱৰ প্ৰতিটো কথাই মুগ্ধ কৰিছিল তাইক। জীৱনৰ প্ৰতি ইমান আস্থা থকা কোনো মানুহ তাই তাৰ আগত লগপোৱা নাছিল। শ্ৰদ্ধা জন্ম হৈছিল ৰাঘৱৰ প্ৰতি বৃষ্টিৰ। গভীৰ শ্ৰদ্ধা। তাক লগ পালে এনেকুৱা লাগিছিল যেন পৃথিৱীত বিৰক্ত হ'বলগীয়া একো কথাই নাই। পৃথিৱীত যেন কেৱল সুখ আছে, সফলতা আছে। ভগৱানৰ প্ৰতি বিশ্বাস আছিল ৰাঘৱৰ হৃদয়ত। ল'ৰা হৈও কোনোবা বিশেষ দিন কেইটামানত উপবাসে থাকিছিল সি। মন্দিৰৰ আগেদি পাৰ হৈ যাওঁতে এটা পলৰ বাবে হ'লেও থমকি ৰৈছিল তাৰ দুভৰি। নিৰামিষভোজী আছিল সি। অৱশ্যে কেতিয়াও আনৰ খোৱা বোৱাৰ প্ৰণালীক সি সমালোচনা কৰা নাছিল। ক'ব নোৱাৰাকৈয়ে বৃষ্টিৰ ভক্তি জন্ম হৈছিল তাৰ বিশ্বাসলৈ, তাৰ সোঁহাতৰ গাঁঠিৰ ওচৰত জিলিকি থকা মন্দিৰৰ ৰঙা ৰছীকেইডাললৈ, তাৰ বুকুত পৰি থকা মন্দিৰৰ লকেটটোলৈ। ৰাঘৱ গুৰু হৈ পৰিছিল তাইৰ, হৈ পৰিছিল আদৰ্শ। কলেজৰ দিনৰেপৰা এযোৰ চকু মনৰ মাজত কঢ়িয়াই লৈ ফুৰিও বৃষ্টিয়ে ৰাঘৱক শ্ৰদ্ধা কৰিব পাৰিছিল। দুটা বছৰৰ বহুদিন ওচৰ ওচৰে কটাইও বৃষ্টিয়ে তাৰ প্ৰতি অনুভৱ কৰা নাছিল কোনো চঞ্চলতা। তাই জানে ৰাঘৱো চঞ্চল হোৱা নাছিল তাইৰ প্ৰতি। বৃষ্টিৰ প্ৰতিটোখবৰ ৰাখিও বৃষ্টিৰ সুখ-দুখৰ সমভাগী হৈও ৰাঘৱে বন্ধত্বৰ সীমা পাৰ হোৱা নাছিল। সুদূৰ ৰাজস্থানত তাৰ এজনী প্ৰেয়সী আছিল। বহুসময় বৃষ্টিৰ সতে কটাইও সি একো অন্যায় কৰা নাছিল সেই ছোৱালীজনীৰ প্ৰতি। সেয়ে হয়টো কোনো কোনো মুহূৰ্ত্তত বৃষ্টিৰ স্পৰ্শ কৰিবলৈ মন গৈছিল তাৰ দুভৰি। এটা সেৱা কৰিবৰ ইচ্ছা হৈছিল ৰাঘৱক তাইৰ।

বুকুত পৰি থকা কৰনী মাতাৰ মন্দিৰৰ লকেটটো দুচকুৰ আগত দাঙি ধৰিলে বৃষ্টিয়ে। ৰাঘৱে

আনি দিছিল এই লকেটটো তাইক। ৰাজস্থানৰ দেশখনত আছে কৰনীমাতাৰ মন্দিৰ। ৰাঘৱহঁতৰ বিকানেৰ আৰু ওচৰৰ ন'খা নামৰ ঠাইখনৰ মজতে অৱস্থিত এই মন্দিৰটো। তালৈ গ'লে হেনো মানুহৰ মনৰ ইচ্ছা পূৰ্ণ হয়। অৱশ্যে তাতো এটা বিশ্বাস আছে। মন্দিৰত থকা বগা আৰু আটাইতকৈ ডাঙৰ এন্দুৰৰ সাক্ষাত পালে প্ৰত্যেক ভক্তই নিজকে ভাগ্যৱান বুলি ভাৱে। মন্দিৰত অলেখ ক'লা এন্দুৰ থাকে। প্ৰত্যেক ভক্তই বৰ সাৱধানেৰে খোজ দিবলগীয়া হয়। গচকত এন্দুৰৰ মৃত্যু হ'লে মন্দিৰলৈ ৰূপৰ এন্দুৰ দান কৰিব লাগে। অৱশ্যে ৰূপৰ এন্দুৰ দিয়াতকৈ ভক্তৰ মনত অমংগল বুলি হোৱ ভাৱটোহে প্ৰধান। কাৰণ, এন্দুৰৰ প্ৰতিও অনেক ভক্তি আছে এই মানুহবোৰৰ। মন্দিৰত "জাঁত' জাতিৰ মানুহবোৰ থাকে। মহিলাসকলে ঘাগৰা, চুন্নি আৰু খাৰু পিন্ধে। পুৰুষসকলে পিন্ধে ধুতি, চোলা আৰু পেতা। বহুতে মন্দিৰত এন্দুৰক গাখীৰও খুৱায়। যিবাৰ এই লকেটটো ৰাঘৱে বৃষ্টিলৈ আনিছিল, সেইবাৰেই সি কৈছিল তাইৰ আগত কৰণীমাতাৰ মন্দিৰৰ কথা।

ৰাঘৱৰ ইউনিভাৰ্চিটি এৰাৰ পাছৰে পৰা এবাৰো লগ পোৱা নাই বৃষ্টিয়ে। এতিয়া সি ৰাজস্থানত আছে। তাইৰ ঘৰৰ পৰা কোৱাৰ্টাৰৰ নম্বৰ লৈ সি তাইলৈ ফোন কৰিছে। কিবাকিবি ব্যস্ততাৰ বাবে সি বহুদিন তাইৰ খবৰ ল'ব পৰা নাছিল। সেয়ে অভিমানে বুৰাই পেলাইছিল বৃষ্টিক। ৰাঘৱৰ সমস্যাটো জানি মনটো বেয়া লাগিল তাইৰ। ৰাঘৱ আৰু আয়েশাৰ প্ৰেমক বিবাহৰ ৰূপ দিবলৈ সন্মত নহয় দুয়োখন ঘৰ। ৰাঘৱহঁত মহেশ্বৰী আৰু আয়েশাহঁত আগৰৱাল। সেয়ে সি অলপ সমস্যাত পৰিছে। তথাপি তাৰ কথাবাৰ্তাৰ পৰা তাই বুজিলে - ৰাঘৱ এতিয়াও একেই আছে। এতিয়াও হৃদয়ত কঢ়িয়াই লৈ ফুৰিছ ঈশ্বৰৰ প্ৰতি বিশ্বাস আৰু জীৱনৰ প্ৰতি গভীৰ আস্থা।

।। তিনি।।

মেজৰৰ ক্লাছত বহুদিন দেখা নাই বৃষ্টিয়ে আলোকক। তাইৰ চেপ্টাৰটোও বহুত আগবাঢ়ি গৈছে। ইলেকট্ৰিচিটি আৰু মেগনেটিজমৰ অধ্যায়টো আকৌ এবাৰ তাক অকলে বুজাবলৈ সময় পাব জানো তাই? শৰ্মাচাৰক আলোকৰ বিষয়ে সুধিবলৈ লওঁতেই তেওঁ ক'লে - "বৃষ্টি ওলাবাচোন। ওচৰতে শ্ৰাদ্ধ এটাত এপাক মাৰিম। আলোক যে ছেকেণ্ড ইয়েৰৰ, তাৰ মাক ঢুকাল নহয়।"

আলোকৰ মাকৰ মৃত্যু হোৱা কথাটোৱে বৰ কষ্ট দিলে বৃষ্টিক। পিত-মাতৃক হেৰুওৱাৰ যন্ত্ৰনা কি, তাক তাই ভালদৰে বুজে। ইমান ভাল ষ্টুডেণ্টটোক হেৰুৱাবলৈ মন নাই বৃষ্টিৰ। তাক সাহস দিব লাগিব। ভালদৰে পঢ়িবলৈ। কিয় জানো, বৃষ্টিৰ মনত মৰম সোমাইছে আলোকৰ প্ৰতি। তাইৰ এটা ভায়েক থকা হ'লে ইমান ডাঙৰেই হ'লহেতেন চাগে। তাৰোপৰি আলোকৰ চকুযোৰে কাৰোবাৰ কথা মনত পেলাই দিয়ে বৃষ্টিক। শ্ৰাদ্ধলৈ শৰ্মাচাৰৰ লগত দিপালী বাইদেউ ওলোৱাত ভাল লাগিল বৃষ্টিৰ। নহ'লে তাই বৰ অকলশৰীয়া অনুভৱ কৰিলেহেতেন। আলোকক লগপাই মনটো মুকলি লাগিল বৃষ্টিৰ। সহজ হৈ আছে সি। অতিথিক মাতবোল কৰিছে, খোৱাবোৱাৰ খবৰ লৈছে। বহুদিনৰ পৰাই বিছ্নাত আছিল মাক। তেওঁ কেতিয়াও ভাল নহয়বুলি জানিছিল আলোকহঁতে। নিজ মাতৃৰ মৃত্যু কাৰো কাম্য নহয়, কিন্তু চকুৰ আগত মাকৰ কষ্ট চাই থকাটো আৰু অসহনীয় আছিল সকলোৰে কাৰণে। বৃষ্টিৰ দেউতাকলৈ মনত পৰিল। মনে মনে ভাবিলে তাই, মৃত্যুৰো যে ক'ত ৰূপ! কোনোবাই আমন্ত্ৰণ কৰে মৃত্যুক আৰু কাৰোবাৰ জীৱনত অভাৱনীয়ভাৱে, অনাকাংক্ষিতভাৱে উপস্থিত হয় মৃত্যু।



আলোকৰ দেউতাকৰ লগত কথা পাতি থাকোতেই তাৰ ককায়েকো আহিল। সকলোৰে ফালে

চাই নমস্কাৰ জনালে তেওঁ। বৃষ্টি বিস্ময়ত থমকি ৰ'ল। মনৰ মাজত এখন এখনকৈ পুৰণি ছবিবোৰ স্পষ্ট হৈ পৰিল। মনত পৰিল প্ৰয়াস, কাস্তুৰী, অগ্নিগড় আৰু এটা নাম চিত্ৰলেখা.... চিত্ৰলেখা বৃষ্টিৰ দৰেই অৱস্থা তেওঁৰো। কোনোমতে আচাৰ্য্য ঢাকি কৈ উঠিল তেওঁ - বৃষ্টি? প্ৰয়াস শৰ্মাৰ বেষ্ট ফ্ৰেণ্ড?

অভিনৱ ...? কেমেষ্ট্ৰি ডিপাৰ্টমেণ্ট!

জীৱনত প্ৰথমবাৰৰ বাবে কথা পাতিলে অভিনৱ আৰু বৃষ্টিয়ে। যেন প্ৰথম চিনাকি এয়া সিহঁতৰ। এয়া প্ৰথম আনুষ্ঠানিক পৰিচয় বৃষ্টি আৰু অভিনৱৰ। যিটো দিন সিহঁতৰ জীৱনলৈ পাঁচ বছৰৰ আগতে আহিব লাগিছিল। কিন্তু নাহিল! এক কাৰণবিহীন শত্ৰুতাৰ বাবে। বৃষ্টিয়ে শুনিলে কলেজৰ পাছত অভিনৱে দিল্লীত পলিমাৰ চাইন্সত ডিগ্ৰী লোৱাৰ কথা, তাৰ পাছত কম্পিটিটিভ পৰীক্ষা দিবৰ বাবে প্ৰস্তুতি কৰি থকাৰ কথা, মাকক জীৱনৰ শেষ কিছুদিন সংগ দিবলৈকে সি অসমলৈ ঘূৰি অহাৰ কথা। কোৱাৰ্টাৰলৈ ঘূৰি আহি কোনো পথ্যেই বৃষ্টি নিজৰ বৰ্তমানত থাকিব নোৱাৰিলে। কলেজ এৰি অন্য এখন কলেজলৈ ট্ৰেন্সফাৰ হোৱাৰ পাছত তাই আৱিস্কাৰ কৰিছিল প্ৰয়াস, কস্তুৰী, ভাস্কৰহঁতৰ মৰমবোৰ বুকুত বান্ধি লৈ অহাৰ লগতে তাই আৰু এক বিস্ময় লগত লৈ আহিল। সিহঁত সকলোৱে বেয়া পোৱা ল'ৰাটোৰ চকুযোৰৰ ছবি। অভিনৱৰ চাৱনি। সেই অভিনৱ আলোকৰ ককায়েক। সেইবাবেই বৃষ্টিয়ে আলোকৰ দুচকুত সেই চকুযোৰৰ প্ৰতিবিম্ব দেখিছিল। কিন্তু ভুলতো ভৱা নাছিল আলোকৰ জৰিয়তে সেই ল'ৰাজনক আকৌ এবাৰ লগ পাব বুলি। নভবাটো আচৰিত, এবাৰ হ'লেও তাই ভাবিব লাগিছিল আলোক অভিনৱৰ আত্মীয় হ'ব পাৰে বুলি।

বিচনাত পৰি দুচকু মুদি দিলে তাই। মনত খুন্দিয়াই থাকিলে দুটিমান শব্দই। "বৃষ্টি? প্ৰয়াস শৰ্মাৰ বেষ্ট ফ্ৰেণ্ড?" এৰা সেই সময়ত তাইতো সেইদৰেই চিনাকি আছিল অভিনৱহঁতৰ। সেইটো প্ৰয়াসে তাইৰ খবৰ আজিকালি নাৰাখে। বন্ধুত্ব চিৰ জীৱনৰ বাবে হয়নে, নে কেৱল প্ৰয়োজন থকালৈকে? এতিয়া বন্ধু বুলিলে কেৱল ৰাঘৱৰ কথা মনলৈ আহে তাইৰ! কোনো স্বাৰ্থ নোহোৱাকৈ যিটো ল'ৰাই আজি কেইবাটা বছৰে তাইৰ স'তে সম্বন্ধ ৰাখিছে। ৰাঘৱৰ জীৱনত বৃষ্টি আছে এতিয়াও। প্ৰেমিক আৰু বন্ধুৰ দায়িত্ব বেলেগ বেলেগকৈ পালন কৰিব জানে সি। সেয়ে বৃষ্টিতকৈ মাত্ৰ এবছৰ ডাঙৰ হৈও এই ল'ৰাটো তাইৰ হৃদয়ৰ সেই স্থানত বহি ৰ'ল, যি স্থানত জীৱনৰ মূল আদৰ্শৰ গুৰুজনহে বহিব লাগে। সি তাইৰ অস্তিত্বত আছে। কিন্তু প্ৰয়াস, ভাস্কৰহঁত? সিহঁতে প্ৰয়োজনক অধিক গুৰুত্ব দিছিল হয়তো। প্ৰয়াস আৰু কস্তুৰীৰ মাজত সম্বন্ধ আছিল। প্ৰয়াসে ভালপাইছিল কাস্তুৰীক। বৃষ্টি আৰু কাস্তুৰী প্ৰতিপল একেলগে থাকিছিল। সেইবাবেই হয়তে সিহঁতৰ খবৰ খাতি কঢ়িয়াবৰ বাবে প্ৰয়োজন হৈছিল বৃষ্টিক প্ৰয়াসৰ। তেতিয়া তাই ভবা নাছিল কথাবোৰ এনেদৰে। গভীৰ আন্তৰিকতা আছিল সিহঁতৰ প্ৰতি তাইৰ। বেছিভাগ ক্লাছ নকৰা ভাস্কৰৰ বাবে দায়িত্বৰে নোট তৈয়াৰ কৰাটো বৃষ্টিৰ কাম আছিল। সেই ভাস্কৰ এতিয়া নামকৰা ব্যৱসায়ী। ব্যস্ত জীৱন। বৃষ্টিয়ে তাকো বহুদিন লগপোৱা নাই। এতিয়া বৃষ্টিক সিহঁত কাৰো প্ৰয়োজন নাই।

ক্লাছ ফাইভৰ পৰা টেনলৈকে বৃষ্টি, প্ৰয়াস, ভাস্কৰহঁত একেলগে পঢ়িছিল। অৱশ্যে হায়াৰচেকেণ্ডাৰী দুবছৰ পঢ়িবৰ বাবে প্ৰয়াস, ভাস্কৰ কলেজলৈ গৈছিল। বৃষ্টি একেঠাইতে থাকিল। দুবছৰৰ পাছত সিহঁত পঢ়া কলেজতে ফিজিক্সত মেজৰ লৈ নামভৰ্ত্তি কৰিছিল তাই। মেজৰমেট হিচাবে পাইছিল ভাস্কৰ, প্ৰয়াস, কাস্তুৰী, আদ্ৰিকাহঁতক। কলেজলৈ গৈয়েই শুনিছিল প্ৰয়াসহঁতৰ লগত শত্ৰুতা থকা অভিনৱ, কল্লোলহঁতে কেমেষ্ট্ৰিত মেজৰ লৈছে। কিছুদিনৰ পাছত জানিব পাৰিছিল এই শত্ৰুতাৰ কাৰণ। প্ৰয়াস আৰু কাস্তুৰীৰ মাজত

সম্বন্ধ গঢ় লৈ উঠাত অভিনৱে হেনো মন্তব্য কৰিছিল, কাস্তুৰীয়ে গৌৰাংগ নামৰ সিহঁতৰ বন্ধু এটাৰ লগতে সম্পৰ্ক ৰাখে। এই কথাটোক লৈ দুয়ো পক্ষৰ মাজত তৰ্কা তৰ্কি হ'ল আৰু তেতিয়াৰ পৰাই সিহঁতৰ শত্ৰুতা অব্যাহত থাকিল। কাস্তুৰীক ভাল লাগিছিল বৃষ্টিৰ। সেয়ে কোনো পৰিচয় নথকা অভিনৱ, কল্লোলহঁতক তাইং বেয়া পাবলে আৰম্ভ কৰিলে।

কলেজত ফিজিক্স আৰু কেমেষ্ট্ৰি ডিপাৰ্টমেণ্ট দুটা প্ৰায় ওচৰা ওচৰি কৈ আছিল। ক্লাছ কৰোতে কেতিয়াবা বাহিৰলৈ চালে প্ৰায়েই কেমিষ্ট্ৰি ডিপাৰ্টমেণ্টৰ কোনোবা ষ্টুডেণ্টৰ ওপৰতে দৃষ্টি পৰে। লাহে লাহে বৃষ্টিয়ে অনুভৱ কৰিছিল তাইক যেন প্ৰতিপল দুটা চকুৱে অনুসৰণ কৰি ফুৰে। কলেজ কেণ্টিনত, ডিপাৰ্টমেণ্টৰ ক্লাছৰুমত ষ্টুডেণ্ট কমনৰুমত যতেই তাই থাকে, তালৈ যেন এযোৰ চকু মনে মনে গুচি যায় কোনেও নজনাকৈ। সঁচা তাইৰ ভাৱ হৈছিল অভিনৱে যেন অনুসৰণ কৰি ফুৰিছিল তাইক। অৱশ্যে তাই আচৰিত হৈছিল নিজৰ পৰিৱৰ্তনত। তাইক কোনোৱা ল'ৰাই সামান্য বিৰক্ত কৰিলেও সকলো কথা প্ৰয়াসক কৈ দিয়াৰ দৰে অভিনৱৰ কথা তাই কাকো ক'ব পৰা নাছিল। বৰঞ্চ তাই যেন বিচাৰিছিল অভিনৱে তাইলৈ চাওঁক। তাই আশা কৰাটোৱেই হৈছিল আন কাৰোবাৰ স'তে কথা পাতি থাকোতেও সি দৃষ্টি ৰাখিছিল কেৱল তাইৰ ওপৰত। অথচ, মনৰ মাজত বৃষ্টিয়ে দৃঢ় এক ধাৰণা পুহি ৰাখিছিল; অভিনৱ, কল্লোল, গৌৰাংগহঁতক তাই বেয়া পায়।

ডিগ্ৰী ফাৰ্ষ্ট ইয়েৰৰ শেষৰফালে চাইন্সৰ প্ৰত্যেকটো বিভাগ লগ হৈ এটা পিকনিক পাৰ্টীৰ আয়োজন কৰা হ'ল। প্ৰয়াস, অভিনৱহঁতৰ পৰা কথা লোৱা হ'ল যে পিকনিকত সিহঁতে কোনো অপ্ৰীতিকৰ পৰিবেশ সৃষ্টি নকৰে। কলেজৰ ছাৰ বাইদেউসকলৰ তত্বাৱধানত সিহঁত তেজপুৰলৈ ফুৰিবলৈ গ'ল। অগ্নিগড়ত বৃষ্টিয়ে কল্লোলহঁতৰ পৰা এটা নতুন নাম পালে চিত্ৰলেখা। যিদৰে উষা-অনিৰুদ্ধৰ মিলনত চিত্ৰলেখাৰ অৱদান আছে, তেনেকৈয়ে হেনো প্ৰয়াস-কাস্তুৰীৰ জীৱনতো বৃষ্টিৰ অৱদান আছে। কথাবোৰ আনৰ পৰাহে জানিছিল তাই। অগ্নিগড়ৰ ওপৰৰ পৰা কোনোৱাই চিঞৰিছিল চিত্ৰলেখা বুলি। বৃষ্টিৰ খণ্ডত ৰঙা হৈ যোৱা মুখখনলৈ দূৰৰ পৰা চাই আছিল অভিনৱে। কিয় জানো তাইৰ লাজ লাগিছিল সেইদিনা।

দেউতাকৰ ট্ৰেন্সফাৰৰ বাবে বৃষ্টিহঁতে সেই ঠাই এৰিবলগীয়া হ'ল। ডিগ্ৰী ছেকেণ্ড ইয়েৰত কিছুদিন ক্লাছ কৰি বৃষ্টিয়ে সেইখন কলেজৰ পৰা গুচি আহিবলগীয়া হ'ল। অভিনৱক এবাৰো মাতি নাপালে তাই। অথচ সেই ল'ৰাটোৰ মমতাস্নাত চাৱনিকে বুকুত বান্ধি লৈ আহিল তাই কলেজৰ পৰা, স্মৃতি হিচাবে। ৰাঘৱক তাই এই কথাখিনি কৈছিল। গহীন হৈ পৰি সি মাথো কৈছিল - "এনেকৈ একো ক'ব নোৱাৰিম। যদি তোমালোকৰ মাজত কিবা সম্বন্ধ হ'ব লগীয়া আছে তেনেহ'লে ক'ৰবাত আকৌ লগ হ'বা।" বৃষ্টিৰ বুকুখন কঁপি উঠিল। ৰাঘৱৰ কথাষাৰ মনত পৰাত। যেন ভাললগা মানুহজন ওচৰত পাই লাজ, ভয় আৰু সংকোচত চঞ্চল হোৱা কিশোৰী এজনীহে বৃষ্টি। তাই আকৌ ভাবিলে, অভিনৱক তাই বেয়া পোৱাৰ এতিয়া অন্ততঃ কোনো যুক্তি থাকিব নোৱাৰে। অভিনৱৰ কথাইচোন সঁচা হ'ল পিছত - কাস্তুৰী গৌৰাংগৰ স'তে বিয়া হৈ গুচি গ'ল। সঁচায়ে, সিহঁতৰ বাবে তাই মাথো কিছুদিনৰ এক প্ৰয়োজন আছিল। প্ৰয়াসৰ এতিয়া বৃষ্টিক প্ৰয়োজন নহয়। কথাবোৰ ভাবি থাকিয়েই বৃষ্টিয়ে টোপনি যাবলৈ চেষ্টা কৰিলে। মনে মনে নিজকে ক'লে তাই - "বৃষ্টি, প্ৰয়াস শৰ্মাৰ বেষ্ট ফ্ৰেণ্ড," কথাটো হয়তো এতিয়া শুদ্ধ নহয়।

।। চাৰি ।।



দিপালী বাইদেউৰ লগত অভিনৱৰ ভাল চিনাকি আছে বুলি বৃষ্টিয়ে জনাই নাছিল। আচলতে

শ্ৰাদ্ধৰ পাছত তাই দিপালী বাইদেউহঁতৰ পৰা ইচ্ছা কৰিয়েই আঁতৰি ফুৰিছে। কলেজৰ দিনবোৰত বৃষ্টি অভিনৱৰ কেনেকুৱা পৰিচয় আছিল, তাক তাই অন্ততঃ দিপালী বাইদেউৰ আগত ক'ব নোৱাৰিব। সেয়েহে কলেজৰপৰা ঘূৰি অহি দিপালী বাইদেউৰ ড্ৰয়িং ৰুমত অভিনৱক দেখি আচৰিত হোৱাৰ লগতে অলপ অস্বস্তিতও পৰিছিল তাই। পাছত তাই জানিব পাৰিলে দিপালী বাইদেউৰ লগত অভিনৱৰ পঢ়ি থকা দিনৰেপৰা চিনাকি। কেমিষ্ট্ৰিত মেজৰ লৈ পঢ়া দিনৰেপৰা বাইদেউৰ দিহা-পৰামৰ্শ গ্ৰহণ কৰে সি। এইখন কলেজত নপঢ়িলেও দিপালী বাইদেউৰ ছাত্ৰৰ দৰেই সি। আবিৰৰ দেউতাকৰ মৃত্যুৰ পাছত অভিনৱহঁতৰ ঘৰৰ মানুহে হেনো বৰ সাহস দিছিল দিপালী বাইদেউক।

অভিনৱক বহুদিনৰ পাছত লগপাই বাইদেউ ব্যস্ত হৈ পৰিল। চাহ, পায়স কিবাকিবি ৰান্ধিবলৈ পাকঘৰত সোমালগৈ তেওঁ। অভিনৱৰ লগত থাকি গ'ল বৃষ্টি। প্ৰথমে কি সুধিব তাক বিবেচনা কৰি থাকোতেই অভিনৱে মাত লগালে -- "কলেজখন কেনেকুৱা লাগিছে?

-- ভাল লাগিছে। এতিয়ালৈ ষ্টুডেণ্টবোৰৰ লগতও ইজি হৈছো।

-- টিচিং সিমান সহজ নহয় যিমান সহজ যেন লাগে।

-- তুমি কি কৰিম বুলি ভাবিছা এতিয়া?

-- আহোতেতো ভাবিছিলো আকৌ তালৈকে ঘূৰি যাম বুলি....।

-- কিয়, এতিয়া সিদ্ধান্ত সলনি হৈছে নেকি?

-- ঠিক সলনি হোৱা নাই...... তথাপি। বাদ দিয়া মোৰ কথা। ভাবিছিলো তোমাৰ চাগে ইতিমধ্যে ভাস্কৰৰ লগত বিয়া হৈ গৈছে। ইয়াত তোমাক লগ পাম বুলি ভুলতেও ভবা নাছিলো।

-- মইও ভবা নাছিলো।

বৃষ্টিয়ে ইচ্ছা কৰিয়েই ভাস্কৰৰ বিষয়ে একো নহ'লে। যি কথা তাইয়ে পাহৰি গৈছে সেই কথা অভিনৱৰ মনত থাকিল কেনেকৈ? ভাস্কৰে এবাৰ কৈছিল কাস্তুৰীৰ আগত বৃষ্টিক সি ভালপোৱাৰ কথা। এই কথাটো সময়ৰ লগে লগে তল পৰি আহিল। ভাস্কৰে বৃষ্টিক একো কোৱা নাছিল নিজে। সেয়ে তাইও তাক এই সন্দৰ্ভত একো ক'বলৈ নাপালে। কিন্তু এই কথাটো অভিনৱে জানিলে কেনেকৈ? সি তাইৰ খবৰ ৰাখিছিল নেকি বাৰু, তাইও নজনাকৈ! নহ'লেতো এই কথা সি জানিব নালাগে। সিহঁতৰ বন্ধুত্ব একেদৰেই আছিল তাই কলেজ এৰাৰ সময়লৈকে। ইচ্ছা কৰিয়েই দিপালী বাইদেউৰ লগত অভিনৱক এৰি নিজৰ ৰুমলৈ গুচি আহিল বৃষ্টি।

কিয় ইমান অস্থিৰ অনুভৱ কৰে তাই তাৰ সমুখত? তাই জানো হায়াৰচেকেণ্ডাৰীৰ ছাত্ৰী এতিয়া? ইউনিভাৰ্চিটিত থাকোতে ডাঙৰ ডাঙৰ চেমিনাৰবোৰ কৰোতেও এনেকুৱা নালাগে তাইৰ। কিন্তু অভিনৱৰ সন্মুখত বহিলে ভাব হয় তাই যেন জীৱনৰ প্ৰথমটো ইণ্টাৰভিউ দিবলৈ বহিছে ইণ্টাৰভিউ বৰ্ডৰ সদস্যসকলৰ আগত! কেৱল অভিনৱৰ সমুখতেই তাইৰ এনেকুৱা হয়। প্ৰথম কলেজখন এৰি যোৱাৰ পাছৰ পৰা তাই কাৰো ওচৰত এনেধৰণৰ অস্বস্তি অনুভৱ কৰা নাই। কাৰো চকুলৈ চাই কথা পাতিবলৈ সাহসৰ অভাৱ হোৱা নাই তাইৰ। অথচ অভিনৱৰ ওচৰত কিয় এনে হয় তাই নাজানে। বৃষ্টিৰ নিজকে ডিগ্ৰী ফাৰ্ষ্ট ইয়েৰত পঢ়ি থকা সেই ছোৱালীজনীৰ দৰে লাগিল, যি কেমিষ্ট্ৰি ডিপাৰ্টমেণ্টৰ অভিনৱৰ চাৱনিৰ ওচৰত কিবা এক শংকাত আৰু লাজত সেমেকি পৰিছিল।

চকুৰ আগতে প্ৰায় সাতটা মাহ পাৰ হৈ গ'ল। বৃষ্টিৰ এই কলেজখনত চাকৰি কৰা প্ৰায় এবছৰেই

হ'বৰ হ'ল। এতিয়া তাইৰ পোষ্টটোৰ ক্ষেত্ৰত কোনো চিন্তা কৰিবলগীয়া কথা নাই। হয়তো ভৱিষ্যতেও তাই ইয়াতে স্থায়ীভাৱে চাকৰি কৰিব লাগিব। ঘৰৰপৰা দূৰত থাকিও অকলশৰীয়া নালাগে তাইৰ। প্ৰায়ে ঘৰলৈ গৈ থকা হয়। ককায়েকৰ ল'ৰাটোও স্কুললৈ গৈছে। তাৰ প্ৰশ্নৰ পৰা আজৰিয়ে হ'ব নোৱাৰে বৃষ্টিৰ মাক। ঘৰখনত আগৰ নিস্তব্ধতা এতিয়া আৰু নাই। সঁচায়ে এটা শিশুৰ কোলাহল, পবিত্ৰ ধেমালিয়ে কিমান সহজ কৰি আনে পৃথিৱীৰ গোমা পৰিবেশক। এই দিঘলীয়া সময়খিনি বৃষ্টিৰ বাবে আৰু বেছি সহজ কৰি তুলিছে অভিনৱৰ উপস্থিতিয়ে। যোৱা ছটা মাহে তাক বৰ ওচৰৰ পৰা পাইছে তাই। অভিনৱে দেউতাকৰ বাগান চোৱাচিতা কৰিবলৈ আৰম্ভ কৰিছে। অৱশ্যে, পৰীক্ষা দিয়াৰ ইচ্ছা এৰি দিয়া নাই সি। কিতাপ পত্ৰ আৰু কচিং নোটবোৰ আনি ঘৰতে পঢ়িছে সি। বৃষ্টিয়েও কৈছে তাক, অন্ততঃ চৰকাৰী চাকৰি এটাৰ সমান একো হ'ব নোৱাৰে। তেনেকুৱাতে এদিন কৈছিল সি বৃষ্টিক — "দুটা সপোন পুহি ৰাখিছো মনত। এটা বিবেকৰ, আনটো হৃদয়ৰ।"

— তোমাৰ হৃদয় আৰু বিবেকে বেলেগ বেলেগকৈ সপোন দেখে নেকি?

— দুয়োটাই হাঁহিছিল একেলগে।

— সঁচা বৃষ্টি। বিবেকে কয়, দিল্লীলৈ যোৱা। তাত বহুত স্কপ আছে তোমাৰ বাবে। হৃদয়ে কয় ইয়াতে থাকি যোৱা। তুমি বিচৰা কোনোৱা আছে ইয়াত।

বৃষ্টিৰ চকুত চকু ৰাখি কৈছিল সি। বুকুৰ স্পন্দনটো বাঢ়ি আহিছিল তাইৰ সেইদিনা। "কোনোৱা" বুলি কাক বুজাব বিচাৰিছে সি? বৃষ্টিয়ে কিন্তু অনুভৱ কৰিছে হৃদয়ৰ গভীৰত কিবা এটা হৈছে তাইৰ। ভাল লাগি আহিছে অভিনৱৰ উপস্থিতি, তাৰ প্ৰতিটো কথা, তাৰ গাৰ গোন্ধ, তাৰ প্ৰিয় ৰং......।

দিপালী বাইদেউৰ আগত বৰ লাজ লাগে তাইৰ। যদিও মনে মনে বিচাৰে অভিনৱ সিহঁতৰ কোৱাৰ্টাৰলৈ আহক, তথাপি নিজৰ দুৰ্বলতা বাইদেউৰ আগত ধৰা পৰে বুলি শংকিত হয় তাই। তাই নিজৰ স'তে মুখামুখি হ'বলৈয়ো সাহস গোটাব পৰা নাই। কি হ'ব পাৰে এই সম্বন্ধৰ নাম? যোৱা পাঁচবছৰে অভিনৱৰ দুচকু মনৰ মাজত কঢ়িয়াই লৈ ফুৰিছে তাই। প্ৰতি মুহূৰ্ত্ততে হৃদয়ত যেন নাম নজনা এক সম্ভাৰ কঢ়িয়াই লৈ ফুৰিছে, বৃষ্টিয়ে। যিটো ল'ৰাৰ লগত এদিনো কথা পাতি পোৱা নাছিল, যাৰ স'তে পাৰ কৰা নাছিল কোনো আন্তৰিক পল, সেই ল'ৰাটোক কিয় পাহৰিব নোৱাৰিলে তাই? যদি এয়া তাইৰ যৌৱনৰ সাময়িক উত্তেজনা হ'লহেতেন, তাইতো পাহৰি যাব লাগিছিল তাৰ চাৱনি। তাইতো পাহৰি গ'লহেতেন অভিনৱ নামৰ এই ল'ৰাটোক। যদি সিহঁতৰ মাজত কোনো সম্বন্ধ গঢ় ল'বলগীয়া নাছিল, তেনেহ'লে কিয় আকৌ লগ হ'ল সিহঁত, আকস্মিকভাৱে? বৃষ্টিয়ে কোনো প্ৰশ্নৰে উত্তৰ পোৱা নাই।

দিপালী বাইদেউৰ মাতত বাস্তৱলৈ ঘূৰি আহিল তাই। মাকৰ ফোন। কলেজ, তাইৰ স্বাস্থ্য আদিৰ খবৰ লৈ মাকে গহীনমাতেৰে ক'লে —"মানু, বিপ্লৱহঁত আহিছিল আজি। এইবাৰ তই কথাটো গুৰুত্ব দি ভাবিবিছোন।"

কেইটামান মুহূৰ্ত্তৰ বাবে শব্দ নোহোৱা হৈ পৰিল বৃষ্টিৰ ওচৰত।

।। পাঁচ ।।

প্ৰতিপল বৃষ্টিয়ে অনুভৱ কৰিবলৈ লৈছে অভিনৱৰ প্ৰয়োজনীয়তাক। বিপ্লৱৰ ক্ষেত্ৰত সিদ্ধান্ত এটা মাকে বিচৰাৰ পাছৰপৰা অভিনৱক যেন বেছিকৈ প্ৰয়োজন হৈছে তাইৰ। তাক হেৰুওৱাৰ ভয়ে তাইক বৰ কষ্ট দিছে। সেই কলেজৰ দিনৰপৰা মনৰ মাজত কঢ়িয়াই ফুৰা চকুযোৰৰ গৰাকীজনো এতিয়া গভীৰভাৱে বহি ৰৈছে তাইৰ

 হৃদয়ত। এতিয়াও প্ৰেম হ'বলৈ থাকেনে? এই বয়সত? তাইৰ লগৰ অনুমীৰ ছোৱালীজনীৰ বয়স দুবছৰেই

হ'ল। আদ্রিকাও এটা সন্তানৰ মাতৃ। তথাপি! ভাবিলে তাই, অভিনৱলৈ তাইৰ যি ভালপোৱা, সেয়াই প্ৰেমনে? কথাটো ভাবি শিহৰিত হৈ উঠিল তাই।

প্ৰেম, ভালপোৱা আদি সম্বন্ধৰ বিষয়ে বৃষ্টিৰ কোনো অভিজ্ঞতা নাই। কিন্তু শ্ৰদ্ধা আছে প্ৰকৃত প্ৰেমলৈ। প্ৰেমে দাবী নকৰে একো। কাৰণ, প্ৰেম নিজেই এক পূৰ্ণতা। প্ৰেমে অকলশৰীয়া হৈও পূৰ্ণ হ'বলৈ শিকায়। বৃষ্টিয়ে জানে, প্ৰেমৰ আনন্দ প্ৰাপ্তিত থাকে, থাকে অপ্ৰাপ্তিতও। প্ৰেমে একো নাপাইও বহুত কিবা কিবি পাব জানে। যন্ত্ৰণাৰ মাজত সুখৰ সন্ধান কৰিব জানে। তথাপি, যাক হৃদয়েৰে ভালপোৱা যায়, তেওঁৰপৰা চিৰজীৱন দূৰত থকাটো জানো সম্ভৱ? সেইবাবেই হয়তো ৰাঘৱে আয়েশাক হেৰুৱাব বিচৰা নাই। আৰু বৃষ্টিয়ে? তাইও অনুভৱ কৰিছে অভিনৱক হেৰুৱাব বিচৰা নাই তাই। অভিনৱক এই ঠাইত লগ নোপোৱা হ'লে তাই হয়তো এনেদৰে নাভাবিলেহেঁতেন। বিপ্লৱ নামৰ সেই ল'ৰাজৰ সতে বিয়াৰ কথাটোতে মত দিলেহেতেন। কিন্তু অভিনৱ এতিয়া তাইৰ জীৱনৰ বহু অংশ জুৰি বিয়প্পি পৰিছে। তাৰ ওচৰত নাথাকিলেও বৃষ্টিৰ অনুভৱ হয়, সি যেন প্ৰতিপল তাইৰ কাষে কাষে আছে। এয়া প্ৰেমৰ বাহিৰে আৰু কি হ'ব পাৰে? প্ৰেম নোহোৱাহ'লে তাই তাৰ উপস্থিতি প্ৰতিপল হৃদয়ত অনুভৱ নকৰিলেহেতেন; তাৰ কাষত বহি থকাৰ সময়ত ভিতৰি ভিতৰি অস্থিৰ হৈ নুঠিলেহেতেন তাই। ইউনিভাৰ্চিটিত থাকোতেও আন কোনো ল'ৰাৰ কথা ভুলতো ভাবিব নোৱাৰিলে তাই। মনৰ মাজত গোপনে আঁকি ল'লে অভিনৱৰ চকুযোৰৰ ছবি। সেয়া তাইৰ জীৱনৰ সত্যতা আছিল। সেয়াই আছিল বৃষ্টিৰ প্ৰেমৰ স'তে প্ৰথম পৰিচয়। মাথো তাক স্বীকাৰ কৰাৰ সুবিধা নাছিল, নাছিল হৃদয়ৰ প্ৰতি বিশ্বাস। কিন্তু এতিয়া বিশ্বাস আছে তাইৰ নিজ হৃদয়ৰ প্ৰতি। চেঙেলীয়া মন এটাৰে, ক্ষন্তেকীয়া উন্মাদনাৰে অভিনৱক ভলপোৱা নাই বৃষ্টিয়ে এখন শান্ত হৃদয়ৰ শুদ্ধ আবেগ আৰু আত্মীয়তাৰে ভালপাইছে তাই তাক। দুচকু সেমেকি আহিল তাইৰ.... জীৱনৰ প্ৰথম প্ৰেমৰ আবেগে সেমেকাই পেলালে তাইৰ হৃদয়। সুখত নে দুখত, অভিনৱেও বৃষ্টিৰ কথা ভাবেনে এনেকৈ? মনলৈ এক অনিশ্চয়তা আহি পৰিল তাইৰ। তাই জানে, প্ৰেম একপক্ষীয়ভাৱে হ'ব পাৰে। কিন্তু আজি এই সময়ত তাই কেৱল প্ৰেমৰ কথা ভৱা নাই। তাই নিজৰ জীৱনৰ কথা ভাবিছে। এই সিদ্ধান্তটো তাইৰ একপক্ষীয় হলেতো নহ'ব। তাই জানে, প্ৰত্যেক সম্বন্ধৰ পৰা কিবা এটা পাবলৈ বিচৰাটো ভুল। বৃষ্টিয়ে অভিনৱক ভালপোৱা কথাটো সঁচা, সি তাইক ভালনাপালেও তাই তাক ভালপোৱা কথাটো অৰ্থহীন হৈ নাযায়। কিন্তু তাই বিচাৰিছে, গোটেই জীৱন অভিনৱ তাইৰ স'তে থাকক। ইউনিভাৰ্চিটিত থাকোতে তাই ভবা নাছিল নিজৰ হ'বলগীয়া এজন মানুহৰ কথা। কিন্তু অভিনৱক ইয়াত লগপোৱাৰ পাছত; মাকৰ মুখত বিয়াৰ কথা শুনাৰ পাছত সেই ঠাইত তাই কেৱল অভিনৱকেই দেখিছে। তথাপি দোমোজাত পৰিল বৃষ্টি। মাকক তাই অভিনৱৰ কথা ক'বনে নকয়? যদি অভিনৱে তাইক সেই দৃষ্টিৰে চোৱাই নাই, তেতিয়া মাকক কি উত্তৰ দিব তাই? যদিও অভিনৱৰ কথা, বতৰাত তাই নিজলৈ এক অনুৰাগ অনুভৱ কৰে, তথাপি আজি তাই নিজেও নিশ্চিত হ'ব নোৱাৰিলে, এয়া তাৰ প্ৰেমনে?

বৃষ্টিৰ হাতত সময় বৰ কম। পূজা বন্ধত তাই ঘৰলে যাব লাগিব। মাথো সাতটামান দিনৰ ভিতৰতে তাই জানিব লাগিব অভিনৱৰ অনুভৱৰ কথা। নহ'লে হয়তো ঘৰলৈ গৈ সাজু হ'ব লাগিব তাই বিপ্লৱক চিৰজীৱনৰ বাবে আদৰি ল'বলৈ। সুখী হ'বনে তাই? অভিনৱক ভালপোৱাৰ কথা কাক ক'ব তাই? কোনে বুজিব তেতিয়া প্ৰিয়জনক হেৰুওৱাৰ দুখ?

।।ছয়।।

সৰুৰেপৰা বৃষ্টিহঁতৰ মনত এক ধাৰণা আছিল, ৰাজস্থান মৰুভূমিৰ দেশ। কেৱল শুকান বালিৰে

আৰবা ৰাজস্থান। তথাপি ৰাঘৱৰ কথাবোৰ শুনিলে তাইৰ এনে লাগে যেন আজি বহুদিনৰপৰা তাইহে মৰুভূমিৰ মাজত আছে। ফোনত তাই সকলোখিনি ক'লে ৰাঘৱক। তাৰ বাহিৰে কাক ক'লেহেঁতেন বৃষ্টিয়ে? ৰাঘৱে ক'লে — তুমি এবাৰ কৈ চোৱা অভিনৱক।

— মই ক'ম? বিস্ময়ত ফাটি পৰিল তাই?

— তুমিয়েতো ক'ব লাগিব। সময়তো বেছি নাই হাতত।

— মই প্ৰথমে কৈ কিয় সৰু হ'ম ৰাঘৱ?

— বৃষ্টি, তোমাৰ মুখত এইষাৰ কথা ভাল নালাগে। প্ৰেমত সৰু ডাঙৰ নাথাকে। জিকা হৰাও নাথাকে। কোনে জানে কিজানি পজিটিভ উত্তৰেই পোৱা! মুখ খুলি নক'লে তুমিহে হাৰিবা বৃষ্টি। গোটেই জীৱন অনুশোচনা হ'ব।

— এতিয়া কি কৰো?

— লৰালৰি নকৰিবা। লৰালৰিত সিদ্ধান্ত সলনি হয়। কিন্তু আৱেগবোৰ, অনুভৱবোৰ একে থাকিব। পিচত কষ্ট দিব বৃষ্টি।

মনে মনে কলে তাই নিজক — "সেইকাৰণে... সেইকাৰণে তোমাক সন্মান কৰো ৰাঘৱ, তোমাক শ্ৰদ্ধা কৰো।" মনটো ভাল লাগিল ৰাঘৱৰ লগত কথা পাতি। তাৰ আৰু আয়েশাৰ সমস্যাটোও প্ৰায় সমাধান হৈছে, এই কথাটোৱেও আনন্দ দিলে বৃষ্টিক। অভিনৱক লগপোৱাটো বৰ প্ৰয়োজনীয় হৈ পৰিছে তাইৰ বাবে। কিন্তু এইকেইদিন তাক লগ পোৱাটো এক প্ৰকাৰ অসম্ভৱ হৈ পৰিছে। দিপালী বাইদেউৰ ওচৰলৈও সি অহা নাই। অভিনৱলৈ এদিনো ফোন কৰা নাই বৃষ্টিয়ে। সেইখন ঘৰত তাইৰ ষ্টুডেণ্ট এজন আছে। অন্ততঃ নিজৰ কোনো দুৰ্বলতা ষ্টুডেণ্টৰ আগত প্ৰকাশ কৰিব নিবিচাৰে তাই। বয়স আৰু সংস্থাপন, দুয়োটাই এক প্ৰকাৰৰ গাম্ভীৰ্য্যতা আনি দিছে বৃষ্টিলৈ। এতিয়া সন্মান আৰু আত্মমৰ্য্যাদাৰ কথা আগতকৈও বেছি গুৰুত্বপূৰ্ণ হৈ উঠিছে বৃষ্টিৰ বাবে।

বৃষ্টি ভাগৰি পৰিছে এটা সমাধান বিচাৰি। সঁচায়ে প্ৰেম ফিজিক্স নহয়। প্ৰেম কেমিষ্ট্ৰিও নহয়। ফিজিক্সত ভাল জ্ঞান থাকিলেও বৃষ্টিয়ো চোন প্ৰেমৰ বাবে এটা শুদ্ধ পথ বিচাৰি পোৱা নাই। ৰাঘৱৰ উপদেশ মানি ল'বলৈ তাই অভিনৱক ক'বনে তাই, তাৰ প্ৰতি বৃষ্টিৰ ভালপোৱা জন্ম হৈছে বুলি? পোনপতীয়াকৈ নহ'লেও তাই তাক কিছু কথা ক'ব। বিয়াৰ কথা কলে সি কি বুলি ক'ব তাইক? যদি তাৰ মনতও বৃষ্টিৰ প্ৰতি ভালপোৱা আছে, তেনেহ'লে সি নিশ্চয় তাই আনৰ হোৱাটো নিবিচাৰিব। মনলৈ কিছু সাহস আনিবৰ চেষ্টা কৰিলে তাই। গধুলি হৈ অহাত ধূপ দুডাল জ্বলাই শ্ৰীকৃষ্ণৰ ফটোৰ আগত থিয় হ'ল তাই। তাই জানে, কেৱল ভগৱানৰ প্ৰতি থকা বিশ্বাসেই তাইক এই ঠাই পোৱাইছেহি। এতিয়াও তেওঁ সেয়াই কৰিব যিটো সকলোৰে বাবে উচিত হ'ব।

বাৰাণ্ডাৰ লাইটটো জ্বলাই দিয়াত অভিনৱক স্পষ্টকৈ দেখিলে তাই। কিছুদিনৰ পৰা তাই কেৱল অভিনৱৰ আগমনকেই কামনা কৰি আছে, কিন্তু অলপ সময়ৰ আগত তাই ভুলতো সি আহিব বুলি ভবা নাছিল। সৰু ছোৱালী এজনীৰ দৰে তাইৰ এই মুহূৰ্ত্তত অভিনৱৰ বুকুত মূৰ থৈ কান্দি দিবৰ মন গ'ল। তথাপি মনৰ হাজাৰ প্ৰশ্নক বুকুত সামৰি তাক তাই ভিতৰত বহিবলৈ দিলে। দিপালী বাইদেউৰ মূৰৰ বিষ বাবে কলেজৰ পৰা আহিয়ে শুই পৰিছে তেওঁ। অভিনৱৰ লগত তায়ে কথা পাতিব লাগিব। কিদৰে আৰম্ভ কৰিব তাই নিজৰ সমস্যাবোৰৰ কথা? সি হঠাত সুধিলে - বৃষ্টি, ঘৰখন ইমান ঠাণ্ডা হৈ আছে কিয়?

— বাইদেউৰ মূৰৰ বিষ। আবিৰো শুইছে।

— আৰু তোমাৰ কি হ'ল?

— মোৰ কি হোৱা দেখিলা? কোনোমতে ক'লে তাই।

— কথা পাতিবলৈ নাই যদি মই যাওঁ।

— নাই? কোনে ক'লে? বহুত কথা আছে তোমাৰ লগত।

— বহুত কথা? কোৱা তেনেহ'লে।

— ৰবা চাহ একাপ কৰো।

— ঘৰত মোৰ বিয়াৰ কথা চলিছে।

— বঢ়িয়া কথা। তোমাৰ নিজৰ পছন্দ নে?

অভিনৱৰ উৎসাহত মৰ্মাহত হ'ল বৃষ্টি। অভিনৱৰ উপস্থিতিকো অৱজ্ঞা কৰি সেমেকি আহিল তাইৰ দুচকু। অভিনৱ প্ৰস্তুত নাছিল হয়তো এই পৰিস্থিতিৰ বাবে। যিমান পাৰে মমতাৰে ভিজা মাত এটাৰে সুধিলে - বৃষ্টি.... মই ভাবিছিলো, তুমি সুখী। মোক কোৱা সমস্যাটো কি? তুমি বিয়াৰ বাবে সাজু নহয়?

ক'ব নোৱাৰো। এনেকুৱা লাগিছে যেন বিয়াৰ বাবে মত দিলে হৃদয়ৰ প্ৰতি অন্যায় কৰা হ'ব। কি কৰো কোৱা?

মোক কিয় সুধিছা? ই তোমাৰ ব্যক্তিগত বিষয়। ভাবি চোৱা। নিজক সোধা ভালকৈ।

বৃষ্টিক একপ্ৰকাৰ আচৰিত কৰি ওলাই গুচি গ'ল অভিনৱ; যি বাটেৰে আহিছিল, সেই বাটেৰে। দূৰৰ পৰা চাই থাকিল তালৈ তাই। সি যেন তাইৰ পৰা বহুত দূৰলৈ গৈ আছে। য'ৰ পৰা সি কেতিয়াও তাইৰ ওচৰলৈ ঘূৰি আহিব নোৱাৰিব। অভিমানবোৰ হৃদয়ত কৰবাৰ পৰা আহি গোট খালেহি। কিয় নেদেখিলে সি তাইৰ হৃদয়ৰ অনন্ত হাঁহাকাৰ? কিয় নুবুজিলে, কি কাৰণে অভিনৱৰ আগত পানীৰে উপচি পৰিছিল তাইৰ দুচকু। চকুপানীখিনি মচি দুৱাৰখন বন্ধ কৰিলে তাই। মনটোক দৃঢ় কৰি সিদ্ধান্ত ল'লে, কালিলৈকে তাই ঘৰলৈ যাব। মাকহঁতে বিচৰামতেই বিপ্লৱ নামৰ সেই ল'ৰাটোৰ লগত বিয়াৰ বাবে সন্মতি দিব। মচি পেলাব হৃদয়ৰ পৰা অভিনৱৰ ছবি। ইমান অহংকাৰী এটা ল'ৰাক কেনেকৈ ভালপালে তাই? সি এজনী ছোৱালীৰ দুচকুত পানী দেখিও তাইৰ কষ্টক উপলব্ধি নকৰে? যি এৰি থৈ যায় তাইক সেই অৱস্থাত? বন্ধু হৈওতো ৰ'ব পাৰিলেহেতেন সি। ঘৰলৈ যাবৰ বাবে মানসিকভাৱে প্ৰস্তুত হ'ল তাই।

।। সাত ।।

ৰাতিপুৱা ঘৰলৈ যাবৰ বাবে কাপোৰ কানি জাপি থাকোতেও বৃষ্টি অন্যমনস্ক হৈ থাকিল। অভিনৱে কেতিয়াও ভালপোৱা নাছিল নেকি তাইক? তাইও চোন ভালপাইও তাক ভালপাও বুলি ক'ব নোৱাৰিলে। তাৰ ক্ষেত্ৰতো যদি তেনেকুৱা হৈছিল!! ভৱিষ্যতে যেতিয়াই অকলশৰীয়া হ'ব তাই, যেতিয়াই দুৰ্বল অনুভৱ কৰিব নিজকে, তেতিয়াতো হৃদয়ে তাইকেই জগৰীয়া কৰিব। সকলো বুজি পোৱা বয়সতো তাই নিজৰ জীৱনৰ সকলোতকৈ গুৰুত্বপূৰ্ণ সিদ্ধান্তটো শুদ্ধভাৱে ল'ব নোৱাৰিলে। তাইৰ শুদ্ধ হৃদয়েৰে ভালপাইছিল অভিনৱক। তাৰ পাছত ইমান শংকা কৰিলে তাই, ইমান ভয়.....। খণ্ডত সিদ্ধান্ত সলনি কৰিও তাইচোন এতিয়া অনুভৱ কৰিছে- এয়া যে অন্যায় - হৃদয়ৰ প্ৰতি। এইয়া যে ভুল তাইৰ।

কাষৰ কোঠাত ফোনটো বাজি উঠিল বিৰক্ত হ'ল তাই। দিপালী বাইদেউ বাথৰুমত আছে। ফোন তাইয়ে ৰিচিভ কৰিব লাগিব। আনিচ্ছাসত্ত্বেও ৰিচিভাৰটো দাঙি কলে তাই - হেল্ল'......

আনটো মূৰত নিস্তব্ধতা কেৱল। আকৌ ক'লে তাই - হেল্ল'...

— বৃষ্টি নেকি? - অভিনৰ সেয়া, বুকুখন কঁপি উঠিল তাইৰ। তথাপি ক'লে

— ইমান ৰাতিপুৱাই কৰিলা যে - বাইদেউ বাথৰুমত

— তোমাৰ লগতহে কথা আছে বৃষ্টি।

— মোৰ লগত? কোৱা .... ঘৰলৈ ওলাইছো। মই।

— বিয়াৰ কথাটো কি ভাবিলা।

— মই প্ৰস্তুত হৈ ওলাইছো।

— মানুহজনক তুমি ভালপোৱা?

— মাত্ৰ এবাৰ লগ পাইছো।

— তোমাৰ নিজৰ পছন্দ নাই?

— কিয় সুধিছা তুমি!

— তুমি শুনাচোন মোৰ কথাখিনি।

— কোৱা...

— মই ইয়াত কিয় আছো বুলি ভাবিছা, কাৰ কাৰণে বৃষ্টি? কালি তোমাক তাত এৰি আহি ভাবিছা - নোৱাৰো এনেকৈ। তোমাক সঁচা কথা ক'ব লাগিব।.... তোমাক ভালপাওঁ মই! হেল্ল' শুনিছানে বৃষ্টি! আজি নাযাবা। ভাবাচোন এদিন লগপোৱা মানুহজনৰ স'তে সুখী হ'বানে তুমি? কিবা এটা কোৱা!

— তুমি ভবা কথাখিনি মইও ভাবিছো অভিনৱ।

কোনোমতে কথাখিনি ক'লে তাই। নিজৰ কোঠালৈ ঘূৰি আহিল বৃষ্টি। চকুপানীবোৰে বাধা নামানিলে তাইৰ। মনত পৰিল অভিনৱে এদিন তাইক কোৱা এটা কথালৈ - দিল্লীত অসমীয়া ছোৱালী এজনীৰ সতে সম্বন্ধ হৈছিল তাৰ। অথচ সেই সম্বন্ধ মাথো তিনিমাহৰ বাবেহে স্থায়ী হ'ল। বৃষ্টিয়ে সুধিছিল তাৰ কাৰণ। তাইৰ চকুত চকু থৈ কৈছিল সি — "অনবৰতে মনৰমাজত আন কাৰোবাৰ ছবি লৈ ফুৰিছিলো যে।" সেই অভিনৱে আজি স্বীকাৰ কৰিছে সি তাইক ভালপোৱাৰ কথা। যৌৱনৰ কোনোবা নিৰ্দোষ আবেগেৰে যাৰ ছবি তাই হৃদয়ত সাঁচি ৰাখিছিল সেইজন ল'ৰাই আজি সি তাইক ভালপোৱাৰ কথা কৈছে। আজিৰ পৰা তাইও তাৰ হৃদয়ত এক ঠিকনা বিচাৰি পালে। জীৱনত প্ৰথমবাৰৰ বাবে তাই আজি ৰাঘৱৰ দৰে ভাবিলে — সঁচায়ে পৃথিৱীত সম্ভাৱনা আছে, আছে সীমাহীন সুখ। অভিনৱৰ দুচকুক হৃদয়ত আঁকি লৈ ফুৰিও বৃষ্টিয়ে কেতিয়াও তাক পোৱাৰ সপোন দেখা নাছিল। প্ৰেম সঁচায়ে এক আকস্মিক সংযোগ জানো? হয়তো নহয়, তাইও নজনাকৈ জীৱনে বৃষ্টি-অভিনৱৰ কাহিনী কৰবাত হয়তো লিখি ৰাখিছিল। দুচকু মুদি তাই ভাবিলে - এতিয়া যেন অভিনৱৰ হৃদয়ত তাইৰ বাবে অধীৰ হৈ ৰৈ আছে এবুকু গভীৰ মৰ্ম...। অভিনৱৰ মৰমেৰে উপচিবলৈ মন গ'ল বৃষ্টিৰ......।।

□□□

# স্বাধীনতাৰ বিধ্বস্ত গান

মিছ টুটুমণি বেগম
স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ

অসহ্য যন্ত্ৰনা মূৰত। আস্ ক'ত আছোঁ মই, ক'ত আছো মই? ওৱা, মই ইয়ালৈ কেনেকৈ আহিলো। সময়টো বা কিমান হ'ল? মইটো পুৱা সাত বজাতে উপস্থিত হোৱাৰ কথা আছিল তাত। "১৫ আগষ্ট" সমগ্ৰ ভাৰতৰ বাবে এই হেপাহৰ দিনটোত মই অসমৰ এখন আগশাৰীৰ বাতৰিৰ সাংবাদিক হিচাপে "স্বাধীনতা দিৱস" উদ্‌যাপন স্থলীত উপস্থিত হোৱাৰ কথা আছিল। ক'ৰ পৰা যে কি হৈ গ'ল!

"হেল্ল, কেনেকুৱা পাইছে মিষ্টাৰ বৰুৱা"?

হঠাতে কাৰোবাৰ মাতত মোৰ তন্ময়তা ভাঙি গ'ল। চকু মেলি দেখিলো মোৰ কাষত হাঁহি মুখে থিয় দি আছে এজন ডাক্তৰ। তাৰমানে মই এতিয়া হস্পিতেলত।



"মুৰটো বৰ বিষাইছে ডাক্তৰ।"

"একো নহয়। আচলতে এটা ডাঙৰ শ্বক পালেটো কালি। অলপমান চকু মুদি শুই থাকক। ভাল পাব।"

ডাক্তৰৰ কথাৰ পৰা গম পালো আজি ১৬ আগষ্টহে। ডাক্তৰজন ওলাই গ'ল ৰুমৰ পৰা। লাহে লাগে আগদিনাৰ ঘটনাবোৰ মোৰ মনত পৰিল। ৰাতিপুলাই সংগী ৰীদিপৰ সতে ওলাই গৈছিলো মই। খুওব ধুনীয়াকৈ সজাই থোৱা আছিল ঠাইখন য'ত স্বাধীনতা দিৱস উদ্‌যাপন কৰিবলৈ লোৱা হৈছিল। ব্যস্ত আছিল সকলো। আমিও ব্যস্ত হৈ পৰিছিলো। কণ কণ শিশুহঁত আহিছিল স্বাধীনতাৰ এই গৌৰৱময় দিনটোত দেশৰ প্ৰতি সন্মান জনাই স্বাধীনতাৰ আনন্দ উপভোগ কৰিবলৈ। নিৰাপত্তাৰ ব্যৱস্থাও অতি কটকটীয়া আছিল। সময়ত আমন্ত্ৰিত অতিথিসকলো আহিল। যথাসময়ত পতাকা উত্তোলন কৰিবলৈ লোৱা হ'ল। উত্তোলক মহোদয় আগবাঢ়ি গ'ল পতাকাৰ ফালে। কণমানিহঁত সাজু হ'ল জনগনমন গাৰৰ বাবে। কিন্তু —

ধুম........ধু..ম....ম...........। এটা প্ৰচণ্ড শব্দত সকলো খেলি মেলি হৈ গ'ল। ছিন্ন ভিন্ন হৈ গ'ল কণ-কণ শিশুৰ সোণালী শৈশৱৰ সপোন। অ'ত ত'ত সিঁচৰিত হৈ পৰিল মানুহৰ দেহৰ পৰা আঁতৰি যোৱা মাংসৰ টুকুৰাবোৰ। তেজ, ধোঁৱা, ধুলি আৰু মাংসৰ কি বীভৎস ৰূপ। মানুহৰ বৰ্বৰতাৰ কি জঘন্য স্বাক্ষৰ। মোৰ কি হ'ল মই ক'ব নোৱাৰিলো। মানুহৰ আৰ্তনাদ, চকুৰ পানী, হঠাতে মাংসপিণ্ডত পৰিণত হোৱা শিশুবোৰ — এই সকলো মিলি গঢ়ি উঠা পৰিৱেশত মই থিৰেৰে থাকিব নোৱাৰিলো। স্নেপ ল'বলৈ সাজুকৰি ৰখা হাতৰ কেমেৰাটো খহি পৰিল আৰু মই সংজ্ঞাহীন হৈ পৰিলো। তাৰ পাছত এতিয়া মই ইয়াত।

"কি দোষ আছিল সেইকেইটা শিশুৰ যাৰ অভিধানত কেতিয়াও সংযোজিত হোৱা নাছিল হিংসা নামৰ শব্দটো? কি দোষ আছিল সেই কেইগৰাকী মাতৃৰ যাৰ বুকুৰ পৰা আজুৰি অনা হ'ল তেওঁলোকৰ সন্তান

বোৰক। কিয় মানুহ এনেকুৱা হয়? কিয় মানুহে মানুহৰ তেজেৰে ফাকু খেলিব খোজে? ধ্বংসৰ মত্ততাত কিয় মানুহে জীৱন নিঃশেষ কৰিব খোজে? আমি কিমান সভ্য হৈছোঁ বাৰু সময়ৰ সতে? মানুহৰ স্বাভাৱিক আবেগ অনুভূতিবোৰৰ পৰা আঁতৰি যোৱাকে কি সভ্য হোৱা বোলে?

"মিঃ বৰুৱা, আপোনাৰ দৰৱ খোৱাৰ সময় হ'ল।" নাৰ্চগৰাকীৰ মাতত পুনৰ মই বাস্তৱৰ বুকুলৈ উভতি আহিলো।"

লাভ নাই, এতিয়া আৰু হেৰাই যোৱাবোৰৰ কথা ভাৱি লাভ নাই। সিহঁতৰ বাবে কৰিব পৰা এতিয়া আৰু আমাৰ একো নাই। স্বাধীনতাৰ নামত সিহঁত আমাৰ পৰা গুচি গ'ল, আমাৰ বিবেকৰ ক্লীৱতাক তাচ্ছিল্য কৰি। এতিয়া আমি ভাৱিব লাগিব সিহঁতৰ বাবে যিবোৰ কালিলৈ আমাৰ দৰে দেশৰ নাগৰিক হ'ব। সিহঁতৰ ভালৰ বাবে আমি চেষ্টা কৰিব লাগিব। সিহঁতৰ নিষ্কলুষতাৰ বুকুত আমাৰ বিবেক যাতে পুনৰ সচেষ্ট হ'ব লাগিব।

ইতিমধ্যে মোক দৰৱ খুৱাই নাৰ্চ গৰাকী ওলাই গৈছে। মই লাহেকৈ টেবুলৰ পৰা কলমটো আৰু কাগজ এখিলা টানি আনিলো আৰু লালে লাহে লিখিলো—

"সিহঁতক নুচুব, আপুনি চুলেই এতিয়া সাৰ নাপায় সিহঁতে
স্বাধীনতাৰ বিধ্বস্ত গানটোৰে সতে এতিয়া সিহঁত শুই আছে
বগা কাপোৰকেইখনৰ তলত।
কাপোৰকেইখন উদঙাই সিহঁতৰ মুখকেইখন চোৱাৰ হেপাহ নকৰিব।
তাৰ পৰিৱৰ্তে ফুল কেইপাহমান লৈ আহিব হাতত
ছটিয়াই দিব সেইখিনি কাপোৰ কেইখনৰ ওপৰতে আৰু
এতিয়াও যদি আপোনাৰ চকুৰ কোনোকোণত বাচি আছে
অলপমান চকুপানী
কেইটোপালমান খৰচ কৰিব সিহঁতৰ বাবে
আৰু প্ৰাৰ্থনা কৰিব জানে যদি অকণমান প্ৰাৰ্থনা
কৰিব সিহঁতৰ আত্মাৰ শান্তিৰ বাবে।
তাৰ পাছত, পাৰে যদি বিদ্ৰোহী হ'ব সিহঁতৰ বাবে
যি সকল এতিয়াও সাৰে আছে, সিহঁতৰ নিষ্কলুষ সপোনবোৰৰ সতে।
কিন্তু আপোনালৈ মোৰ এটা অনুৰোধ
বিদ্ৰোহী হ'বলৈ গৈ আপুনি কিন্তু হৃদয় নেহেৰুৱাব।"

লিখি উঠি এবাৰ পঢ়ি-চালো কবিতাটো। এনে লাগিল যেন "জনগন মন....." গানটো টুকুৰা টুকুৰ হৈ এচাৰ খাই পৰিছে মোৰ মুখৰ ওপৰত। চকু দুটা মুদি দিলো। বাহিৰত তেতিয়া লাহে লাহে আন্ধাৰ নামিছে। মোৰ চকুৰ আগত ভাঁহি উঠিল হঠাতে টুকুৰা-টুকুৰ হৈ দূৰলৈ ছিটিকি যোৱা শৰীৰবোৰ। কাণত ভাঁহি উঠিল মানুহৰ বৰ্বৰতাত বিধ্বস্ত হোৱা স্বাধীনতাৰ গানটো। মই একো ভাৱিব নোৱাৰা হৈ পৰিলো।

***(কলেজ সপ্তাহৰ ঠাইতে লিখা গল্প প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ গল্প)***

# উপলব্ধি মাথো জীৱনৰ এটি ক্ষণৰ

প্ৰণতি ফুকন
স্নাতক দ্বিতীয় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ

হেঙুল বোলেৰে নিলীমাক সুন্দৰকৈ সজাইছিল সেইদিনা দীপান্তত। দুৰণিত নীলাভ শৈল্যৰাজিৰ চূড়াবিলাক জ্যোতিষ্মান হৈছিল হেঙুল বোলত। শৈল্যৰাজিৰ ওখোৰা-মোখোৰা বক্ষৰে মিলনৰ শত সহস্ৰ আশা বুকুত বান্ধি কুলু কুলু ধ্বনিৰে বৈ আহিছে ভৈয়ামৰ বুকুলৈ। নৈৰ পাৰৰ আলফুলে হালি জালি থকা শুকুলা কহুঁৱাভৰাই আগন্তুক বসন্তৰ আগলি বতৰা দিছে। সুদূৰত থকা বঙালী গাওঁখনৰ পৰা ভাঁহি অহা ৰিণি ৰিণি মাদলৰ ছেওৱে আনদিনাৰ দৰে আজিও স্মৃতিৰ মনত এক অবুজ ভাৱৰ বুৰবুৰণি তুলিলে। এই দিখৌ নৈ, এই নৈৰ পাৰৰ পৰিবেশ সকলো বিলাক যেন স্মৃতিৰ আজন্ম চিনাকি। স্মৃতিৰ হৃদয়ৰ মণিকোঠাত সযতনে শুই থকা সোঁৱৰণীৰ পাতবিলাক ফাগুণৰ পছোৱাই এখন এখনকৈ লুটিয়াই সজীৱ কৰি তুলিছিল। তাইক জীৱনৰ ছন্দ হেৰুৱাই পেলোৱা এই দুৰ্ঘটনাটোৱে আজি ৩/৪ বছৰে এটুকুৰা কেঁচা ঘাৰ দৰে বিষত কোঙা কৰি পেলায়। যৰ পৰা মাথো আজি নিঃসৃত হয় এসোতা গৰম কেঁচা তেজৰ.......

"নতুন কিবা এটা কৰা যিটো এই অঞ্চলত কোনেও কৰিব পৰা নাই।" মেট্ৰিক পৰীক্ষাৰ ফলাফল ওলোৱাৰ পিছত মাৰ্কশ্বিটখন আনিবলৈ যাওঁতে এই উৎসাহ ভৰা বাক্যশাৰী কৈছিল প্ৰিন্সিপাল চাৰে। স্মৃতিয়েও তাইৰ পৰমপূজ্য শিক্ষাগুৰুৰ কথা আখৰে আখৰে পালন কৰিবলৈ নিজকে মনে প্ৰাণে সাজু কৰি তুলিছিল আৰু উচ্চ শিক্ষা গ্ৰহণৰ উদ্দেশ্যৰে নাম ভৰ্তি কৰিছিল কলঙ্খুপৰীয়া মহাবিদ্যালয়ত। কিমান যে এটা সুন্দৰ পৰিবেশ। ওচৰতে থকা শিৱদ'লৰ পৰা ভাহি অহা মাংগলিক ধ্বনিয়ে স্মৃতিৰ মনত নতুন উদ্যম উদ্দীপনা যোগাইছিল। প্ৰথমতে সকলো ঠিকেই আছিল। কলেজৰ দিনবিলাকো সুন্দৰভাৱে অতিবাহিত হৈছিল। এক ছন্দোময় গতিৰে গতি কৰিছিল স্মৃতিৰ জীৱন। মহাবিদ্যালয়ৰ নতুন পৰিৱেশত স্মৃতিয়ে বিচাৰি পাইছিল বহুজনক। বিশেষকৈ তাইৰ অন্তৰংগ বান্ধৱী প্ৰিন্সমণি। যাৰ পৰশত স্মৃতিৰ জীৱন সুঁতিয়ে লাহে লাহে গতি কৰিছিল অন্য এটা দিশলৈ। য'ত তাই তিল তিলকৈ হেৰুৱাইছিল জীৱনৰ লক্ষ্য। স্মৃতিয়ে কেতিয়াও ভাবিব পৰা নাছিল যে প্ৰিন্সমণিৰ সংগই তাইক উপহাৰ দিব পাৰে সমাজৰ ঘৃণাৰ পাত্ৰ হিচাবে। প্ৰিন্স আছিল ধনী ঘৰৰ একমাত্ৰ দুলালী। ঘৰৰ আলসুৱা জীয়ৰীক কলেজৰ নীতি নিয়মৰ শিকলিয়ে বান্ধি ৰাখিব পৰা নাছিল। প্ৰিন্সৰ লগত পৰি স্মৃতিয়েও লাহে লাহে কলেজ কৰ্তৃপক্ষই বান্ধি দিয়া নীতি নিয়মক অৱমাননা কৰা হ'ল। কলেজৰ ক্লাছৰ পৰিবৰ্তে তাইৰ ওচৰত গুৰুত্ব পাবলৈ ধৰিলে তাইৰ প্ৰিয় বান্ধৱী প্ৰিন্সৰ সংগই।

ধ্বিজনী স্মৃতিয়ে কেতিয়াও নিজক ফাঁকি দিয়া নাছিল, যাক গাঁৱৰ অনুজসকলে এক আদৰ্শ হিচাপে গ্ৰহণ কৰিব বিচাৰিছিল সেই স্মৃতিৰ আজিৰ ৰূপটো কাৰো কাম্য নাছিল। পিতৃ-মাতৃ নালাগে স্কুলীয়া জীৱনত কোনোদিনে শিক্ষকৰ পৰা কঠোৰ ব্যৱহাৰ লাভ নকৰা স্মৃতিয়ে আজি প্ৰিন্সৰ সংগত পৰি দিনত দুবাৰ তিনিবাৰকৈ কলেজ ইউনিয়নৰ সাৱধানবাণী শুনাৰ উপৰিও প্ৰিন্সিপাল চাৰৰ কোঠালিলৈও শাস্তি গ্ৰহণৰ বাবে যাব লগা হৈছিল। তাই এই অনৈতিক কাম বিলাক চলাই নিওতে এবাৰলৈও পিতৃ-মাতৃৰ তেজক পানী কৰি হাড়ক মাটি কৰি তাইক কলেজ পঢ়ুওৱা অৱস্থাটোলৈ মনত নপৰিল। তাইৰ ওপৰতেই যে নিৰ্ভৰ কৰে তেওঁলোকৰ ভৱিষ্যত। তাইৰ দিনে দিনে বাঢ়ি যোৱা প্ৰয়োজন পূৰাবলৈ দেউতাকে যে কম চেষ্টা কৰা নাছিল। তেওঁলোকে বুজিছিল চেষ্টাৰ ফল সদায় মিঠা। কাৰণ তেওঁলোকে নিৰক্ষৰ হ'লেও এই কথা বুজি পায় যে প্ৰকৃত প্ৰতিভাৰ কেতিয়াও মৃত্যু নহয়। সি এদিন নহয় এদিন উজ্জ্বল আভা বিকিৰণ কৰিব। কিন্তু আনফালে স্মৃতিৰ পঢ়া শুনাৰ নামগোন্ধেই নোহোৱা হ'ল। আজি কাৰোবাৰ বাৰ্থডেৰ পাৰ্টি, হোটেল, চিনেমা হ'ল আদিতেই অতিবাহিত কৰিবলৈ ধৰিলে কলেজীয়া জীৱনৰ সোণালী দিনবোৰ। তাইৰ জীৱনৰ ৰঙীন সপোনবোৰ বিচাৰি নিজকে হেৰুৱাই

পেলালে।

উঃ সেই দিনটো যিটো দিন যে তাইৰ জীৱনলৈ কলীয়া আন্ধাৰ নমাই আনিব তাই সেইটো কেতিয় ভাবিব পৰা নাছিল। যিটো দিনত তাই পিতৃ-মাতৃৰ হাঁহি উজ্জ্বলাব লগীয়া মুখকেইখনত দুখৰ প্ৰলেপহে স দিলে। যিটো দিনত তাই এখন কলেজৰ চানেকিত বদনামৰ দাগেৰে ফুল বাচি পেলালে। কিয়নো যিটো দি তাই নাৰীজীৱনৰ সৰ্বস্ব, ভুৱা ভিচিডিত অভিনয় কৰিবলৈ গৈ হেৰুৱালে সেইদিনটোতও তাই পৰিধান ক আছিল কলেজৰ ইউনিফৰ্মজোৰ।

স্মৃতিৰ জীৱন আকাশৰ সুৰুজটি যেন পশ্চিম আকাশত ডুব গ'ল। লাহে লাহে তাইৰ হেৰুৱা চেতনা আহিল। তাই এইবাৰ ভালকৈয়ে উপলব্ধি কৰিলে তাই যদি বান্ধৱীৰ লগত কটোৱা সময়খিনি শ্ৰেণীকো উপস্থিত থাকিলেহেঁতেন তেতিয়া হ'লে তাই হায়াৰ চেকেণ্ডাৰী পৰীক্ষাত ভালদৰে উত্তীৰ্ণ হৈ কলেজ ত পিতৃ-মাতৃৰ শেঁতা মুখত হাঁহি বিৰিঙাৰ পাৰিলেহেতেন। তাইক অনুজসকলে এক আদৰ্শ হিচাবে গ্ৰহণ কৰিলেহেঁতে তাইতো এটা সময়ত গাঁৱৰ আদৰ্শই আছিল যেতিয়া তাই মেট্ৰিক পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হৈ গাঁৱলৈ সু কঢ়িয়াই আনিছিল। কিন্তু এতিয়া যে তাই এটা কাঠৰ ঘূণে ধৰা পুতলা যিখন গাঁৱত তাই এদিন মৰম অ আৰ্শীবাদ লাভ কৰিছিল এতিয়া তাই সেইখন গাঁৱত কেৱল ঘৃণা আৰু অপমান। উঃ লগতে যে তাই এ কলেজৰ সন্মানখিনিও মাটি কৰি পেলালে কেৱল তাইৰ উচ্চাকাংক্ষাৰ বাবে। তাই যদি বুজি উঠিলেহেতেন এ কলেজৰ ইউনিফৰ্মযোৰৰ তাৎপৰ্য্য। এখন কলেজৰ ইউনিফৰ্ম পৰিধান কৰোতেই যে এখন কলেজক প্ৰকৃতা প্ৰতিনিধিত্ব কৰে, এখন কলেজৰ সদনাম বদনাম নিৰ্ভৰ কৰে ইউনিফৰ্ম পৰিধান কৰোতাৰ ওপৰত। তাইতো সাজযোৰ পৰিধান কৰি কিমান ফেশ্বন কৰ্ণাৰ, ৰেষ্টুৰেণ্ট আৰু পাৰ্কত কটালে তাৰ কোনো হিচাব কৰিব প নাযায়। তাইৰ ভুলৰ বাবেই সমাজে দোষাৰোপ কৰিলে কলেজ কতৃপক্ষক। অৰ্থাৎ এক বগলীয়ে মাছ খা বগলীৰ নাম যায়।

তাইতো কলেজ ইউনিয়নৰ প্ৰতিটো কথাতে বুঢ়া আঙুলী দেখুৱালে। তাই এতিয়াহে উপলব্ধি কৰি যেতিয়া তাই জীৱনৰ সবৰ্স্ব হেৰুৱাই পেলালে। তাই যদি এবাৰলৈও বুজিলেহেতেন যে কলেজ ইউনিয় দায়িত্বত থকা কলেজৰ ছাত্ৰ-ছাত্ৰী সকলে নিজৰ ব্যক্তিগত লাভালাভৰ কাৰণে কোনো কাৰ্য্য হাতত নল তেওঁলোকে নিবিচাৰে যে এখন কলেজৰ সন্মানিকলৈ কোনোবাই হেতালি খেলিব। তাই আজি ভালদৰেই উপল কৰিছে যদিহে সকলো ছাত্ৰ-ছাত্ৰীয়ে নিজ দায়িত্ব আৰু কৰ্তব্য নিষ্ঠাৰে পালন কৰে তেতিয়া হ'লে এখন কলে নিয়মানুবৰ্তিতা মানিচলাৰ দিশত সফল হ'ব পাৰিব।

এই পৃথিৱীত স্মৃতি মাত্ৰ কেইটামান দিনৰহে আলহী। কিয়নো আজি তাই মাৰাত্মক এইড্‌চ ৰোগত আক্ৰা কিয় যে তাই জীৱনৰ ৰঙীন সপোনৰ পখিলা খেদি ফুৰোতে জীৱনৰ ছন্দ হেৰুৱাই পেলালে। তাই যদি আগৰে বুজি উঠিলেহেতেন জীৱনৰ অৰ্থ। এতিয়াতো বহুত পলম হৈ গ'ল। তাই হঠাতে ঠিক কৰি পেলালে যে পৃথিৱীত তাইৰ দৰে যেন আৰু এজনী স্মৃতিৰ জন্ম নহয়। তাই জীয়াই থকা দিনকেইটাত ছাত্ৰ-ছাত্ৰীৰ মাজলৈ ছাত্ৰ-ছাত্ৰী সকলৰ কৰ্তব্য আৰু এইড্‌চ ৰোগৰ সম্পৰ্কে সজাগতা বৃদ্ধি কৰিব যাতে তাইৰ পিতৃ-মাতৃৰ দৰে অ কোনো হতভগীয়া পিতৃ-মাতৃৰ জন্ম নহওক। কহুঁৱা বনৰ শীতল মলয়াই তাইৰ হিয়ামন শীতল কৰি পেলা জীৱনত প্ৰথম বাৰৰ বাবে এটা সঠিক সিদ্ধান্ত গ্ৰহণ কৰাত। তাই লাহে লাগে নৈৰ পাৰৰ পৰা ঘৰলৈ বুলি খো আগবঢ়ালে। সেই সময়তো তাইৰ চকুৰ আগত সেই হৈ যোৱা ঘটনাৱলী চিনেমাৰীলৰ দৰে অগা দেৰা কৰিব ধৰিলে। তথাপিও ইয়াৰ মাজতে তাই উপলব্ধি কৰিলে যেন তাইৰ কলিজাৰ কেঁচা ঘাটুকুৰাৰ পৰা বৈ অহা তেজ সোঁতটো খৰালি দিখৌখনৰ দৰে শুকাবলৈ আৰম্ভ কৰিছে।

(গল্পটো কোনো সঁচা ঘটনাৰ আলমলৈ লিখা নহয়। এই গল্পটিৰ কাহিনীৰ লগত যদি কাৰোবাৰ জীৱন মিল থাকে তাৰ বাবে মই তেওঁলোকৰ ওচৰত ক্ষমা প্ৰাৰ্থী।) ❑❑❑

# অসম বন্ধৰ দিনা

অনামিকা বৰুৱা
স্নাতক তৃতীয় বৰ্ষ



"সোণটো ফৰ্ম ফিলাপৰ বাবে কিমান লাগিব অ'।"
"কালি কৈছিলো নহয়।"

ৰাতিপুৱাই অনুপমৰ খঙটো উঠিয়েই আহিল কাৰণ দেউতাকে একেটা কথাকে দুবাৰ সুধিলে। তাতে আজি অসম বন্ধ। এই অসম বন্ধৰ দিনটোৱেই তাৰ বাবে আটাইতকৈ বিৰক্তিদায়ক। "অসম বন্ধ" শব্দটোক সি ঘৃণা কৰিবলৈ শিকিচে। অসম বন্ধ হ'লে সি কলেজলৈ যাব নোৱাৰে। সি ঘৰত সোমাই থাকিবলৈ বেয়া পায়, কিন্তু উপায়তো নাই থাকিবয়েই লাগিব। ঘৰত থাকিবলৈ বেয়া পোৱাৰ কাৰণটো হৈছে তাৰ দেউতাক। তাৰ দেউতাক শিক্ষক লগতে খেতিয়কো। দেউতাকে স্কুলৰ পৰা আহি বৈ নাথাকে। ইটো সিটো কাম। মুঠতে আজৰি নাই। অনুপমৰ সমস্যা তাতেই কাৰণ দেউতাকে তাকো এইটো কৰ; সেইটো কৰ কৰি থাকে। অৱশ্যে সি প্ৰায়ে নকৰে, কেতিয়াবা হে কৰে। কলেজলৈ গ'লে অন্তত দেউতাকৰ চিঞৰ শুনি থাকিব নালাগে। কলেজত থাকি তাৰ ভালো লাগে। কলেজত লগৰবিলাকৰ লগত হাঁহি-ফুৰ্তি উৎপাত কৰি দিনটো পাৰ কৰি দিয়ে। মুঠৰ ওপৰত কলেজত থকাৰ সময়ত সি এটা সুখী ল'ৰা। কিন্তু ঘৰলৈ আহিলেই তাৰ মুখখন বিৰক্তিত কোঁচ খাই যায়। ঘৰত সি এটা খঙাল ল'ৰা। মাক-দেউতাক, বায়েক কাকো সুখত থাকিবলৈ নিদিয়ে।

"খুড়ী এইপিনে আহাচোন"

বায়েকৰ মাতটো শুনি তাৰ খুড়ীয়েকলৈ মনত পৰিল। তাৰ কাপোৰ ধুই দিয়া বায়েকৰ চুলিত হেনা কৰি দিয়া বিধবা, খুড়ীয়েকজনীলৈ। অসম বন্ধৰ দিনা স্কুটাৰলৈ বজাৰলৈ যোৱাৰ বাবেই তাৰ দদায়েক মৰিছিল। বন্ধ সমৰ্থনকাৰী উদণ্ড যুৱকৰ হাতত। অথচ সি খুড়ীয়েকক অসম বন্ধ বুলি বিষন্ন হৈ পৰাতো দেখা নাই। খুড়ীজনীও দেখোন অসম বন্ধৰ দিনা স্কুললৈ নগৈ ঘৰতে থাকে। বিয়াৰ দুমাহৰ পিছতেই স্বামীক হেৰুৱাই অকলশৰীয়া হোৱা খুড়ীয়েক দেখোন অসম বন্ধৰ দিনাও হাঁহিব পাৰে। নিসংগ মানুহজনীৰ দুখবোৰতকৈ তাৰ বাৰু এনে কি দুখ আছে যে ঘৰত থাকিলে সি হাঁহিব নোৱাৰে। তেতিয়াহ'লে তাৰ চিন্তাৰ গতি সলনি হ'ল। আৰে, দেউতাকে একেটা কথাকে দুবাৰ সুধিছে যেনিবা, টিভিটো অফ কৰিবলৈ ক'লে যেনিবা সেইবুলিয়েই সি বেয়া পাবনে? মন বেয়া কৰি বহি থকাতকৈ সি চোন গান এটাকে শুনিব পাৰে। টেপটো অন কৰি সি চিঞৰাত লাগিল —

"গা ধুৱা বয়সৰ
লাজ লগা কথা।"

□□□

# দুখবোধৰ মাজতো অলপমান প্ৰশান্তিৰ অৱশেষত অনিন্দিতা

অভিজ্যোতি দ
স্নাতক তৃতীয় বৰ্ষ (কলা শাখা)

"অনিন্দিতা, অনিন্দিতা" - কোনে জানো মাতে তাইৰ নামটো! আচলতে তাই এটা সুৰহে শুনে নেকি বাৰু? কোনোবাই যেন মাতে তাইক মৰমেৰে, খুবেই মৰমেৰে.... অলপদিনৰপৰা তাই অনুভৱ কৰিছে কিবা এটা যেন হৈছে তাইৰ। কাৰোবাক যেন ওচৰত পাবৰ মন গৈছে, কাৰোবাৰ সবল দুবাহুৰে আবৃত হ'বলৈ মন গৈছে তাইৰ। "ছাহেবপুৰৰ বৰষুণ"ৰ সঞ্জীৱৰ প্ৰেমতো পৰিছে যেন তাই! মৌনতাৰেই কিমান যে প্ৰেম সঞ্জীৱ-বৰ্ষাৰ আস! খুৱেই মন যায় তাইৰ সঞ্জীৱক লগ পাবলৈ, ছাহেপুৰৰ বৰষুণ ৰ সঞ্জীৱক।



এক অনন্য ব্যক্তিত্বৰ গৰাকী তাই, অনিন্দিতা বহুতেই সেইবুলিয়েই ভাৱে তাইক শ্ৰদ্ধা কৰে বহুতে কলেজত ল'ৰা-ছোৱালীয়ে, ঘৰৰ ওচৰত বজাৰখনৰ দোকানী বোৰে আৰু বহুতে। "ধেমাজি কলেজ"তে তাই শিক্ষা বিভাগৰ অধ্যাপিকাৰ পদত সোমোৱা মাত্ৰ তিনিবছৰ হৈছে তাইৰ। এই তিনিবছৰতে তাই মন মুহিছে তেওঁ বহুতৰে। অত্যন্ত গহীন তাই। সৰুৰেপৰা অকলশৰীয়াকৈ ডাঙৰ হোৱাৰ বাবেও হ'ব পাৰে তেনেকুৱা। তাই ভাবি নাপায় কিয় তাইৰ কোনো বন্ধু থাকিব নোৱাৰে ইমান বেয়াওতো নহয় তাই! ঘৰৰ সকলোৱে কেৱল গহীন বুলি ভৰাতেই দায়িত্ব শেষ হৈছিল। নাই-কোনেও উপলব্ধি কৰা নাছিল তাইৰ অনুভৱক, কি বিচাৰে তাই প্ৰকৃততে। কেৱল কান্দিছিল তেতিয়া তাই ৰুমৰ ভিতৰতে লুকাই চুৰকৈ। এইয়ে ইমান নিঃসঙ্গতা তাৰ মাজতে তাই যেন বিচাৰি পাইছিল কিবা এটা-এটা মোহেই চাগৈ সেয়া যদিও বা তাই ভুল কৰিছিল প্ৰেম বুলি ভাৱি। নাই নাই- বহুত দিন টিকি থকা নাছিল সেই সম্পৰ্ক - সুবীৰ আছিল তাৰ নাম। কেৱল যোল্লবছৰীয়া আছিল তেতিয়া তাই ঘৰৰ সকলোৰে মৰমৰ মানু।

তাই ডাঙৰ হৈ আহিছিল লাহে লাহে। বন্ধুত্ব বাঢ়িছিল বহুতৰে সৈতে বন্ধুত্বতকৈ লগৰ বুলি কোৱাটোহে সমীচিন হ'ব অৱশ্যে। কিন্তু তাই সঁচা বন্ধুত্বকো পাইছিল - সঞ্জীৱ আছিল তাৰ নাম। যি প্ৰেৰণা দিছিল তাইক যি সপোন দেখুৱাইছিল তাইক, নিঃসংগ মুহূৰ্ত্তৰ সঙ্গী হৈছিল। কেৱল বন্ধুত্বই আছিলনে সেয়া তাইৰ! প্ৰেমো হ'ব পাৰে নেকি সেয়া তাই ভবিছিল। তথাপি কোৱা নাছিল কাকো এই কথা। গ্ৰন্থমেলালৈ গৈছিল দুয়োটা, কবিতাৰ সন্মিলনীলৈ দুয়োটা গৈছিল শংকৰদেৱ-মাধৱদেৱৰপৰা আৰম্ভ কৰি বিবেকানন্দ, অৰবিন্দৰ দৰ্শন, ভগৱানৰ মহাত্মাৰ কথা কৈছিল সি। এটা কিতাপৰ পোক আছিল সি- ডাঠ ফ্ৰেমৰ চশমা পিন্ধা ক্ষীণ মীনকৈ এটা ল'ৰা

জীৱনটোক নতুনকৈ শিকিবলৈ, নতুনকৈ জানিবলৈ শিকিছিল তাই। কেৱল সঞ্জীৱৰ বাবেই।

এই সঞ্জীৱ কেনে আছে বাৰু এতিয়া? কতো খবৰ নিদিয়াকৈ, আনকি তাইকো খবৰ নিদিয়াকৈ গুচি গৈছিল সি ক'ৰবালৈ। কলৈ গৈছিল কোনেও বিচাৰি পোৱা নাছিল। বহুতদিনৰ পাছতহে গম পাইছিল সি অস্ত্ৰ ল'লৈগে আৰশেষত। কবিতা ভাল পোৱা, অৰবিন্দ, বিবেকানন্দৰ দৰ্শনলৈ সমাজত চাবলৈ শিকা জন যাব পাৰেনে অস্ত্ৰ ল'বলৈ! কেৱল কান্দিছিল তাই বুকুত সাবটিছিল দুখবোৰক পুনৰবাৰ।

সন্মুখৰ ফিল্ডখনত পুলিচবোৰে প্ৰেক্টিচ কৰি আছে। স্বাধীনতা দিৱসৰ বাবে। এসপ্তাহৰ পাচতে ১৫ আগষ্ট। তায়ো যাব তালৈ এইবাৰ ফিল্ডলৈকে যাব নে ঘৰৰ পৰা চাব ভাবিলে তাই।

ৰাতিপুৱাৰপৰাই খদনদম লাগিছে ফিল্ডখনত। অকনমানি ল'ৰা-ছোৱালীবোৰ সাজি কাছি আহিছে। এই অকণমানি বোৰক দেখিলে, হাঁহি ভৰা মুখবোৰ দেখিলে তাইৰো অকণমানি হ'বলৈ মন যায় – হাঁহি থাকিবলৈ মন যায়, কোনো চিন্তা নকৰাকৈ।

উপায়ুক্তই ভাষণ দি যোৱাৰ পাছতে অকণমানি এদলে বিহু নাচিলে। ভাগৰুৱা হৈ আছে যদিও সেই ভাগৰবোৰক তাঁহাতি যেন পাত্তা নিদিব!

আস! হঠাৎ যে কি হৈ গ'ল। চাৰিওফালে চিঞৰৰ বাখৰ। যিবোৰ অকণমানিক দেখি তাই কল্পনাত বিভোৰ হৈছিল, তাহাঁতিও দেখোন নাই। তেজৰ চেকুৰাৰে দেখোন চাৰিওফালে ছানি ধৰিছে। তাইৰ ভতিজাজনী ক'ত! যিজনী নাচিবলৈ আহিছিল। যাৰ ৰাতিপুৱাৰে পৰা উদুলমুদুল লাগি আছিল মনটো নাচিবলৈ পাব বুলি।

ক'বনোৱাৰা হৈ গৈছিল তাই। পিছদিনা বহুত যন্ত্ৰনাৰ চিঞৰৰ মাজতে সাৰ পাইছিল তাই ধেমাজি হস্পিতালৰ বিছনাত। মনত পেলাবলৈ চেষ্টা কৰিলে তাই – কি হৈছিল।

ডাঙৰ ডাঙৰ হৰফেৰে প্ৰকাশ পাইছিল ঘটনাটো বাতৰি কাকতত। সকলোৱে গৰিহণা দিছিল এই হত্যাকাণ্ডক। কিমান নিষ্ঠুৰ হ'লে কাঢ়ি নিব পাৰে এটা শিশুক? নিপাত যাওঁক এই সকলো হত্যাকাৰীয়েই। চকুপানীক চকুৰ কোণত ৰাখি তাই বিৰবিৰকৈ উঠিছিল।

কেইদিনমান পাছতে ধেমাজিৰ এই হত্যাকাণ্ডৰ মূল অভিযুক্তৰ মান ওলাইছিল বাতৰিত- 'সঞ্জীৱ বৰুৱা নাম। তাই বিশ্বাস কৰা নাছিল এই কথা। সেই সঞ্জীৱ, যাক তাই ভাল পায়। যাক আজিও সযতনে ৰাখিছে তাই বুকুৰ মাজত সি হ'ব পাৰেনে এনেকুৱা?

পিছত জানিছিল তাই সিয়েই হয় সেই সঞ্জীৱ বৰুৱা।

তেতিয়াহে যেন সঁচাকৈয়ে তাই কিবা এটা প্ৰকৃততে হেৰুৱালে। তথাপিও টো মানি লব পৰা নাই তাই। মানুহবোৰ ইমান অচিনাকি হ'ব পাৰেনে সঁচাকৈয়ে। কোনে জানো কৈছিল —" আমি প্ৰত্যেকেই প্ৰত্যেকৰে ওচৰত অচিনাকি - চিনাকি বুলি ভুল কৰি ভাল লাগে মাজে মাজে।"

হ'ব পাৰে - সঞ্জীৱকো তাই প্ৰকৃতাৰ্থত জনা নাছিল। সঞ্জীৱৰ কথা আকুলভাৱে কেতিয়াও নাভাৱে তাই। তাই কেৱল ভাবিব সেই সঞ্জীৱৰ কথা যি সঞ্জীৱে "ছাহেবপুৰাৰ বৰষুণ"ৰ সঞ্জীৱৰ নিচিনাকৈ কাম কৰে মানৱীয়তাৰে মানুহৰ বাবে। কেৱল সাৱটিব সেইটো অতীতৰ সঞ্জীৱক যি কবিতা ভাল পায়, যি সপোন দেখে শিশুৰ বাবে কাম কৰিবলৈ আৰু সেই সঞ্জীৱ যি তাইৰ প্ৰেৰণা হৈছিল তাইৰ প্ৰতিটো মুহূৰ্ত্তত।

বহুতো দুখবোধৰ মাজতো অলপমান প্ৰশান্তিৰ আবেশত অনিন্দিতাৰ দুচকু মুদিবৰ মন গ'ল - এটোপ চকুপানী উলিয়াবলৈ মন গ'ল – অন্ততঃ কেইটামান অকণমানি শিশুৰ বাবে। ❑❑❑

# সোঁৱৰণি



কাৰ্বি চলিহা,ইংৰাজী বিভাগ

আজি জীৱনৰ চল্লিছটা বসন্ত অতিক্ৰম কৰাৰ পাছতো সন্ধিয়া সময়ত যেতিয়া পশ্চিম আকাশৰ দিবাকৰে হেঙুলীয়া আভা বিয়পায়, মোৰ মন অতীতৰ স্মৃতিত পুলকিত হয়। মোৰ অতীতৰ সেই মধুৰ আবেলিটোৱে বৰকৈ আমনি কৰে। এই আবেলি সময়কণ মোৰ একান্ত নিজৰ। হাতত গৰম কফি-কাপ আমেজলৈ প্ৰত্যেকদিনাই বাৰাণ্ডাৰ চকীখনত বহি জীৱনৰ মধুৰ স্মৃতিক লৈ আপ্লুত হৈ পৰো। এই কণ সময়ত মই ঘৰখনত তেনেই অকলশৰীয়া। আমাৰ ছোৱালীজনী ইপ্সিতা, টিউচনলৈ বুলি ওলাই যায় আৰু তুমি তোমাৰ কামৰ পৰা আহৰিয়ে নোপোৱা। তথাপিতো এই আবেলিৰ সময়কণ তুমি সদায়ে মোৰ স'তে পাৰ কৰি আহিছা - বাস্তৱত নহলেও স্মৃতিত।

তোমাৰ বাৰু মনত আছেনে? সেই যে আবেলিটো আমি দুয়োয়ে বহুসময় নিবিড়ভাৱে উপভোগ কৰিছিলো। তুমি নিশ্চয় ভাবিবা আমিতো বহুতো আবেলি ঘণ্টাৰ পাছত ঘণ্টা ধৰি পাৰ কৰিছিলো। কিন্তু এই আবেলিটোৰ আমেজেই বেলেগ। সেইদিনা তুমি আমাৰ প্ৰেমক এক সফলৰূপ দি মোৰ হাতখন তোমাৰ হাতত তুলি লৈছিলা। মইয়ো তোমাৰ হাতৰ মাজৰ পৰা মোৰ হাতখন আঁতৰাই অনাৰ প্ৰয়োজনবোধ কৰা নাছিলো। বৰঞ্চ অনুভৱ কৰিছোল এক অবুজ শিহৰণ আৰু অনাবিল আনন্দ। এই স্পৰ্শই মোক অতিশয় আপ্লুত কৰিছিল। মই অজানিতেই তোমাৰ কাযত এক নিৰাপত্তা অনুভৱ কৰিছিলো। তোমাৰ আঙুলিৰ প্ৰতিটো স্পৰ্শই মোক তোমাৰ অন্তৰৰ গভীৰৰ পৰা গভীৰতালৈ প্ৰৱেশ কৰিবলৈ যেন প্ৰেৰণা যোগাইছিল। পশ্চিম আকাশৰ বেলিয়ে ৰাতিৰ গহ্বৰলৈ প্ৰৱেশ কৰাৰ দৰে ময়ো যেন তোমাৰ হৃদয়ৰ প্ৰেমৰ গহ্বৰত সোমাই গৈছো। সেই স্মৃতিয়ে আজিও মোক আপ্লুত কৰি তোলে- বিয়াৰ পোন্ধৰ বছৰৰ পাছতো। তোমাক বাৰু কেতিয়াবা সেই স্মৃতিবোৰে আমনি নকৰেনে? মোৰ বোধেৰে তুমি পাহৰিছা। যুগৰ যান্ত্ৰিকতাৰ লগত নিজকে বিলীন কৰি আজি তুমি এজন উচ্চপদস্থ চাকৰিয়াল। সমাজত আছে এক সন্মানজনক মৰ্য্যদা। সময়ৰ লগত খোজ মিলাই আজি তোমাৰ হাতত সময়ৰ খুবেই অভাৱ, কামৰ অন্তই বা ক'ত।

হঠাৎ কলিংবেলটো বজাত বাস্তৱলৈ ঘূৰি আহিলো। কোন হ'ব পাৰে এই সময়ত! দুৱাৰখন খোলাৰ লগে লগে মোক আচৰিত কৰি তুমি হাতত এথোপা ফুল লৈ মোৰ ফালে ৰ লাগি চাই আছা। মোৰ গালে মুখে লাজৰ আৱৰণ- এই লাজ লাজ ভাৱটো লুকুওৱাৰ বৃথা চেষ্টা কৰি মোৰ প্ৰশ্ন - "কি হ'ল, আজিযে তুমি সোনকালে ঘৰলৈ আহিলা?" তুমি তোমাৰ সেই একেই মৰম আকলুৱা মাতেৰে মোক সুধিলা যে- মোৰ বাৰু সেই আবেলিটোৰ কথা মনত আছেনে। সেইযে আমি পাৰ কৰিছিলো। লগতে এটা আচৰিত প্ৰশ্ন - আজিয়েই সেইটো দিন নহয় জানো?

হয়তো আজিৰ এই তাৰিখতে প্ৰায় ১৬ বছৰ আগতে আমি নিবড়িভাৱে আবেলি উপভোগ কৰিছিলো। তাৰমানে তোমাকো এই স্মৃতিয়ে আমনি কৰে নহয়নে? বুলি মই কৰা প্ৰশ্নৰ উত্তৰত যেতিয়া তুমি মোৰ ফালে ফুলৰ থোপাটো আগবঢ়াই মোক পুনৰ সেই একেডোখৰ ঠাইলৈ মোক লৈ যোৱাৰ প্ৰস্তাৱ দিছিলা- মোৰ ওঠত এটা লাজকুৰীয়া হাঁহিয়ে আৱৰি ধৰিছিল। মই যেন পুনৰবাৰ তোমাৰ প্ৰেমত পৰিলো। আগবাঢ়িলো নিৰন্তৰ আলাপত নিমগ্ন হ'বলৈ। ❑❑❑

# শিলবোৰ শিল নহয়

কিশোৰ কুমাৰ দেউৰী
প্ৰৱক্তা, ৰাজনীতি বিজ্ঞান

শিলক শিল বুলি নকবা কেতিয়াও
শিলাময় হৃদয় বুলি নুদোষিবা কাকো।
তুমিতো নাজান'
শিলত কটা ঘাৰ বেদনা কিমান
কিদৰে বিৰিঙি বয় তেজ!

শিলবোৰ শিল নহয়
বেদনাৰ দিনলিপি

কত' নদী
কত' সাগৰ
কত' ঢৌ
আৰু কত' জোৱাৰৰ স্বপ্ন এই শিল
কত' সময়ৰ আঘাত বিলাসী এই শিল!

শিলবোৰ শিল নহয়
চকুলোৰ শ্ৰুতলিপি!

কত' লতা
কত' গুল্ম
কত' বৃক্ষৰ প্ৰেম এই শিলবোৰ
শিলৰ প্ৰেমত মত্ব বটবৃক্ষ
বনছাই হৈ ওলমি ৰয় শিলৰেই বুকুত!

শিলবোৰ কেৱল শিল নহয়
তুমি যদি শিল্পী হ'ব জানা
শিলেও শিলালিপি হ'ব জানে!





# নিৰ্জনতা মোৰ বাবে

মনোৱাৰা বেগম
প্ৰৱক্তা, অসমীয়া বিভাগ

শৈশৱত
নিৰ্জনতা আছিল মোৰ বাবে
অবোধ বিস্ময়।

কৈশোৰত
নিৰ্জনতা আছিল মোৰ
সহৃদয় বিশ্বস্ত বন্ধু।

যৌৱনত
নিৰ্জনতা আছিল মোৰ বাবে
বিলাসিতা।

আৰু আজি জীৱনৰ বিয়লি বেলাত
নিৰ্জনতাই মোৰ বাবে আনে গভীৰ প্ৰশান্তি,
সমাধি তলিৰ বাতৰিৰ স'তে।

ধেমাজিৰ কাণ্ডত নিহত শ্বহীদসকলৰ পৱিত্ৰ স্মৃতি..

# স্মৃতি

পল্লৱী বড়া
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)

সুৰৰ বন্যাত সাঁতুনি নাদুৰি
সিহঁত আহিছিল
কণ্ঠত সোণোৱালী প্ৰেমৰ গীত
বুকুত সেউজী আশা আৰু
দুহাতত এমুঠি ৰঙীণ স্বপ্ন
সিহঁতে গাইছিল পোহৰৰ গীত
ছন্দয়িত আঙুলিত কঁপি উঠা
সুৰবোৰ ক্ৰমে বিয়পি পৰিছিল
আকাশে বতাহে চৌদিশে
আজিতো সিহঁত নাই
অথাই সাগৰত ডুবি যেন
হেৰাই গ'ল ঢৌৰ সতে যুঁজি যুঁজি
ভাগৰিপৰা মাছমৰীয়া নাঁও
তথাপিতো এনে লাগে
সিহঁত যেন উভতি আহিব
পোহৰৰ নদীত গা-ধুই
দিনটো অহাৰ দৰে
এনে লাগে সেউজ উপত্যকাত বহি
সিহঁতে যেন গীত গাব অবিৰাম
সিহঁতৰ গীতত থাকিব
পোহৰৰ, আশাৰ আৰু প্ৰেমৰ প্ৰতিধ্বনি।



# স্বপ্নসম্ভৱা

সংগীতা কলি
স্নাতক

এখন চিঠিৰ আগলি বতৰা কঢ়িয়াই
মুখৰ হৈ উঠে দুপৰীয়াবোৰ
বগলী উৰা আবেলিৰ পাতবোৰ
হেঙুলীয়া হয়।
এটি দুটিকৈ সৰিপৰে
লাহে লাহে .......
নীৰৱে
পিছে
নিশাৰ ওৰণি দাঙি
পুৱা আহে
স্বপ্নসম্ভৱা হয়
শ্ৰাৱনী আকাশ।।

# প্ৰভাত আশ্বাস

মৈত্ৰেয়ী গগৈ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (বিজ্ঞান)

পুৱাৰ কিৰণেৰে ভাস্কৰ,
হেঙুলী নীলাৰে আৱৰা
এই আকাশ বিশাল আকাশ।

তুষাৰ শুভ্ৰ গিৰিশৃংগত,
ছান্দোময় মন্ত্ৰোধ্বনিত নিসৃত
এই নদী- মহান নদী।

এধানি এগছি মাটিৰ চাকিৰ
নিজান আভাৰ আশ্বাস,
এই বিশ্বাস পবিত্ৰতম বিশ্বাস।।

# ৰোমাণ্টিক কবিতা

আৰফিনা শইকীয়া
স্নাতক দ্বিতীয় বৰ্ষ

নকৰিবা তেনেকুৱা,
নহ'বা তুমি নিষ্ঠুৰ।
তুমি মোৰ মৰমৰ,
তুমি মোৰ আদৰৰ।
দুগালৈ বৈ যায়
দুধাৰি অশ্রু।
নোৱাৰোঁ মই পাহৰিব
তোমাৰেই স্মৃতি,
মনত পৰে মোৰ
তোমাৰেই ধেমালি।
অহিবানে আকৌ
তুমি মোৰ কাষলৈ?
কৰিবানে মোৰ জীৱন সম্পূৰ্ণ।
বাৰে বাৰে কৰিবাহিনে
মোক আমনি!
আশা কৰিলো,
তুমি উভটিবা বুলি।।



# দুটা কবিতাৰ স্তৱক

গীতাশ্ৰী দেৰী
অসমীয়া বিভাগ, স্নাতক তৃতীয় বৰ্ষ

(১)

<u>ছায়া প্ৰচ্ছায়া</u>

ডালে পাতে খহি পৰিছে
পূৰঠ বেলিটো
ছিটিকি পৰিছে সুগন্ধ
দিশাদিশ অৱলোকন কৰি।
ফাঁকে-ফাঁকে সোমাই গৈছে দিনটো।
কুচি-মুটি কোলালৈ নামিছে
এইমাত্ৰ এজান আন্ধাৰৰ বৰষুণ।।

(২)

<u>ফাগুনী মন মোৰ</u>

কিয় অজানিতে কপি উঠিছে
বুকুৰ প্ৰান্তৰ।
বতাহত দুলিছে মোৰ মন প্ৰাণ।
আৰু নাচি উঠা নাই মোৰ যৌৱন
বতাহৰ তাল ভাঙি ভাঙি মৃত্যু বৰণ কৰা নাই
দুভৰিয়ে
আৰু দুচকুত ভৰি ভৰি ফুলা নাই
বহাগৰ কপৌ
তুমি অহা নাইবাবেই ছাগে।।

# অপেক্ষা

গীতাঞ্জলী গোস্বামী
স্নাতক দ্বিতীয় বৰ্ষ (অসমীয়া)

তুমিতো নাজানা
কিমান বেদনাৰে ভৰা মোৰ
হৃদয়।
এখনি ভগ্ন হৃদয়লৈ
আছো তোমাৰ আপেক্ষাত
আকৌ আহিবানে তুমি?

মনত পৰেনে তোমাৰ
অতীতৰ ৰঙীন সপোনবোৰ
মনত আছেনে তোমাৰ
কথা যে দিছিলা মোক?

সেই আশা লৈয়েই জীয়াই আছো মই
এখনি ভগ্ন হৃদয়লৈ
অতিকে অকলশৰীয়া মই
ৰৈ আছো তোমাৰ আপেক্ষাত।

আহিবানে তুমি মোৰ কাষলৈ
মৰম যাঁচিবলৈ।।



# সোণোৱালী আঘোণ

বিতুমণি নাওশর্মা
উচ্চতৰ মাধ্যমিক প্ৰথম

মেঘ মুক্ত আকাশৰ তলত
দিগন্ত বিস্তৃত
সোণোৱালী শইচৰ পথাৰ
হৃদয়ৰ কোঁহে কোঁহে
সোণোৱালী সপোনৰ বতৰালৈ
আঘোণ আহে সংগোপনে।।

ভৰ দুপৰীয়া
দাৱনীৰ ৰ'দে পোৰা গালৰ
ৰঙচুৱা আভাত
মুঠি মুঠি বান্ধ খাই
ডাঙৰিৰ ভৰপক ধানৰ থোকা
প্ৰাণ প্ৰাচুৰ্যৰ এই
আঘোণৰ পথাৰ,
কৃষকৰ যৌৱনৰ প্ৰেমৰ প্ৰকাশ

বুকুত সপোন দেখা
"বিপুলসম্ভৰা বিশাল পথাৰ"।

# প্ৰতীক্ষা

প্ৰজ্ঞাজ্যোতি বৰুৱা
স্নাতক দ্বিতীয় বৰ্ষ, অৰ্থনীতি বিভাগ



ামি কাৰ প্ৰতিক্ষাত বৈ আছো
মই তোমাৰ বাবে নে?
নে তুমি মোৰ বাবে?
কানেও কাৰো বাবে নাথাকে বৈ
সময়ৰ লগত সকলো বিলীন হৈ যায়;
কাৰণ আমি যে সকলো ব্যক্তিকেন্দ্ৰিক।
কানে কাৰ বুজিব পুঞ্জিভূত বেদনাৰ কথা?
কানে বুজিব পুত্ৰ হেৰুৱা মাতৃৰ বেদনা?
কানে বুজিব ধৰ্ষিতা নাৰীৰ উচুপনি?
কানে বুজিব প্ৰতাৰণাৰ চকুলো?
তুমি জানো বুজিবা! নুবুজা?
ৰুভূমিৰ শুকান বালি তিয়াব জানো পাৰি?
াঠুৰ সময়ৰ তাণ্ডৱ নৃত্যই
কাৰোবাৰ বাবে আনে অনাবিল আনন্দ;
কাৰোৰ বাবে আনে দুখ-যান্ত্ৰনাৰ ধুমুহা।
াষাৰোপ কৰে হৃদয়ৰ পাষাণ দেৱতাক;
াষাৰোপ কৰে নিয়তিৰ কুটিল চক্ৰক।
কাৰণ,
দুখ আছে বাবে সুখৰ অনুভৱ;
আন্ধাৰ আছে বাবে পোহৰৰ আলিংগন;
আশা আছে বাবে নিৰাশাৰ জন্ম;
িন্তু,
হলেও জীয়াই আছে
ানে কাৰ বাবে কোনেও নাজানে,
জীয়াই আছে জীয়াই থাকিব
প্ৰতীক্ষা মাথো প্ৰতীক্ষা।।

# তাই মোৰ জীৱনৰ এক শিৰোনাম

সেৱীকা দাস
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা)

প্ৰতিটো পুৱাই এতিয়া তাইৰ বাবে
সন্ধিয়া হৈ পৰিছে
তাইৰ অনুভৱবোৰ
পুহৰ হিমচেঁচা শীতৰ দৰে হৈছে
তায়েইটো আছিল
মোৰ জীৱনৰ প্ৰথম মাদকতা
তাইৰ প্ৰথম দৃষ্টিতেই মই
বিভোৰ হৈ পৰিছিলো
এতিয়া, এতিয়া তাই বাকৰুদ্ধ
তাইৰ দেহৰ পৰা সৰি পৰিছে
ভৰা যৌৱনৰ প্ৰতিটো আশা
প্ৰতিটো অনুভৱ
প্ৰতি পল অনুপল
নিস্পাপ মনটোৱে আজি তাইক
বিলীন কৰি দিছে
কিছুমান সৰাপাতৰ লগত
এয়াই হয়তু আছিল তাইৰ জীৱনৰ
এটা আধাৰুৱা দস্তাবেজ
এক নিস্বাৰ্থ প্ৰেমৰ......।।

# অনুভৱ এখনি ৰিক্ত হৃদয়ৰ

আকাশ জ্যোতি দাস
স্নাতক দ্বিতীয় বৰ্ষ, অসমীয়া বিভাগ

নিয়তিৰ কোলাত উপজিছিল তাই
এপাহি ফুলৰ দৰে
নিয়ৰ সিক্ত কণাৰে
হৃদয়ত বেথা লৈ
আকুল ভাৱে বৈ পৰা
দুচকুৰ লোটক!
মানৱৰ কি কদৰ্য ৰূপ
এধানি এধানি কিশোৰ কিশোৰীৰ
হাতত জোলোঙা লৈ এটি
ভিক্ষাৰ ক্ষণ গণি গণি থকা
অৱাল হৃদয়!
কোনে বুজিব তাইৰ কথা?
যান্ত্ৰিকতাৰ আৱেষ্টনীৰ মাজত
নিৰাভৰণ মানৱ সমাজ;
দিনৰ সভ্যতাৰ মুখা পিন্ধা
সন্ধিয়া হ'লে "ফ্লাৱাৰ হাউছ" (এখন বেশ্যালয়) ত
জীৱন কটোৱা সিহঁত হেনো এৰিষ্ট্ৰকেট প্ৰাণী।
পংকিলময় জীৱনৰ প্ৰতি পদে পদে
সন্মানীয় "ধৰ্ষিতা" পদবীৰ নেত্ৰী
"ফ্লাৱাৰ হাউছ"ৰ মদিৰাৰ তালে তালে তাইৰ জীৱন।
জীৱনৰ অগা-দেৱাত তাই হেনো নৃত্য সম্ৰাজ্ঞী।
কোনে বুজিব তাইৰ কথা
কোনে শুনিব তাইৰ জীৱন বৃত্ত???



দুটি কবিতা

# মোৰ শৈশৱ

লক্ষ্যমণি
স্নাতক প্ৰথম বৰ্ষ, বুৰঞ্জী বি

কি যে সুমধুৰ আ
সেই শৈশৱৰ মধুময় দিনবে
কোনে আনি দিব ে
শৈশৱৰ ধেমালিৰ দিনবে
লগৰীয়াৰ লগত খেলা খেল আৰু ধেমালিে
কোনে আনি দি
এটি নিৰিবিলি সন্ধি
নিজানত বহি কেতিয়
আপোন বিভোৰ হওঁ
মোৰ শৈশৱৰ কথা ভা
সেই শৈশৱৰ দিনবো
মোক আজিও আমনি ক
কেতিয়াবা মোৰ মনত এটি এটিকৈ ভাঁহি উ
এই নিৰিবিলি সন্ধিয়াৰ ক্ষণ

# নিসংগতা

নিস্তব্ধ নিশাত ভাঁহি ভাঁহি অহা
কেতেকীৰ কৰুণ মাতটিয়ে মনটোচোন উৰুৱাই নি
নিসংগ কোনোবা অজান দেশলৈ
সাগৰৰ গভীৰতাৰ পৰা আকাশৰ বিশালতালৈ
প্ৰকৃতিৰ সেউজীয়াৰ পৰা জোনবাইৰ দেশলৈ
ক'তো দেখোন মোৰ স্থিতি নাই
সেয়ে নিসংগতা মোৰ বৰ আপোন।

# বগা আচঁলত সেউজীয়া কবিতা

চয়নিকা শৰ্মা
স্নাতক দ্বিতীয় বৰ্ষ, ভূগোল বিভাগ



ফাগুনৰ পচোৱাৰ ওৰণি টানি
চিৰসেউজীয়া সুকোমল বসুন্ধৰাত
গিৰিমল্লিকা শিখৰেদি বৈ অহা মৃদু সমীৰণ
সুবিশাল নীল আকাশত ধুলিৰ স'তে
শুকুলা ডাৱৰৰ চুমাচুমি...........।
কপৌ-কেতেকী মাধৈ-মালতী ফুলাৰ বতৰত
মৰমৰ যঁতৰত সূতা কাটি
মৰমৰ দীঘ দি চেনেহৰ বাণী বৈ
ভমকা ফুলীয়া বিহুৱানতো মই দিব নেৱাৰো
দিলো মাথো হৃদয়ৰ সৰ্বস্ব মৰম
কিন্তু তাৰ বিনিময়ত........ তোমাৰ পৰাতো
তোমাৰ বিশ্বাস, প্ৰতিশ্ৰুতি বা আশা
একোৱেই পোৱা নাই।

তথাপিও বুকুৰ ভিতৰখন চোন উমাল হৈ আছে
শেৱালীৰ সুৱাস সনা সেই মিঠা সোঁৱৰণীবোৰ
কাণি দুৱৰিকৈ চাই ৰও শুকুলা মেঘৰ টুকুৰা
কিজানি তাতেই পাঁও তোমাৰ বতৰা
ডাকোৱালক লগ পালেই সোধো......
মোৰ ঠিকনাত আহিছে নেকি খবৰৰ নীলা খাম

মোৰ শব্দৰ শিৰোনাম তুমি আহা
দুয়ো মিলি বজাম কল্যাণৰ বাঁহী
উপবাসী সন্ধিয়াৰ তন্ময়তা ভাঙি।

আকলুৱা জীৱনৰ বন্ধু মোৰ
মোক তুমি ধৰিবানে তোমাৰ দুহাতেৰে!
তেমাৰ হৃদয়ত বিচাৰিছো
উৰুঙা মনৰ নিজান সুৰ
যাৰ বাবে তোমাৰ অঘৰী বুকুৰ ছাঁত শুই
মাথো তোমাৰ স'তে যাব খোজো
সীমাহীন জগতখনলৈ
য'ত অভিন্ন হৃদয়ে বিলাব সঁচা বন্ধুত্ব।

সেউজীয়া পথাৰ মোৰ প্ৰিয় বাবেই
হাজাৰ দুখৰ মাজতো সপোন ৰচো
তোমাক লৈ...... তোমাৰ স্মৃতিবোৰ লৈ.......।
মোৰ বাবে তোমাৰ এটুপি চকুলোও
অজস্ৰ সম্পদ
তোমাৰ এটুপি চকুলো.........
সেয়াই যে মোৰ বাবে তোমাৰ "তাজমহল"।।

(তুমি যদি কাৰোবাক ভালপোৱা
কোনো বান্ধোনেৰে নাবান্ধিবা
ঘূৰি আহে যদি পুনৰ ওচৰলৈ
ভাল পায় তোমাক জানিবা নিশ্চয়।)
— ড° পাৰ্থ চট্টোপাধ্যায়

# আপেক্ষা

গীতা দহোটীয়া
স্নাতক প্ৰথম বৰ্ষ, কলা শাখা

তুমি!!
মোৰ তেজৰ কোঁহত এছাটি অনুৰাগ ঢালি
হৃদয়ৰ ছাঁত কিয় জিৰালা বাৰু।।
যেতিয়া মই অকলে অকলে তোমাৰ কথা ভাবো
অস্তাচলত সুৰুযে লুকাই লুকাই জোনাক মাতে.....
নীড়মুখী পক্ষীৰ ডেউকাত জোনাক নামে।
মই জানো—
তুমি আহিবা, সুখৰ এমুঠি বতৰা আৰু
ফুল-তৰা-গান লৈ মোৰ জীৱনৰ শিখৰলৈ,
তথাপিও ভয় হয়—
তুমি যেন ভাগৰি পৰিছা
জোনাক্ মুখৰ বৃষ্টিত তিতি বুৰি.... মলয়াত খোজ দি
মোৰ আশা,
তুমি সাহসী হ'বা, ধুমুহাত উৰাবা পুৰালী নিচান,
বৃষ্টিতো ফুলাবা হৃদয়ৰ শত সুৰুযমুখী...
ছাঁৰদৰে মই তোমাৰ লগৰীয়া হ'ম।
তুমি আঁতৰি নাযাবা—
কত ধুমুহামুখৰ সন্ধ্যা গচকি মই ৰৈ আছো,
কত জ্যোৎস্নামুখ বৰ্ষণৰ ৰণধ্বনি শুনিও ৰৈ আছো
তোমাৰ বাবেই.......
তোমাৰ দুহাতৰ স্নেহ সান্নিধ্যৰ বাবে.......।।



# এপাহ ফুলৰ প্ৰয়োজন

গীতাঞ্জলী কলিতা
একাদশ শ্ৰেণী

বন্ধু
এটাই মাথো অনুৰোধ তোমালৈ
পাৰিবানে বাৰু
মোৰ দুহাতত তুলি দিব
এনে এক স্বৰ্গীয় ফুলৰ থোপা
যাৰ সুবাসে
পৃথিৱীলৈ কঢ়িয়াব
শান্তি, সম্প্ৰীতিৰ ধাৰা।
যাৰ বাবেই
মানুহে চিনি পাব
ভাতৃত্ব, বন্ধুত্ব, প্ৰেম আৰু
মানৱতাৰ সংজ্ঞা।
পৃথিৱীত ফুলি উঠিব
আনন্দৰ সৰগী পাৰিজাত।
এনে এক ফুলৰ থোপাৰ বৰ প্ৰয়োজন
বন্ধু, বৰ প্ৰয়োজন।
কাৰণ,
ইয়াত এতিয়া শান্তি নাই
আছে অশান্তিৰ পৰিবেশ,
ইয়াত এতিয়া মানুহ নাই
আছে মানুহ নামধাৰী পশু!
সেয়েহে বন্ধু,
মোক এতিয়া এনে
এথোপা ফুলৰ বৰ প্ৰয়োজন!!

# আহক আমি নতুন অসম গঢ়ো

কিৰণবালা দেৱী
স্নাতক প্ৰথম বৰ্ষ

হে সমস্ত অসম বাসী
আজি আহি পৰিছে আমাৰ
নতুন মৌলিক দায়িত্ব
নতুন অসম গঢ়াৰ।
সুন্দৰ সেউজ অসমত
কিহৰ এয়া দুৰ্নীতি
কিহৰ হত্যা, লুণ্ঠন
দগাবাজ, ধৰ্ষণ।
আঁহক, আমি সকলোৱে
নতুন অসম গঢ়ো
স্বৰ্ণৰে নহয় সোণালী ধানেৰে
পথাৰ উপচি পৰা।
সমাজত হত্যা, দুৰ্নীতিয়েই নহয়
কণ কণ ল'ৰা-ছোৱালীৰ হাঁহি খলকনিয়ে
যেন ৰজনজনাই,
গোলাপ, তগৰৰ সুগন্ধই আমোলমোলায়।
সমাজত বোমা-বাৰুদেৰে নহয়
ঢোল-পেঁপাৰ মাতে গৰজি উঠে
চাৰিওফালে অসহায় চিঞৰে নহয়
সংগীতৰ মধুৰ সুৰে ৰজন্‌জনায়।
সমাজত এজনে আনজনক
মৰামৰিৰ বিপৰীতে
এজনে আনজনক পৰস্পৰক
সহায়-সহযোগিতা আগবঢ়োৱো।
সমাজত হিংসা-বিদ্বেষৰ পৰিবৰ্তে
মিলাপ্ৰীতি, ভাতৃত্ববোধৰ
নিজৰ তথা সামূহিক কাৰ্য্যত
আগভাগলৈ কাৰ্য কৰা।
নিজৰ স্বাৰ্থৰ পুৰণৰ কথা নাভাবি
সমাজৰ স্বাৰ্থৰ হকে ভাৱি
মই হিন্দু তুমি মুচলমান, মনোধৰ্মৰে নহয়
আমি সকলো মানৱ ধৰ্মী, পোষণ কৰা।
অসমক সকলোৱে বুজি উঠক
অসমীয়াক সকলোৱে জানি উঠক
'অসম - ভাৰতৰে
পূৰ্ব দিশৰ সূৰ্য উঠা দেশ।'



# স্বদেশৰ বাবে

আমি সকলো অসম বাসী
নহয় কোনো কাৰোৰ দাসী
আমি অসমীয়া স্বাধীন
নহয় কোনো পৰাধীন।
শান্তি লাগে, মাথো শান্তি
নেলাগে আমাক দুৰ্নীতি
বলিদান দিলো এই জীৱন
অসমী আইৰ হেতুকে,
উৎচৰ্গা কৰিলো নিজৰ জীউ
অসম বাসীৰ হেতুকে।
আকৌ জনম লম এই দেশতেই
ভাললাগে মোৰ অসমী আইক,
কালৰ সোঁতত গৈ ধ্বংস হ'বলৈ নিদিও
আমাৰ এই জনমভূমি।
আমি সকলোৱে মিলি থাকো
একতাৰ দোলেৰে
জিলিকি উঠক আমাৰ আসম দেশ
গাবলৈ দিম বিদেশক অসমৰ গুন-গান।

# সপোন

কাকুমণি গগৈ
স্নাতক প্ৰথম বৰ্ষ

নিতাল নিস্তব্ধ গহীন প্ৰহেলিকাময়
আন্ধাৰ ৰাতি মই তেতিয়া টোপনিত লালকাল
হৈ পৰিছিলো।
ৰাতিৰ সেই নিৰৱতা, সেই বিভীষিকা।
কেতিয়াবা ......
হয়তো চিন্ন হৈ গৈছিল কিছুমান
নিশাচৰ প্ৰাণীৰ চিঞৰত।।
এটি মাথো সপোন।
যিটো আছিল হত্যা......
অৰ্থাৎ হত্য কৰিছিল এজনী নাৰীক
সেই সময়ত মই হতভম্ভ হৈ চিঞৰি
উঠিছিলো মা.....মা.......মা।।
নাৰী হত্যা। নাৰী হত্যা।
আশ্চাৰ্য্যজনক সপোন আজি
বাস্তৱত প্ৰচলন।
কিয় হ'বলৈ পাইছে?
আজি আমি কিয় আগুৱাই
যোৱা নাই আন্দোলনৰ বাবে?
আহা আমি আগুৱাই যাঁও।
দেশত কিয় নাৰী হত্যা দিনক দিনে
বৃদ্ধি পাইছে।।

# অনুভৱ

পল্লৱী দুৱৰা
অৰ্থনীতি বিভাগ

স্নিগ্ধ জোনাক ৰাতি
তুমি আহি চুমি গ'লা
মোৰ জীৱনৰ সকলোবোৰ
গোপন আশা।
মুক্ত হ'ল মোৰ হৃদয়ৰ
বন্ধ কোঠালি
আঁতৰিল বুকুৰ
সহস্ৰ বেদনা মোৰ..।
উজ্জ্বলি উঠিল
সেমেকা দুচকু,
জীপাল হ'ল হৃদয়
আৰু এবুকু আশা,
কপি উঠিল ওঁঠ
দুহাত মেলি
তোমাৰ আশাত.......।



# তোমাৰ সান্নিধ্য

শিৰোমণি দিহিঙ্গীয়া
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

তোমাক লগ পোৱাৰ দিনৰে পৰা
সলাই লৈছো মই মোৰ জীৱনৰ ঠিকনা,
কেনেকৈ যে সোমাই আহিলা?
এমুঠি ফৰিংফুটা জোনাক
যাৰ আবিৰ লাগি উজ্জ্বলিব ধৰিছে
মোৰ জীৱনৰ অনাগত আশা আকাংক্ষাবোৰ
তোমাৰ দুচকুতে দেখা পাও
ভৱিষ্যত আশাৰ ৰেঙনি
বহুতেই কয়–
তোমাৰ ব্যক্তিত্ব, নব্য সৃষ্টিৰ কৃতিত্ব
তুমি মোৰ বাবে কেৱল
আপোনৰো আপোন চিৰ আপোন
তোমাতেই প্ৰতিভাত হয় জীৱন দাপোন
সেয়েহে....
তোমাক লগ পোৱাৰ দিনৰে পৰা
সলাই লৈছো মোৰ জীৱন ঠিকনা

# সোঁৱৰণীৰ আঁচলত

মৌচুমী কোঁৱৰ

িয়তিৰ নিষ্ঠুৰতাৰ পৰিহাৰ কৰাৰ
অধিকাৰ নাই কাৰো
িদৰে নাথাকিল তোমাৰ
ত্যুৰ আগলৈকে
জীৱনৰ সপোন দেখা
িষ্পাপ মুখনি কাঢ়ি নিলে
আত্মীয়স্বজন আৰু
আপোনজনৰ পৰা........
হুদিনলৈকে সপোনে আমনি কৰা
দায়ৰ বেলাত শেঁতা পৰা মুখখনি
বেলৈ মাথোঁ আছিল
দুটোপাল অশ্রু।
কলো হেৰাই গ'ল
থাকি গ'ল মাথো স্মৃতি
লীয়া জীৱনত তোমাৰ স'তে কৰা
মালিবোৰ
ভিমানবোৰ.....
নুভৱেৰে খেপিয়াই চাওঁ।
তোমাৰ আত্মাই চিৰশান্তি লাভ কৰক
কৌ প্ৰাণ পায় উঠক
হাঁহি উঠক তোমাৰ দুটি উঁঠে।

ুলীয়া জীৱনৰ পৰাই একেলগে সুখ, আনন্দ
ৰু অভিমানৰ কিছুমান দিন অতিবাহিত কৰি
ী সুস্মিতা কোঁৱৰৰ পবিত্ৰ স্মৃতিত)



# বাস্তৱ

মৌচুমী আখতাৰ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ, (বিজ্ঞান শাখা)

তমসাচ্ছন্ন নিশাৰ
নিজান প্ৰহৰত
সুদূৰত শুনো সেয়া
অজান পখীৰ কৰুণ বিননি,
আৰু দেখোঁ আকাশত
তৰালিৰ অশেষ প্ৰচেষ্টা
নিশাৰ ক'লা ৰংবোৰ
মচি পেলোৱাৰ।
কতনা উজাগৰী নিশা পাৰ কৰো
নিৰ্ব্বাক নিস্তব্ধ হৈ -
ক'লা অন্ধকাৰৰ নিমাত ক্ষণবোৰ
বুকুৰ আপোন যেন লাগে।
হৃদয়ৰ নিভৃত কোণৰ পৰা
ওলাই আহে এটি তপত হুমুনিয়াহ
আশা হয় মন পদূলিত
গোপনে ৰোৱা মোৰ
ৰঙা গোলাপ জোপাৰ,
প্ৰতিপাহ ফুল যেন
প্ৰতিটো হুমুনিয়াই
সজীৱ কৰি তোলে।।

# গীত

## (১)

কুসুম ফুকন
প্ৰৱক্তা, শিক্ষা বিভাগ

জোনাকে যেতিয়া
জীৱন সাবটে
মন আশাৰে ভৰি পৰে
দিয়া-নিদিয়া
পোৱা-নোপোৱাৰ
হিচাবে জীৱন উতলা কৰে।

হাঁহি ধেমালি
পোৱাৰ আনন্দ
জীৱন পুলকিত হয়
সুগন্ধি কুসুম
ফুলিলেই জানো
জীৱন ধন্য হয়।

হাঁহি ফুলনি
ঠুনুকা হিয়া
নানা বৰণীয়া ফুল
ফুলৰ পাপৰি
মনৰ খেয়ালি
বাৰে বাৰে হয় ভুল।

জোনাক মানেই
জীৱন নহয়
আন্ধাৰো যে তাত লাগে
জয়-পৰাজয়
ঘাত-প্ৰতিঘাত
সঁচা জীৱনত থাকে।।
জোনাকে যেতিয়া.....।।

## (২)

ফাগুন আহিবা
মোৰ জীৱনলে
এমুঠি পলাশ
জীৱনৰ যত
নোকোৱা কথা
সুৰভিৰে যাবা কৈ।।

তোমাৰ ৰঙেৰে
ৰঙাই তুলিবা
সিক্ত হৃদয়খনি
তোমাৰ আশাৰে
জীৱনৰ নোপোৱা খিনি।।

ফাগুন তুমি
আহিবা সঁচাই
এটি মিঠা হাঁহি হৈ
আকউ গুছি যাবা
মোৰ জীৱনৰ
অশ্রু মচি থৈ।।





<u>ভ্ৰমণ কাহিনী</u>

# দিল্লী, ছিমলা, মানালী ৰ মিঠা স্মৃতিৰ পাপৰিবোৰ আৰু বহুতো..........

চয়নিকা শৰ্মা
স্নাতক দ্বিতীয় বৰ্ষ, ভূগোল বিভাগ

২০০৩ চনৰ অক্টোবৰ মাহৰ ১১ তাৰিখ। উচ্চতৰ মাধ্যমিক শ্ৰেণীত থাকোতে, তেতিয়া মই এই কলেজৰ ছাত্ৰী নহয়। কলেজৰ পৰা শিক্ষামূলক ভ্ৰমণত দিল্লী, ছিমলা লৈ বুলি যাবলৈ সাজু হ'লো। আমাৰ ৰেল গুৱাহাটীৰ পৰা আছিল বাবে আমি সন্ধ্যা প্ৰায় ৭-৩০ বজাত প্ৰিয়জনৰ পৰা বিদায় লৈ গুৱাহাটী অভিমুখে যাত্ৰা আৰম্ভ কৰিলো। ১২ তাৰিখে ৰাতিপুৱা ৫-০০ বজাত আহি গুৱাহাটীত উপস্থিত হলোহি। আমাৰ ট্ৰেইনৰ সময় আছিল পুৱা ৭ বজাত, সেয়ে আমি যাত্ৰী জিৰণি কোঠাত সোমাই মুখ ধুই চাহ খাবলৈ আহিলো। ৭ বজাত ট্ৰেইন আহি পালেহি। আমি সকলো ল'ৰালৰিকৈ নিজৰ ডবাত উঠিলোগৈ।

জীৱনত প্ৰথমবাৰ ৰেলত উঠাৰ অভিজ্ঞতা লাভ কৰিলো। মই জাপমাৰি একেবাৰে ওপৰৰ বিচনাখন ললো। গোটেই গ্ৰোপটোত মই আটাইতকৈ সৰু হোৱাৰ বাবে সকলোৱে মোক খুউব মৰম কৰিছিল, মই যিহকে মন যায় তাকে কৰিব পাৰিছিলো। আমাৰ কম্পাৰ্টমেণ্টটোত পাঠক ছাৰ বাইদেউ, ওজা ছাৰ- বাইদেউ, ক্ষিণবা, দিপাবা, আফ্ৰিন বা জেফ্ৰিনবা, পূৰবীবা, সাৱিত্ৰী আৰু মই আছিলো। বাকী দুটা কম্পাৰ্টমেণ্টত আমাৰ াকী সংগীসকল আৰু হৰি ছাৰ- বাইদেউ আছিল। আমি মুঠ ২৫ জন গৈছিলো। দিনটো হাঁহি ধেমালি কৰি টালো। ৰেলৰ ভাত চাহৰ কথা আনৰ মুখত শুনিছিলো এতিয়া নিজ চকুৰে দেখিলো আৰু ইয়াৰ সোৱাদো বলৈ পালো। পিছদিনা মানে ১৩ তাৰিখ, ৰাতিপুৱা ছাৰে জগাই দিওতেহে সাৰ পালো। মুখ ধুই চাহ-বিস্কুট াই খিৰিকিৰ ক্ৰাযত বহি বাহিৰৰ অচিনাকী ঠাইবোৰ তন্ন তন্নকৈ চাই গ'লো। দুপৰীয়া ভাত খাই শুই থাকো। াবেলি ৪ বজাতহে উঠো। সময়বোৰ পাৰ নোহোৱাৰ বাবে আমি অন্তাক্ষৰী খেলিবলৈ ঠিক কৰিলো। দিনটো াৰ কৰি ৰাতি আহাৰ খাই শুই পৰিলো। ১৪ তাৰিখ, আবিলি ৪ মান বজাত আড্ডা মাৰিবলৈ সকলো বহিলো। ন্তাক্ষৰী খেলি উঠি, যাৰ যি মন (Go as you like) কৰিম বুলি ঠিক কৰিলো। কিন্তু আমি লটাৰীহে মাৰিলো ানে কাগজৰ টুকুৰাত লিখি থোৱা গুটি আকাৰৰ টুকুৰাবোৰ নিজে তুলি আমি তাত যি লিখা আছে তাকে কৰিব াগিছিল। মোৰ ভাগ্যত এবাৰ কইনা হোৱাৰ পাল পৰিল। বাহতে লগত নিয়া লিপিষ্টিকেৰে মোৰ ওঁঠ মোৰ ৰঙা ৰি দি পাঠক বাইদেউৱে লগত নিয়া ফোঁট দি সজাইছিল। ডবাটোৰ ইটো মূৰৰ পৰা সিটোলৈ দুপাকমান ঘূৰিছিলো। াঁহি উঠা কথা যে আমাৰ লগত যোৱা গুঞ্জন দাই ভিক্ষাৰী হৈ ডবাটোৰ মানুহবোৰৰ মাজত ঘূৰি ৫১

টকা পাই আকৌ মানুহবোৰক ঘূৰাই দিয়া হৈছিল। এনেদৰে ৰাতি ৯.০০ বাজিছিল। আমি ভাত পানী খাই নিজ নিজৰ বিচনাত উঠিলোগৈ। প্ৰায় ১১ বাজিছিল আমি উঠি আহি বাহিৰৰ পৰিবেশ উপভোগ কৰিবলৈ বহি ল'লো আৰু প্ৰায় ১ ঘণ্টাৰ পাচত দিল্লী ষ্টেচনত ভৰি দিলোহি। ইমান ডাঙৰ ষ্টেচন আজি প্ৰথম দেখিবলৈ পালে আমাৰ ছাৰ সকলে কিবা কিবি আলোচনা কৰি তিনিখন ভান ভাড়াত লৈ হোটেলত উপস্থিত কৰালেহি। ৩ ৰ ২ ৰাতি গা-পা নুধোৱাকৈ থকাৰ বাবে হোটেলৰ নিজৰ কোঠাত সোমায়েই সকলোৱে গা-ধুই শুই পৰিলো।

১৫ তাৰিখ। ৰাতিপুৱা ৯ বজাত দিল্লী ফুৰিবলৈ বুলি ওলাই আহিলো। Tourist ৰ গাড়ীত উঠি আ গোটেইখন ফুৰিছিলো। কিন্তু এইয়া হোটেল কৰ্তৃপক্ষৰ নে আন কাৰোবাৰ আমি নাজানিছিলো। প্ৰথমেই আ বিৰলা মন্দিৰলৈ গ'লো। মন্দিৰটো খুউব ধুনীয়া আৰু ডাঙৰ আছিল। এই মন্দিৰটো দুৰদৰ্শনত দেখি এবাৰ অহা আশা পুহি ৰাখিছিলো। আৰু এই আশা পূৰ্ণ হ'ল। ইয়াৰ পাছত আমি ইন্দিৰা গান্ধী মেমৰিয়েল হ'ল (Indi Gandhi Memorial Hall) লৈ আগবাঢ়িলো। ইয়াৰ ভিতৰত সোমাই আমাৰ এনে লাগিছিল যেন আমি ১৯৪ চনৰ আগৰ সময়তহে আছো। চাৰিওফালে বীৰ শ্বহীদ সকলৰ ফটো। ইন্দিৰা গান্ধী, ৰাজীৱ গান্ধী আৰু বা গান্ধী পৰিয়ালৰ ফটো, সা-সৰঞ্জাম তাত সংৰক্ষণ কৰি ৰাখিছিল। ইন্দিৰা গান্ধীক যি ডোখৰ ঠাইত হত্যা কৰিছি সেই ঠাইখনক সযতনে জীয়াই ৰাখিছে। মৃত্যুৰ সময়ত তেখেতে পিন্ধি থকা শাৰীখন, বেগটো, ছেণ্ডেলযো আৰু শাৰীত লাগি ৰৈ যোৱা তেজৰ চেঁকুৰাবোৰ আমি তাত দেখিবলৈ পালো। ইয়াৰ সন্মুখত এটা সৰু পুখুৰী পদুম ফুলেৰে ভৰি আছিল। ইয়াত আমি দুই চাৰিকপি ফটোও তুলিছিলো। ইয়াৰ পাছত আমি এখন ৰেষ্টুৰাত দিল্লীৰ প্ৰচলিত আহাৰ গ্ৰহণ কৰিছিলো। কিন্তু আমাৰ কোনেও এই আহাৰ ভাল পোৱা নাছিলো। ইয়াৰ পা আমি পদুম দুৰ্গ (Lotus Temple) লৈ আগবাঢ়িলো। এই দুৰ্গটো এপাহ ডাঙৰ বগা পদুম ফুলৰ দৰেই আছিল। দুৰ্গলৈ প্ৰবেশ কৰিবলৈ নিৰ্দিষ্ট ঠাইত কুপন লৈ জোতা-চেণ্ডেল খুলি যাব লাগে। আমি Temple ৰ ভিতৰ সোমাই আচৰিত হৈছো, ইমান নীৰৱতা। বাহিৰৰ হুলস্থুলীয়া পৰিবেশ আৰু ভিতৰত শান্তিময় পৰিবেশৰ মাজ আকাশ পাতাল পাৰ্থক্য। পিছত গম পালো সেইটো প্ৰাৰ্থনা ঘৰ। আমি তাৰ পৰা ওলাই আহি দুৰ্গটোৰ চাৰি দিশে ঘূৰি ফুৰিলো। কিছু সময় থকাৰ পাছত আমি Lotus Temple ৰ পৰা বিদায় লৈ এখন ধাবাত গৈ দুপৰীয় আহাৰ পেট ভৰাই খাই কুটুব মিনাৰলৈ (Kutub Minar) আগবাঢ়িলো। হাঁহি উঠা কথা কুটুব মিনাৰটো তলৰ পৰা ওপৰলৈ সম্পূৰ্ণকৈ চাবৰ কাৰণে মই ডিঙিটো পিছলৈ বহু হলাই লৈয়ো ওপৰটো দেখা নাছিলো, ফটো তোলা দূৰৰে কথা। ইয়াৰ চাৰিওফালে থকা খণ্ড-বিখণ্ড দুৰ্গবোৰৰ মাজে মাজে ঘূৰি সন্ধ্যা তাৰ পৰা উভতিলো। প্ৰায় বজাত লাল কিল্লাত উপস্থিত হ'লোহি। কিন্তু বাটত এটা ডাঙৰ সমস্যাই দেখা দিলে। আমাৰ মাজৰে এজন ল লালকিল্লাতে থাকি আহিল। যাওঁতে সি শেষৰ চিটত বহিছিল, ঘূৰি আহোঁতে যেতিয়া সি তাত নাছিল তেতি আমি ভাবিলো সি কেবিনত বহি আছে। কিন্তু দুৰ্ভাগ্যবশতঃ সি বাছখনৰ কোনো ঠাইতে নাই। আমাৰ লগৰে এজনীয়ে তাইৰ Cell Phone ৰ পৰা হোটেললৈ ফোন কৰি খবৰটো দিলে। আমি খুউব চিন্তাত পৰিছিলে হোটেললৈ আহি গম পালো সি মানে হেৰাই যোৱা ল'ৰাজনে হোটেললৈ ফোন কৰি খবৰ দিছিল যে সি হোটেল নিজে আহিব তাক বিচাৰি যাব নালাগে। আমি সকলো তাৰ আপেক্ষাত Visiting Room তেই বহি থাকিলে কিছুসময়ৰ পাছত সি আহি পালেহি। সি হেনো আমাক বিচাৰি নাপাই বাছ, আট, বাছৰ যোগেদি নিৰাপ হোটেলত উপস্থিত হৈছেহি।

আজি ১৬ তাৰিখ। ৰাতিপুৱা আমাৰ ছাৰ সকলে আলোচনা কৰি ঠিক কৰিলে যে ছিমলাৰ ওচৰ মানালীৰ দৰে ইমান মনোৰম ঠাইখনৰো সৌন্দৰ্য্য উপভোগ কৰা যাঁওক। সেয়ে ঠিক কৰা হ'ল যে আজি অ মানালীলৈ যাম। ভৱা মতেই কাম, পুৱা ৯-৩০ বজাত তিনিখন চুমুত মানালী অভিমুখে আমি য

আৰম্ভ কৰিলো। এই মানালীৰ দূৰত্ব আছিল দিল্লীৰ পৰা প্ৰায় ৬০০ কি. মি.। ইমান দীঘলীয়া বাটটো চুমুত অতিক্ৰম কাৰবলৈ পাই আমি আনন্দ পাইছিলো। দিনটো পাৰ কৰাৰ পাছত সন্ধিয়া যেতিয়া আমি পাহাৰৰ ওপৰেদি যাত্ৰা কৰিছিলো তেতিয়া আমাক ভয়-শংকাই বেৰি ধৰিছিল। আমি ভয় কৰা দেখি পাঠক বাইদেৱে (আমাৰ চুমুখনত ছোৱালী কেইজনী আছিলো আমাৰ আমাৰ গাইড হিচাপে পাঠক ছাৰ বাইদেউ আছিল।) আমাক প্ৰাৰ্থনা গাবলৈ কৈছিল আমিও তেওঁৰ কথা মতে প্ৰাৰ্থনা গাইছিলো। পাহাৰৰ ওপৰৰ পৰা তলৰ সন্ধিয়াৰ মনোমোহ দৃশ্যটো আমি বাৰুকৈয়ে উপভোগ কৰিছিলো। এনে লাগিছিল যেন তৰাৰ দেশখন তললৈ নামি আহিছে। চিঞৰ বাখৰ কৰি আমি ভাগৰি পৰিছিলো যদিও মই চকু মুদিবলৈ ভয় কৰিছিলো জানো কিবা অঘটন ঘটে। তথাপিও টোপনিকটো বাধা দিব নোৱাৰি। মাজতে আমি এখন ধাবাত সোমাই ভাত খাই পুনৰ যাত্ৰা আৰম্ভ কৰিলো। কুঁৱলী ফালি ফালি আমি আগবাঢ়ি গৈ থাকিলো। এই যাত্ৰাত আমি এক নতুন অভিজ্ঞতা গঢ়িলো। সেয়া হৈছে Ground Road। এসময়ত আমি যেতিয়া আমাৰ হোটেল Green Field ত উপস্থিত হৈছোলোহি তেতিয়া সময় হৈছিল নিশা ১.০০।

১৭ তাৰিখ। ৰাতিপুৱা ছাৰ আহি আমাক জগাই দি খিৰিকিৰ পৰ্দাবোৰ দাঙি বাহিৰ পৰিবেশটো দেখুওৱাত খন্তেকৰ বাবে আমি স্তব্ধ হৈ ৰ'লো। ইমান ধুনীয়া দৃশ্য। চাৰিওফালে পাইন গছ আৰু মাজে মাজে কুঁৱলীৰ আৱৰণ। এই দৃশ্যটো মোৰ মানস পটত চিৰদিন জীয়াই থাকিব। মানুহে কয় কাশ্মীৰখন হেনো ভূ-স্বৰ্গ। কিন্তু আমাৰ এনে লাগিল যেন মানালীখনো এক প্ৰকাৰৰ স্বৰ্গপুৰীয়েই।

আমি সকলোৱে নাস্তা খাই মানালীৰ আটাইতকৈ মনোৰম দৃশ্যৰে ভৰা Rothan bagh লৈ যাবলৈ ওলালো। প্ৰায় ২$^1/_2$ ঘণ্টামানৰ পাছত আমি ইয়াত উপস্থিত হলোঁহি। পাহাৰৰ ওপৰলৈ যাবলৈ হ'লে ইয়াৰ কিছুমান নিয়ম মানি চলিব লাগে। সেয়া হ'ল- বুট জোতা আৰু নোমাল ভৰি ঢাক খোৱা কোটচোলা। এই দুই সামগ্ৰী ব্যৱহাৰ নকৰিলে হেনো ৫০০ টকাকৈ জৰিমনা ভৰিব লাগে। ৭০ টকাকৈ ভাড়া দি দুয়োটা বস্তু পিন্ধিলৈ আগবঢ়িলো। পাহাৰটো খুউব ওখ আৰু হেলনীয়া হোৱাৰ বাবে খোজ কাঢ়ি যোৱাটো কঠিন সেয়ে ইয়াত ঘোঁৰাৰ ব্যৱস্তা আছিল। প্ৰতিটো ঘোঁৰাৰ ভাড়া ১৫০ টকা। আমি ২৭ টা ঘোঁৰা লৈছিলো। জীৱনত প্ৰথম ঘোঁৰাত উঠি আনন্দও পাইছিলো ভয়ো খাইছিলো। প্ৰায় $^1/_2$ ঘণ্টা মান সময়ৰ পাছত আমাৰ লক্ষ্যস্থান পাইছিলোহি। অক্টোবৰ মাহ হোৱাৰ বাবে বেছিকৈ বৰফ পৰা নাছিল। তথাপিও আমি স্ফুৰ্তি কৰিব পৰাকৈ বৰফ পৰিছিল। তাত বৰফেৰে দুটা মূৰ্তি সাজি ৰাখিছিল আৰু তাৰ নাম দিছিল ৰাজা আৰু ৰাণী। ইয়াত ফটো তুলিবলৈ ১০.০০ টকা দিব লাগিছিল। ইয়াত বহুকেইজন ফটোগ্ৰাফাৰ আছিল একপি ফটোৰ দাম ৪০.০০ টকা আৰু ইয়াৰ জনজাতীয় পোছাকবোৰ মহিলাবোৰে লৈ ফুৰিছিল ভাড়াত পিন্ধিবলৈ দিবৰ বাবে প্ৰত্যেক জনীত ৩০.০০ টকাকৈ কাপোৰযোৰ পিন্ধি কেমেৰামেনৰ কেমেৰাৰে ৰাজা ৰাণীত দুকপি ফটো তুলিলো। প্ৰায় ৩ ঘণ্টামান কটোৱাৰ পাছত আমি তললৈ নামি আহি গৰম চাহ, সেক দিয়া ব্ৰেডখাই হোটেল অভিমুখে ঘূৰিলো। বাটত এখন বডাৰত সোমাই আমি প্ৰত্যেকেই দুই এপদ সামগ্ৰী কিনি লৈছিলো। হোটেলত উপস্থিত হৈ কাপোৰ সলাই Dainning Hall লৈ সকলো আহিলো। দুজনীমানে চাৰক কোৱাত ছাৰে মূৰ্গী মাংস আনি হোটেলত ৰান্ধিবলৈ দিছিল। বহুদিনৰ মূৰত ঘৰত ভাত খোৱাৰ দৰে লাগিল। ভাত খাই উঠাৰ পাছতেই দিনৰ সেই ফটোগ্ৰাফাৰ কেইজন ফটো দিবৰ বাবে আহি ওলালেহি। ফটোবোৰ লৈ তেওঁলোকক পইচা দি বিদায় দিলো আৰু শুৱৰ বাবে নিজ নিজ ৰুমলৈ আহিলো।

১৮ তাৰিখ। ৰাতিপুৱাই হোটেল এৰি ছিমলালৈ বুলি যাত্ৰা আৰম্ভ কৰিলো। মানালীখনত ভালদৰে ঘূৰিবলৈ নাপাই মনতো বেয়া লাগিছিল যদিও পৰিস্থিতিৰ লগত খাপ খাবলৈ চেষ্টা কৰিছিলো। ঘূৰি আহোঁতে মন্দিৰ এটাত সোমালো। প্ৰবাদ আছে যে এই মন্দিৰৰ প্ৰতি শ্ৰদ্ধাৰে মুৰ দোৱাই প্ৰাৰ্থনা কৰিলে মনোবাঞ্ছা

পূৰ্ণ হয়। এই মন্দিৰৰ চাৰিওফালে পাইন গছবোৰ ভৰি আছিল। ডিচেম্বৰ মাহত যেতিয়া খুউব বৰফ পৰে তেতিয়া এই পাইনবোৰ মন্দিৰৰ টিনবোৰ ঢাক খাই যায়। কিন্তু আমি এনে সুন্দৰ দৃশ্য দেখাৰ সুযোগ নাপালো, কাৰণ তেতিয়া অক্টোবৰ মাহ। আমি মন্দিৰৰ বেৰত আঁৰি থোৱা ফটোকে চাই শান্তনা লভিলো। তাৰ পাছত আমি মেথোন নামৰ জন্তুটোৰ পিঠিত উঠিলো। এখন হোটেলত ৰাতিপুৱাৰ আহাৰ খাই পুনৰ যাত্ৰা আৰম্ভ কৰিলো। এনেদৰে যেতিয়া আমি বুল্লুত উপস্থিত হৈ ৰাস্তাৰ কাষত আপেলৰ গছবোৰ দেখিলো আমি আচৰিত হ'লো। ইমান আপেল গছ আৰু প্ৰতিজোপা গছত থোপাথোপে কেঁচা পকা আপেলেৰে ভৰি আছিল। ইয়াত তিনি বিধৰ আপেল আছে, আমি খন্তেক ৰৈ দুই তিনি কেজি কিনি লৈ গাড়ীত উঠিলো। এবিধ আপেল দেখাত একদম বিলাহীটোৰ দৰে আছিল কিন্তু ই খাবলৈ বেয়া। আমি দুই এজনে ঘৰত দেখুৱাবলৈ এটা এটা লৈ আহিলো। ইয়াৰ পাছত কুল্লু বজাৰত সোমালোহি। ইয়াৰ পৰা শ্বল কিনিম বুলি দোকানত সোমাই জুইৰ দৰে দাম শুনি ভয়েই খালো। ভাৱিছিলো সস্তাত পাম কিন্তু নাই। তথাপিও স্মৃতি হিচাপে কিবা এটা কিনি পুনৰ যাত্ৰা আৰম্ভ কৰিলো। এই দিনটোত কাতি বিহু আছিল ভাবিছিলো হোটেলত গৈ অলপ স্ফুৰ্তি তামাচা কৰিম কিন্তু বাটত আমাৰ এখন চুমুৰে দিগদাৰ কৰাত পলম হৈ গ'ল। আৰু যেতিয়া হোটেলত উপস্থিত হওঁ তেতিয়া নিশা ১২ বাজি গৈছিল। ইমান ৰাতি স্ফুৰ্তি কৰাৰ শক্তি নথকাত নিজ নিজ ৰুমত গৈ শুই পৰিলো।

১৯ তাৰিখ। ৰাতিপুৱা শুই উঠি গা-মুৰ ধুই হোটেলৰ পিছফালে ৰ'দ লৈ বহি থাকোতেই নাস্তা দি গ'লহি। বাকী কেইটা ৰুমৰ সংগীবোৰেও আহি আমাৰ লগত বহিল। আমাৰ হোটেলখনৰ পিছফালে গাতে লাগি থকা পাহাৰটোৰ পিছফালে হোৱা সূৰ্য্যস্তৰৰ দৃশ্য হেনো বৰ শুৱনী। আমাক হোটেলৰ কৰ্মচাৰী সকলে আবেলিলৈকে ৰৈ সেই ধুনীয়া দৃশ্যটো উপভোগ কৰি যাবলৈ অনুৰোধ কৰিছিল কিন্তু সময়ৰ অভাৱত তেওঁলোকৰ অনুৰোধ ৰক্ষা কৰিব নোৱাৰিলো। প্ৰায় ৯-৩০ বজাত আমি হোটেল এৰি ওলাই আহিলো। সময়ৰ অভাৱত ছিমলাৰ চাবলগীয়া ঠাইখনলৈও যোৱাৰ পৰা বঞ্চিত হৈ এখন বজাৰত সোমালো। তাত ছিমলাৰলোক সকলে হাতে সজা কিছুমান সামগ্ৰী, যেনে- বাচন বৰ্তন (কাঠৰ), ড্ৰয়িং ৰুমত সজোৱা সামগ্ৰী, কলম আদি কাঠৰ সামগ্ৰীবোৰ পোৱা গৈছিল। আমি আটায়ে ঘৰলৈ বুলি কিবা এটা হ'লেও বস্তু কিনি ল'লো। তাৰ পাছত আমি দিল্লী অভিমুখে যাত্ৰা আৰম্ভ কৰিলো। মই কিন্তু ছিমলাত চাব লগীয়া বস্তু বা ঠাই একো নেদেখিলো কেৱল ৰাস্তাবোৰৰ বাদে। অ' আমি পাহাৰৰ ওপৰেদি যোৱা Troy Train দেখিবলৈ পালো। এটা দীঘলীয়া যাত্ৰাৰ শেষত ৰাতি প্ৰায় ১২/১ বজাত দিল্লীৰ হোটেলত উপস্থিত হ'লোহি।

আজি ২০ তাৰিখ। ৰাতিপুৱা ৭ মান বজাত শুই উঠিলো। ল'ৰা লৰিকৈ গাটো ধুই আগ্ৰালৈ যাবলৈ সাজু হ'লো। এই যাত্ৰা আমি Tourist'ত কৰিলো আমাৰ লগত থকা Guide জনে প্ৰতিটো ঠাইৰ বুৰঞ্জী আৰু বৈশিষ্ট্য কৈ গৈছিল। আমি প্ৰথমে আগ্ৰাৰ দূৰ্গলৈ গ'লো। ইয়াৰ পৰা তাজমহলটো ধুনীয়াকৈ দেখা পাইছিলো। এই দুৰ্গটোও দেখিবলৈ খুউব ধুনীয়া মাৰ্বল পাথৰে নিৰ্মিত। আমি কিছুসময় ইয়াত কটাই তাজমহললৈ আগবাঢ়িলো। আগতে কাগজ বা টি. ভি. ত তাজমহল দেখিছিলো যদিও এতিয়া সাক্ষাৎ চকুৰ আগত দেখা তাজমহল আৰু ইয়াৰ চৌপাশৰ সৌন্দৰ্য্য চাই আপ্লুত হ'লো। মনতে ভাবিলো সঁচাই ছাহজাহানে মমতাজক খুউব ভাল পাইছিল। প্ৰেয়সীৰ প্ৰতি থকা মৰম ভালপোৱাক চিৰদিন জীয়াই ৰাখিবৰ বাবে নিৰ্মাণ কৰা এই তাজমহল বৰ্তমান ভাৰতবাসীৰ গৌৰৱৰ চিন। দেশ-বিদেশৰ পৰ্য্যটকবোৰে এই প্ৰেমৰ প্ৰতীকটো চাবৰ বাবে প্ৰতি বছৰে আহি আছে। অন্তৰৰ গভীৰ কোণৰ পৰা এই তাজমহললৈ, এই অপূৰ্ব সুন্দৰৰ নিৰ্মাতাজনলৈ, তেখেতৰ প্ৰেমক শ্ৰদ্ধাৰে প্ৰণাম জনালো।

তাজমহলটোৰ সোমাজতে তললে এটা কবৰ দেখিবলৈ পালো। যিটোক মমতাজৰ বুলি কৈছিল। আমাৰ

লগত যোৱা মুছলমান দাদা বা কেইজনে ইয়াত সেৱা জনাইছিল। তাজমহলৰ এই ধুনীয়া দৃশ্যটো আমাৰ কেমেৰাত আৱদ্ধ কৰি আনিলো।

ইয়াৰ পাছত আমি মথুৰালৈ আগবাঢ়িলো। ইয়াৰ মূল মন্দিৰৰ চাৰিওদিশে বহুতো মঠ-মন্দিৰ আছিল। মন্দিৰৰ গাতে লাগি এটা মছজিদ আছিল। আমাৰ লগত যোৱা পথ প্ৰদৰ্শক জনে ক'লে, বহু বছৰৰ আগতে যেতিয়া মোগলে ভাৰত আক্ৰমণ কৰিছিল তেতিয়া মন্দিৰবোৰ ভাঙি তাৰ ঠাইত মছজিদ সাজিছিল। আৰু তাৰপৰিণতি স্বৰূপে এই মছজিদটো বৰ্তমানেও জীয়াই আছে। মূল মন্দিৰৰ ভিতৰত সোমাই নিজকে ধন্য মানিলো। দেখিলেই মন প্ৰাণ পবিত্ৰ হৈ যোৱা এই মন্দিৰৰ প্ৰধান পূজা স্থলীত প্ৰাৰ্থনা কৰি পূজাৰী জনৰ পৰা জানিব পাৰিলো যে ইয়াত শ্ৰদ্ধাৰে কিবা বিচাৰিলে ভগৱানে নিশ্চয় দিব। ইয়াৰ পাছত বৃন্দাবনলৈ আগবাঢ়িলো। মথুৰাৰ সমান ইয়াত ভাল নালাগিল। ৰাতি বহুত হোৱাত হোটেললৈ আহিবলৈ বুলি গাড়ীত উঠিলোহি। বাছত ছাৰে শেষৰ দিন বাবে (ভ্ৰমণৰ) অলপ স্ফুৰ্তি কৰিমগৈ বুলি কৈছিল যদিও হোটেলত আহি পাওঁতে ১২ বাজিছিল বাবে শুই থকাটোকে শ্ৰেয় বুলি ভাৱিলো।

২১ তাৰিখ। ৭ মান বজাত শুই উঠি আমাৰ বস্তুবোৰ ভালদৰে সামৰি থলো। ওলাও ওলাও বুলিও ১১ বজাতহে বজাৰ কৰিবলৈ সকলো ওলাই যাব পাৰিলো। আমাক দিল্লীৰ কেৱল বাগ বজাৰখনলৈ লৈ আহিল। মই ঘৰৰ সকলোৰে ববে আৰু বন্ধু-বান্ধৱী বিলাকৰ বাবে সৰু সৰু দুই এক বস্তু কিনি ল'লো। চাৰি মানত বজাৰৰ পৰা ওলাই আহি হোটেল এখনত দিল্লীত শেষবাৰ ভাত খালো। আজি আমাৰ অসমলৈ ঘূৰাৰ দিন। সেয়ে ল'ৰা-ছোৱালী বিলাকৰ মনত আনন্দ আৰু দুখ দুয়োটাই হেঁচা মাৰি ধৰিছেহি। আমাৰ ট্ৰেইন ৰাতি ৯ বজাত আছে। সেয়ে আমি হোটেলৰ পৰা ৪ বজাতেই ওলাই আহিলো কাৰণ এই সন্ধিয়াৰ সময়ত Traffic সাধাৰণতে ভিৰ হৈ থাকে। আগতীয়াকৈ ওলাই অহাৰ স্বত্তেও মুৰামুৰি সময়তহে আহি ষ্টেচন উপস্থিত হলোহি। ৯ বজাত আহি পোৱা ট্ৰেইনখন ষ্টেচনত মাত্ৰ ৫ মিনিট ৰৈছিল। আমাৰ ডবাটো আছিল ন নম্বৰৰ কিন্তু আমি ন নম্বৰৰ ডবা বিচাৰি নাথাকি দহ নে এঘাৰ কোনোবা এটাত উঠিলোগৈ। কিন্তু পাছত লাহে লাহে আমাৰ নিজৰ ডবাটোত আহি থিতাপি ললোহি।

এই ট্ৰেইনতে আমাৰ কলেজৰে আন এটা দল (ভূগোল বিভাগৰ) লগ পাইছিলো। আমাৰ কলেজৰ ভূলোগৰ ছাত্ৰীসকলৰ লগত যোৰহাট দেৱী চৰণ মহাবিদ্যালয়ৰ ছাত্ৰী সকল এক লগ হৈ গৈছিল। আৰু এওঁলোকৰ Guide আছিল আমাৰ কলেজৰ এজন ছাৰ আৰু দেৱীচৰণৰ এগৰাকী অধ্যাপিকা আমাৰ ছাৰৰ পৰিবাৰ। এওঁলোকক লগ পাই আমি খুৱেই ভাল পালো। ভাবিলো আহোঁতে যিমান ভাল লাগিছিল এতিয়া ঘূৰি যাওঁতে তাতকৈ বেছি ভাল লাগিব।

দিল্লী, মানালী, ছিমলা, কুল্লু, আগ্ৰাত আজি ৭ দিনে কটোৱা ক্ষণবোৰ হাঁহি ধেমালি বোৰ স্মৃতি হিচাপে বুকুত বান্ধি আনন্দ স্ফুৰ্তি কৰি তিনি ৰাতি দুদিনৰ পাছত ২৪ তাৰিখে মৰিয়নিৰ ষ্টেচনত উপস্থিত হঁলোহি। কোনো কোনোৱে ঘৰলৈ ফোন কৰি থোৱাৰ বাবে তেওঁলোকৰ ঘৰৰ পৰা অভিভাৱক সকলে গাড়ীলৈ ৰৈ আছিলহি। মই তেওঁলোকৰ লগতে আহি তিতাবৰ চাৰি আলিত নামি শিৱসাগৰৰ বাছত ৰাতিপুৱা প্ৰায় ৭-৩০ বজাত ঘৰ পালোহি।

এই ভ্ৰমণটোৱে সঁচাই আমাক বহু নজনা কথা শিকালে, নেদেখা বস্তু যিবোৰ আমি সকলোৱে চাব লাগে তাক দেখুৱালে। এই ১৪ টা দিন (১১ তাৰিখৰ পৰা ২৪ তাৰিখলৈ) সঁচাকৈয়ে মোৰ জীৱনৰ আটাইতকৈ স্মৰণীয় দিন হিচাপে জীয়াই থাকিব।

❑❑❑

# উদ্যোগজ্যোতি ২০০5 ঃ এক শিক্ষামূলক ভ্ৰমণ

আলাপিনী ফুকন
এঞ্জেলিকা বৰগোঁহাই
স্নাতক তৃতীয় বৰ্ষ, অৰ্থনীতি বিভাগ

বৰ্ত্তমান সময়ত অসমৰ এক জলন্ত সমস্যা হ'ল নিবনুৱা সমস্যা। এই নিবনুৱা সমস্যাই অসমৰ অৰ্থনৈতিক উন্নয়নৰ প্ৰতিও এক ভাবুকি স্বৰূপে দেখা দিছে। প্ৰত্যেক বছৰে অসমৰ প্ৰতিখন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ পৰা হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন পৰীক্ষাত উত্তীৰ্ণ হয়। আনুষ্ঠানিক শিক্ষা শেষ কৰি তেওঁলোকে কৰ্মসংস্থাপনৰ বাবে বিভিন্ন চাকৰিৰ ফালে ধাবিত হয়। কিন্তু বৰ্ত্তমান সময়ত চাকৰিৰ সংখ্যা তেনেই সীমিত হোৱা বাবে এই ছাত্ৰ-ছাত্ৰী সমূহৰ মাজত সমস্যাই দেখা দিয়ে। আনহাতে দেশৰ অৰ্থনীতিৰ উন্নয়নৰ বাবে যি উদ্যোগিক লোকৰ প্ৰয়োজন, তাক তেওঁলোকে পূৰণ কৰিব নোৱাৰে। কাৰণ উদ্যোগৰ ক্ষেত্ৰত ভৱিষ্যতে হ'ব পৰা লাভ-লোকচানৰ অনিশ্চয়তা বহন কৰিব নোখোজে। সেয়েহে ছাত্ৰ-ছাত্ৰীৰ মাজত উদ্যোগমুখী হোৱাৰ মানসিকতা আনিবৰ বাবে অসম চৰকাৰে ২০০5 বৰ্ষত "উদ্যোগজ্যোতি" নামেৰে এক নতুন আঁচনি প্ৰৱৰ্তন কৰিছে। এই আঁচনিৰ মূল উদ্দেশ্য হ'ল - ছাত্ৰ-ছাত্ৰীক বিভিন্ন উদ্যোগসমূহ পৰিদৰ্শন কৰোৱাই তেওঁলোকক উদ্যোগিক জ্ঞান আহৰণৰ সুবিধা প্ৰদান কৰা। যাতে তেওঁলোকে চাকৰিমুখী নহৈ উদ্যোগমুখী হৈ নিজকে আত্মনিয়োগ কৰাৰ মানসিকতা গোটাব পাৰে।

এই "উদ্যোগজ্যোতি ২০০5" আঁচনিৰ অধীনতে আমি শিৱসাগৰ ছোৱালী কলেজৰ হৈ তৃতীয় বাৰ্ষিকৰ মুঠ ৭ গৰাকী বিভিন্ন উদ্যোগসমূহ পৰিদৰ্শন কৰাৰ মানসেৰে চাৰিদিনীয়া কাৰ্যসূচী লৈ ২০০5 চনৰ ২৬ ডিচেম্বৰত গুৱাহাটীলৈ ৰাওনা হৈছিলো। শিৱসাগৰ জিলাৰ মহাবিদ্যালয়সমূহৰ পৰা মুঠ ১০০ জনে এই আঁচনিত অংশ গ্ৰহণ কৰিছিল। এই ক্ষেত্ৰত অসম চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগে আগভাগ লৈছিল। শিৱসাগৰৰ উপৰিও তিনিচুকীয়া, ডিব্ৰুগড় আৰু যোৰহাট এই চাৰিখন জিলাৰ পৰা সৰ্বমুঠ ৩৮৩ জন ছাত্ৰ-ছাত্ৰীক একেলগে নিয়া হৈছিল। শিৱসাগৰৰ পৰাই এই যাত্ৰাৰ শুভাৰম্ভ হৈছিল। যাত্ৰাৰ আগমুহূৰ্ত্তত প্ৰত্যেক ছাত্ৰ-ছাত্ৰীক একোখনকৈ পৰিচয় পত্ৰ দিয়া হৈছিল। পুৱা ১০-০০ বজাত উদ্যোগমন্ত্ৰী শ্ৰী অঞ্জন দত্তৰ পৌৰহিত্যত এখন সভা অনুষ্ঠিত হোৱাৰ পাছত তেওঁ এই যাত্ৰাৰ শুভাৰম্ভনি ঘটালে। ইয়াৰ পাছতে দিনৰ ১২-১৫ বজাত আমাৰ যাত্ৰাৰ আৰম্ভনি হৈছিল।

গুৱাহাটী গৈ পোৱাৰ পাছত আমাক প্ৰত্যেককে চৰকাৰে ঠিক কৰি থোৱা নিৰ্দিষ্ট অতিথিশালত থকাৰ ব্যৱস্থা কৰা হ'ল। আমি S.G. College ৰ ছাত্ৰীসকল আৰু MDK ৰ ছাত্ৰীসকলে একেলগে খানাপাৰত অৱস্থিত NIRD (National Institute of Rural Development) ৰ হোষ্টেলত থাকিলো। NIRD ত থকা তিনি নিশা আমি তাৰ কৰ্মচাৰীসকলৰ পৰা পোৱা ভগ্নীসুলভ ব্যৱহাৰ সঁচাকৈ কেতিয়াও পাহৰিব নোৱাৰো।

আমি গৈ পোৱাৰ পাছদিনা অৰ্থাৎ ১৭-১১-০৫ ত পুৱাৰ ৮-৩০ বজাত চাৰিখন জিলাৰ সমূহ ছাত্ৰ-ছাত্ৰীক পল্টন বজাৰৰ New Field ত সমবেত কৰাই উদ্যোগজ্যাতি আঁচনিৰ শুভউদ্বোধন কৰা হয়। এই

অনুষ্ঠান উদ্বোধন কৰে উদ্যোগ আৰু বাণিজ্য বিভাগৰ অধ্যক্ষ শ্ৰী প্ৰফুল্ল চন্দ্ৰ শৰ্মাদেৱে। উদ্বোধনী অনুষ্ঠানৰ পাছতে সমূহ ছাত্ৰ-ছাত্ৰীক কেইবাটাও Group ত ভাগ কৰি প্ৰত্যেকটো Group কে গুৱাহাটীৰ বিভিন্ন সৰু-বৰ উদ্যোগসমূহ দেখুৱাবৰ বাবে লৈ যোৱা হ'ল। প্ৰথমতেই আমি ৰাওনা হ'লো আমিনগাঁৱলৈ। এইক্ষেত্ৰত আমাক guide দিয়ে উদ্যোগ আৰু বাণিজ্য বিভাগৰ বিষয়ববীয়া সকলে। উক্ত দিনা আমি কেইবাটাও উদ্যোগিক খণ্ড (TRTC, Mineral Water Industry, Thread Colouring Industry) নিজ চকুৰে দেখাৰ উপৰিও তাৰ উদ্যোক্তাসকলৰ সৈতে কথা বিনিময় কৰাৰ সুযোগ পাইছিলো। তাৰ পাছত আমাক লৈ যোৱা হ'ল আমাৰ এখন অগ্ৰণী শিক্ষানুষ্ঠান IIT লৈ। তাত আমাক সকলোকে IIT সম্পৰ্কে জানিবৰ বাবে একোখনকৈ prospectus দিয়া হ'ল। ইয়াৰ পাছতে আমাৰ এদিনীয়া কাৰ্য্যসূচীৰ অন্ত পৰিল। নিশা ৭-০০ বজাত আমি পুনৰ NIRD ৰ Hostel লৈ উভটি গ'লো।

কাৰ্য্যসূচীৰ দ্বিতীয় দিনাও আমাক আগৰ দৰেই ভাগে ভাগে লৈ যোৱা হ'ল। এইবাৰ আমি ৰাওনা হ'লো বামুণীমৈদামলৈ। সেইদিনা আমি বামুণীমৈদানৰ পূৱ বৰাগাঁওত অৱস্থিত Biscuit Factory, Plastic and Bucket factory, Teen Paat Factory আদি পৰিদৰ্শনৰ সুযোগ পালো। আবেলি ৩-৩০ বজাত আমি চাংসাৰি (Changsari) ত অৱস্থিত CIPET ৰ (Central Intitute of Plastics Engineering & Technology) প্ৰাংগনত "উদ্যোগজ্যোতি ২০০৫" আঁচনিৰ সামৰণি অনুষ্ঠানত অংশ গ্ৰহণ কৰিলো। এই অনুষ্ঠানৰ আৰম্ভনীতে আমাক CIPET ৰ বিষয়ে নানান কথা জনোৱা হ'ল। উক্ত অনুষ্ঠানত অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলৰ কিছুসংখ্যকৰ লগত কলেজ সমূহৰ অধ্যাপক আৰু অধ্যাপিকাকো এই আঁচনি সন্দৰ্ভত নিজৰ মতামত দাঙি ধৰিবলৈ সুযোগ দিয়া হৈছিল। উক্ত অনুষ্ঠানত অসম ইঞ্জিনিয়াৰিং কলেজৰ অধ্যক্ষ মহোদয়েও বক্তৃতা প্ৰদান কৰিলে। অনুষ্ঠানৰ শেষত প্ৰত্যেক ছাত্ৰ-ছাত্ৰীক উদ্যোগজ্যোতি আঁচনিত অংশ গ্ৰহণৰ প্ৰমাণ পত্ৰ দিয়া হ'ল। ইতিমধ্যে আমাক প্ৰত্যেককে আঁচনিৰ তৰফৰ পৰা একোখনকৈ Evaluation sheet দিয়া হৈছিল। এই sheet খনত নিজৰ নাম ঠিকনা লিখাৰ উপৰিও উদ্যোগজ্যোতি আঁচনিৰ জৰিয়তে আমাৰ কি কি অভিজ্ঞতা হ'ল তাক লিখিতভাৱে জনাৱলগীয়া হৈছিল।

অনুষ্ঠানৰ শেষত সন্ধ্যা ৭-০০ বজাত ছাত্ৰ-ছাত্ৰীৰ কিছু সময়ৰ মনোৰঞ্জনৰ ববে Planetarium অ লৈ যোৱা হ'ল। শেষত আমাক পুনৰ নিজ নিজ থকা ঠাইলৈ লৈ যোৱা হ'ল। এইদৰেই আমাৰ "উদ্যোগজ্যোতি২০০৫" আঁচনিৰ কাৰ্য্যসূচীৰ অন্ত পৰিল। এক নতুন স্বপ্ন। এক নতুন আশা বুকুত বান্ধি লৈ পিছদিনা পুৱা ৪-০০ বজাত অৰ্থাৎ ২৯ তাৰিখ বৃহস্পতিবাৰে আমি ঘৰমুৱা হ'লো। আমি যথাসময়ত শিৱসাগৰত উপস্থিত হ'লে আৰু লগে লগেই অন্ত পৰিল এক ৰোমাঞ্চকৰ আৰু ব্যস্ততাপূৰ্ণ যাত্ৰাৰ।

এই চাৰিদিনীয়া কাৰ্য্যসূচীৰে আমি গুৱাহাটী চহৰৰ বিভিন্ন সৰু-বৰ উদ্যোগ সমূহ পৰিদৰ্শন কৰিলো। লগতে এই উদ্যোগসমূহৰ স্থাপন, ইয়াৰ স্থিতি, বিনিয়োগ, লাভ-লোকচান তথা ইয়াৰ পাৰিপাৰ্শ্বিক অৱস্থা সম্পৰ্কে বাস্তৱ অভিজ্ঞতা অৰ্জন কৰিলো। যি মহান উদ্যোগিক উদ্দেশ্য আগত ৰাখি অসম চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগে এই আঁচনি প্ৰৱৰ্তন কৰিলে, এই আঁচনিয়ে অসমৰ চাকৰিমুখী নৱপ্ৰজন্মক নিজ প্ৰচেষ্টাৰে স্বাৱলম্বী হ'বলৈ উৎসাহিত কৰিব। শেষত উদ্যোগজ্যোতি আঁচনি দীৰ্ঘায়ু হওঁক, তাৰ কামনা কৰিলো।

□□□

<u>অনুভৱ কলাজত ঃ</u>

# মোৰ দৃষ্টিত "জীৱন, মৃত্যু, প্ৰেম আৰু বন্ধুত্ব"

মেঘালী গগৈ
স্নাতক দ্বিতীয় বৰ্ষ, ইংৰাজী বিভাগ

"জীৱন"— কি যে এক বিচিত্ৰ শব্দ। কাৰোবাৰ বাবে ই হ'ব পাৰে গোলাপৰ কোমল শয্যা আৰু কাৰোবাৰ বাবে কণ্টকময়, দুঃসহ তথা যন্ত্ৰনাদায়ক। দুটা সম্পূৰ্ণ বিপৰীত অৱস্থা। কেৱল যশ-মান, ধন-সম্পদ প্ৰাপ্তিয়েই জানো জীৱনৰ প্ৰকৃত উদ্দেশ্য হয়? জীৱনে বাৰু সঁচকৈ আমাক কি দিয়ে? আমি জানো কিবা পাওঁ জীৱনৰ পৰা? জীৱনত যদি আমি একোৱেই নাপাওঁ তেন্তে মৃত্যুৱেই শ্ৰেয় নেকি বাৰু? কাৰণ মৃত্যুওটো জীৱনৰ এটা অংশ - হয়তো এক অপৰিহাৰ্য্য অংশ। মৃত্যু অবিহনে জীৱনৰ মাধুৰ্যকণেই হেৰাই যাব। জীৱন ক্ষন্তেকীয়া- এটুপি কচু পাতৰ পানীৰ দৰে। কচুপাতত পানী যিদৰে ক্ষন্তেকৰ বাবেহে ৰয় সেইদৰে জীৱনটোও খন্তেকৰ বাবেহে মৃত্যুৰ পৰা আঁতৰি থাকে। জীৱনে সদায় মৃত্যুৰ স'তে হাতে-হাত ধৰা ধৰিকৈ আগুৱাই যায়। জীৱন আৰু মৃত্যু এটা মুদ্ৰাৰ দুটা পিঠি। এটা আনটোৰ লগত অঙ্গাঙ্গী ভাৱে জড়িত। এটাৰ অবিহনে আনটো হৈ পৰে অস্তিত্বহীন।

"মানুহ মাত্ৰেই ভুল হয়"। কিছুমান ভুল আমাৰ অজানিতে হৈ যায়; যাৰ বাবে পিছত আমাৰ মনত খেদ হয়। কিন্তু কিছুমান ভুল আমি জানি-শুনি কৰো বা কৰিবলগীয়া হয়। ইয়াৰ বাবে আমি অনুতপ্ত হওঁ কিন্তু বিকল্প উপায়ওটো নাথাকে। জীৱনত কেতিয়াবা এনেকুৱা একোটাহঁত মুহূৰ্ত আহি পৰে যেতিয়া মানুহৰ সন্মুখত দুটা পথ থাকে। দুয়োটা পথেই শুদ্ধ যেন লাগে, অথচ, দুয়োটা পথেদিটো যাব নোৱাৰি। কোনোবাই বাধ্যত পৰি অপচন্দৰ পথটোও বাছি ল'বলগীয়া হয়। আমি যদি এটা পথ বাছি লৈ আগুৱাই যাবলৈ চেষ্টা কৰো তেতিয়া এনে লাগে যেন "মোৰ পথটো এইটো নহয়, সিটোহে আছিল"। আকৌ আনটো পথেদি গ'লেও সেই একে উপলব্ধিয়েই হ'ব। তেন্তে আমি কোনটো পথেৰে যোৱা উচিত? দুয়োটা পথতেই আছে বাধা, বিঘিনি, বিপদ আৰু শংকা। দুয়োটা পথেই আমাক অনিশ্চিত কোনো এক ভৱিষ্যতৰ ফালে টানি লৈ যাব। যাৰ শেষ লক্ষ্যবিন্দু হয়তো এক ভয়ংকৰ চাকনৈয়া বা কোমল ফুলৰ সুগন্ধি দলিচাও হ'ব পাৰ। ইয়াৰ চৰম বিন্দু সম্পৰ্কে নিশ্চিত কোনো অনুমান কৰাটো সম্ভৱ নহয়। কিন্তু আমি যে এটা পথ বাছি ল'বই লাগিব; ইয়াৰ অন্যথা কোনো উপায় নাই। জীৱন সদায় গতিশীল। ই সদায় মৃত্যুৰ দিশলৈ আগবাঢ়ি যায়। মৃত্যু - যি চিৰসত্য। "মৃত্যুওটো এটা শিল্পী, জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য"। এই চিৰ শাশ্বত ভাস্কৰ্য্য জীৱনৰ চৰম বিন্দু। কিন্তু এই শীৰ্ষবিন্দু পোৱাৰ আগতেই আমি কটাব লাগিব এটা সুদীৰ্ঘ জীৱন। জীৱনত নিৰ্বাচন কৰিব লাগিব এটা পথ, যি পথত আমি বিচৰা সমগ্ৰ নহ'লেও তিলমাত্ৰ সুখকণ ভোগ কৰিব পাৰো। অৱশ্যে, সুখেই জীৱনৰ একমাত্ৰ লক্ষ্য নহয়, দুখতো আছে এক অনন্য তৃপ্তি। সদায় সু-স্বাদু ব্যঞ্জন ভোগ কৰা লোকে এদিন দুখীয়াৰ কাহুঁদি, খৰালি নাইবা শাক-পাত-মাহৰ আদখৰীয়াৰ সোৱাদ পোৱাৰ দৰে, এক ব্যতিক্ৰম ধৰ্মী সুখানুভূতি। আনহাতে, গোটেই জীৱনটো যে আমি দুখেই ভোগ কৰি থাকিম বা থাকিব লাগে সেইয়াও যুক্তি সঙ্গত নহয়। সুখ আৰু দুখৰ সংমিশ্ৰণতহে প্ৰকৃত জীৱন — অশ্ৰুকণা আৰু মিঠা হাঁহিৰ সংযোগতহে প্ৰকৃতাৰ্থত জীৱন।

ঃঃঃ

"মৃত্যু" এক গভীৰ তথা কৰুণ ৰহস্যাবৃত্ত শব্দ। যি অনিশ্চিত, অজ্ঞাত- এক অনন্ত শয়ন- পৰম তৃপ্তিকৰ- অজেয়। মৃত্যুও হৈ পৰে কিতিয়াবা জীৱনৰ কঠিন শিলত খোদিত কৰা ভাস্কৰ্য্য— এক তুলনাহীন শিল্পীসুলভ

কাৰুকাৰ্য্য। মৃত্যু সম্পৰ্কে মানুহ সম্পূৰ্ণ ৰূপেই অজ্ঞ। মৃত্যুৰ পাছতো মানুহৰ আত্মাটো বাৰু সঁচাকৈ জীয়াই থাকেনে? নে মৰণৰ লগে লগে বসুধাৰ বুকুৰ পৰা নশ্বৰ কায়াটোৰ সৈতে সকলোবোৰ নিশ্চিহ্ন হৈ যায়। জন্মৰ আগৰ অথবা মৃত্যুৰ পাছৰ যি স্থিতি, সেই দুয়োটা স্থিতি বাৰু একেনে, নে তাৰ কোনো অস্তিত্বই নাই? তেন্তে আমি এক অস্তিত্বহীন অৱস্থাৰ পৰা আহি পুনৰ সেই অৱস্থালৈকে ঘূৰি যাওঁ নেকি? যদি সেয়ে হয় তেন্তে ক্ষন্তেকীয়া জীৱন লাভৰ উদ্দেশ্যই বা কি? সৃষ্টিকৰ্তা যদি সঁচাকৈ আছে, তেনেহ'লে তেওঁ কিয় দুদিনীয়া এই মায়াভৰা সংসাৰ সাগৰৰ চাকনৈয়াত পেলায় আমাক হাবু ডাবু খুৱাইছে? আৰু ইয়াৰ অন্তৰালত যদি তেওঁৰ কোনো হাত নাই, তেন্তে আমিনো কিয় এই পাকচক্ৰত পৰিছোহি? মৃত্যুলোকৰ পৰা ঘূৰি অহাৰ কোনো পথ নাই। ই অভিমন্যুৰ চক্ৰবেহুৰ দৰে; য'ত সোমাই যোৱা পথৰহে নিৰ্দ্দেশ আছে, ওলাই অহাৰ কোনো ইঙ্গিত নাই। বিশ্বৰ সমগ্ৰ ধন সম্পদৰ বিনিময়তো ঘূৰাই পাব-নোৱাৰা এই অমূল্য জীৱনটোক মানুহে ক্ষন্তেকীয়া বুলি জানিও ইমান বেছিকৈ ভাল পায় যে মৃত্যুক সদায় দূৰত ৰাখিবলৈ বিচাৰে। মৃত্যু সম্পৰ্কে কোনো পূৰ্বাভাষ নথকা হেতুকেও হয়তো মানুহে মৃত্যুক ভয় কৰে। জীৱন চিৰপৰিচিত বাবে সদায় মানুহে জীয়াই থাকিবলৈকে বিচাৰে। কিন্তু মৃতুটো চিৰসত্য আৰু অৱশ্যম্ভাৱীও— কিয়নো মৃত্যুৱেই আমাক উপলব্ধি কৰাই যে জীৱন অমূল্য। জীৱন হৈছে সুখ-দুখ, হাঁহি-কান্দোন, আশা-নিৰাশা, বিশ্বাস-সংশয়ৰ অপূৰ্ব সমাহাৰ। মৃত্যু হৈছে জীৱনৰ অন্তিম সীমাৰেখা। জীৱন যিমানেই আমাৰ বাবে জ্ঞাত, আৰু স্পষ্ট, মৃত্যু ঠিক সিমানে অজ্ঞাত আৰু অস্পষ্ট। মৃত্যু তেতিয়ালৈকে আমাৰ বাবে এক ৰহস্য হৈয়েই ৰ'ব যেতিয়ালৈকে আমি নিজেই মৃত্যুৰ দুৱাৰত প্ৰৱেশ নকৰো।

ঃঃঃ

" Life is to enjoy. As life is to live, so love is to give."

"প্ৰেম"— দুখন হৃদয়ৰ প্ৰকৃত মিলন; যত দৈহিক কামনা বাসনাৰ গোন্ধ নাথাকে। অৱশ্যে প্ৰেম যে কেৱল বাসনাৰহিত হ'ব সেয়াও নহয়। ইয়াত থাকিব দুখন হৃদয়ৰ পূৰ্ণ সহযোগ, বুজাপৰা আৰু পৰস্পৰৰ প্ৰতি প্ৰকৃত ভালপোৱা। প্ৰেম এপাহি পৱিত্ৰ ফুল। যিজন মানুহে প্ৰেমক ভালপায়, তেওঁ ফুল-পখিলা আদিকো ভাল পায়। প্ৰেমৰ ফুলপাহি এজনেই হৃদয়ৰ মাজত লুকুৱাই থব নোৱাৰে। প্ৰেমে আন এটা সত্বাৰ সৈতে নিজক একত্ৰিক কৰে। যাৰ প্ৰেম আছে তাক পৃথিৱীৰ একোৰে প্ৰয়োজন নাই। ক'লৰীজে (S.T. Coleridge) প্ৰেমক জীৱনৰ "ভোটাতৰা" আখ্যা দি কৈছিল—

"All thoughts, all passions, all delights what ever stirs his moral frame. All are but ministers of love. And feed his secred flame. " (Love).

প্ৰেম অহিবন জীৱন যেন ৰুক্ষ মৰুভূমিসদৃশ। প্ৰেম হৈছে আনন্দৰ পূৰ্ণৰেখা, মৃত সঞ্জীৱনী, মৰুময় জীৱনৰ মাজত থকা এজাপা বৃক্ষৰ সুশীতল ছাঁয়া অথবা এটুপি অমৃত সুধা। প্ৰেমৰ মূল ভেটি হৈছে বিশ্বাস। বিশ্বাসৰ ভেটিত বুজাপৰা আৰু অপৰ্য্যাপ্ত মৰম-স্নেহৰ সহযোগত প্ৰেমে পূৰ্ণতা লাভ কৰে। প্ৰেম যিদৰে কাৰোবাৰ বাবে হ'ব পাৰে শান্তিৰ সুশীতল ছাঁয়া, আনন্দৰ উৎস নাইবা প্ৰেৰণা; ঠিক সেইদৰে ই কাৰোবাৰ বাবে হ'ব পাৰে বিষাদৰ ঘনীভূত ক'লাডাৱৰ। প্ৰকৃত ভালপোৱাৰ বিনিময়তো কোনোবাই হয়তো পায় প্ৰৱঞ্চনা আৰু বিশ্বাসঘাটকতা। যাৰ লগে লগে জীৱনৰ সকলো মাধুৰ্য্যৰে পৰিসমাপ্তি ঘটে।

প্ৰেম সঁচাকৈয়ে এক স্বৰ্গীয় অনুভূতি। নিঃসঙ্গ জীৱনত যি তোলে এক মৃদুমধুৰ গুঞ্জন। জীৱনৰ চৌদিশে বাজি উঠে এক অপূৰ্ব মানসিক আনন্দ আৰু জীয়াই থকাৰ প্ৰেৰণা। প্ৰেমে জীৱনৰ এক নতুন উদ্দেশ্য চকুৰ আগত দাঙি ধৰে যাৰ ফলত প্ৰেমিকে সমগ্ৰ পৃথিৱীকে এক নতুন ৰূপত অৱিস্কাৰ কৰে। ই এক চিৰসেউজ অনুভূতি; যি প্ৰেমিকৰ মানসপটত মচিব নোৱাৰা সাঁচ বহুৱাই যায়। "প্ৰেম"— এই দুটি আখৰৰ এটি

মাথো শব্দতেই নিহিত হৈ আছে অজস্র অর্থ। প্রেমৰ পূজাৰীয়ে হৃদয়ৰ থাপনাত তেওঁৰ চিৰাকাংক্ষিতজনৰ ৰূপ কল্পনা কৰি পূজা অৰ্চনা কৰে। তেওঁৰ মনত প্ৰেমাকাংক্ষীতজনৰ প্ৰতিটো কথাই শ্ৰুতিমধুৰ হৈ ধৰা দিয়ে. যাৰ ফলত মন হৈ পৰে কহুঁৱা তুলাৰ দৰে চঞ্চলা চপলা। প্ৰেমিকে প্ৰেমিকাৰ দুচকুত দেখা পাই সাগৰৰ গভীৰ নীলা; য'ত তেওঁ সমগ্ৰ জীৱন ডুব যাবলৈ বিচাৰে। লাইলা মজনুৰ কাহিনীটোৱেও প্ৰকৃত প্ৰেমৰ স্বাক্ষৰ বহন কৰে। লাইলা এজনী অতি সাধাৰণ ছোৱালী, দেখাতো সুন্দৰী নহয়। আনহাতে তাইৰ প্ৰেমিক মজনু এজন অতি উচ্চ মৰ্যদাসম্পন্ন মন্ত্ৰীৰ পুত্ৰ। যাৰ বাবে অলেখ যুৱতী প্ৰেমাকাংক্ষী। কিন্তু মজনু কেৱল লাইলাৰ প্ৰতিহে আগ্ৰহী। যেতিয়া দেউতাকে মজনুক ইয়াৰ কাৰণ সুধি প্ৰশ্ন কৰে যে অলেখ সুন্দৰী যুৱতী তেওঁৰ প্ৰেমাকাংক্ষী হোৱা সত্বেও তেওঁ কিয় সেই অসুন্দৰী নিম্নবংশৰ লাইলাকহে গুৰুত্ব দিয়ে। তেতিয়া মজনুৱে কয় যে লাইলা সকলোৰে বাবে অসুন্দৰী হ'ব পাৰে। কিন্তু তেওঁৰ বাবে লাইলা হৈছে পৃথিৱীৰ আটাইতকৈ সুন্দৰী নাৰী। তেওঁৰ দৃষ্টিৰে চালে দেউতাকেও লাইলাক সুন্দৰী দেখা পাব। গতিকে, প্ৰেমিকৰ দৃষ্টিত তেওঁৰ প্ৰেমিকাই হৈছে সকলোতকৈ আকৰ্ষণীয় তথা চিৰসুন্দৰী। ত্যাগে প্ৰেমক এখন উচ্চ আসন প্ৰদান কৰি অমৰ তথা মহীয়ান কৰি তোলে। সেয়েহে চেখভে কৈছিল, "সেই প্ৰেমেই বিশুদ্ধ প্ৰেম, যি প্ৰেমে কেৱল বিলাব জানে— বিচাৰিব নাজানে।"

ঃঃঃ

"সোণৰ পৰীক্ষা যেন অগ্নিত পুৰিলে
বন্ধুৰো পৰীক্ষা তেনে বিপদ ঘটিলে।"

"বন্ধুত্ব"— এক পাৰস্পৰিক বুজাপৰা। দুজন প্ৰকৃত বন্ধুৱে এজনে আনজনৰ সুখ-দুখৰ সমভাগী হয়। "A friend in need is a friend indeed." আৰ্থাৎ বিপদৰ বন্ধুহে প্ৰকৃত বন্ধু। এজন প্ৰকৃত বন্ধুৱে কেৱল সম্পদৰ বেলিকাই নহয়বিপদ কালতো আমাৰ প্ৰতি সহায়ৰ হাত আগবঢ়ায়। একো দিব নোৱাৰিলেও তেওঁ আমাক অন্তৰ পমোৱা এষাৰি দৰদী মাত লগাই, যি আমাক বিপদৰ সৈতে প্ৰতিদ্বন্দিতা কৰিবলৈ সাহস তথা প্ৰেৰণা যোগায়। সম্পদ কালত আমি এনে বহুতো বন্ধু পাওঁ যি আমাক তোষামোদ কৰি কেৱল নিজৰ স্বাৰ্থ পূৰণ কৰে। কিন্তু বিপদৰ বেলিকা এনে তোষামোদকাৰী বন্ধুসকলৰ ছাঁটোও দৰ্শন লাভ কৰা দুৰ্ল্লভ হৈ পৰে। বিপদ আঁতৰি গ'লে আমি যেতিয়া কিছু টনকিয়াল হওঁ তেতিয়া এইশ্ৰেণীৰ বন্ধুৱে পুনৰ নেজ পেলাই একান্ত আজ্ঞাবাহী কুকুৰৰ দৰে আমাৰ কাষলৈ আহে। বিপদৰ সময়তেই প্ৰকৃত বন্ধুৰ পৰিচয় পোৱা যায়। প্ৰকৃত বন্ধুৱে বিপদৰ বেলিকা কেতিয়াও আমাৰ কাষৰ পৰা আঁতৰি নাযায়। তেওঁ পাৰ্য্যমানে আমাক সৎ পৰামৰ্শ আৰু সহায় সহযোগিতাৰে আমাৰ মনোবল বৃদ্ধি কৰে। যাতে আমি যিকোনো বিপদ বিঘিনি বা বাধাক প্ৰত্যাহ্বান জনাব পাৰো। প্ৰকৃত বন্ধু সেইজন যি আমাৰ হিয়াৰ প্ৰতিটো গোপন কোণৰ খবৰ ৰাখে। আমি কিবা দুখত পৰিলে তেওঁৰো হৃদয়ে কান্দি উঠে আৰু আমাৰ সুখ তথা সফলতাত তেওঁ চঞ্চলা হাৰিণীৰ দৰে নাচি উঠে। বন্ধু যাক আমি অন্তৰৰ সকলোবোৰ কথা খুলি ক'ব পাৰো, যাক কোৱাৰ লগে লগে মনটো দুখৰ ঘনঘোৰ কলীয়া ডাৱৰৰ প্ৰভাৱৰ পৰা মুক্ত হৈ ফৰকাল হৈ পৰে। এই বন্ধুত্ব নিজৰ সমবয়সীয়া, নিজতকৈ কম বা বেছি বয়সৰ লোকৰ মাজতো গঢ়ি উঠিব পাৰে। ইয়াৰ বাবে লাগে মাথোন অন্তৰ মিল, এজনৰ আনজনৰ প্ৰতি থকা সহানুভূতিৰ মনোভাৱ তথা অপৰিসীম স্নেহ। বন্ধুত্ব এক নিস্বাৰ্থ সম্বন্ধ। প্ৰত্যেকেই উপকাৰৰ বিনিময়ত কিবা এটা পোৱাৰ আশা পোষণ কৰিলেও প্ৰকৃত বন্ধুৱে এনে কোনো আশা পোষণ নকৰে। বন্ধুৱে আমাৰ প্ৰতি নিস্বাৰ্থ সেৱা আগবঢ়ায়। বন্ধুত্বই বিনিময়ত কোনো পুৰস্কাৰ নিবিচাৰে। প্ৰেমত অলপ হ'লেও স্বাৰ্থৰ প্ৰলেপ থাকলেও প্ৰকৃত বন্ধুত্বত কোনো স্বাৰ্থ নাথাকে। সেয়ে বন্ধুত্বক দুজনৰ মাজত স্থাপিত হোৱা প্ৰেমতকৈ উচ্চ সম্পৰ্ক হিচাপে অখ্যা দিব পাৰি।

❑❑❑

# হতাশাৰ পিছৰচোৱা অনুভৱ

সংগীতা কলিতা
দ্বিতীয় বৰ্ষ, কলা

*সপোন ঃ*

মোৰ সপোন মোক ঠাই দিয়া
মোৰ জীৱনলৈ আহা
বাস্তৱ হৈ
মই তোমালৈ প্ৰতীক্ষা কৰিছো
তুমি জানা মই অন্তৰত
এক গভীৰ আশা লৈ ৰৈ আছো
তোমাৰ বাবে.......।।

এধানিমান! আলফুলীয়া টোপাল! জীৱনৰ দুভৰিয়ে হাবিয়াসেৰে গছকি যায়। অথচ দেই পুৰি নিয়া। ........ মিঠা!

সুৰুয উদিত হয়। ডুবি ডুবি সৰে পশ্চিমত। পাতবোৰ নোহোৱা হোৱাৰ দৰে লঠঙা হয় জীৱনৰ গছ লতিকা। এদিন ইতিহাস জ্বলি যাব। পুৰি ছাই হ'ব সমস্ত অস্তিত্ব। আৰু তাৰ পিছতো উৰি থাকিব এহাল চৰাই। গান গাব এক নতুন স্বপ্নৰ গান........।

ভূমি। বোকাময় ভূমি গুছি মৰুভূমি হ'ব। ব্যাকুল বুকু ৰৈ থাক্ৰিব অন্তহীন অপেক্ষাৰ সামৰণি পৰিব। জীপাল হ'ব। সিঁচি দিয়া হ'ব বীজ। নতুন প্ৰজন্মৰ আগমনেৰে।

তুমি আহি আকৌ মোৰ কাষত জিৰাইছা। এধানিমান আলফুলীয়া টোপোলাটো দেইপুৰি নিয়া অথচ মিঠা পৰশত তোমাক যাপন কৰিবলৈ লৈছো মই। সৌন্দৰ্য্যক আৰু সংশয়। এই নান্দনিকতা সৌন্দৰ্য্যবোধ আৰু তাৰ আৰাধনা.........। অন্তঃ প্ৰজ্ঞা বাজি উঠিছে জীৱনৰ সংজ্ঞাৰে। হতাশা। তোমাৰ নাম?

*বাস্তৱ ঃ*

সপোনত কেতিয়াও হতাশা নাথাকে। অলেখ সপোন কেৱল কিছুমান আশাৰে গঢ়া। সপোনে বিচাৰে বাস্তৱক। জীৱনৰ সপোন যেতিয়া, জীৱনটো আশাৰ বতাহে উৰুৱাই থকা যুদ্ধ ভূমিৰ নিচিনা। অথচ হতাশাই বন্দী কৰিছে জীৱনটোক! জীৱনৰ পৃথিৱীক! জীৱনৰ সপোনবোৰক। তেনেহ'লে হতাশা কি? দুঃস্বপ্ন? হতাশাই সকলোকে এবাৰ হ'লেও ক্ষত-বিক্ষত কৰিছে হৃদয়। হতাশাৰ আগত সপোনবোৰ অসহায় হৈ ৰৈ যায় ধৈৰ্য্য আৰু একাগ্ৰতাৰে....... জীৱনৰ কোনো মুহূৰ্ত্তক বিষাদময় কৰিলেও কেতিয়াবা হতাশাই বাট কাটি দিয়ে মধুময় সময়ৰ। কাৰণ কোনো অনুভূতিশীল মানৱীয়তাই দুৰ্বল আৰু উত্তেজনাপূৰ্ণ মনক অৱমাননা নকৰাৰ দৰে হতাশাৰো আছে এক নিজস্ব অভিব্যক্তি; যিয়ে উপচাই দিব পাৰে অন্তিম সময়ত স্বপ্নৰ সেউজীয়া, নহ'লে হতাশা হৈ ৰ'লহেঁতেন ইতিহাস আৰু সময়ৰ কঠিন সংকট।

হাতাশ আতঙ্ক নহয়– হতাশা এক নৈব্যক্তিক তথ্যও হ'ব পাৰে- হতাশা আতংক হ'ব পাৰে,

মৃত্যুশয্যাত পৰি থকাজনৰ আকুল প্ৰাৰ্থনাৰ অতঙ্কহে। যি মৃত্যুতকৈয়ো গভীৰ। হতাশা মানে সত্বাৰ প্ৰতি সজাগ হোৱা প্ৰত্যয় প্ৰকাশৰ বাট। যাৰ এই প্ৰকাশৰ সাহস নাই তাক জানো জীৱন বুলিব পাৰি?

যেতিয়া জীৱন মঞ্চৰ প্ৰায়বোৰ পোহৰৰ ৰেখা নোহোৱা হৈ আহে তেতিয়া মঞ্চ অন্ধকাৰত ভৰি উঠে আৰু অভিনয়ৰ বাবে কোনো অৱলম্বন নাথাকে। অভিনেতা নিজেই অন্ধ হয়। তেওঁ আশাৰ চশমাৰে চাব খোজে, চাৰিবেৰ নেদেখে। সেয়াই হতাশা, যাৰ বাবে অভিনেতাই আত্মহত্যাৰ দৰে গৰিহণামুয় পথ বাচিলয়। কিন্তু সেয়াই শেষ কথা নহয়, হেজাৰ ৰাজপথৰ ভিক্ষাৰী, অন্ধকাৰ গলিৰ বেশ্যাইও সংগ্ৰাম কৰিছে মুক্তিৰ বাবে।

***<u>পুনৰ ব্যক্তিগতঃ</u>***

শৈশৱ- অতীতৰ এপুখুৰীত তোমাৰ হাঁহিৰ শতদল আছিল। সন্ধিয়াৰ স্নিগ্ধতাত তোমাৰ হিয়াৰ আকুণ্ঠ উচ্ছ্বাস। তৰঙ্গয়িত হৃদয়- উপকুলৰ হৃদয় চুমি পাৰ হয় যেন অনন্ত জিজ্ঞাসা; কল্লোল, মৰম উপচা ধেমালি। কিন্তু তোমাৰ ইমান বিস্মৰণ- যৌৱনৰ ইস্তাহাৰত, শূণ্যতাত ওলমিছে মাথোন সোঁৱৰণী মোৰ ৰাঙলী জীৱন! পিছলৈ আকাশৰ উচুপনি। অবিৰত - নিৰৱচ্ছিন্ন এই হতাশা এজাক। কেতিয়াৰ পৰা (শৈশৱ) তোমাৰ এই পৰিৱৰ্তনৰ শুভ (?) উন্মোচন। সন্মুখত নেদেখা বাঁহীৰ সুৰ...... সুৰ মায়াময় সুৰীয়া আহ্বান— হতাশা!

আমি জীয়াই থকা সমাজখনত আশাৰ প্ৰাঙ্গণ আছেনে? আমি উপনীত হৈছোহি একন সপোনহীন উপত্যকাত। য'ৰ পৰা হেৰাৱাই আছো সকলো উদ্যম। সম্ভাৱনাবোৰ নিঃশেষ হৈ গৈ আছে কেৱল। এমুঠি সুবিধাবাদীৰ বাহিৰে প্ৰচলিত ব্যৱস্থাই সকলোৰে আশা-আকাংখাৰ প্ৰতি বৃদ্ধাংগুষ্ঠ প্ৰদৰ্শন কৰিছে, শূণ্য কৰিছে জীৱন- যৌৱনৰ ধন, বিপন্ন কৰিবলৈ লৈছে ভৱিষ্যত ........।

বৰ্তমান অৰ্থনিয়ন্ত্ৰিত সমাজ গাঁথনিত শিক্ষাৰ দৰে মহৎ উদ্দেশ্যও মূৰকত হৈছেগৈ লক্ষ্যৰ পৰা বিচ্যুত। মানৱীয় অনুভূতিশীলবোৰো হাতাশ হ'বলৈ বাধ্য হৈছে।

***<u>সপোনৰ সীমনাত ঃ (ইপাৰে)</u>***

মানুহে মৃত্যুৰ আগৰ মুহূৰ্ত্তলৈকে সপোন দেখে, আশা কৰে সপোনবোৰ বাস্তৱ হ'বলৈ। মৃত্যু অৰ্থাৎ শেষেও বোধ হয় আশা নকৰে হতাশাৰ দৰে বেদনাদায়ক অনুভৱক। দৃষ্টিৰ প্ৰসাৰতাৰ মাজত সেয়াই প্ৰিয়তম শব্দ-হতাশাৰ সীমনাৰ গানত বাজি ৰোৱা। হতাশা প্ৰতিজনৰে যৌৱনৰ সহচৰ। তেজ, ঘাম আৰু চকুলোৰে বালিচৰতো যিয়ে সপোন দেখিবলৈ নাপাহৰে তেওঁলোকে হতাশাক আশ্ৰয় নিদিয়ে। বিদ্ৰোহৰ দৰে তেওঁলোক গৰ্জি উঠে। তেওঁলোকৰ হাতত থাকে আশা নামৰ মৰণাস্ত্ৰ।

হতাশাৰ পৰাই জন্ম হয় সচেতনতাৰ। বাস্তৱৰ পৰা যিহেতু আশাৰ উপলব্ধি সেয়ে ই ৰূঢ় কঠিন। ইয়াক ভাস্কৰ সাজিবলৈ টান। কেৱল সচেতনতাৰ হাতুৰীৰে পিটি নিৰ্মাণ কৰা হয় শিল্পক। শিল্প মানেই কল্পনা। কল্পনা হ'ল আশাৰ স্বপ্ন। আৰু ই হতাশাৰ বিৰোধী খেলুৱৈ...........।।

(সহায় লৈ)

□□□

# অনুভৱৰ এক কলাজ- বন্ধু-বন্ধুত্ব

মাধবী শইকীয়া
স্নাতক তৃতীয় বাৰ্ষিক, ভূগোল বিভাগ

বন্ধুত্ব! ফেনীল শুভ্ৰ জোনাকবোৰৰ দৰে কোমল এক মায়াময় মধুৰ সম্বন্ধ, পৃথিৱীৰ কোনো কালিমাই স্পৰ্শ কৰিব নোৱাৰা এক পৱিত্ৰ সম্বন্ধ। যি সম্বন্ধ দুখন হৃদয়ৰ মাজত বিশ্বাস- সীমাহীন আন্তৰিকতা, মৰম, ভালপোৱা, শ্ৰদ্ধা, ভয়, ভক্তি নামৰ কিছুমান অনুভূতিৰ সংমিশ্ৰণত গঢ়ি উঠে। নিজৰ পাছতে যাক আটাইতকৈ বেছি ভালপাৱ পাৰি সেইজনেই হৈছে বন্ধু। সঁচায়ে কিযে এক মধুৰ সম্বন্ধ এই বন্ধুত্ব! যাৰ আগত উন্মুক্ত কৰি দিব পাৰি অতনিদনে ৰুদ্ধ কৰি থোৱা হৃতয়ৰ গুপুত কোঠালিবোৰ নিসংকোচেৰে কিন্তু সীমাহীন আস্থাৰে। যাৰ কান্ধত মুৰ থৈ জিৰাব পাৰি যন্ত্ৰণাৰে ভাৰাক্ৰান্ত মনৰ বোজা পাতল কৰি, যাৰ ওচৰত কন্দিব পাৰি নিসংকোচেৰে, ৰুদ্ধ কৰি থোৱা চকুলোৰ নিজৰাক হিয়া উজাৰি বৈ যাবলৈ দিব পাৰি। আনন্দৰ সময়ত প্ৰাণখুলি হাঁহিব পাৰি, পাহৰি যাব পাৰি বাস্তৱৰ কঠোৰতাক, সময়ৰ কৰ্কশতাক বন্ধুৰ অকণমানি সাহৰ্চযৰে। বন্ধুৱেই হৈছে একমাত্ৰ আস্থাৰ গৰাকী যাৰ ওচৰত দিব পাৰি জীৱনত পোৱা নোপোৱাৰ হিচাপবোৰ অকণমানো ইফাল সিফাল নকৰাকৈ। বন্ধু হৈছে এনে এক শক্তি যি শক্তিৰে মৰহি যাব খোজা আমাৰ পাপৰিবোৰক পুনৰ জীয়াই তুলিব পাৰি; কাল ধুমুহাই বাৰে বাৰে ভাঙি দিয়া আশাৰ বালিঘৰবোৰ আকৌ সজাই তুলিব পাৰি নতুন আশাৰ কিৰণেৰে। বন্ধু নামৰ এই উজ্জ্বল ৰথীৰ সহাসেৰে জীৱনৰ দীঘলীয়া যাত্ৰাপথত অজানিতে নামি অহা ঘোৰ তমসাক নেওচি আগুৱাব পাৰি বুকুত লৈ এবুকু সাহস, কেৱল বন্ধু নামৰ সম্বন্ধটোৰ অস্তিত্বক ভৰসা কৰি। যাৰ বাবে হাঁহি হাঁহি মৃত্যুকো ল'ব পাৰি আঁকোৱালি, যাক ভৰসা কৰি খোজ দিব পাৰি বিষময় কণ্টকৰ ওপৰেদি দুখত কাতৰ হোৱা হিয়া খনি যাৰ এযাৰ মাত্ৰ মাততে শাঁত পেলাব পাৰি সেইয়াই হৈছে বন্ধু, যাৰ পৰাই গঢ়ি উঠে বন্ধুত্ব নামৰ সুকোমল কিন্তু দৃঢ়, নিমজ নিৰ্মল সম্বন্ধটোৰ। সঁচায়ে বন্ধু তুমি মহান! তুমি পৃথিৱীৰ সলো সম্বন্ধৰ উৰ্দ্ধত। তুমিয়েই শক্তি, তুমিয়েই পোহৰ আন্ধাৰত আৰ্তজনৰ, তুমিয়েই জীৱন।

বন্ধু তোমালৈ শতকোটি প্ৰণাম!!

□□□

"সৎ ভাৱনা এটি প্ৰকাশ কৰা জনেই
বৌদ্ধিক স্বাধীনতাৰ সৈনিকৰ দলটোৰ এগৰাকী সদস্য"
— আৰ. এচ. ইংগাৰচোল।

নাটকঃ

# জীৱন থমকি নোৰোৱা হ'লে

ৰচনা - প্ৰিয়ংকা বৰা
স্নাতক তৃতীয় বৰ্ষ

(মঞ্চৰ সন্মুখৰ ফালে Receptionত অৰ্চিতা Fileলৈ কামত ব্যস্ত। তাৰকাষতে Nursing Stuffত টানিস্কা, ঊৰ্মি আৰু বাগ্মীতা কথাপতাত আৰু অন্যান্য কামত ব্যস্ত।) (ঊৰ্মি গান গায়)

অৰ্চিতা : আজি দেখিছো বৰ ফুৰ্তিবাজ Moodত আছা কিবা Special খবৰ আছে নেকি? টানিস্কা কথা দেখিছো গৰম কি কোৱা?

ঊৰ্মি : নাই, নাই বাইদেউ আমাৰোনো আৰু কি ভাল দিন আহিব। সেই একেই boring routine ৰাতিপুৱাই breakfast কৰি ওলোৱা আৰু দিনটো এই hospital ৰ কাম কৰা তাৰোপৰি night duty থাকিলেটো আজৰিয়েই নাই।

অৰ্চিতা : সঁচাকৈ, আজিকালি দিনবোৰ ইমান গতানুগতিক হৈ পৰিছে একেবাৰে আজৰি নাইকিয়া।

ঊৰ্মি : তাকে, আগতে যে ইমান ভাল আছিল। পুৰা আজাদি এই মন গলেই ওলাই আহি চিনেমা চালো, বজাৰ কৰিলো, ফুৰিলো কোনো চিন্তা নাই। আজিকালি hospitalৰ কামৰ পৰা সকলো পাহৰাৰ দৰেই হৈছে।

অৰ্চিতা : আই, ঐ দেহী বেচেৰী ফুৰিবলৈ নোপোৱাৰ বাবেইনো ইমান দুখ কৰিব লাগেনে? বাৰু ওলাবাচোন এদিন ভালকে shoppingও কৰিম আৰু চিনেমা এখনো hallত চাই আহিম। হবনে বাৰু?

টানিস্কা : বাইদেউ, মোৰ যিমানেই কাম নাথাকক। মই কিন্তু মোৰ favouriate serial কেইখন কেতিয়াও miss নকৰো, লাগিলে ৰাতি বাৰটাই বাজক। কাহিনী লাগিলে যেনেকুৱাই নহওঁক dress বোৰ কিন্তু বঢ়িয়া থাকে দেই।

ঊৰ্মি : মানে টানিস্কা তোমাৰ daily এঘণ্টা t.v.ত serial চোৱাৰ মুল উদ্দেশ্য কাপোৰহে নেকি?

টানিস্কা : সঁচাকৈ, কেতিয়াবা seiral বোৰৰ ঘটনাবোৰ দেখি মোৰ এনে লাগে যেন নিজেই গৈ serialৰ scriptটো অলপ শুধৰাই আহিম। কিযে আৰু kasautiত আগতে প্ৰেৰণাৰ প্ৰেম আছিল অনুৰাগৰ লগত আৰু আজি Mr. Bajajৰ wife.

অৰ্চিতা : অ', এইটো কেনেকুৱা কথা আকৌ তোমাৰ নিজৰে favouriate serialৰ বদনাম গাইছা। গাদদাৰী কৰিছা কিন্তু দেই।

বাগ্মীতা : যি কি নহওঁক বাইদেউ, মই কিন্তু boreহৈ গৈছো এই একেযোৰ uniformকে পিন্ধি। তাকো শুদ্ধ বগা। এই uniformযোৰৰ কাৰণেই এনে লাগে যেন জীৱনটোৰ ৰং নাইকীয়া হৈ গৈছে। কুৰিতে বুঢ়ী।

টানিস্কা : জানে, মোৰো কেতিয়াবা ইমান খং উঠে নতুন নতুন কাপোৰবোৰ বাকচত সাচোতেই গৈছে। এইযোৰৰ পৰা আন পিন্ধিবলে সময় পালেহে।

আৰ্চিতা : কিয় ? পিছবেলা যে specially ওলায় আহা তেতিয়াতো তোমাৰ ধুনীয়া ধুনীয়া dressবোৰ কামত আহে। নহয় জানো টানিস্কা ?

টানিস্কা : বাইদেউৰো আৰু কথা। (লাজ কৰি)

আৰ্চিতা : তোমালোকে যদি সঁচাকৈ এই uniform যোৰ ইমান বেয়া পোৱা। তেন্তে এটা কাম কৰা হওঁক hospital authority ক কৈ noursing uniform যোৰ ৰঙীন কৰি দিয়া হওঁক নিকি ? যেনে ৰঙা বা বেঙুনীয়া। তোমালোকৰতো নিশ্চয় আপত্তি নাই চাগে।

টানিস্কা : বাইদেউ আপুনিতো ঠাট্টা কৰিবই। সদায়ে আপুনি এখন এখন latest fashion ৰ শাৰী, মেখেলা চাদৰ পিন্ধিব পাৰে। কোনো restriction নাই। আমাৰহে ....

আৰ্চিতা : Hospital 'Srıstrit' আৰু Restriction নাই। Forget it. কাপোৰ পিন্ধাত freedom থাকিলেতো নহ'ব বাকী সকলো কামতো লোকৰ instruction মতেই কৰিব লগা হয়। আজি বোলো Dr. Prabhat ৰ কোনো বা relativeক admit কৰিবলৈ এটা special cabin book কৰা, আকৌ নহ'লে Dr. Illa ৰ কোনোবা patient ক..... কিমান চলিবা আৰু লোকৰ মতে fadup বুইছা। তোমালোকে কোৱা আকৌ মোৰ ভাল।

টানিস্কা : বাইদেউ কি জানে ? যেতিয়াৰ পৰা Dr. Prabhat নাম মানুহজন আহিছে, তেতিয়াৰে পৰা জীৱন দুৰ্বহ হৈ গৈছে। কিমান যে আৰু তেওঁৰ instruction, এইটো, সেইটো কৰা। ঠিক আছে বাৰু মানিলোহেতেন যদি তেওঁৰ কামবোৰ hospitalৰ হলহেতেন। কিন্তু সকলোবোৰযে তেওঁৰ private কাম।

অৰ্চিতা : একদম সঁচা কথা কৈছা, এই Hospitalত কাম কৰি লোকৰ কথা মতে চলাৰ অভ্যাস হ'ল বুলি ক'লেও মোৰ মতে ভুল নহ'ব নেকি ? আৰু এটা কথা সহজহৈ গ'ল 'Adjustment' এতিয়া যিকোনো situtation handle কৰিবলৈ সাজু। Afterall আমাৰতো duty এটাই Hospitalৰ rule ঠিকমতে পালন কৰা।

টানিস্কা : ।কদম শুদ্ধ কথা কৈছা private employ মানে Adjustment কৰিবই লাগিব। সদায়ে ঁউপস্থিত থাকিব লাগিব যিকোনো ধৰণৰ কামৰ বাবে। ধৰি ল'ব পাৰা totally ndependency শেষ। নকৰিলে যে নহ'বও।

অৰ্চিতা : তাৰ বাহিৰেতো আমাৰ উপায়ো নাই। দৰমহা লৈছো যেতিয়া কৰিবতো লাগিবই। (এনেতে টানিস্কা cell ring কৰে।)

টানিস্কা : Excuse me. (হাঁহি মাৰি লগৰ কেইজনীলৈ চাই।)

অৰ্চিতা : পাতা পাতা। Excuse কৰিব নালাগে। আমাৰফালৰ পৰাও Hi কৰি দিবা আৰু খবৰ খাতি ল'বলৈ নাপাহৰিবা কিন্তু।

টানিস্কা : হেল্ল, ..... কি কৰি আছিলা ? ...... অ' হয় নেকি ? ...... Sorry তুমি বেয়া নাপাবা, মই Hospitalত dutyত আছো। ........... অ' আজি night duty নাই ........ ঠিক আছে 6টা বজাত ..... sure আহিম। ........... এতিয়া তুমি ৰাখিবানে ? অলপ বাকী ৰাখাচোন লগ পালে নহ'লে কি পাতিবা ঠিক আছে। Bye.

আৰ্চিতা : ভালেনে বাৰু সেই ফালে টানিস্কা? সকলো ঠিকে ঠাকে আছেতো। কিবা খেলিমেলি হ'লে কবা আকৌ; আমি ঠিক কৰি দিম নহয়। আমিনো কিয় আছো? নহয় জানো।

টানিস্কা : (লাজ কৰি) এতিয়াতো গাড়ীখন ঠিকমতে চলি আছে ভৱিষ্যতৰ কথা ....... আশা ৰাখিছো ভাল হ'লেই হয়।

অৰ্চিতা : তোমাৰ ভৱিষ্যত জীৱন নিশ্চয় উজ্জ্বল হ'ব। খালি তুমি এটা কাম কৰিব লাগিব। সোধা আকৌ কি কাম?

টানিস্কা : ওঁ কি কাম ?

আৰ্চিতা : কামতো হ'ল, তোমাৰ 'তেওঁক' আমাক ভালকৈ এটা treat দি দিবলৈ কবা। বাকী সকলো আমাৰ আৰ্শীবাদত ঠিক হৈ যাব। বুইছা। নহয় জানো। (বাকী কেইগৰাকীলৈ চাই।)

টানিস্কা : (হাঁহি) খাব খাব। নিশ্চয় খাব। আপোনালোকক নোখোৱায়নো কাক খুৱাব।

বাগ্মীতা : আজিকালিতো টানিস্কাৰ সকলো দিশে ভালেই। আমাকহে ভগৱানে চকুমেলি নোচোৱা হ'ল।

অৰ্চিতা : চিন্তা নকৰিবা। চাব, চাব তোমালোককো তেওঁ নিশ্চয় চাব। মানে, ভালকে অলপ পূজা পাতল কৰিবা, যেনে সোমবাৰে শিৱব্ৰত ৰাখিবা। ৰূপে গুণে পাৰ্গত ছোৱালী যেতিয়া ভগৱানে তোমাৰ মনোকামনা নিশ্চয় পূৰণ কৰিব। 'তথাস্তুঃ'

বাগ্মীতা : ক'তনো বাইদেউ, অ'তদিনে দেখোন মনোকামনা পুৰণ হোৱাৰ একো আশাই দেখা নাই।

টানিস্কা : বেচেৰী, ইমান মন নামাৰিবাচোন। আমি আছো নহয়।

(সকলোৰে ইজনীয়ে সিজনীলৈ চাই হাঁহে। এগৰাকী মহিলা reception counterৰ দিশে আহে। আৰ্চিতা নিজৰ counterৰ ফালে আগবাঢ়ি যায়।)

মহিলা : Excuse me, বিনন্দ হাজৰিকা কোনটো room ত আছে অলপ চাই দিব নেকি?

অৰ্চিতা : আপুনি তেখেতৰ কোন হয় ?

মহিলা : মই মানে, তেখেতৰ ভনীয়েক হওঁ। room no টো ক'ব নেকি?

অৰ্চিতা : ৰ'বচোন ৰ'ব আপুনি ইমান খৰধৰ নকৰিব। অলপ আগতে এজন মানুহে তেওঁক দেখা কৰিবলৈ গৈছে। আচলকথা hospital rule মতে একেজন ৰোগীক দেখা কৰিবলৈ ইমান মানুহক একেদিনাই দিয়া নহয়।

মহিলা : মই বহুত দূৰৰ পৰা আহিছো। এই বিষয়ে মই নাজানো যে। আপুনি অনুগ্ৰহ কৰি অলপ সময়ৰ বাবে লগ কৰিবলৈ দিব নোৱাৰিব নেকি?

অৰ্চিতা : (register লুটিয়াই) আপুনি দূৰৰ পৰা অহা বুলি কোৱাতহে যাবলৈ দিছো। এইটো rule নহয়। তেখেত room নং 24ত আছে।

মহিলা : বেয়া নাপায় যদি অলপ দেখুৱাই দিব নেকি? কোনফালে যাব লাগিব।

অৰ্চিতা : এইফালে গৈ কৰিডৰে চিধা গৈ থাকিব। বাওঁহাতে চিৰিৰে উঠি প্ৰথম ৰুমটোৱেই। তাত room নং লিখা আছে। বেছি সময় লগ কৰিবলৈ দিয়া নহয় আপুনি অলপ সোনকালে আহিব।

মহিলা ঃ ধন্যবাদ (পিছফালৰ দুৱাৰে ওলায় যায়।)

অৰ্চিতা ঃ (বিৰক্তিৰে) মানুহবোৰৰো যে কাম আৰু। একেজন মানুহকে চাবলৈ দিনটোত কিমাননো মানুহ নাহে বৰ অশান্তি কৰিব পাৰে কিন্তু।

টানিস্কা ঃ বাইদেউ সম্ভৱ hospital নহয় চিৰিয়াখানা বুলিয়ে ভাবি লয় নেকি? সেইকাৰণে ইজনৰ পাছত সিজন জন্তু চাবলৈ অহাদি আহিয়ে থাকে। আৰু disturb কৰি থাকে আমাক।

আৰ্চিতা ঃ Correct বৰ অশান্তিকৰ কিন্তু দেই। চাকৰি কৰাৰ মজা উলিয়াই দিয়ে। আজিতো অলপ বাৰুৰে। আনদিনাটো আৰু চাৰ্। (পিছৰ দুৱাৰেদি এজনী ছোৱালী noursing stuff ৰ ফালে সোমায় আহে।)

ছোৱালী ঃ ( noursing stuff ৰ সন্মুখত ৰৈ) অলপ শুনকচোন।

টানিস্কা ঃ অলপ নহয় পুৰাই শুনিম কোৱাচোন কি ক'ব খুজিছা?

ছোৱালী ঃ মানে, বহুত দেৰিৰ আগতেই Doctorৰে বাইদেউক injectionটো দিবলৈ কৈছিল। আৰু এতিয়াতো বহুত সময় হ'ল। আপোনালোকৰ কোনোবা এগৰাকী অলপ আহিব নি? Injectionটো দিবৰ বাবে।

টানিস্কা ঃ দিয়াতো বাৰু আমি দি দিম। তোমালোক কিয় বাৰেপতি আহি থকা। আমাক আমাৰ duty সোঁৰৰাই থাকিবলৈ। আমি আমাৰ কাম জানো নহয়। তাৰোপৰি এইটোতো lunch hour.

ছোৱালী ঃ আপোনালোকে please বেয়া নাপাব মই মনত পেলাই দিও বুলিহে আহিলো। তাৰোপৰি সময়মতে injection নিদিলে কিবা অসুবিধা হয় বুলি ভয় লাগিল।

টানিস্কা ঃ (বিৰক্তিৰে) হ'ব বাৰু যোৱা। আমি গৈ আছো। আৰু শুনা, বাৰেপতি আহি ইয়াত disturb কৰি নাথাকিবা। আমাৰ দায়িত্ব আমি নিশ্চয় পালন কৰিব।

ছোৱালী ঃ Thank you, আহিছো বাইদেউ (ভিতৰলৈ সোমায় যায়।)

টানিস্কা ঃ বাগ্মীতা অলপ চাই আহাগে যোৱাচোন কি কৰিব লাগে। নহ'লে আকৌ ইয়াত আহি হুলস্থুল কৰি থাকিবহি।

বাগ্মীতা ঃ মানুহবোৰৰো যে কিমান অভিযোগ। হ'ব বাৰু চাই আহোগে কিনো কৰিব লাগে। (পুনৰ পিছলৈ ঘূৰি কিবা পাহৰাৰ দৰে মূৰত মাৰি)। ইছ, পাহৰিছিলোৱেই। অ' শুনা মই নহালৈকে lunch নকৰিবা দেই। মই আজি তোমালোকৰ কাৰণে specially কি বনাই আনিছো জানা!

টানিস্কা ঃ কি আনিছা ? কোৱা না।

বাগ্মীতা ঃ তোমালোকৰ favourate pau-bhaji.

টানিস্কা ঃ Owh, কি testy, তোমাৰ হাতৰ pau-bhaji আমি কিন্তু ৰৈ আছো সোনকালে আহিবা।

বাগ্মীতা ঃ নিশ্চয়। (পিছফালৰ দুৱাৰে সোমায় যায়।) (সকলো নিজৰ কামত ব্যস্ত। এনেতে এগৰাকী মহিলা সন্মুখৰ দুৱাৰে সোমায় আহে। তেওঁৰ হাতত আৰু গাত তেজৰ দাগ। কান্দি-কাটি বাউলী, অতি উত্তেজিত হৈ।)

মহিলা ঃ (প্ৰায় উধাতু খায়।) ডাক্তৰ, ডাক্তৰ, চিষ্টাৰ কোন আছে (Pronima লৈ চাই) মোৰ ছোৱালীজনীক বচাওক। সোনকালে ডাক্তৰ মাতক। তাইৰ বহুত bleeding হৈছে। Please তাইক বচাওক। কোনোবাই strature আনা। মোৰ ৰিচা ....... (কান্দিবলৈ ধৰে।)

অৰ্চিতা ঃ ৰ'বচোন ৰ'ব, আপুনি নাকান্দিব। মোক অলপ ভালকৈ বুজাই কওকচোন কাৰ কি হৈছে।

মহিলা ঃ ৰিচাৰ ওচৰত সময় নাই। আপুনি সোনকালে ডাক্তৰক মাতক। সোনকালে কৰকচোন।

অৰ্চিতা ঃ ৰিচা বা কোন ? আপুনি আমাক case টোৰ বিষয়ে ভালকৈ বুজাই নক'লে, আমি কেনেকৈ বুজি পাম।

মহিলা ঃ (কান্দি) তাইৰ ...........। মোৰ ছোৱালী ৰিচা। তাইৰ accident হৈছে। তাইৰ serious condition তাই ব.....ব.....হুত দুখ পাইছে। এতিয়াতো আপুনি ডাক্তৰক মাতক।

অৰ্চিতা ঃ Accident হৈছে যদি, এইটোতো এটা Police Case. Police ক inform কৰিব লাগিব। Police আহি investigation কৰাৰ পাছতহে আমি আপোনাৰ ছোৱালীক admit কৰিব পাৰিম। বৰ্তমান আপুনি Hospital ৰ এই form কেইখন Fill-up কৰি দিয়কচোন।

মহিলা ঃ আপুনি বুজা নাই ..... ৰিচাৰ ওচৰত ৰ'ব পৰাকৈ সময় নাই। হে ভগৱান মোৰ ৰিচাক বচোৱা। মোৰ কণমানি ছোৱালীজনীলৈ চকুমেলি চোৱা।

অৰ্চিতা ঃ আপুনি অধৈৰ্য্য নহ'বচোন। মোৰ হাতত থকা হলে, মই আপোনাৰ ছোৱালীক admit কাৰ দিলোহেতেঁন। সিমানখিনি মানৱীয়তা মোৰো আছে। কিন্তু আমিতো Hospital ৰ সাধাৰণ employee হে আমাৰ Hospital ৰ rule আৰু আইন ভাঙিব পৰা ক্ষমতা নাই নহয়। আপোনাৰ ছোৱালীৰ প্ৰতি আমাৰ নিশ্চয় সহানুভূতি আছে।

মহিলা ঃ আপোনাক মোৰ ছোৱালীজনী ........ মোৰ ৰিচাৰ জীৱনৰ ভিক্ষা মাগিছো ......। মোক অকণমান সহায় কৰকচোন (তলত বহি) মোৰ ৰিচাক বচাওক। মোক উপকাৰ কৰক। (কান্দি)

অৰ্চিতা ঃ (তলৰ পৰা উঠুৱাই এখন চকীত বহিবলৈ দি কয়)। ঠিক আছে আপুনি অধৈৰ্য্য নহ'বচোন। (এগিলাচ পানী আগবঢ়াই।) মই ডাক্তৰৰ লগত কথাপাতি চাওঁচোন কি কৰিব পৰা যায়। আপুনি অলপ ৰ'ব। (ৰিচিভাৰ লৈ number dial কৰে ............ হেল্ল বাইদেউ এটা emergency case আহিছে............. বাইদেউ accident case......... নহয় বাইদেউ সৰু ছোৱালী। আপুনি আহিব নি বাৰু? ঠিক আছে বাইদেউ ৰাখিছো। (ফোনৰ ৰিচিভাৰ থৈ।)

অৰ্চিতা ঃ আপুনি চিন্তা নকৰিব Dr. আহি আছে।
(এনেতে Dr. Ujaini সোমায় আহে।)

উজইনী ঃ ................. কোৱাচোন অৰ্চিতা case টো কেনেধৰণৰ ?

অৰ্চিতা ঃ বাইদেউ এওঁৰ ছোৱালী ৰিচাৰ accident হৈছে তাই গুৰুত্বৰ ভাৱে দুখ পাইছে।

উজইনী ঃ আপুনি অহা কিমান সময় হ'ল ?

মহিলা ঃ বহুত ............. সময় হ'ল, এওঁক বুজাওতে বাইদেউ মোৰ ৰিচাক বচাওক। তাইৰ কিবা হ'লে মই জীয়াই থাকিব নোৱাৰিম Please আপুনি তাইক বচাওক। (Dr. ৰ হাতত ধৰি।)

উজইনী ঃ Nurse তোমালোকে immediately ছোৱালীজনী Operation theater লৈ shift কৰা hurry up আৰু অৰ্চিতা তুমি এওঁৰ পৰা formality বোৰ কৰাই লোৱা। আপুনি চিন্তা নকৰিব মোৰ হাতত যিমানখিনি আছে মই নিশ্চয় কৰিম।

(ডাক্তৰ ভিতৰলৈ সোমায় যায়। অৰ্চিতা মহিলাৰ ফালে আগবাঢ়ি আহি।)

অৰ্চিতা ঃ আপুনি মোক ভুল নুবুজিব। আমাক যিধৰণে Hospital Authority য়ে কৰিবলৈ আদেশ কৰিছে আমি তেনেধৰণেই কামবোৰ কৰিব লাগিব। আপুনি (form কেইখন আগবঢ়াই) এইকেইখন form fill up কৰি দিয়ক। তেতিয়াহে Operation সোনকালে আৰম্ভ কৰিব পাৰিব।

মহিলা ঃ (Form কেইখন লৈ fill up কৰি) মই ৰিচাৰ ওচৰলৈ যাব পাৰিম নেকি? মোক লৈ যাওঁকচোন তাইৰ ওচৰলৈ।

অৰ্চিতা ঃ আপুনি অলপ ধৈৰ্য্য ধৰি থাককচোন। ডাক্তৰ Ujaini এই Hospital ৰ senior surgon। আপোনাৰ ৰিচাৰ প্ৰাণ তেওঁ নিশ্চয় ৰক্ষা কৰিব পাৰিব।

মহিলা ঃ ভগৱান মোৰ ৰিচাৰ প্ৰাণ ৰক্ষা কৰা। অনুগ্ৰহ কৰি মোক ৰিচাৰ ওচৰলৈ লৈ বলকচোন। বহুত সময় হ'ল .......... তাইক মই চাব বিচাৰো।

অৰ্চিতা ঃ Operation theater ত Operation চলি আছে। O.T. লৈ আপুনি যাব নোৱাৰিব নহয়। আপুনি বিশ্বাস ৰাখক Dr. Ujaini আৰু ভগৱানৰ ওপৰত তেওঁলোকে আপোনাৰ ৰিচাক নিশ্চয় বচাব।

মহিলা ঃ ইমান সময় হ'ল। আপুনি খবৰ কৰকচোন। মোৰ কিন্তু ভয় লাগিছে। মোৰ ৰিচা আপুনি কিবা এটা কৰক।

অৰ্চিতা ঃ "ৰাখে হৰি মাৰে কোনে" বুলি কথা এষাৰ আছে নহয়। আপুনি চিন্তা নকৰিব তাইৰ একো নহয়। তাই আকৌ আগৰদৰেই আপোনাৰ কাষত থাকিব।

মহিলা ঃ মনলৈ বেয়া ভাৱবোৰ আহি আছে। মই তাইক নিজ চকুৰে এবাৰ চাব বিচাৰিছিলো।

অৰ্চিতা ঃ অকনমান সময় বাট চাওকচোন Operation শেষ হ'লে, আপুনি তাইক লগ কৰিব পাৰিব। তাইৰ দেউতাক নাই অহা যে? আৰু ঘৰৰ বাকী কোনো সদস্য অহা নাই কিয়?

মহিলা ঃ ৰিচাৰ দেউতাকৰ Transfer হোৱাৰ বাবে তেওঁ গুজৰাটত থাকে। ইয়াততো ৰিচা আৰু মইয়ে থাকো। তাইৰে মোৰ লগ।

অৰ্চিতা ঃ আপুনি তাইৰ দেউতাকক খবৰ দিলেনে?

মহিলা ঃ কি বুলি তেওঁক খবৰ দিম। যোৱাকালি তেওঁৰ লগত ফোনত কথা পাতোতে কৈছিল, "মই ৰিচালৈ বহুত খেলনা আৰু পুতলা কিনিছো। এইবাৰ গ'লে, তাইক surprise দিম।" কেনেকৈ তেওঁক কওঁ? তেওঁৰ একমাত্ৰ সন্তান জীৱন আৰু মৃত্যুৰ দোমোজাত। কেনেকৈ কওঁ? (কান্দি)

অৰ্চিতা ঃ ৰিচাৰ accident গাড়ীৰে হৈছিল নেকি?

মহিলা ঃ মোৰ মুখৰ আগতেই মোৰ ৰিচাক গাড়ীখনে খুন্দিয়াই থৈ গ'ল, আৰু মই একো একো কৰিব

নোৱৰিলো। সাৰি গ'ল সিহঁত আৰু মই ততেই ধৰিব নোৱাৰিলো। এতিয়া মই কি কৰো মোৰ ৰিচাৰ কি হ'ব। হে, প্ৰভু মোৰ একমাত্ৰ সন্তানটিৰ প্ৰাণ ৰক্ষা কৰা।

অৰ্চিতা : আপুনি বিশ্বাস ৰাখক ভগৱানৰ ওপৰত, যি আপোনাৰ নিৰ্দোষী ৰিচাৰ এই অৱস্থা কৰিছে সিহঁতে নিশ্চয় ইয়াৰ শাস্তি ভুগিব লাগিব। সিহঁতক ভগৱানে কেতিয়াও ক্ষমা নকৰে।

(পিছফালৰ দুৱাৰে দি টনিস্কা সোমাই আহে)

টনিস্কা : ছোৱালীজনীৰ Blood বহুত গৈছে।

মহিলা : কি?

টনিস্কা : এতিয়া আৰু Blood ৰ প্ৰয়োজন। আপুনি Blood Bank ৰ লগত Contact কৰক চোন, Blood group B+

অৰ্চিতা : (ফোনৰ ৰিচিভাৰ ধৰি) হেল্ল, Blood Bank........ হয় মই Hospital Sristri ৰ পৰা কৈছো। আপোনালোকৰ B+ Blood ৰ stock আছেনে? ...... হয় 1 bottol ৰ প্ৰয়োজন। .......... অলপ সোনকালে arrange কৰিব case টো serious........ Thank you, Blood পোৱা যাব।

(পিছৰ দুৱাৰে ডাক্তৰ Ujaini সোমাই আহে।)

মহিলা : (উধাতু খাই) ডাক্তৰ, মোৰ ৰিচা। তাই ঠিকে আছেনে ডাক্তৰ? আপুনি মনে মনে কিয় আছে। নকয় কিয় মোৰ ৰিচা ক'ত?

উজইনী : Sorry, I am very sorry. I failed.

মহিলা : কি? .......... কি কৈছে আপুনি?

উজইনী : মোক বেয়া নাপাব মই আপোনাৰ ছোৱালীজনী বচাব নোৱাৰিলো।

মহিলা : এইটো হ'ব নোৱাৰে। মোৰ ছোৱালী ............ মোৰ কণমানি পুতলাজনী কেতিয়াও মৰিব নোৱাৰে। মিছা কথা। চব মিছা কথা।

উজইনী : চক Mrs. Bordoloy যদি মই অলপ সময়ৰ আগতে তাই পোৱা হ'লে হয়তো?........ কিন্তু এতিয়া আৰু উপায় নাই Sorry.

মহিলা : (কান্দিবলৈ) কিয় মোৰ ৰিচাক অলপ সময় নিদিলে............. কিয় মোৰ পুতলাক বচাব নোৱাৰিলে।

❑❑❑

মহিলা : ধন্যবাদ (পিছফালৰ দুৱাৰে ওলায় যায়।)

অৰ্চিতা : (বিৰক্তিৰে) মানুহবোৰৰো যে কাম আৰু। একেজন মানুহকে চাবলৈ দিনটোত কিমাননো মানুহ নাহে বৰ অশান্তি কৰিব পাৰে কিন্তু।

টানিস্কা : বাইদেউ সম্ভৱ hospital নহয় চিৰিয়াখানা বুলিয়ে ভাবি লয় নেকি? সেইকাৰণে ইজনৰ পাছত সিজন জন্তু চাবলৈ অহাদি আহিয়ে থাকে। আৰু disturb কৰি থাকে আমাক।

আৰ্চিতা : Correct বৰ অশান্তিকৰ কিন্তু দেই। চাকৰি কৰাৰ মজা উলিয়াই দিয়ে। আজিতো অলপ বাৰুৰে। আনদিনাটো আৰু চাৰ। (পিছৰ দুৱাৰেদি এজনী ছোৱালী noursing stuff ৰ ফালে সোমায় আহে।)

ছোৱালী : ( noursing stuff ৰ সন্মুখত ৰৈ) অলপ শুনকচোন।

টানিস্কা : অলপ নহয় পুৰাই শুনিম কোৱাচোন কি ক'ব খুজিছা?

ছোৱালী : মানে, বহুত দেৰিৰ আগতেই Doctorৰে বাইদেউক injectionটো দিবলৈ কৈছিল। আৰু এতিয়াতো বহুত সময় হ'ল। আপোনালোকৰ কোনোবা এগৰাকী অলপ আহিব নি? Injectionটো দিবৰ বাবে।

টানিস্কা : দিয়াতো বাৰু আমি দি দিম। তোমালোক কিয় বাৰেপতি আহি থকা। আমাক আমাৰ duty সোঁৰৱাই থাকিবলৈ। আমি আমাৰ কাম জানো নহয়। তাৰোপৰি এইটোতো lunch hour.

ছোৱালী : আপোনালোকে please বেয়া নাপাব মই মনত পেলাই দিও বুলিহে আহিলো। তাৰোপৰি সময়মতে injection নিদিলে কিবা অসুবিধা হয় বুলি ভয় লাগিল।

টানিস্কা : (বিৰক্তিৰে) হ'ব বাৰু যোৱা। আমি গৈ আছো। আৰু শুনা, বাৰেপতি আহি ইয়াত disturb কৰি নাথাকিবা। আমাৰ দায়িত্ব আমি নিশ্চয় পালন কৰিব।

ছোৱালী : Thank you, আহিছো বাইদেউ (ভিতৰলৈ সোমায় যায়।)

টানিস্কা : বাগ্মীতা অলপ চাই আহাগে যোৱাচোন কি কৰিব লাগে। নহ'লে আকৌ ইয়াত আহি হুলস্থুল কৰি থাকিবহি।

বাগ্মীতা : মানুহবোৰৰো যে কিমান অভিযোগ। হ'ব বাৰু চাই আহোগে কিনো কৰিব লাগে। (পুনৰ পিছলৈ ঘূৰি কিবা পাহৰাৰ দৰে মূৰত মাৰি)। ইছ, পাহৰিছিলোৱেই। অ' শুনা মই নহালৈকে lunch নকৰিবা দেই। মই আজি তোমালোকৰ কাৰণে specially কি বনাই আনিছো জানা!

টানিস্কা : কি আনিছা ? কোৱা না।

বাগ্মীতা : তোমালোকৰ favourate pau-bhaji.

টানিস্কা : Owh, কি testy, তোমাৰ হাতৰ pau-bhaji আমি কিন্তু ৰৈ আছো সোনকালে আহিবা।

বাগ্মীতা : নিশ্চয়। (পিছফালৰ দুৱাৰে সোমায় যায়।) (সকলো নিজৰ কামত ব্যস্ত। এনেতে এগৰাকী মহিলা সন্মুখৰ দুৱাৰে সোমায় আহে। তেওঁৰ হাতত আৰু গাত তেজৰ দাগ। কান্দি-কাটি বাউলী, অতি উত্তেজিত হৈ।)

মহিলা : (প্ৰায় উধাতু খায়।) ডাক্তৰ, ডাক্তৰ, চিষ্টাৰ কোন আছে (Pronima লৈ চাই) মোৰ ছোৱালীজনীক বচাওক। সোনকালে ডাক্তৰ মাতক। তাইৰ বহুত bleeding হৈছে। Please তাইক বচাওক। কোনোবাই strature আনা। মোৰ ৰিচা ....... (কান্দিবলৈ ধৰে।)

অৰ্চিতা : ৰ'বচোন ৰ'ব, আপুনি নাকান্দিব। মোক অলপ ভালকৈ বুজাই কওকচোন কাৰ কি হৈছে।

মহিলা : ৰিচাৰ ওচৰত সময় নাই। আপুনি সোনকালে ডাক্তৰক মাতক। সোনকালে কৰকচোন!

অৰ্চিতা : ৰিচা বা কোন ? আপুনি আমাক case টোৰ বিষয়ে ভালকৈ বুজাই নক'লে, আমি কেনেকৈ বুজি পাম।

মহিলা : (কান্দি) তাইৰ ...........। মোৰ ছোৱালী ৰিচা। তাইৰ accident হৈছে। তাইৰ serious condition তাই ব.....ব.....হুত দুখ পাইছে। এতিয়াতো আপুনি ডাক্তৰক মাতক।

অৰ্চিতা : Accident হৈছে যদি, এইটোতো এটা Police Case. Police ক inform কৰিব লাগিব। Police আহি investigation কৰাৰ পাছতহে আমি আপোনাৰ ছোৱালীক admit কৰিব পাৰিম। বৰ্তমান আপুনি Hospital ৰ এই form কেইখন Fill-up কৰি দিয়কচোন।

মহিলা : আপুনি বুজা নাই ..... ৰিচাৰ ওচৰত ৰ'ব পৰাকৈ সময় নাই। হে ভগৱান মোৰ ৰিচাক বচোৱা। মোৰ কণমানি ছোৱালীজনীলৈ চকুমেলি চোৱা।

অৰ্চিতা : আপুনি অধৈৰ্য্য নহ'বচোন। মোৰ হাতত থকা হলে, মই আপোনাৰ ছোৱালীক admit কৰি দিলোহেতেন। সিমানখিনি মানৱীয়তা মোৰো আছে। কিন্তু আমিতো Hospital ৰ সাধাৰণ employee হে আমাৰ Hospital ৰ rule আৰু আইন ভাঙিব পৰা ক্ষমতা নাই নহয়। আপোনাৰ ছোৱালীৰ প্ৰতি আমাৰ নিশ্চয় সহানুভূতি আছে।

মহিলা : আপোনাক মোৰ ছোৱালীজনী ........ মোৰ ৰিচাৰ জীৱনৰ ভিক্ষা মাগিছো ......। মোক অকণমান সহায় কৰকচোন (তলত বহি) মোৰ ৰিচাক বচাওক। মোক উপকাৰ কৰক। (কান্দি)

অৰ্চিতা : (তলৰ পৰা উঠুৱাই এখন চকীত বহিবলৈ দি কয়)। ঠিক আছে আপুনি অধৈৰ্য্য নহ'বচোন। (এগিলাচ পানী আগবঢ়াই।) মই ডাক্তৰৰ লগত কথাপাতি চাওঁচোন কি কৰিব পৰা যায়। আপুনি অলপ ৰ'ব। (ৰিচিভাৰ লৈ number dial কৰে ............ হেল্ল বাইদেউ এটা emergency case আহিছে.............. বাইদেউ accident case......... নহয় বাইদেউ সৰু ছোৱালী। আপুনি আহিব নি বাৰু? ঠিক আছে বাইদেউ ৰাখিছো। (ফোনৰ ৰিচিভাৰ থৈ।)

অৰ্চিতা : আপুনি চিন্তা নকৰিব Dr. আহি আছে।
(এনেতে Dr. Ujaini সোমায় আহে।)

উজইনী : ................ কোৱাচোন অৰ্চিতা case টো কেনেধৰণৰ ?

অৰ্চিতা : বাইদেউ এওঁৰ ছোৱালী ৰিচাৰ accident হৈছে তাই গুৰুত্বৰ ভাৱে দুখ পাইছে।

উজইনী : আপুনি অহা কিমান সময় হ'ল ?

মহিলা : বহুত ............. সময়ে হ'ল, এওঁক বুজাওতে বাইদেউ মোৰ ৰিচাক বচাওক। তাইৰ কিবা হ'লে মই জীয়াই থাকিব নোৱাৰিম Please আপুনি তাইক বচাওক। (Dr. ৰ হাতত ধৰি।)

উজইনী : Nurse তোমালোকে immediately ছোৱালীজনী Operation theater লৈ shift কৰা hurry up আৰু অৰ্চিতা তুমি এওঁৰ পৰা formality বোৰ কৰাই লোৱা। আপুনি চিন্তা নকৰিব মোৰ হাতত যিমানখিনি আছে মই নিশ্চয় কৰিম।

(ডাক্তৰ ভিতৰলৈ সোমায় যায়। অৰ্চিতা মহিলাৰ ফালে আগবাঢ়ি আহি।)

অৰ্চিতা : আপুনি মোক ভুল নুবুজিব। আমাক যিধৰণে Hospital Authority য়ে কৰিবলৈ আদেশ কৰিছে আমি তেনেধৰণেই কামবোৰ কৰিব লাগিব। আপুনি (form কেইখন আগবঢ়াই) এইকেইখন form fill up কৰি দিয়ক। তেতিয়াহে Operation সোনকালে আৰম্ভ কৰিব পাৰিব।

মহিলা : (Form কেইখন লৈ fill up কৰি) মই ৰিচাৰ ওচৰলৈ যাব পাৰিম নেকি? মোক লৈ যাওঁকচোন তাইৰ ওচৰলৈ।

অৰ্চিতা : আপুনি অলপ ধৈৰ্য্য ধৰি থাককচোন। ডাক্তৰ Ujaini এই Hospitalৰ senior surgon। আপোনাৰ ৰিচাৰ প্ৰাণ তেওঁ নিশ্চয় ৰক্ষা কৰিব পাৰিব।

মহিলা : ভগৱান মোৰ ৰিচাৰ প্ৰাণ ৰক্ষা কৰা। অনুগ্ৰহ কৰি মোক ৰিচাৰ ওচৰলৈ লৈ বলকচোন। বহুত সময় হ'ল ........... তাইক মই চাব বিচাৰো।

অৰ্চিতা : Operation theater ত Operation চলি আছে। O.T. লৈ আপুনি যাব নোৱাৰিব নহয়। আপুনি বিশ্বাস ৰাখক Dr. Ujaini আৰু ভগৱানৰ ওপৰত তেওঁলোকে আপোনাৰ ৰিচাক নিশ্চয় বচাব।

মহিলা : ইমান সময় হ'ল। আপুনি খবৰ কৰকচোন। মোৰ কিন্তু ভয় লাগিছে। মোৰ ৰিচা আপুনি কিবা এটা কৰক।

অৰ্চিতা : "ৰাখে হৰি মাৰে কোনে" বুলি কথা এষাৰ আছে নহয়। আপুনি চিন্তা নকৰিব তাইৰ একো নহয়। তাই আকৌ সগৰদৰেই আপোনাৰ কাষত থাকিব।

মহিলা : মনলৈ বেয়া ভাৱবোৰ আহি আছে। মই তাইক নিজ চকুৰে এবাৰ চাব বিচাৰিছিলো।

অৰ্চিতা : অকনমান সময় বাট চাওকচোন Operation শেষ হ'লে, আপুনি তাইক লগ কৰিব পাৰিব। তাইৰ দেউতাক নাই অহা যে? আৰু ঘৰৰ বাকী কোনো সদস্য অহা নাই কিয়?

মহিলা : ৰিচাৰ দেউতাকৰ Transfer হোৱাৰ বাবে তেওঁ গুজৰাটত থাকে। ইয়াততো ৰিচা আৰু মইয়ে থাকো। তাইহে মোৰ লগ।

অৰ্চিতা : আপুনি তাইৰ দেউতাকক খবৰ দিলেনে?

মহিলা : কি বুলি তেওঁক খবৰ দিম। যোৱাকালি তেওঁৰ লগত ফোনত কথা পাতোতে কৈছিল, "মই ৰিচালৈ বহুত খেলনা আৰু পুতলা কিনিছো। এইবাৰ গ'লে, তাইক surprise দিম।" কেনেকৈ তেওঁক কওঁ? তেওঁৰ একমাত্ৰ সন্তান জীৱন আৰু মৃত্যুৰ দোমোজাত। কেনেকৈ কওঁ? (কান্দি)

অৰ্চিতা : ৰিচাৰ accident গাড়ীৰে হৈছিল নেকি?

মহিলা : মোৰ মুখৰ আগতেই মোৰ ৰিচাক গাড়ীখনে খুন্দিয়াই থৈ গ'ল, আৰু মই একো একো কৰিব

নোৱৰিলো। সাৰি গ'ল সিহঁত আৰু মই ততেই ধৰিব নোৱাৰিলো। এতিয়া মই কি কৰো মোৰ ৰিচাৰ কি হ'ব। হে, প্ৰভু মোৰ একমাত্ৰ সন্তানটিৰ প্ৰাণ ৰক্ষা কৰা।

অৰ্চিতা ঃ আপুনি বিশ্বাস ৰাখক ভগৱানৰ ওপৰত, যি আপোনাৰ নিৰ্দোষী ৰিচাৰ এই অৱস্থা কৰিছে সিহঁতে নিশ্চয় ইয়াৰ শাস্তি ভুগিব লাগিব। সিহঁতক ভগৱানে কেতিয়াও ক্ষমা নকৰে।

(পিছফালৰ দুৱাৰে দি টনিস্কা সোমাই আহে)

টনিস্কা ঃ ছোৱালীজনীৰ Blood বহুত গৈছে।

মহিলা ঃ কি?

টনিস্কা ঃ এতিয়া আৰু Blood ৰ প্ৰয়োজন। আপুনি Blood Bank ৰ লগত Contact কৰক চোন, Blood group B+

অৰ্চিতা ঃ (ফোনৰ ৰিচিভাৰ ধৰি) হেল্ল, Blood Bank........ হয় মই Hospital Sristri ৰ পৰা কৈছো। আপোনালোকৰ B+ Blood ৰ stock আছেনে? ...... হয় 1 bottol ৰ প্ৰয়োজন। .......... অলপ সোনকালে arrange কৰিব case টো serious........ Thank you, Blood পোৱা যাব।

(পিছৰ দুৱাৰে ডাক্তৰ Ujaini সোমাই আহে।)

মহিলা ঃ (উধাতু খাই) ডাক্তৰ, মোৰ ৰিচা। তাই ঠিকে আছেনে ডাক্তৰ? আপুনি মনে মনে কিয় আছে। নকয় কিয় মোৰ ৰিচা ক'ত?

উজইনী ঃ Sorry, I am very sorry. I failed.

মহিলা ঃ কি? .......... কি কৈছে আপুনি?

উজইনী ঃ মোক বেয়া নাপাব মই আপোনাৰ ছোৱালীজনী বচাব নোৱাৰিলো।

মহিলা ঃ এইটো হ'ব নোৱাৰে। মোৰ ছোৱালী ........... মোৰ কণমানি পুতলাজনী কেতিয়াও মৰিব নোৱাৰে। মিছা কথা। চব মিছা কথা।

উজইনী ঃ চক Mrs. Bordoloy যদি মই অলপ সময়ৰ আগতে তাই পোৱা হ'লে হয়তো?........ কিন্তু এতিয়া আৰু উপায় নাই Sorry.

মহিলা ঃ (কান্দিবলৈ) কিয় মোৰ ৰিচাক অলপ সময় নিদিলে............. কিয় মোৰ পুতলাক বচাব নোৱাৰিলে।

❑❑❑

# নামঘৰ আৰু অসমীয়া গ্ৰাম্য সমাজ

— গীতাশ্ৰী দেৱী
স্নাতক তৃতীয় বৰ্ষ




আৰম্ভনি ঃ

"ত্ৰিভূবন বন্দন দৈৱকী নন্দন
মোহাৰি মাৰল কংস।
জগজন তাৰণ দেৱ নাৰায়ণ
শংকৰ তাকেৰি অংশ।" (- মাধৱদেৱ)

অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ধৰ্ম সংস্কৃতিৰ গুৰু, ভাষা সাহিত্যৰ গুৰু, সংগীত নাটকৰ গুৰু, সমাজ সংস্কাৰৰৰ গুৰু, অসমীয়া জাতিৰ গুৰু, গুৰুৰো গুৰু, জগত গুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ প্ৰভূলৈ শতকোটি প্ৰণাম। কলিৰ মানৱসমাজক নামধৰ্মৰ অমিয়া মাধুৰি স্বৰূপ অতি গুপ্তভাৱে থকা অমূল্য ৰত্ন হৰি নামৰ প্ৰেমৰ নদী তেৰাই বোৱাই দিয়ে অসমৰ প্ৰতিটো চুকে-কোণে। মহাপুৰুষ শংকৰদেৱে নামধৰ্মৰ প্ৰচাৰৰ নিমিত্তে নাম চৰ্চাৰ যি সমূহ মহৎ বৰঙণি আমাৰ মাজত এৰি গ'ল সেয়া যুগান্তৰলৈ উদ্দীপিত হৈ ৰ'ব।

বেজবৰুৱাৰ ভাষাৰেই ক'ব পাৰি - "আজিও আমাৰ শংকৰদেৱ অসমত অসমীয়া ঘৰে-ঘৰে, গাঁৱে, নগৰে দেদীপ্যমান। আজিও শংকৰদেৱৰ অমৃত নিস্যন্দিনী লেখনীৰ পৰা ওলোৱা দশম-কীৰ্ত্তন আদি মহাশাস্ত্ৰসমূহে জীৱন্ত-জ্বলন্ত মূৰ্ত্তি ধৰি অসমীয়াৰ আন্ধাৰৰ ঠাইত উজ্জ্বল পোহৰেৰে বাট দেখুৱাই দুখত সুখ, নিৰানন্দত আনন্দ, নিৰাশাত আশা দি ইহকাল-পৰকালৰ উন্নতি সাধন কৰি থৈ যাব লাগিছে।"

নামঘৰৰ প্ৰথম প্ৰতিষ্ঠা, তাৎপৰ্য্য ঃ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমৰ চুকে-কোণে ধৰ্মৰ বাণী বিলাই অসমীয়া আঁহে-আঁহে, কোঁহে-কোঁহে ভক্তিৰ অমিয়া বাণী বিয়পাই দিলে। মহাপুৰুষজনাই একশৰণীয়া নামধৰ্ম প্ৰতিষ্ঠাৰ বাবে গীতমাত, বাদ্য-নাট, সত্ৰ, নামঘৰ আদিৰ স্থাপনৰ জৰিয়তে তেওঁৰ বাণীসমূহ বিলাইছিল। মহাপুৰুষজনাই

অসমৰ গাঁৱে-গাঁৱে নামঘৰ স্থাপন কৰিলে। সৰল প্ৰাণত অংকুৰিত হ'ল ভক্তিৰ অমিয়া সুৰৰ ঝংকাৰ।

কৃষ্ণ বা বৈষ্ণৱ ভক্তসকলে ঈশ্বৰ-কৃষ্ণক প্ৰাৰ্থনা কৰা বা ঈশ্বৰৰ নামলোৱা ঘৰটোকেই নামঘৰ আখ্যা দিছিল। নামঘৰৰ পৰিকল্পনা হ'ল মহাপুৰুষজনাৰ এক অপূৰ্ব কল্পনাৰ বাস্তৱ ৰূপ। গুৰুজনাই য'তে বাহৰ পাতি বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল তাতেই নামঘৰ নিৰ্মাণ কৰিছিল। অসমীয়া সমাজত ই প্ৰাৰ্থনা ঘৰ বুলিও অভিহীত কৰা হয়।

শংকৰদেৱৰ নামঘৰ প্ৰতিষ্ঠাৰ পৰিকল্পনাত অসম আৰু ভাৰতৰ বহুবোৰ সামাজিক অনুষ্ঠান তথা ধৰ্মানুষ্ঠানৰ আদৰ্শ নিহিত হৈ আছে। মহাপুৰুষজনাই তীৰ্থভ্ৰমণত বিভিন্ন স্থানৰ দৰ্শনত সৰ্বভাৰতীয় ধৰ্মীয় অনুষ্ঠান কিছুমানৰ সৈতে পৰিচয় হোৱাৰ সুবিধা পাইছিল। বিশেষকৈ তেওঁ বিহাৰ বোৰৰ পৰা কিছু আৰ্হি আহৰণ কৰাৰ লগতে জনজাতিসকলৰ মৰংঘৰ, ডেকাচাং, গাভৰু চাং আদিবোৰৰ পৰাও সমাজ সংস্কৃতিৰ বৈশিষ্ট্যৰ আৰ্হি লৈ আৰু শংকৰদেৱৰ অসাধাৰণ নিজস্ব সৃষ্টি প্ৰতিভাৰ অপূৰ্ব সংমিশ্ৰণৰ পৰিণতি স্বৰূপে নামঘৰৰ প্ৰতিষ্ঠা হয়। শংকৰদেৱে তেওঁলোকৰ ঘৰত এৰা সৰিয়হ তলিত প্ৰথমে নামঘৰ প্ৰতিষ্ঠা কৰে।

শংকৰদেৱৰ নামঘৰৰ কেইটামান বৈশিষ্ট্য ঃ

১) ভাগৱতক শ্ৰেষ্ঠত্বস্থান দি মণিকূটত ভাগৱত স্থাপন আৰু সেই মণিকূটৰ লগত সংলগ্ন মূলঘৰটো প্ৰধানত সংস্কৃতি চৰ্চাৰ স্থান হিচাপে গণ্য কৰা হৈছিল।

২) তেওঁৰ নামঘৰৰ চাৰিওফালে চাৰি-হাটী প্ৰতিষ্ঠা কৰিছিল।

৩) জাতিভেদ-উচ্চনীচ বিচাৰ নকৰি প্ৰতিভাশালী আৰু প্ৰকৃত ভক্ত সকলক চাৰিহাটীত স্থানি দিয়া হৈছিল।

৪) গণতান্ত্ৰিক ভিত্তীত সমূহ ভকতৰ ওপৰত নামঘৰৰ দায়িত্ব অৰ্পন কৰিছিল।

উদ্দেশ্য ঃ শ্ৰীমন্ত শংকৰদেৱৰ মহাপুৰুষীয়া ধৰ্মৰ মূল আধাৰ হ'ল চাৰি কথা বস্তু। ১। নাম, ২। দেৱ, ৩। গুৰু, ৪। ভকত। গুৰুজনাৰ ভক্তিধৰ্মৰ মূল আধাৰ হৈছে ভগৱন্ত ঈশ্বৰ কৃষ্ণৰ নাম স্মৰণ আৰু নামকীৰ্ত্তন কৰা। সেইবাবে শংকৰদেৱৰ ধৰ্মক "নামধৰ্ম" বুলিও কোৱা হয়। এই নাম হ'ল- নিৰঞ্জন, নিৰাকাৰ, নিৰ্গুন কৃষ্ণৰ নাম। নাম নিৰঞ্জন। ঈশ্বৰ নাম হৃদয়ত ধ্যান কৰি বাৰে বাৰে উচ্চাৰণ কৰি থকাকে নাম কীৰ্ত্তন বোলা হয়। গুৰুজনাৰ ভাগৱতী বৈষ্ণৱধৰ্মত নাম কীৰ্ত্তনেই প্ৰাধান্য লাভ কৰিছে। গুৰুজনাৰ ভাগৱতী বৈষ্ণৱ ধৰ্মত নাম কীৰ্ত্তনেই প্ৰাধান্য লাভ কৰিছে। পবিত্ৰ ঈশ্বৰৰ নাম উচ্চাৰণ কৰিলে অন্তৰৰ মলি বা পাপ মোচন হয়। নামৰ আবেগিক অনুৰাগে ঈশ্বৰৰ প্ৰতি মন-হৃদয় ক্ৰমে ধাৱমান কৰি থাকিলে, মন আৰু হৃদয় ঈশ্বৰত মজি পৰে। কৃষ্ণৰ চৰণত শৰণ লৈ এক মনে, এক চিত্তে, কৃষ্ণ নাম কীৰ্ত্তন কৰিলেই ভক্তি সিদ্ধি হয় আৰু সেই উদ্দেশ্যকে আগত ৰাখি মহাপুৰুষজনাই গাঁৱে-গাঁৱে নামঘৰ প্ৰতিষ্ঠা কৰিলে। মহাপুৰুষজনাৰ নামঘৰ স্থাপনৰ মূল উদ্দেশ্য হ'ল নামধৰ্ম প্ৰচাৰ যদিও নামঘৰ আমাৰ জাতীয় কৃষ্টি সংস্কৃতিৰ প্ৰতিফলক স্বৰূপ। সংস্কৃতিৰ প্ৰতিটো দিশেই নামঘৰত বিৰাজনাম।

নামঘৰৰ যোগেদি মানুহৰ সামাজিক আদৰ্শৰ সু-চিত্ৰায়ণ মহাপুৰুষ জনাই কৰি গৈছে। সেই উদ্দেশ্যকে সৰোগত কৰি বৰ্তমান নামঘৰবোৰত প্ৰচলন হৈ আছে চামে চামে ভক্তৰ জোৱাৰ। ভক্তিৰ অমিয়া সুৰত অসমৰ আকাশ বতাহ আজি মুখৰিত। কলিৰ শেষত নামধৰ্ম ঘৰে-ঘৰে, মানুহৰ মুখে-মুখে চলি আহিছে। মহাপুৰুষজনাই জাতিভেদ প্ৰথা দূৰ কৰি নামঘৰত যাতে সকলোশ্ৰেণীৰ লোকে সমান আসন পায়, তাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ

এই কৰ্মত অগ্ৰসৰ হৈছিল।

***নামঘৰৰ বিভিন্ন অংশৰ পৰিচয় ঃ*** আমাৰ গ্ৰাম্যাঞ্চলৰ নামঘৰবোৰ বৰ আটোমটোকাৰিকৈ সজা। পূৰ্বতে নামঘৰবোৰ বাঁহ-খেৰেৰে নিৰ্মাণ কৰা হৈছিল। তোপ দিয়াৰ ব্যৱস্থা কৰা হৈছিল। নামঘৰৰ অংশ বিলাক হৈছে - (ক) মণিকূট, (খ) চ'ৰা বা ৰংগমঞ্চ, (গ) বাট চ'ৰা বা কৰাপাট, (ঘ) চোঁ ঘৰ।

***(ক) মণিকূট ঃ*** নামঘৰৰ পূৱমূৰত একোটাকৈ মণিকূট সজা হয়। ইয়াত পূৱ মূৰে থাপনা স্থাপন কৰা হয়। অৱশ্যে বহুতেই সিংহাসন স্থাপন কৰিছিল। এই সিংহাসন কাঠেৰে নিৰ্মাণ কৰা হৈছিল। নামঘৰৰ টুপ শব্দটো স্তূপ শব্দৰ পৰা আৰু মণিকূট শব্দটো সুৱৰ্ণ বংগহ্ৰহৰ পৰা আহিব পাৰে। মণিকূটত আসনত ভাগৱত পৱিত্ৰভাৱে স্থাপ কৰি সদায়া চাকি বন্তি জ্বলাই ৰখা হয়। এই মণিকূট গঞা বৈষ্ণৱ সমাজৰ মেধি-সাতোঁলা, সত্ৰাধিকাৰ, নাইবা শৰণাচাৰ্য্য বা পদাধিকাৰ আদিয়েহে সঘনে সোমাব পাৰিছিল। মণিকূটৰ চ'ৰাত আচাৰ্য্য বা গুৰুসকলহে বহিব পাৰিছিল।

***(খ) চ'ৰা বা ৰংগমঞ্চ ঃ*** মণিকূটৰ পৰা পিছলৈ বহল মজিয়াক চ'ৰা বা ৰংগমঞ্চ বোলা হয়। নামঘৰৰ বহল মজিয়াত নাট-ভাওঁনা, সবাহ-নামপ্ৰসংগ কৰে। এই অংশতে চাৰিওফালে ভকত বহি নাম চৰ্চা কৰে।

***(গ) বাটচ'ৰা ঃ*** ভিতৰটো যিয়েই নহওঁক আৰম্ভণি যদি ভাল হয় নিশ্চয় ভিতৰটোও ভাল হ'বই। নামঘৰৰ সুন্দৰ বাটচ'ৰাতে ভক্তগণলৈ স্বাগতম জনোৱা হয়। দীঘলীয়া বাটচ'ৰাটো বিভিন্ন নামঘৰত বিভিন্ন কাৰু-কাৰ্য্যৰে সৈতে খোদিত কৰা থাকে। তাৰ ভিতৰত শিৱসাগৰ জিলাৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিৰ ৰূপহীমুখ পথলিয়াল নামঘৰ আৰু নামদাং শিলাসাকোঁ বৰনামঘৰৰ বাটচ'ৰা আকৰ্ষণীয়। মূল প্ৰৱেশদ্বাৰত দুফলে দুটা সিংহই আৱৰিআছে। বহুতো ঠাইত বিভিন্ন ধৰণেৰে আকৰ্ষণীয়কৈ বাটচ'ৰা সাজি উলিওৱা হয়।

***(ঘ) চোঁ-ঘৰ ঃ*** নামঘৰত এটা কাশৰীয়াকৈ চোঁঘৰ থাকে। ভাওণা পাতিলে তাত ভাৱৰীয়াসকলে তেওঁলোকৰ প্ৰয়োজনীয় সাজ-সজ্জা কৰিব পাৰে। সাধাৰণত দৃষ্টিত জিৰণি কোঠাৰূপে ব্যৱহাৰ কৰা হয়।

নামঘৰৰ পৰিবেশত বিৰাজ কৰে পৱিত্ৰতাৰ আভাস। ওপৰত চন্দ্ৰতাপ আঁৰি থোৱা হয়। খুটাবিলাকত গাঁৱৰে জীয়ৰী-বোৱাৰীয়ে বৈ উলিওৱা কাপোৰ, গামোচা আঁৰি দিয়া হয়। নামঘৰৰ আসনৰ কাপোৰ আৰু খুটাৰ কাপোৰ বোৱাৰ সময়ত বহুতো নীতি নিয়ম আৰু ভক্তিভাৱেৰে ব'ব লগা হয়। নামঘৰবোৰত বিভিন্ন ঠাইত মহাপুৰুষ, শ্ৰী কৃষ্ণৰ ফটোওঁ আঁৰি থোৱা দেখা যায়।

***নামঘৰৰ বিষয়বাব ঃ*** অসমৰ নামঘৰবোৰক কেন্দ্ৰকৰি এখন নামঘৰীয়া গঞা সমাজ গঢ় লৈ উঠিছে। নমঘৰত ভিন্নজনে ভিন্ন দায়িত্ব পালন কৰে। নামঘৰত থকা বিষয়বাববোৰ হৈছে বায়ন, বৰা, বাৰিক, মেধি, সাতোলা বা সাধু, নামঘৰীয়া আদিয়েই প্ৰধান। বায়নৰ ওপৰত গাঁৱৰ গায়নজোৰা থাকে। বাৰিকে জাননী দি ৰাইজক নামঘৰলৈ মাতি আনি সমবেত কৰিব লাগে। বৰাজনে গাঁৱৰ ৰাজহুৱা কামৰ বাবে টকা-পইচা, চান্দা-বৰঙণি উঠাই বিভিন্ন খৰচৰ যোগান ধৰিব লাগে, হিচাপ ৰাখিব লাগে। মেধি বা সতোলাই সবাহত আশিৰ্বাদ দিব লাগে। নামঘৰীয়াই দৈনিক সন্ধিয়া নাঘৰত চাকি-বন্তি জ্বলাই ডবা কোবাব লাগে। নামঘৰ পৰিষ্কাৰ কৰি ৰাখিব লাগে। পাঠেকীয়ে শৰাই-সঁফুৰা সজাই কীৰ্ত্তন-ভাগৱৎ আদি শাস্ত্ৰ পাঠ কৰিব লাগে। এনেদৰে অসমৰ নামঘৰীয়া সমাজখন পৰম্পৰাগতভাৱে চলি আহিছে।

***নামঘৰৰ বিভিন্ন ধৰ্মানুষ্ঠানসমূহ ঃ*** নামঘৰত বাৰমাহে বিৰাজকৰে ভক্তিৰ সুৰ। পুৱা-গধুলি নাম কীৰ্ত্তন হয়। বৰ্তমানৰ ব্যস্ততাৰ যুগত খাপ খুৱাই মানুহে নিৰ্দিষ্ট অনুষ্ঠান কোইটাহে পালন কৰে। অতীজৰে পৰা চলি অহা পৰম্পৰাক জানো কোনোবাই দলিয়াই পেলাব পাৰিব।

নামঘৰবোৰত বছেৰেকীয়া সবাহ ভাওনা পতা হয়। মহাপুৰুষ দুজনাৰ ৰচিত নাটসমূহ অভিনীত হৈছিল আৰু আন-আন গুৰুৱে লিখা নাটৰো অভিনয় নামঘৰৰ ৰংগশালাতে হৈছিল। দিনত সবাহ পাতি ৰাতিলৈ ভাওঁনা পতা হয়। ভাৰৰীয়াসকলে দিনটো উপবাসে থাকি ভগৱন্তক চিন্তি ৰাতিৰ ভাঁওনা ভাল হ'বৰ বাবে প্ৰাৰ্থনা জনায়। গায়ন-বায়নেৰে ভাওঁনাখন সূত্ৰধাৰে আৰম্ভনিৰ পৰা শেষলৈকে পৰিচলনা কৰি নিয়ে। ভাওঁনাৰ আখৰা এমাহমানৰ আগৰেপৰা চলে। প্ৰথম দিনা নাট মেলা বুলি কোৱা হয়। ভাওঁনাৰ শেষত আকৌ তেনে এটা দিন বাচি লৈ নাট সামৰা অনুষ্ঠান পালন কৰা হয়। বহুতে আগকৰা ভাওঁনাও গাঁৱৰ নামঘৰবোৰত পতা দেখা যায়। নামঘৰত জন্মাষ্টমী তিথি পতা হয়। গুৰু জনাৰ তিথিও ধুমধামেৰে পালন কৰা হয়। দৌলযাত্ৰা উৎসৱ বৰদোৱাত বৰ জাক জমককৈ পালন কৰা হয়। ৰাসপূৰ্ণিমাওঁ নামঘৰবোৰত পালন কৰা দেখা যায়। কোনো কোনো অঞ্চলত কেইবাটাও নামঘৰৰ ৰাইজ একেলগ হৈ ৰাসমহোৎসৱল পালন কৰে। ৰাতিলৈ মহাৰাস, দিনত কংসবধ আৰু আন আন ভাওনা অনুষ্ঠিত কৰে। বছৰৰ তিনিটা বিহুতো নামঘৰত ৰাইজ একেলগ হৈ নাম কীৰ্ত্তন কৰে। ভোগালী বিহুত গাঁৱৰ ডেকাসকলে খৰি কাটি মেজি সাজে আৰু ভেলা ঘৰো সাজে। নামঘৰবোৰত মাঘবিহুৰ ভোজ খায় সমূহীয়া ভাৱে। নামঘৰত ন-খোৱা প্ৰথাও আছে।

***<u>সমন্বয়ৰ আলয় নামঘৰ</u> ঃ***নামঘৰবোৰ সৰ্বসাধাৰণতে এক জাতীয় নাটশাল। ই আমাৰ কীৰ্ত্তন ঘৰ আৰু প্ৰেক্ষাগৃহ। সুকুমাৰ কলাৰ জৰিয়তে নাট্যাভিনয় সূচনা কৰি তেওঁৰ নাটসমূহ প্ৰদৰ্শনেৰে অসমীয়া সমাজক শিক্ষাদান কৰিলে। নিৰক্ষৰ জনসাধাৰণেও নাট্যাভিনয় চাই জ্ঞান লাভ কৰিলে আৰু সেই প্ৰথা আজিও যুগ-যুগ ধৰি আমাৰ মাজত চলি আহিছে। নামঘৰত যি নৃত্য-গীত, বাদ্য অভিনয় আদি কলাৰ চৰ্চা হ'ল সেই চৰ্চাই জনসাধাৰণক সহজে আকৃষ্ট কৰিলে। সেয়েহে নামঘৰ সম্পৰ্কত বিভিন্নজনৰ বিহংগম দৃষ্টিত বিভিন্ন ধাৰণাই বশৱৰ্তী হোৱা দেখা যায়। তাৰ ভিতৰত ড° বিৰিঞ্চিকুমাৰ বৰুৱাদেৱৰ ভাষাৰে- “নামঘৰ অসমীয়া জাতীয় সংস্কৃতিৰ যাদুঘৰ।” আচাৰ্য্য বিনোৱাজীয়ে অসমৰ নমঘৰবোৰক 'কামঘৰ' আখ্যা দি গৈছে।

অসমৰ গ্ৰাম্যাঞ্চলৰ নামঘৰবোৰ একোখন বিচাৰালয়। গাঁৱৰ কাৰোবাৰ ঘৰত কাজিয়া লাগিলে, মাটিবাৰীৰ মিমাংসা, বা অন্য সকলো ধৰণৰ বিবাদত বিচাৰ নামঘৰৰ মজিয়াতে হয়। মুৰব্বীজনে এই মেলত ৰায়দান কৰি দোষীক দণ্ড দিয়ে।

গাঁৱত কলা কৃষ্টি ৰক্ষা কৰাৰ একমাত্ৰ মঞ্চখন নামঘৰৰ মজিয়াখন। সৰুৰ পৰা ডাঙৰলৈকে সকলোৱে যিকোনো কামতে নামঘৰত অংশ গ্ৰহণ কৰিব পাৰে। সমূহীয়া কৰ্মৰে নিজৰ লগতে সমাজৰো উন্নতিৰ হ'কে নামঘৰৰ অৰিহণা উল্লেখনীয়। সেয়ে আমি আমাৰ গাঁৱৰ বা অঞ্চলৰ নামঘৰবোৰৰ ৰক্ষণাবেক্ষণ দিয়া উচিত। পৰম্পৰাগত ভাৱে অতীজৰ পৰা বৰ্তমানলৈকে ভক্তিৰ সুৰক অসমীয়াৰ প্ৰাণত ধৰি ৰাখিব পাৰিছে এই - “নামঘৰেই।”

❑❑❑

# অসমীয়া লোকসংস্কৃতিত 'কলগছ'

— ভাৰতী কোঁৱৰ
স্নাতক বৰ্ষ (ক'লা)



কলগছ প্ৰকৃতি দেৱীৰ এক অনুপম সৃষ্টি। কলগছে অসমীয়া লোক সংস্কৃতিত এক উল্লেখনীয় ভূমিকা বহন কৰি আহিছে। অতীতৰ পৰা বৰ্তমানলৈকে কলগছৰ সমস্ত অংশই মানুহক উপকাৰ সাধন কৰি আহিছে।

হিন্দুসকলৰ বিভিন্ন পূজা-পাতল, বিভিন্ন মাঙ্গলিক কৰ্ম যাগ-যজ্ঞাদি কলগছ, তাৰ ফল পাত আদিৰ অবিহনে অনুষ্ঠিত হোৱাটো অসম্ভৱ। দৈনিক কৰ্ম কাণ্ডৰ উপৰিও মানুহৰ বিপদৰ সময়তো ই বিশেষ ভূমিকা পালন কৰি আহিছে। পূৰ্বতে বাটপথৰ বিশেষ উন্নত ব্যৱস্থা নথকাত তথা নৈ-খাল বিল বেছিকৈ থকাত সঘনে বানপানী হৈছিল। এই বানপানীত কলগছৰ ভূৰ সাজি বহুতে জীৱন ৰক্ষাৰ উপৰিও সা-সম্পত্তি ৰক্ষা কৰিছিল। লোকবিশ্বাস মতে কলপাতত ভাত খালে কিবা-কিবি উদৰৰ ৰোগ নিৰাময় হয়। কলগছ আৰু গছৰ মূঢ়াটো ভালদৰে ৰ'দত শুকাই জুইত পুৰি তাৰ চাঁইৰ পৰা কলখাৰ তৈয়াৰ কৰা হয়। আগৰ দিনত অসমীয়া মানুহে কলখাৰেৰে জুটি লগাকৈ আঞ্জা ৰান্ধি খাইছিল। পুৰণি কালত নিমখৰ সলনি কলখাৰ ব্যৱহাৰৰ কথা বুঢ়া-বুঢ়ীৰ মুখত শুনা যায়। বিশেষকৈ গাঁৱলীয়া সমাজত কলখাৰ অত্যাৱশ্যকীয়। বৰ্তমানেও গাঁৱত বৃদ্ধ মানুহখিনিয়ে গা-মূৰ খাৰেৰে ধোৱে। আনহাতে কাপোৰ-কানি, বাচন-বৰ্তন পৰিষ্কাৰ কৰোঁতেও খাৰ ব্যৱহাৰ কৰা দেখা যায়।

কলপাতত খাদ্য খোৱাৰ উপৰি কলপাতত পিঠাগুৰি দি পানীত উতলাই সিদ্ধ কৰা কলপতীয়া পিঠা খাবলৈ বৰ সোৱাদ। আকৌ সৰু মাছ, কচুপাত আদি কলপাতেৰে মেৰিয়াই বান্ধি জুইত দিয়া বস্তু খাবলৈ কিমান যে সোৱাদ তাক খাওঁতা জনেহে উপলব্ধি কৰিব পাৰ। সৌ সিদিনালৈকে বিয়া-সবাহৰ ভোজ ভাতত কলপাত কলছোনা, কলগছৰ চটিয়া আদি বহুলভাৱে ব্যৱহৃত হৈছিল। কলপাতেৰে বিয়া সবাহৰ ৰভা দিয়া, কলচোচনিৰে চাকনি বেৰা আকৌ মাঘৰ বিহুত মেজি সজা কামটো ব্যৱহাৰ হৈছিল।

কলপাতে আমাক জ্ঞান আহৰণৰ ক্ষেত্ৰটো বিশেষভাৱে সহায় কৰিছিল। আজিৰ পৰা দহবছৰ মান আগলৈকে বিশেষকৈ গাওঁ অঞ্চলৰ পঢ়াশালি সমূহৰ ছাত্ৰ-ছাত্ৰীয়ে গৰম বন্ধত ঘৰত পঢ়িবলৈ কলপাতত লিখা নিবই লাগিছিল। কলপাতত লিখা অভ্যাস কৰিলে আখৰ ভাল হয়, সেয়েহে বিদ্যালয়ৰ শিক্ষক আৰু মাক-দেউতাকে শিশুক কলপাতত লিখিবলৈ উপদেশ দিছিল। বৰ্তমানে অৱশ্যে এই প্ৰথা সম্পূৰ্ণকৈ লোপ পাইছে।

অসমৰ কৃষক ৰাইজে শইচ চপোৱাৰ আগমুহূৰ্ত্তত লখিমী বুলি এঠোক ধান আগলি কলপাতেৰে মেৰিয়াই মূৰত তুলি পথাৰৰ পৰা ঘৰলৈ আনি ভঁড়াল ঘৰৰ মুখত বান্ধি লোৱাটো নিয়ম। আনহাতে শীতলা আইক পূজাত

ৰোগীৰ শয্যাৰ ওচৰত আগলি কলপাতৰ ওপৰত ৰখা, বন্তি, ধূপ-ধূনা কলপাতৰ ওপৰত ৰখা, কলগছৰ বাকলিৰে মণ্ডপ সজা, পূজাত কলদিলৰ ব্যৱহাৰ, কলদোনাত নৈবদ্য দিয়া, আদৰণি জনাবলৈ কলগছ পোতা, বিয়াত আমদালি আঁৰিবলৈ কলপুলি পোতা আদি বিবিধ মাঙ্গলিক কাৰ্যত কলগছ অপৰিহাৰ্য্য। মানুহৰ মৃত্যু হলেও এনে অশৌচৰ দিন কেইটা আগলি কলপাতৰ ওপৰত বহা-শুৱাৰ নিয়ম। দীপান্দিতা উৎসৱ, দুৰ্গাপূজা, কালীপূজা আজিক কলগছ অবিহনে সম্ভৱেই নহয়। দীপান্দিতাত কলগছতহে শালি মাৰি বন্তি জ্বলোৱা হয়। শাৰদীয় দুৰ্গাপূজা, বাসন্তী পূজাৰ স্বয়ং দেৱীকো কলপুলিৰেহে সজোৱা হয়। লক্ষ্মী পূজাতো মণ্ডপটোৰ সন্মুখত ঠোক লগা কলগছ দুজোপা দৰকাৰী।

অসমীয়া সমাজৰ বিয়াৰ জোৰণত পকাকলৰ ঠোক দিয়াটো নিয়ম। দৰা কইনাক গা-ধুৱাবলৈ আচুতীয়াকৈ কলপুলি পুটি তাৰ তলত গা-ধুওৱা হয়। সেয়েহে আয়তিসকলে গায়—

"কলৰে গুৰিতে ঘুৰালে ধুৱালে আমাৰ বাইদেউৰে বিয়াহে.....।" তোলনি বিয়াত লহপহকৈ বাঢ়ি অহা মূঢ়াৰে সৈতে কলপুলি এটা তুলি আনি দৰাৰ প্ৰতিকৃতি ৰূপত আচুতীয়া ঠাইত পোতা হয়। আয়তীসকলে মাঙ্গলিক উৰুলি ধ্বনি দিয়াৰ লগে লগে ঋতুমতী কইনাই এধাৰ মণি পিন্ধাই কলপুলিটোক সেৱা জনায়। এই প্ৰথাৰ দ্বাৰা ঋতুমতী কইনাই ভৱিষ্যতে যে এখন সংসাৰৰ দায়িত্ব ল'ব লাগিব তাৰেই ইংগিত দিয়ে।

খাদ্যৰ দিশৰ পৰাও কলগছৰ ভূমিকা অপৰিসীম। পচলা কলফুল হ'ল এবিধ দেহৰক্ষক খাদ্য। তদুপৰি ই দেহৰ ছাল হাড়ৰ উপকাৰ সধাৰ লগতে তেজৰ হিমগ্লবিন বৃদ্ধি কৰে। তেনেকৈ দেহৰ কোনো অংশ জুই বা গৰম বস্তুৰে পুৰিলে পানীজোলা বান্ধি চালখন বগা পৰি যায়। তেনে অৱস্থাত একেৰাহে কেইদিনমান কলফুল ৰান্ধি খালে শেই বগা বৰণ নোহোৱা হৈ ছালখন নিমজ হৈ পৰে।

কলগছ বিভিন্ন প্ৰকাৰৰ- ভীমকল, মনোহৰ কল, বৰতমণি কল, জাতিকল, মালভোগ কল, পুৰাকল, জাহাজী কল, দীঘজোৱা কল আদি। কলগছ খেতিৰ জৰিয়তে আৰ্থিক ভাৱে কেনেদৰে লাভৱান হ'ব পাৰি তাক ডাকে কৈছে-

"তিনিশ ষাঠি জোপা ৰুবা কল
মাহেকে পষেকে চিকুনাবা তল।
পাত পচলা লাভত খাবা
লংকাৰ বণিজ হাততে পাবা।"

আকৌ কলগছৰ উৎপাদন বৃদ্ধি তথা বেমাৰ-আজাৰৰ প্ৰতিকাৰৰ অৰ্থে ডাকৰ বচনৰ মতে —

"আঠীয়াত গোবৰ, মনোহৰত জাবৰ
পুৰাত সাই, মালভোগত ছাঁই।" — এই বুলি উল্লেখ কৰিছে।

কল সঁচাকৈ এবিধ লাভজনক খেতি। বোধহয় কলগছেই এনে এক প্ৰকাৰৰ উদ্ভিদ যাৰ প্ৰতিটো অংশই মানুহৰ দৈনন্দিন জীৱন যাত্ৰাত ব্যৱহাৰ হয়। কলগছৰ খেতি কৰি নিবনুৱা সমস্যা দূৰ কৰাৰ লগতে অৰ্থনৈতিক অনগ্ৰসৰতাও দূৰ কৰিব পাৰি। কিন্তু এইটো অতি দুখৰ বিষয় যে কলগছৰ ইমানবিলাক লাগতিয়াল দিশ থকা সত্বেও কলগছৰ পৰিমাণ দিনে দিনে কমি আহিছে। এই ক্ষেত্ৰত অসমৰ কৃষকসকল সজাগ হ'ব লাগিব। বিজ্ঞানসন্মতভাৱে কলগছৰ খেতি কৰি অসমীয়া লোক সংস্কৃতিত কলগছক অগ্ৰণী ভূমিকা দান কৰিব লাগিব।

❑❑❑



# অসমৰ মুখাশিল্প

— জাচিংফা চাংমাই

মুখা শিল্প সভ্যতা বিকাশৰ লগত জড়িত এখ সুপ্ৰাচীন চিত্ৰ তথা লোক-কলা। অসমৰ মুখাশিল্পই শংকৰদেৱৰ হাততেই পৰিপূৰ্ণতা আৰু জনপ্ৰিয়তাৰ অন্তিম পৰ্য্যায় প্ৰাপ্ত হয় বুলি ভাবিব পৰি। প্ৰকৃতপক্ষে শংকৰদেৱকৃত ভাওনা প্ৰদৰ্শনত মুখাৰ ব্যৱহাৰ হোৱাৰ পৰাই এই শিল্পৰ সমাদৰ অসমত বাঢ়িবলৈ ধৰে।

মুখা সাধাৰণতে তিনি প্ৰকাৰৰ ছোঁ-মুখা, ছুটি-মুখা আৰু মুখ-মুখা। এই মুখা বিশেষকৈ বাঁহৰ কাঠিৰে তৈয়াৰ কৰা হয় আৰু ইয়াৰ নিৰ্মাণ কৌশল পৰম্পৰাগত তথা পুৰণিকলীয়া। মুখা শিল্পীয়ে মুখা সজাৰ প্ৰাৰম্ভিক ভিত্তি তৈয়াৰ কৰোতে কৃষকসকলে 'টোম' সাজোতে ব্যৱহাৰ কৰা কৌশল অৱলম্বন কৰে। অৰ্থনৈতিক দিশৰ পৰা দেখা যায় যে পৰম্পৰাগত পদ্ধতিৰ মুখা শিল্পত তুলনামূলকভাৱে কম অৰ্থ বা মূলধনৰ প্ৰয়োজন হয়। কাৰণ মুখা শিল্পীয়ে বিভিন্ন ৰকমৰ মুখা তৈয়াৰ কৰোতে বাঁহৰ কাঠি, বেতৰ সূত, কুমাৰ মাটি, কাগজ আৰু অলাগতিয়াল কাপোৰৰ নিচিনা স্থানীয়ভাৱে সহজলভ্য কেঁচামালহে ব্যৱহাৰ কৰে। সেইবুলি এই শিল্পৰ পৰিপূৰ্ণতাৰ ক্ষেত্ৰত শিল্পীসকলৰ ক্লান্তিহীন শ্ৰম আৰু কঠোৰ সাধনাৰ প্ৰয়োজনীয়তাৰ কথা স্বীকাৰ কৰিবই লাগিব।

ক্ৰমান্বয়ে আমাৰ মাজৰ পৰা হেৰাই যাব ধৰা এই মুখা শিল্প জনসাধাৰণৰ মাজত জীয়াই ৰাখিবলৈ অসমৰ জনসাধাৰণ আগ্ৰহী নোহোৱাটো অতি দুৰ্ভাগ্যজনক। অৱশ্যে এই সকলৰ মাজতো এনে কিছু ব্যক্তি তথা শিল্পী আছে যি এই বিলুপ্তপ্ৰায় শিল্প জনসাধাৰণৰ মাজত জীয়াই ৰাখিবলৈ অহোপুৰুষাৰ্থ কৰি আহিছে। যদি অসম চৰকাৰ তথা অসমীয়া জনসাধাৰণে এই ক্ষেত্ৰত চকু নিদিয়ে কালৰ গৰ্ভত অপুৰুগীয়া এই মুখা শিল্প আমাৰ মাজৰ পৰা নিঃশেষ হোৱাৰ সম্ভাৱনাই প্ৰকট।



□□□

# থোৰতে শিৱসাগৰ ছোৱালী কলেজ

— মৌচুমী কোঁৱৰ

দেশ স্বাধীন হোৱাৰ পাছতেই জনসাধাৰণে উচ্চ শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। দেশ এখনৰ উন্নতিৰ মূল মাপকাঠি হৈছে শিক্ষা। এখন উন্নত তথা কল্যাণকামী সমাজ সৃষ্টিত নাৰী হৈছে কামিহাড় স্বৰূপ। সেয়েহে স্বাধীনতাৰ পাছতেই নাৰীৰ উচ্চশিক্ষাৰ বহুল প্ৰচাৰৰ প্ৰয়োজনীয়তা অনুভৱ কৰে। ঠিক তেনে সময়তে শিৱসাগৰটো নাৰীৰ উচ্চ শিক্ষাৰ প্ৰয়োজনীয়তা অনুভৱ কৰি বিশিষ্ট ব্যক্তিসকলৰ অযুত স্বপ্নক ৰূপ দি বাস্তৱত গঢ়ি তোলে এই মহাবিদ্যালয়খনি।

ইতিহাস প্ৰসিদ্ধ শিৱসাগৰ নগৰৰ মাজমজিয়াত আহোমৰ ছশ বছৰীয়া গৌৰৱৰ ধ্বজা উৰুৱাই থিয় দি আছে তিনিটি দ'ল (শিৱ দ'ল, বিষ্ণু দ'ল, দেৱী দ'ল)। এই পবিত্ৰ দ'ল তিনিটাৰ কাষতেই অৱস্থিত আমাৰ শিৱসাগৰ ছোৱালী কলেজ। বহুকেইজন বৰেণ্য ব্যক্তিৰ আহোপুৰুষাৰ্থত ১৯৬৪ চনত জন্ম লাভ কৰিছিল এই মহাবিদ্যালয়। যি সকল আলোক প্ৰয়াসী ব্যক্তিৰ আহোপুৰুষাৰ্থত এই পবিত্ৰ অনুষ্ঠানটিৰ জন্ম হয় তেওঁলোকলৈ এইআপাহতে মই সহস্ৰ বাৰ প্ৰণিপাত যাঁচিছো। সেই সময়তমহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আছিলঁ তোখেশ্বৰ দত্ত।

সময় সোপানে সোপানে আগুৱাই আহি সাম্প্ৰতিক সময়ত উপনীত হৈছেহি আৰু এই সময়ৰ লগত খোজ মিলাই বহুতো বাধাক অতিক্ৰম কৰি বৰ্তমন শিৱসাগৰ ছোৱালী কলেজ এখন লেখত ল'বলগীয়া (B+ by NAAC) শিক্ষানুষ্ঠান হিচাপে স্বীকৃতি পাইছে। বৰ্তমান মহাবিদ্যালয়খনিত দুটা শাখা আছে, ক'লা শাখা আৰু বিজ্ঞান শাখা। প্ৰতিষ্ঠা কালত কেৱল ক'লা শাখাটোহে আছিল। পিছত ১৯৮৯ চনত বিজ্ঞান শাখাটোৰে জন্ম লাভ কৰে। বৰ্তমান দুয়োটা শাখাৰেই ফলাফলসমূহ সুখদায়ক বুলিব পাৰি। দুয়োটা শাখাতে বৰ্তমানে মুঠ ছাত্ৰীৰ সংখ্যা ১৫০০ ৰো অধিক। কলা আৰু বিজ্ঞান শাখাৰ উপৰিও ছাত্ৰীৰ প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি IGNOU study centre ৰ লগতে কেইটামান বিষয়ত বৃত্তিমূলক শিক্ষাৰ পাঠ্যক্ৰম আগবঢ়োৱা হৈছে-

(i) Screen Printing
(ii) Interior Decoration
(iii) Beautician
(iv) Montessory Teachers Training

***বৰ্তমান মহাবিদ্যালখনৰ অধ্যাপক অধ্যাপিকাসকলৰ নামৰ খাতিয়ান তলত দিয়া হ'ল -***

***বৰ্তমানৰ অধ্যক্ষ*** : ড° হেমন্ত কুমাৰ ফুকন

***উপাধ্যক্ষ*** : শ্ৰীযুতা কিৰণ বৰুৱা

***ইংৰাজী বিভাগ :***

ড° লীলা মহন্ত বৰচেতিয়া (বিভাগীয় মুৰব্বী)
আব্দুল হামিদ
কৃতাঞ্জলী কোঁৱৰ কাঠকটিয়া
শিৱ প্ৰসাদ মিলি

***অসমীয়া বিভাগ :***

শ্ৰী মনোৱাৰা বেগম (বিভাগীয় মুৰব্বী)
শ্ৰী ৰঞ্জিত ৰঞ্জন তামুলী
ড° ৰশ্মি ৰেখা গগৈ
শ্ৰী সংগীতা হাজৰিকা বৰা
শ্ৰী কাকলি সোণোৱাল

***ৰাজনীতি বিজ্ঞান বিভাগ ঃ***

শ্ৰী দিলীপ কুমাৰ চক্ৰৱৰ্ত্তী (বিভাগীয় মুৰব্বী)
(৩০-৯-০৬ ত অৱসৰ গ্ৰহণ কৰে)
শ্ৰী কিশোৰ কুমাৰ দেউৰী
(বৰ্ত্তমান বিভাগীয় মুৰব্বী)
ড° জিমলি বৰা
শ্ৰী চালমা নাচৰিণ

***অৰ্থনীতি বিভাগ ঃ***

শ্ৰী তৃপ্তী মল্লিকা বৰুৱা (বিভাগীয় মুৰব্বী)
শ্ৰী বুদ্ধিন মিশ্ৰ
শ্ৰী ছৰিফা বেগম
শ্ৰী অজন্তা বৰুৱা

***শিক্ষা বিভাগ ঃ***

শ্ৰী কুসুম ফুকন (বিভাগীয় মুৰব্বী)
শ্ৰী অনু শৰ্মা
শ্ৰী গৈৰিকা দেৱী
শ্ৰী ৰণ্টু গোঁহাই

***ভূগোল বিভাগঃ***

শ্ৰী কিৰণ বৰুৱা (বিভাগীয় মুৰব্বী)
শ্ৰী দুগ্ধ শৰ্মা
শ্ৰী ফনীন চন্দ্ৰ মাউত
শ্ৰী সঞ্জয় কুমাৰ দাস

***বুৰঞ্জী বিভাগ ঃ***

শ্ৰী মুকুতা দাস বৰকাকতী (বিভাগীয় মুৰব্বী)
শ্ৰী উৎপলা গোঁহাই
শ্ৰী দ্বীপজোনালী চহৰীয়া
শ্ৰী প্ৰবীন শৰ্মা

***গাৰ্হস্থ্য বিজ্ঞান বিভাগ ঃ***

ড° মনিদীপা বৰঠাকুৰ চক্ৰৱৰ্ত্তী
(বিভাগীয় মুৰব্বী)
শ্ৰী নাজৰিণ আহমেদ
শ্ৰী ৰীতা বৰকটকী

***পদাৰ্থ বিজ্ঞান বিভাগঃ***

শ্ৰী ভাস্কৰ দত্ত (বিভাগীয় মুৰব্বী)
শ্ৰী প্ৰসন্ন ভূঞা
শ্ৰী প্ৰাঞ্জল পংকজ বৰুৱা

***ৰসায়ন বিজ্ঞান বিভাগ ঃ***

শ্ৰী মাৰ্জিয়ানা বেগম (বিভাগীয় মুৰব্বী)
শ্ৰী প্ৰণৱজ্যোতি ভৰালী
শ্ৰী প্ৰাঞ্জল ৰাজখোৱা

***অংক শাস্ত্ৰ বিভাগ ঃ***

শ্ৰী সমৰজিৎ চৌধুৰী (বিভাগীয় মুৰব্বী)
শ্ৰী বিদ্যুৎ বৰুৱা
শ্ৰী বৰ্ণালী দত্ত

***উদ্ভিদ বিজ্ঞান বিভাগ ঃ***

শ্ৰী বিমুল দত্ত (বিভাগীয় মুৰব্বী)
শ্ৰী ইনামূল হুচেইন
শ্ৰী নিবেদিতা বৰুৱা

***জীৱ-বিজ্ঞান বিভাগ ঃ***

শ্ৰী দীপশিখা দত্ত ভূঞা (বিভাগীয় মুৰব্বী)
শ্ৰী জাকিৰ হুচেইন

***পৰিকলন বিভাগ ঃ***

শ্ৰী গীতালী চেতীয়া

❑❑❑

# প্ৰশ্নোত্তৰ শিতান

*(শিৱসাগৰ ছোৱালী কলেজত অধ্যয়ন কৰিবলৈ অহা ছাত্ৰীসকলৰ অনুভৱ জানিবৰ বাবে কেইটামান প্ৰশ্ন ছাত্ৰীসকললৈ আগবঢ়াইছিলো। প্ৰশ্নোত্তৰখিনি তলত দিয়া হ'ল —সম্পাদনা সমিতি।)*

*প্ৰশ্নসমূহ ঃ*

*১) উচ্চশিক্ষা গ্ৰহণৰ বাবে শিৱসাগৰ ছোৱালী কলেজখনক কিয় বাচি ল'লা?*

*২) কলেজখনত অধ্যয়ন কৰি তোমাৰ কেনেধৰণৰ অনুভৱ হৈছে?*

*৩) কলেজখনৰ উন্নতিৰ কাৰণে তোমাৰ মতামত কি?*


*শ্ৰীমতী পপী দিহিঙ্গীয়া*
ৰাজনীতি বিজ্ঞান বিভাগ
স্নাতক তৃতীয় বৰ্ষ


– শিৱসাগৰ এখন বুৰঞ্জী প্ৰসিদ্ধ নগৰ। এই নগৰৰ চৌপাশ আহোম ৰজাৰ স্মৃতি কৃতি চিহ্নৰে ভৰি আছে। এই ঐতিহ্যমণ্ডিত চহৰখনৰ পৌৰাণিক নাম কলঞ্চুপাৰ। এই বুৰঞ্জী প্ৰসিদ্ধ জিলাখনতেই অৱস্থিত মহিলাৰ শিক্ষাৰ অন্যতম আনুষ্ঠানিক শিক্ষাৰ প্ৰতিষ্ঠান "শিৱসাগৰ ছোৱালী কলেজ"। কলেজৰ কাষতে অৱস্থিত শিৱসাগৰ বৰপুখুৰী, শিৱদ'ল, দেৱীদ'ল আৰু বিষ্ণুদলে বহন কৰে আহোম ৰাজত্বৰ এক গৌৰৱোজ্বল ইতিহাসৰ কথা।

মোৰ এই হিয়াখনি জেতুকা পাতৰ দৰে
সেউজীয়া বননিৰ বৰণেৰে ঢকা,
অন্তৰ জ্বলোৱা ছবি অতীতৰ স্মৃতি লই
বুকুৰ তেজেৰে আছে অন্তৰতে আঁকা।

সঁচাকৈ বৰ্ত্তমানৰ কলেজীয়া জীৱনৰ মধুৰ দিনবোৰ লাহে লাহে স্মৃতি হৈ অতীতৰ বুকুলৈ ঢাল লৈছে। কিন্তু এই স্মৃতিবোৰ জীৱনৰ এক মধুৰ স্মৃতি হিচাপে অন্তৰত জেতুকা পাতৰ দৰেই সেউজীয়া হৈ থাকিব। যাক কেতিয়াও, জীৱনৰ এক মুহূৰ্ত্তৰ বাবেও পাহৰি থাকিব নোৱাৰিম।

সৰুৰে পৰাই এই কলেজখনৰ কথা শুনি এই কলেজত পঢ়াৰ এক হেঁপাহৰ জন্ম হৈছিল। এই কলেজৰ প্ৰতি থকা আকৰ্ষণৰ আন এটা কথা হৈছে এই কলেজখনৰ বাৰ্ষিক পৰীক্ষাত বিশেষ সুনাম অৰ্জন কৰিবলৈ সক্ষম হোৱা ফলাফল সমূহ। সেয়েহে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উৰ্ত্তীণ হৈ বুকুত অযুত আশা লৈ এই কলেজত নাম ভৰ্ত্তি কৰিছিলোহি। লক্ষ্য সমাজত নিজকে সফল ৰূপত প্ৰতিষ্ঠিত কৰাৰ। কলেজ খনত এক সুন্দৰ শিক্ষা গ্ৰহণৰ পৰিৱেশ থকাৰ লগতে ছাত্ৰীক প্ৰয়োজনীয় কিতাপ সমূহ যোগান ধৰিবলৈ এক সুন্দৰ পুথি ভঁৰালৰ ব্যৱস্থা আছে। লগতে বৰ্তমান যুগত খাপ খাব পৰাকৈ পাঠ্যক্ৰমৰ বাহিৰেও আন আন বিষয়ত আগবাঢ়িবলৈ ছাত্ৰী সকলক কলেজখনে যথেষ্ট সুবিধা দিছে। ছাত্ৰীসকলৰ সুনাম অৰ্জনত আমাৰ কলেজৰ শিক্ষাগুৰু সকলৰ ভূমিকা লেখত লবলগীয়া। ছাৰ-বাইদেউ সকলে আমাক প্ৰতি ক্ষেত্ৰতে যথেষ্ট সহায় তথা সহযোগ আগবঢ়াই আহিছে। যাৰকাৰণে আজি আমি কৃতকাৰ্য লাভ কৰিব পাৰিছো। ছাৰ-বাইদেউ সকলে আমাৰ বাবে যথেষ্ট কষ্ট স্বীকাৰ কৰিবলগীয়া হয়। এনেকুৱা এখন কলেজত মই পাঁচ বছৰ শিক্ষা গ্ৰহণ কৰিবলৈ পাই নিজকে সঁচাকৈয়ে সৌভাগ্যৱতী বুলি ভাবো।

- এটা অচিনাকি পৰিৱেশত প্ৰথম ভৰি দি কলেজৰ প্ৰথম দিনটোত মই বৰ অস্বস্তি অনুভৱ কৰিছিলো। কাৰণ মোৰ বাবে কলেজখনৰ প্ৰতি বস্তুৱেই আছিল অচিনাকি। লাহে লাহে মই এইবোৰৰ লগত পৰিচিত হৈছিলো আৰু কলেজৰ ছাৰ বাইদেউসকলৰ লগতে বান্ধৱী তথা অগ্ৰজ বাইদেউ সকলৰ সহযোগত এই পৰিৱেশৰ লগত খুব কম দিনৰ ভিতৰতেই নিজকে খাপ খুৱাই ল'ব পাৰিছিলো। সেই প্ৰথমদিনাৰ কলেজৰ আচহুৱা অচিনাকি পৰিৱেশ কেতিয়া যে অতি ভাল লগা, অতি চিনাকি হৈ পৰিল গমকে নাপালো। কলেজীয়া জীৱনৰ এই ভাল লগা, মিঠা মিঠা লগা অনুভূতিবোৰ লাহে লাহে স্মৃতি হ'বলৈ আৰম্ভ কৰিছে। সঁচাকৈয়ে সময় পাখিলগা কাঁড়ৰ দৰে। ই কাৰোৰেই বাবে বৈ নাথাকে। হয়তো পৰিস্থিতি তথা সময়ৰ খাতিৰত আমি এই মধুৰ পৰিৱেশৰ পৰা আঁতৰি গৈ ভিন্ন পৰিৱেশৰ লগত থাকিব লগা হ'ব। কিন্তু মোৰ বাবে এই কলেজখনত কতোৰা দিনবোৰ কেতিয়াও পাহৰি থকা সম্ভৱ নহয়। কাৰণ এই কলেজখনতেই মই যৌৱনৰ পাঁচটা বছৰ গৰকিছো। এই কলেজখনতেই মই নিজকে এগৰাকী সফল, পূৰ্ণাংগ নাৰীৰূপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সুবিধা পাইছো।

- যিদৰে কোনো এটা বস্তুৰ ভাল দিশৰ লগতে কিছুমান বেয়া দিশত সন্নিবিষ্ট হৈ থাকে ঠিক সেইদৰে আমাৰ কলেজখনৰ বহুতো ভাল দিশৰ লগতে কিছুমান দুৰ্বল দিশো পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে উল্লেখ কৰিব পাৰি যে আমাৰ কলেজৰ চাৰিবেৰটো যথেষ্ট সৰু, ছাত্ৰীৰ জিৰণি কোঠাতোও ছাত্ৰী তুলনাত বৰ কম পৰিসৰৰ, পুথি ভঁৰালটোও কিছুমান প্ৰয়োজনীয় পুথিৰ অভাৱ আৰু পুথিভঁৰালত পঢ়িবৰ বাবে যি ব্যৱস্থা কৰা হৈছে সেইবোৰ ছাত্ৰীৰ তুলনাত যথেষ্ট কম। গতিকে ভৱিষ্যতে এইবোৰৰ সু-ব্যৱস্থা কৰিলে ছাত্ৰীসকল বিশেষভাৱে উপকৃত হ'ব।

শেষত মই নলিনীবালা দেৱীৰ এটি কবিতাৰ পংক্তিৰে কওঁ -

"আজিৰ নোহোৱা মোৰ সুন্দৰ পৃথিৱী
জনমৰ যুগমীয়া তুমি,
অনন্ত কালৰ মোৰ শান্তিৰ জিৰণি
অতীতৰ স্বপ্নলীলা ভূমি।"

---

*শ্ৰীবিজয়শ্ৰী ৰাজবংশী*
*স্নাতক দ্বিতীয় বৰ্ষ*
*প্ৰাণী বিজ্ঞান বিভাগ*

যিদৰে ধানটোৰে প্ৰতি কণটো ঠিক একেদৰেই মানুহটোৰে প্ৰতি মনটো, প্ৰত্যেক মানুহৰে একো একোটা নিজা নিজা অভিৰুচি আছে। কোনোৰে হয়তো বিচাৰে ডাক্তৰ, ইঞ্জিনিয়াৰ হ'বলৈ আৰু কোনোৰে শিক্ষক ইত্যাদি। ঠিক একেদৰে মোৰো মন আছিল, এখন ভাল কলেজত অধ্যয়ন কৰি সমাজত নিজকে এগৰাকী আদৰ্শ নাৰী হিচাপে গঢ় দিয়াৰ।

অৱশ্যে, এইটো কথা ঠিক যে, পৃথিৱীত বহুতো ডাঙৰ ডাঙৰ কলেজ আছে, ভাল ভাল সুবিধা আছে। কিন্তু ডাঙৰ কলেজত পঢ়িলেই যে ডাঙৰ মানুহ হ'ব পাৰি তাৰ কি মানে আছে। আচলতে ইয়াৰ লগত জড়িত নিজৰ মনটো, নিজৰ মনটো স্থিৰ কৰিব পাৰিলেই সকলো সমাধা হ'ব।

"শিৱসাগৰ ছোৱালী কলেজ" ঐতিহ্যমণ্ডিত এই মহাবিদ্যালয়খনৰ সুনামৰ প্ৰতি আকৃষ্ট হৈ যে মই

শিক্ষাগ্ৰহণৰ বাবে আগবাঢ়ি আহিছিলো এনে নহয়, বিশেষকৈ ইয়াৰ পৰিৱেশটোৱেও মোক যথেষ্ট আকৰ্ষিত কৰিছিল। কলেজখনিৰ নিচেই কাষতে থকা শিৱদৌলৰ শংখধ্বনি আৰু শিৱসাগৰ পুখুৰীৰ সৌন্দৰ্য্যই অনবৰতে মনটোক অনাবিল প্ৰশান্তি প্ৰদান কৰি থাকে।

তদুপৰি এই মহাবিদ্যালয়খনিৰ নামটোৰ লগত যেন নিজৰেই এক ব্যক্তিত্বৰ কথা জড়িত আছে, এনে লাগে। ছোৱালী এই শব্দটোৱে পূৰ্বৰ তুলনাত বৰ্তমান সমাজত বহুত স্থান পাইছে। 'ছোৱালী' বুলিলে হয়তো এতিয়াও মুখ কোচোৱা মানুহ নথকাকৈ নাই। মানুহে হয়তো ভাৱি নাচাই যে, সকলো সৃষ্টিৰ মূলতে নাৰী। গতিকে নাৰীক অৱব্যৱহাৰ কৰাটো অতি লজ্জাজনক। কিন্তু বৰ্তমান সময়ত ছোৱালীয়ে ল'ৰাৰ সমানে আগবাঢ়ি গৈছে। এই ক্ষেত্ৰত ল'ৰা-ছোৱালীৰ মাজত কোনো পাৰ্থক্য নাই গতিকে মই ভাৱো যে, কলেজখনৰ এই নামটো ছোৱালী বিলাকৰ উৎসাহৰ উৎসহে পৰিছে। তেনেস্থলত মই এই কলেজত শিক্ষা গ্ৰহণ নকৰি আন কলেজলৈ যোৱাৰ কথাটো মনলৈ আনিবই নোৱাৰিলো। মোৰ বিশ্বাস, এইখন কলেজেই মোৰ বাবে উপযুক্ত, যাৰ জৰিয়েত মই নিজকে সমাজত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ব পাৰিম।

– শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী হিচাপে নিজকে পৰিচয় দিবলৈ পায় মই সঁচাই ধন্য মানো তথা আত্মগৌৰৱত গৌৰান্বিত হৈ পৰো। আজিও স্পষ্টকৈয়ে মনত আছে সৌ সিদিনা ভয়-শংকাৰে জৰ্জৰিত মন এটা লৈ বুকুত সাহস বান্ধি আনন্দৰেই ভৰি দিছিলোহি এইখন কলেজত আৰু আজি জীৱনৰ চাৰিটা বসন্ত পাৰ কৰিলোহি, কেনেকৈ যে সময়বোৰ পাৰ হ'ল, গমেই নাপালো। প্ৰথম অৱস্থাত সহজ হ'ব পৰা নাছিলো, এটা নতুন পৰিবেশত নিজকে আৱিস্কাৰ কৰোঁতে বহু সময়ৰ প্ৰয়োজন হৈছিল। স্কুলীয়া জীৱন সামৰি কলেজীয়া জীৱনৰ পাতনি মেলোতে বহু ঘটনাই ঘটিছিল, মোৰ ক্ষেত্ৰত। আজিও স্মৃতিৰ মণিকোঠাত জীপাল হৈ আছে উক্তদিনবোৰৰ হাঁহি উঠা ছবিবোৰ। কেতিয়াবা প্ৰথম বেঞ্চত বহিবলৈ নাপায় চকুলো টুকাৰ অভিজ্ঞতাও মোৰ নথকা নহয়। স্কুলৰ তেনেই সূক্ষ্ম সংখ্যক ছাত্ৰীৰ মাজত শিক্ষাগ্ৰহণ কৰি কলেজৰ বৃহৎ সংখ্যক ছাত্ৰীৰ মাজত শিক্ষাগ্ৰহণ কৰাতো বৰ অসুবিধাজনক আছিল। কিন্তু, পাছলৈ সহজ হৈ নিজক সুন্দৰ ভাৱেৰেই খাপ-খুৱাই লবলৈ সমৰ্থ হৈছিলো। আৰু আজি এইখন কলেজৰ প্ৰেমত মই ইমান মতলীয়া হৈ পৰিলো যে এৰি যোৱাৰ কথা মনলৈ আহিলে দুখেৰে মনটো ভৰি পৰে।

আজি চাৰিবছৰ ধৰি অধ্যয়নৰ যোগেদি এইখন কলেজত মই যি অভিজ্ঞতা লাভ কৰিছো, সেইয়া বৰ্ণনাতীত। বিশেষকৈ কলেজখনৰ নিয়মানুবৰ্তিতাৰ ওপৰত শিক্ষক-শিক্ষয়িত্ৰী লগতে সকলো ছাত্ৰীয়ে সচকিত। আমাৰ শিক্ষাগুৰুসকলে আমাক নিজৰ সন্তানৰ দৰেই মৰম চেনেহ কৰে আৰু প্ৰয়োজন সাপেক্ষে মৰমৰ গালিও নিদিয়া নহয়। তদুপৰি ছাত্ৰীসকল আগুৱাই যোৱাত তেওঁলোকৰ অৱদান নুই কৰিব নোৱাৰি। প্ৰতিটো সমস্যা নিজৰ দৰে ভাবি আমাক সহায় কৰিবলৈ চেষ্টা কৰে। তেওঁলোকৰ পৰা পোৱা আন্তৰিক অনুপ্ৰেৰণা, সহায়-সহযোগিতা জীৱনৰ প্ৰতি খোজতে আৰ্শীবাদ হৈ ৰ'ব।

ইয়াৰোপৰি বাৰ্ষিক ফলাফলৰ লগতে খেল-ধেমালী, সাহিত্য-সাংস্কৃতিক আৰু নানান প্ৰতিযোগিতামূলক দিশত ছাত্ৰীসকল আগুৱাই যোৱাত শিক্ষক-শিক্ষয়িত্ৰী সকলে যথেষ্ট গুৰুত্ব দিয়ে।

আকৌ কিছুমান এনে ছাত্ৰী আছে, যিবিলাকৰ উচ্চ-আকাংক্ষা থকা স্বত্বেও আৰ্থিক অনাটনৰ বাবে তেওঁলোকৰ সপোন বিলাক বাস্তৱত ভৰি দিব নোৱাৰে। হয়তো আমাৰ কলেজখনিয়ে এনে ছাত্ৰীৰ প্ৰতি সততে

দৃষ্টি ৰাখিছে আৰু ভৱিষ্যতেও যাতে ৰাখে মই তাকেই কামনা কৰো।

শিৱসাগৰ ছোৱালী কলেজৰ যিটো পাৰিপাৰ্শ্বিক অৱস্থা, সেই পৰিবেশটো লক্ষ্য কৰিয়েই বহুতো ছাত্ৰীয়ে শিক্ষাগ্ৰহণৰ বাবে মন মেলে। হয়তো প্ৰথম অৱস্থাত মোৰ অৱস্থা সেইটোৱেই আছিল। কিন্তু, মই যেতিয়াৰ পৰা এই কলেজত অধ্যয়ন আৰম্ভ কৰিছো, তেতিয়াহে অনুভৱ কৰিব পাৰিছো। সঁচাকৈয়ে কলেজখনি "মহিমামণ্ডিত"। মোৰ অতি প্ৰিয় কলেজখনিৰ প্ৰতিটো সাফল্যই মোলৈ কঢ়িয়াই আনে আনন্দৰ জোৱাৰ, দি যায় এবুকু নৱপ্ৰেৰণা, যাৰ পৰশত ফুলি উঠে মোৰ আশাৰ কোমল কোমল পুলিবোৰ। শেষত শিৱসাগৰ ছোৱালী কলেজৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো।

– আমাৰ কলেজখনৰ উন্নতিৰ দিশত মই যি মতামত দাঙি ধৰিম, সেইয়া মোৰ বৰেণ্যসকলৰ তুলনাত হয়তো তেনেই নগণ্য হ'ব। যিহেতু মইও এইখন কলেজৰেই ছাত্ৰী। মোৰো অধিকাৰ আন ছাত্ৰীসকলৰ সৈতে সমান আৰু কলেজখনৰ সকলো দিশতে দৃষ্টি ৰখাৰ দায়িত্বও মোৰ আছে বুলি মই ভাবো। ছাত্ৰী হিচাপে কলেজখনৰ লগত আমি ওতঃপ্ৰোতভাৱে জড়িত আৰু কলেজখন কেনেদৰে উন্নতিৰ দিশত আগুৱাই যাব পাৰে, এই ক্ষেত্ৰত আমাৰ ওপৰত বহুতো কৰ্তব্যই আহি পৰে।

এইখন কলেজত আজি এই চাৰিটা বছৰ পাৰ কৰিছো। মোৰ চকুৰ আগতে কলেজখনৰ বহুত উন্নতি ঘটিছে। তাৰোপৰি কলেজখনৰ পূৰ্বৰ গৌৰৱ আজিও সুন্দৰভাৱেই অটুট আছে। কলেজখনৰ উন্নতিৰ দিশত অধ্যক্ষ মহোদয়ে কৰা একান্তৰ প্ৰচেষ্টাৰ কথা স্বীকাৰ নকৰি নোৱাৰো। আমাৰ সুবিধাৰ বাবেই আজি কলেজখনত বহুতো নতুন নতুন পাঠ্যক্ৰম আৰম্ভ হৈছে। যাৰ জৰিয়তে আমি কেৱল শিক্ষা দিশতে নহয়, আন বহুতো দিশত আগুৱাই যাব পাৰিছো। মানুহৰ সমস্যাৰ অন্ত নাই। এটা সমস্যা সমাধান হ'লে, আন এটা সমস্যাই মূৰ দাঙি উঠে। ঠিক একেদৰেই আমাৰ কলেজখনৰো অৱস্থা প্ৰায় তেনেকুৱাই। ১৯৬৪ চনতে স্থাপিত হোৱা কলেজখনৰ পূৰ্ব্ব তুলনাত বহুতো পৰিৱৰ্তনেই ঘটিছে। কিন্তু মই ভাবো কৰিবলগীয়া আৰু আছে।

কলেজখনিত আগৰ তুলনাত ছাত্ৰী সংখ্যা বৃদ্ধি হৈ যোৱাৰ ফলত কিছুমান সমস্যাৰ সৃষ্টি হৈছে। যেনে ঃ- আহল-বহল শ্ৰেণীকোঠাৰ অভাৱ, ছাত্ৰী জিৰণীকোঠাত আসনৰ অভাৱ বাৰুকৈয়ে অনুভৱ হয়। কিয়নো কেতিয়াবা ছাত্ৰীসকলে জিৰণীপৰত কলেজখনৰ পাঠদান চলি থকা কোঠাসমূহৰ কাষত থিয় হৈ, নিজৰ কথাবতৰাত মচগুল হৈ এটা হুলস্থুলীয়া উশৃংখল পৰিবেশৰ সৃষ্টি কৰে। সেইসময়ত তেওঁলোকে এবাৰো ভাবি নাচায় যে তেওঁলোকৰ হুলস্থূলতত হয়তো দাঁতিকাষৰীয়া কোঠা এটাত পাঠদান কৰাতো অসম্ভৱ হৈ পৰে। মই ভাবো এনে কিছুমান সমস্যা সমাধান হ'লে কলেজখনলৈ এটা শান্ত সুন্দৰ পৰিবেশ ঘূৰি আহিব।

ইয়াৰোপৰি কলেজখনত ছাত্ৰীসকলৰ সা-সুবিধাৰ বাবে এটা পুথিভঁৰাল আছে আৰু আমি উক্ত পুথিভঁৰালৰ পৰা কিতাপ সংগ্ৰহৰ জৰিয়তে বহুত সহায় লাভ কৰো। কিন্তু বহুসময়ত অনুভৱ হয় যে, পুথিভঁৰালটোৱে প্ৰয়োজন সাপেক্ষে ছাত্ৰী সকলৰ অভাৱ বিলাক দূৰ কৰিব পৰা নাই। ছাত্ৰীৰ সংখ্যা অধিক হোৱাৰ বাবে পুথিভঁৰালত সোমাই অধ্যয়ন কৰাতো বাদেই, থিয় হবলৈও কেতিয়াবা অসুবিধা হয়। গতিকে মই ভাবো যে, ছাত্ৰীসকলৰ প্ৰতি সততে দৃষ্টি ৰাখি কলেজখনত তেওঁলোকৰ প্ৰয়োজন অনুসাৰে কিতাপ পত্ৰকে আদি কৰি পুথিভঁৰালটিও যদি অলপ আহল বহল কৰিব পৰা যায়, ছাত্ৰীসকল বহুত উপকৃত হ'ব আৰু এইক্ষেত্ৰত কলেজখনৰো উন্নতিৰ দিশত আগুৱাই যোৱাত সুবিধা হ'ব।

কলেজখনিত উলহ মালহেৰে পালন কৰিবলৈ লোৱা বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ সময়তো যথেষ্ট

অসুবিধাৰ সন্মুখীন হ'ব লগা হয়। কিয়নো, ক্ৰীয়াসূচী পালন কৰিবলৈ মূলতে এখন খেল পথাৰৰ অভাৱ সেইসময়ত আমি বাৰুকৈয়ে অনুভৱ কৰো। যাৰ ফলস্বৰূপে আমাৰ মাজত লুকাই থকা কিছুমান প্ৰতিভা সুপ্ত অৱস্থাতেই থাকি যায়, প্ৰয়োজনীয় সা-সুবিধাৰ অভাৱত। তাৰোপৰি কলেজখনৰ নানান ধৰণৰ বিভাগীয় সভা, সাহিত্য সাংস্কৃতিক দিশত আগুৱাই যাব পৰা বিষয় সমূহ আলোচনা কৰিবৰ বাবে এটা স্থায়ী প্ৰেক্ষাগৃহৰ অভাৱ আমি প্ৰতি খোজতে অনুভৱ কৰো। এইবোৰো আমাৰ বাবে একো একোটা সমস্যাই। ইয়াৰ পৰিমাণ হ্ৰাস কৰিলে আমাৰ কলেজখনৰ অধিক উন্নতি নিশ্চিত বুলি আশা কৰিব পাৰি।

তথাপিতো কলেজখনৰ বাৰ্ষিক ফলাফল যথেষ্ট সন্তোষজনক বুলিয়েই ক'ব পাৰি। এইক্ষেত্ৰত উপৰোক্ত সমস্যাবোৰে কোনো ধৰণৰ অৰাজকতাৰ সৃষ্টি কৰা নাই। কলেজখনৰ বাৰ্ষিক ফলাফল উন্নতিৰ মূলতে ছাত্ৰীসকলৰ একাগ্ৰতা, শিক্ষক-শিক্ষয়িত্ৰীসকলৰ একান্ত প্ৰচেষ্টা তথা অনুপ্ৰেৰণা সহায়-সহযোগিতাৰ কথা উল্লেখ কৰিবই লাগিব। তেওঁলোকে বহু সময়ত ছাত্ৰীসকলক সহায় কৰি আহিছে।

যিহেতু আমি এইখন কলেজৰেই ছাত্ৰী, সেয়েহে কলেজখনৰ উন্নতিৰ দিশত আমাৰো কৰণীয় বহুত আছে। ছাত্ৰী হিচাপে আমাৰ প্ৰধান কৰ্তব্য হৈছে অধ্যয়ন। কিন্তু মানৱতাৰ বধ্যভূমিলৈ ৰূপান্তৰ হ'ব ধৰা আজিৰ অসমত শৈক্ষিক, সামাজিক, সাংস্কৃতিক আদি সকলো দিশতে বিশৃংখলতাই দেখা দিছে। এনে পৰিস্থিতিত আমাৰ ওপৰত বহুতো কৰ্তব্য, দায়িত্ব আৰোপিত হৈছে। সেয়েহে আমি শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰীৰ মাজত কোনো সংকোচৰ প্ৰাচীৰ নাৰাখি একতাৰ দোলেৰে এক নতুন শক্তি গঢ়ি নতুন দিগন্ত সূচনা কৰিবলৈ হাতে হাত মিলাই সকলোৱে আগবাঢ়ি গ'লে হয়তো কলেজখনৰ উন্নতি হোৱাত কোনো বাধাই আহিব নোৱাৰে।

---

*জাহ্নৱী কোঁৱৰ,*
*স্নাতক প্ৰথম বৰ্ষ, ইংৰাজী বিভাগ*

ঐতিহ্যমণ্ডিত শিৱসাগৰ নগৰৰ জ্ঞানৰ পবিত্ৰ মন্দিৰ
আমাৰ এই শিৱসাগৰ ছোৱালী মহাবিদ্যালয়খনি,
যাৰ জ্ঞানৰ পোহৰেৰে বিকশিত হয় বহু প্ৰতিভা যুগে যুগে।
উজলাই ৰাখক সেই প্ৰতিভাবোৰেই
আমাৰ চিৰচেনেহৰ মহাবিদ্যালয়খনি জনমে জনমে।

আহোমৰ ৬০০ বছৰীয়া সোণালী শাসনৰ স্বাক্ষৰ বহন কৰি অহা শিৱসাগৰ নগৰৰ মাজমজিয়াত শিৱসাগৰ ছোৱালী মহাবিদ্যালয় অৱস্থিত। ১৯৬৪ চনত এই মহাবিদ্যালয়খন স্থাপিত হৈছিল।

উচ্চ শিক্ষাৰ ক্ষেত্ৰত অসমৰ আন বহুতো নামজ্বলা শিক্ষানুষ্ঠানৰ ভিতৰত শিক্ষাৰ লগতে অন্যান্য সকলো দিশতে সুনাম থকা শিৱসাগৰ ছোৱালী মহাবিদ্যালয়খনিও অন্যতম। শিৱসাগৰ নগৰৰ ভিতৰত এই মহাবিদ্যালয়খনেই হৈছে নাৰী শিক্ষাৰ এক প্ৰধান প্ৰতিষ্ঠান। সৰ্বোপৰি চিৰচেনেহী অসম মাতৃভূমি যিদৰে মোৰ বাবে শ্ৰদ্ধাৰ পাত্ৰী, সেইদৰে ওপজা ঠাই শিৱসাগৰৰ প্ৰসিদ্ধ এই ছোৱালী মহাবিদ্যালয়খনিও মোৰ বাবে জ্ঞানৰ পবিত্ৰ মন্দিৰস্বৰূপ। সেয়েহে মই সফলতাৰ অযুত আশা বুকুত বান্ধি এই মন্দিৰত জ্ঞান অৰ্জন কৰাৰ সপোন দেখি আহিছো আৰু এই সপোনক বাস্তৱত ৰূপ দিয়াৰ উদ্দেশ্যেৰ মই উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত

উৰ্ত্তীণ হৈ শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ত স্নাতক প্ৰথম বৰ্ষত নামভৰ্তি কৰিলো।

বুৰঞ্জীপ্ৰসিদ্ধ ঠাই হোৱা হেতুকে পুৰণি কীৰ্তিচিহ্ন সমূহৰ বাবে মহাবিদ্যালয়খনিৰ ওপৰত একসুন্দৰ তথা শান্ত পৰিবেশ বিৰাজ কৰিছে। মহাবিদ্যালয়খনিৰ নিচেই ওচৰতে থকা মন্দিৰ কেইটালৈ নিতৌ অনেক ভক্ত তথা উপাসকৰ আগমণ ঘটে। অনেক তীৰ্থযাত্ৰী মন্দিৰ দৰ্শনৰ বাবেও আহে। কলেজলৈ অহা যোৱা কৰোতে ছাত্ৰীসকলেও মন্দিৰত সেৱা জনায়, গতিকে এনে এক শান্ত পৰিবেশ স্বাভাৱিকতেই ছাত্ৰীসকলৰ মনত এক আধ্যাত্মিক ভাৱৰ সৃষ্টি কৰে। মন্দিৰৰ কাষতে থকা শিৱসাগৰৰ বৰপুখুৰীৰ মৃদু বতাহে মহাবিদ্যালয়খনিৰ ওচৰত এক সুস্বাস্থ্যকৰ পৰিবেশ গঢ়ি উঠাত সহায় কৰিছে। শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ চৌহদটোও অতি মনোমোহা।

সেউজীয়া পাৰি দিয়া বগা চাদৰ, বগা ব্লাউজ আৰু মুগাৰ মেখেলা পৰিধান কৰা শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ ইউনিফৰ্মটোৰ প্ৰতি ফুলেশ্বৰী স্কুললৈ অহা যোৱা কৰোতে নিচেই সৰুৰেপৰাই আকৰ্ষিত হৈছিলো। সচাঁকৈয়ে, ফুলৰ পাহিত পৰি থকা জাক জাক পখিলাই যিদৰে ফুলনিৰ শোভা বঢ়ায়, সেইদৰে ঠিক জ্ঞান অৰ্জন কৰিবলৈ অহা জাক জাক ছোৱালীয়েও এই পবিত্ৰ শিক্ষা মন্দিৰটিৰ শোভা বৰ্ধন কৰি থাকে। গতিকে এই সুন্দৰ সাজপাৰ পিন্ধাৰ লোভকণ সামৰিব নোৱাৰিও মই উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উৰ্ত্তীণ হৈ এই মহাবিদ্যালয়তেই শিক্ষাগ্ৰহণৰ সিদ্ধান্ত ললো।

সৰ্বশেষত মোৰ চিৰনমস্য ছাৰ-বাইদেউসকলৰ মৰম তথা শিক্ষাদানৰ আন্তৰিক প্ৰচেষ্টাত আৰু ছাত্ৰীসকলৰ অধ্যাৱসায়ৰ ফলত মহাবিদ্যালয়ৰখনিলৈ তেওঁলোকৰ কৃতিত্বই গৌৰৱ কঢ়িয়াই আনিব বুলি আশা কৰিলো। তেওঁলোকৰ লগত খোজ মিলাই ময়ো সেই আলোক সন্ধানী পথৰ পথিক হ'ব পাৰিম বুলি মোৰ দৃঢ় বিশ্বাস আৰু ভগৱানৰ ওচৰত মোৰ এয়াই প্ৰাৰ্থনা।

– কিবা এটা প্ৰতি আকৃষ্ট হোৱা বা ভাল লগাৰ বিষয়ে কেৱল অনুভৱৰ যোগেদিহে প্ৰকাশ কৰিব পাৰি। অসমৰ ভিতৰতে এখন নামজ্বলা শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ত পঢ়াৰ যিআশা সৰুৰেপৰা পুহি ৰাখিছিলো, আজি সেই আশা পূৰ্ণ হোৱাত মোৰ এটা বহুদিনীয়া অভাৱ পূৰণ হোৱাৰ দৰে লাগিছে আৰু মই অতিকৈ গৌৰৱ অনুভৱ কৰিছো আৰু লগতে আনন্দিতও হৈছো। অচিনাকি মহাবিদ্যালয়খনিলৈ প্ৰথম অহাৰ দিনা মোতকৈ জ্যেষ্ঠ বাইদেউসকলৰ বাবে মোৰ মনত এক সংশয়ৰ ভাব জাগিছিল। কিন্তু সেই বাইদেউসকলৰ সু-ব্যৱহাৰত মই বিচৰা মৰম চেনেহৰ অভাৱ নাপালো। তাৰোপৰি মোৰ চিৰনমস্য ছাৰ-বাইদেউসকলে মৰম আৰু আন্তৰিক প্ৰচেষ্টা তথা উৎসাহমূলক কথাৰে শিক্ষাদান কৰাত মই আত্মসন্তুষ্টি লাভ কৰিছো। শিক্ষা অৰ্জনৰ বাবে বিভিন্ন ঠাইৰপৰা আহি সমবেত হোৱা মোৰ বান্ধৱীসকলৰ মাজত বন্ধুত্বৰ যি সমাবেশ গঢ়ি উঠিছে, সেই সমাবেশেও মোক এই মহাবিদ্যালয়খনক আপোন কৰি লোৱাত যথেষ্ট যোগাইছে। পূজনীয় ছাৰ-বাইদেউ আৰু ছাত্ৰীসকলৰ মাজত থকা এই সম্পৰ্ক ভৱিষ্যত প্ৰজন্মৰ বাবে আদৰ্শস্বৰূপ হৈ ৰওক, তাকেই মই কামনা কৰিলো।

– যিদৰে এগৰাকী বা এজন সু-নাগৰিক নিজ দেশৰ বাবে কৰিবলগীয়া কিছুমান কৰ্তব্য থাকে সেইদৰে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ এগৰাকী ছাত্ৰী হিচাপে মহাবিদ্যালয়খনিৰ উন্নতিৰ ক্ষেত্ৰত বিভিন্ন মতামত আগবঢ়াই এইক্ষেত্ৰত আগভাগ লোৱাটো মোৰ এক প্ৰয়োজনীয় কৰ্তব্য। অসমৰ ভিতৰত এখন সুনাম থকা মহাবিদ্যালয় হোৱা স্বত্বেও আমাৰ এই মহাবিদ্যালয়খনিৰ বহুতো অভাৱ মই দেখিবলৈ পাইছো। সেয়েহে মই সেই অভাৱসমূহ আঙুলিয়াই দেখুৱাই মহাবিদ্যালয়খনৰ উন্নতিৰ এক পদক্ষেপ ল'ব বিচাৰিছো।

প্ৰথমতে ক'ব পাৰি যে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ জিৰণি কোঠাটো টিন পাতৰ হোৱা

বাবে ৰ'দৰ উত্তাপ বেছিকৈ পৰে আৰু গৰমৰ দিনকেইটাত আমাৰ ছাত্ৰীসকলৰ বৰ কষ্ট হয়, গতিকে এই কোঠাটোত চিলিঙি দিয়াৰ ব্যৱস্থা কৰিলে ছাত্ৰীসকলৰ বাবে ই আৰামদায়ক হ'ব বুলি মই ভাবো।

দ্বিতীয়তে, মহাবিদ্যালয়ৰ কেণ্টিন চৌহদটো ইমানবোৰ ছাত্ৰী অনুপাতে যথেষ্ট সৰু, যাৰ ফলত ছাত্ৰীসকলে কেণ্টিনত খাবলৈ আহি বহু সময় ৰ'ব লগা হয় আৰু কেতিয়াবা শ্ৰেণীকোঠাত উপস্থিত হওঁতে পলম হৈ যায়। গতিকে কেণ্টিন চৌহদটো অলপ ডাঙৰকৈ সজালে ছাত্ৰীসকলৰ সুবিধা হ'ব।

তৃতীয়তে, আমাৰ মহাবিদ্যালয়ৰ কেণ্টিনৰ পানী। সেয়েহে কেণ্টিনত বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা কৰিব লাগে।

সৰ্বশেষত আমাৰ অতিকে আপোন পবিত্ৰ মন্দিৰস্বৰূপ শিৱসাগৰ ছোৱালী মহাবিদ্যালয়খনিয়ে উন্নতিৰ জখলাত আগুৱাই যাওঁতে ইয়াৰ গৌৰৱ এজোপা বৃহৎ বৃক্ষৰ দৰে পত্ৰে, পুষ্পে সুশোভিত হৈ চাৰিওফালে যাতে বিস্তাৰিত হয়, তাকেই মই কামনা কৰিলো।

---

*মৈত্ৰেয়ী গগৈ*
*উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ, বিজ্ঞান শাখা*

- শিৱসাগৰ ছোৱালী কলেজৰ সমীপৰ ফুলেশ্বৰী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ত হাইস্কুলীয়া শিক্ষাগ্ৰহণ কৰাৰ দিনতে প্ৰতিদিনে দেখা এই কলেজত শিক্ষাগ্ৰহণ কৰিবলৈ স্বাভাৱিকতে আগ্ৰহ হৈছিল। তদুপৰি মা-দেউতা আৰু ইয়াতে শিক্ষাগ্ৰহণ কৰা বাইদেউৰ পৰামৰ্শও ইয়াৰ এক কাৰণ। এই কলেজৰ অনুশাসন, নিয়মানুৱৰ্তিতা, নিয়মীয়া পাঠদান, মানদণ্ডইও মোক আকৰ্ষিত কৰিছিল। কলা, সংস্কৃতি, ক্ৰীড়া, সামাজিক বিভিন্ন দিশত এই কলেজৰ পৰিসৰ আৰু সাফল্যইও প্ৰেৰণা যোগাইছিল।

- প্ৰায় ডেৰবছৰ শিক্ষাগ্ৰহণ কৰাৰ পাছত এতিয়া এইখন মোৰ মৰমৰ কলেজ। চাৰ বাইদেউসকলৰ অভিভাৱকসুলভ, উদগণিসূচক, বন্ধু সুলভ যতনত মোহিত হৈছো। বান্ধৱী, অগ্ৰজ, অনুজ সকলৰ লগত মুকলি মিলামিছাত, কেণ্টিন, কমনৰুম, লেবৰেটৰীৰ উপভোগ্য সময়খিনিৰ উপৰিও কলেজৰ পৰিসৰত প্ৰথম বাৰৰ বাবে অনুভৱ কৰিছো বৌদ্ধিক পৰিৱেশ।

- শিক্ষাৰ ব্যক্তিগতকৰণ আৰু গোলকীকৰণৰ বৰ্তমানৰ সময়ৰ পৰিপ্ৰেক্ষিতত কলেজসমূহ (মঞ্জুৰীপ্ৰাপ্ত/অমঞ্জুৰীপ্ৰাপ্ত) তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। তেনেঅৰ্থত শিক্ষাদান গ্ৰহণৰ যি সনাতন সুষমা তাক ব্যাহত নকৰাকৈয়ে সময়ৰ পৰিবৰ্তিত গতিত খাপ খাব পৰা বৃত্তিমুখী শিক্ষাৰ প্ৰচলনে কলেজখনৰ প্ৰতি বহুতকে আকৃষ্ট কৰাৰ লগতে "earning while learning" বাক্যষাৰিৰো যথাৰ্থতা প্ৰমাণ কৰিব।

সাম্প্ৰতিক বিশ্বৰ মানৱীয় প্ৰমূল্যৰ অৱক্ষয় আৰু ভোগবাদী, বৃত্তলিখাৰ উৰ্দ্ধগামী হাৰক ৰোধ কৰিবলৈ অন্যান্য পাঠ্যক্ৰমৰ লগতে মানৱীয় গুণ গৰিমা বিকাশ (value base education)ৰ ধাৰাও সমান্তৰাল ভাৱে থাকিলে সমাগত সমাজখনৰ সুস্থতাত শিৱসাগৰ ছোৱালী কলেজৰ ভূমিকা উল্লেখনীয় হৈ ৰব।

---

# 'ৰংপুৰ' এক ভিন্ন অনুভৱ

- শ্ৰীমতী সংগীতা বৰুৱা
স্নাতক তৃতীয় বৰ্ষ, গণিত বিভাগ

মাতৃৰ মমতাময় হিয়াক জয় কৰি এদিন এই পৃথিৱীৰ সদস্য হৈ পৰা কেইদিনমানৰ আয়োজন কৰা বাজলৈ ওলোৱা পৰ্ব বা শুচি হোৱা দিনটোতেই, কাগজ কলমৰ লগতে বিশাল আকাশৰ তলত তামুলী পিৰাত শুৱাই আকাশৰ সৈতে মিতিৰালি কৰি দিয়াৰ দিনৰে পৰা আকাশৰ সৈতে কথা পাতিছোঁ, লুকাভাকু খেলিছোঁ। মোৰ প্ৰথম বন্ধু 'আকাশ', যিয়ে মোক জোনাকৰ জিক-মিক তৰাবোৰ উজ্জ্বলতাক, তাৰ বিশালতাক অনুভৱ কৰিবলৈ শিকাইছিল। সেইদৰে 'আকাশে' মোক শিক্ষাজগতৰ বিশালতাক মা-দেউতাৰ আঙুলিৰ স্পৰ্শৰে বাট বুলাই বুজাই দিছিলে যে- 'নিজক শিক্ষা চাকি গছিৰে পোহৰাই এই পৃথিৱীকো এঢাপ আগলৈ লৈ যোৱা'। তেতিয়াৰে পৰা মই, অসীমৰ চাকি গছিৰ পোহৰ পাবলৈ ব্যাকুল।

গাঁৱলীয়া সমাজত সাধাৰণতে স্থানীয় স্কুল কলেজ কেইখনেহে আগস্থান পায়। খুব কম সংখ্যক ব্যক্তিৰহে চহৰৰ কলেজীয়া জীৱনৰ সৈতে সম্পৰ্ক থাকে। শৈশৱ পাৰ কৰি যৌৱন গৰকা ষোল্ল বছৰীয়া অনুভৱখিনিত কেৱল হাঁহি ধেমালি, পথাৰৰ কেঁচা মাটিৰ গোন্ধ, হাবিত কপৌফুল, ভাটৌফুল, বগীজামু বিচাৰি ফুৰা আমেজৰ বাহিৰে ব্যক্তিগত চিন্তা তথা সামাজিক চিন্তাই স্থান নাপাইছিল। ২০০২ বৰ্ষত মেট্ৰিক পাছ কৰি বিজ্ঞান শাখাত পঢ়িবলৈ ইচ্ছা কৰাত এই চহৰীয়া কলেজ পালোহি, য'ত মোৰ সহজ হবলৈ তথা আকোঁৱালি লবলৈ অলপ কষ্ট কৰিবলগীয়া হৈছিল। ঐতিহ্যমণ্ডিত 'শিৱসাগৰ ছোৱালী কলেজ'ত নামভৰ্তি কৰাৰ লগতে দেউতাই বৰজীয়েকক বোকাপানী নখচাওঁ ভাৱি এই কলেজৰ 'ৰংপুৰ ছাত্ৰী নিৱাস'তো নামভৰ্তি কৰি থৈ গৈছিল।

মনত ঘৰৰ মানুহৰ পৰা আঁতৰি থকাৰ দুখ, নতুন পৰিৱেশত নিজকে খাপ খুৱাবলৈ হোৱা ভয়, উচ্চ শিক্ষা পাবলৈ পোৱাৰ আনন্দ আদিৰ মাজতে ২০০২ বৰ্ষৰ আগষ্ট মাহৰ কোনো এটা দিনত এই "ৰংপুৰ ছাত্ৰী নিৱাস"ৰ আৱাসী হলোঁহি। প্ৰথম সাক্ষাৎতে প্ৰেমত পৰিছিলো এই হোষ্টেলৰ সৈতে। সুন্দৰ বাসভৱনটোৰ সৈতে মনোমোহা ফুলনিডৰাই বিশেষভাৱে আকৰ্ষণ কৰিছিল। ফুলৰ ৰাণী গোলাপে জকমকাই আছিল ফুলনিডৰাত। তাৰোপৰি নাৰ্জি, তগৰ, ৰজনীগন্ধা, খৰিকাজাঁই আদিয়েও চৌপাশ সজীৱ কৰি ৰাখিছিল। চুপাৰ বাইদেউৱে ইয়াৰ তত্ত্বাৱধান লৈছিল আৰু আমাকো ফুলৰ সৈতে কথা পাতিবলৈ শিকাইছিল। সেইদিনা সেউজীয়া বননিৰ কোমল স্পৰ্শত মই পাহৰি পেলাইছিলো ক্ষণিকৰ বাবেদুখ আৰু ভয়বোৰ। সোমাই গৈছিলো মূখ্য দুৱাৰেদি আৰু পাইছিলো এক শান্ত পৰিৱেশ, যিয়ে সকলোকে ভবাই তুলিব যে এইয়াই পঢ়াৰ উত্তম পৰিৱেশ। চাৰিজনীয়া কোঠাত ছোৱালীবিলাকে কেনেকৈয়ে সকলোবোৰ বস্তু যেনে ঃ- এয়াৰ বেগ, ট্ৰাংক, বাকেট আদি সজাইছিল, দেখি আপ্লুত হৈছিলো আৰু নিজেও এই নীতিবোৰ মানিছিলো। হোষ্টেলৰ প্ৰথম দিনটোতেই কেইটামান খোলা থকা শামুক খিৰীকিৰে আহি মোৰ বিচনাৰ তলত আছিলিহি। সেইবাবে ডাঙৰ বাইঁতে মোক 'নিক্‌নেম' হিচাপে 'পাইলা' অৰ্থাৎ শামুকী বুলি মাতিছিল। সন্ধ্যাৰ প্ৰাৰ্থনা কৰাৰ পাছত আৰম্ভ হৈছিল 'অধ্যয়নৰ সময়'। মোৰ ৰুমমেট নিমনাগড়ৰ ৰুমীবা আৰু কেইদিনমানৰ আগতে অহা নৱাগতা পানবেছাৰ আইমণি বায়ে হোষ্টেলৰ সকলো নিয়ম ভালদৰে বুজাই দিছিল। আইমণি বা প্ৰতিভাসম্পন্ন আছিল। কিন্তু আৰ্থিক নাটনিৰ বাবে স্নাতক ডিগ্ৰী ল'ব নোৱাৰিলে। তাইৰ দুখত আমিবোৰো দুখী হৈ পৰিছিলোঁ। সঁচাকৈয়ে এই হোষ্টেলৰ ছোৱালীবোৰৰ মাজত যি আত্মীয় ভগ্নীত্ব

মৰমৰ সঁচা বান্ধোন আছে তাক হোষ্টেলীয়া ছোৱালীয়েহে অনুধাৱন কৰিব পাৰিব।

"অ'ই জোনালী, আজি নতুনকৈ আহিছ নেকি?", "অ' লাভলী, আহিয়েই বডি ডাঙি ডাঙি ভাত খাইছোঁ (কাৰণ, সেইদিনা ডাংবদি তৰকাৰী আছিল)" ইত্যাদি ইত্যাদি প্ৰকাণ্ড প্ৰকাণ্ড শৰীৰৰ তৃতীয় বৰ্ষৰ ছাত্ৰীবোৰৰপৰা নৱাগতা সকললৈ নিক্ষেপ কৰা কাটবোৰে প্ৰথমদিনা ব্যতিবস্ত কৰি তুলিছিল। কিন্তু বৰ্তমান এইবিলাক নাই। আনহাতে পিছলৈ এইবিলাক নহলে ভাত খাইছোঁ যেনেই নালাগিছিল। নিজেই পিছত এইবিলাকত সোমাই পৰিছিলোঁ সময়ৰ আদেশত। ঘৰত থাকিলেও দেওবাৰৰ ৰসৰাজৰ চিংৰা আৰু মাংসৰ বাটিটোলৈ মনত পৰি থাকিছিল। গৰমৰ দিনকেইটাত কম পানীৰে কাপোৰ, মূৰ, গা ধুবলগীয়া হোৱাত ছোৱালীবিলাকে জল সম্পদক লৈ পানীটেপত জমনি কৰিছিল। মূৰত চেম্পু লৈ ১০-১৫ মিনিট ৰোৱাৰ পাছতহে ধুবলৈ সুবিধা পাওঁতে কাৰোবাৰ মুখৰপৰা অজানিতে নিগৰিত হৈছিল- "অ'ই যদি তপী (তপাৰ স্ত্ৰীলিংগ) হোৱাটো বিচাৰ, তেন্তে মূৰতেই চেম্পু থাকক দেই।" - হাঁহিৰ ৰগৰ উঠিছিল তেতিয়া। আমাৰ চুপাৰ উৎপলা বাইদেউৱে প্ৰাৰ্থনাৰ আগতেই চাহ খাবলৈ বাধ্যতামূলক কৰাৰ স্বত্বেও প্ৰাৰ্থনাৰ পাছতহে সকলোৱে খায় ভাল পাইছিল আৰু বাইদেউ আহিলে কোনে ক'ত বিস্কুটৰ টেমা, গিলাছ, ফ্লাস্ক আদি থব তাক সাজু কৰি ৰখা হৈছিল। তথাপিও কেতিয়াবা কাৰোবাৰ হাতত গিলাছটো থাকিয়েই গৈছিল। হোষ্টেলত পঢ়া যথেষ্ট হোৱাৰ উপৰিও কুম্ভকৰ্ণ শোৱন সকলোৱে উপভোগ কৰিছিল আৰু শুই থকাবোৰৰ মুখ আঁকি বিভৎস ৰূপ দি হাঁহিৰ ৰগৰ তুলিছিল। তাৰোপৰি, আবেলিৰ আড্ডাবোৰ জকিং, গান গোৱা, অভিনয় কৰা, আৰু বিভিন্ন ৰসাল কথাৰে জমি উঠিছিল।

এশ ত্ৰিশটা পৰিয়ালৰ সংস্কৃতি লগহৈ আন্তৰিকতাৰে নৱাগতা আদৰণী সভা, সৰস্বতী পূজা, জন্মাষ্টমী (য'ত পকামিঠৈ বনোৱা হৈছিল), স্বাগতম নৱবৰ্ষ (য'ত চুপাৰ বাইদেউৰ কেক্‌টোৰ বাবে আশাৰে বাট চাইছিলো), বিদায় সম্বৰ্দ্ধনা আদিবোৰ সুশৃংখলিতভাৱে সম্পন্ন কৰা হৈছিল আৰু সকলোৱে খোৱাৰ আইটেমৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিছিল। বনোৱা দায়িত্ব সেইদিনা ছোৱালীবিলাকে লৈছিল। একো নজনা ছোৱালীবিলাকেও সকলোবোৰ শিকিব পাৰিছিল। যেনে ঃ- ৰন্ধা, চিলাই কৰা ইত্যাদি। দেওবাৰে social service কৰাটো বাধ্যতামূলক আছিল, যিয়ে আমাক হোষ্টেলখনৰ পৰিষ্কাৰ পৰিচ্ছন্নতাত ভাগ লবলৈ বিশেষভাৱে সুবিধা দিছিল।

বছেৰেকীয়া 'কলেজ সপ্তাহ' লৈ সকলোৱে বৰ আগ্ৰহেৰে বাট চাইছিল, য'ত প্ৰতিভা বিকাশ কৰিবলৈ এটা সুবিধা পোৱা গৈছিল। প্ৰথমতে যেতিয়া শুনিছিলো যে ইয়াত হুঁচৰি আৰু ক্ৰিকেট প্ৰতিযোগিতা হয়। ভীষণ আচৰিত হৈছিলোঁ। 'কলেজ সপ্তাহ' আৰম্ভ হোৱাৰ দুহ দিনমানৰ আগৰপৰা প্ৰেক্টিচ আৰম্ভ হৈছিল। পুৱাতে কুঁৱলীৰ মাজত ক্ৰিকেট খেলি বৰ ভাল লাগিছিল। হুঁচৰি দলত আমাক স্থান দিয়া হৈছিল। বিজয়শ্ৰী আৰু মই তাল সংগত কৰিছিলো। সাপেখাতীৰ জয়াবায়ে ঢোল, পেঁপা, বাঁহী সকলোবোৰ বজাইছিল আৰু মোক ভৱিষ্যতে বজাবৰ বাবে শিকাই থৈ গৈছিল। মোৰ আগ্ৰহ দেখিয়েই তেওঁ মোক শিকাইছিল। 'ৰংপুৰ ছাত্ৰী নিৱাসেই' হুঁচৰি আৰু ক্ৰিকেটত প্ৰথম পুৰস্কাৰ পাইছিল। মাত্ৰ দুবাৰ হুঁচৰিত দ্বিতীয় পুৰস্কাৰ পাইছিল। এই নিৱাসৰ হুঁচৰিৰ সুনাম থকাৰ বাবে O.N.G.C.ৰ কলনিৰ সাংস্কৃতিক সন্ধিয়ালৈ আমন্ত্ৰণ পাইছিল আৰু 'ৰংপুৰ উৎসৱৰ' বিজ্ঞাপন বেনাৰত আমাৰ হুঁচৰিযোৱা দিয়া হৈছিল। ২০০৫ বৰ্ষৰ কলেজ সপ্তাহৰ বঁটা বিতৰণী দিনা এক আমোদজনক ঘটনা ঘটিছিল। চুপাৰ বাইদেউৱে আমাক ১-০০ বজাতেই কলেজত উপস্থিত থাকিবলৈ কৈছিল। কিন্তু সেইদিনা আমাৰ গাধোৱা, ভাতখোৱা আদি বহুত পলম হৈ গৈছিল। বাইদেউৱে কাকো ওলোৱা নেদেখি গালি দিবলৈ ধৰিলে। তেতিয়াও বহুত ছোৱালীয়ে গাধোৱা নাছিল। বাইদেউৰ গালি শুনি কেইজনীমান বাথৰুমত,

বিচনাৰ তলত সোমালেগৈ। কিছুমানে চুৰিদাৰৰ ওপৰতে ইউনিফৰ্ম পিন্ধি কলেজলৈ গৈছিল। পিছত যেতিয়া আমি কলেজ পালোগৈ তেতিয়া কোনো অহাই নাছিল।

শিৱসাগৰত শিৱৰাত্রি মেলা বা অন্যধৰণৰ যিকোনো মেলা আহিলে আমাৰ হোষ্টেললৈ অহা যমুনা ৰাস্তাটো চাবলগীয়া হয়। গোন্ধত সকলোৱে ৰুমালেৰে নাক ঢাকি যাবলগীয়া হয়। বাটত লগৰবোৰক দেখিলে তেতিয়া মুখখনৰপৰা ৰুমাল আঁতৰাই দাতকেইটাই উলিয়াহে দেখুৱাওঁ। কাৰণ এইটুকুৰাত মাত মাতিলে উকালি অহাটো নিশ্চিত।

উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত থাকোঁতেই এবাৰ মোৰ ৰুমমেট মমীবাৰ লগত মমবাতিৰ জুঁইত বাটিত তেল গৰম কৰি কণী আৰু ব্ৰেড ফ্ৰাই কৰি খাই নিজেই বনাই খোৱাৰ চখ পূৰ্ণ কৰিছিলোঁ। এইয়া আমাৰ মাজত ষ্টভৰ বিকল্প আছিল। প্ৰায়েই মোৰ লগৰবোৰক মই বিশেষভাৱে পিঠাগুড়ি আৰু কলৰ মিঠৈ বনাই খুৱাবলগীয়া হৈছিল। মই বৰ আনন্দ পাইছিলো এইবোৰ কৰি। হোষ্টেলত সাধাৰণতে চহৰৰ মিঠাইকেইটাতকৈ গাঁৱলীয়া জুতিহে বেচিকৈ পোৱা গৈছিল। ছোৱালীবিলাকে ঘৰলৈ গলে প্ৰায়েই টেকেলী পিঠা, ভাপত দিয়া পিঠা, তৰাপাতত দিয়া পিঠা, বৰাভাতৰ লগত সৰু সৰু আলু আৰু বুটৰ তৰকাৰী আদিবোৰ লৈ আনিছিল। সেয়েহে ভিজিটৰ অহা দিনবোৰত বিশেষভাৱে টোপোলাকেইটাতহে গুৰুত্ব দিয়া হৈছিল।

চুপাৰ বাইদেউলৈ ভয় লাগিছিল যদিও কেতিয়াবা কিছুমান কাম কৰি পাইছিলো, যিবোৰ কথা বাইদেউৱে গমকে নাপাইছিল। মোৰ প্ৰথমবছৰৰ শেষৰ দিনটোত আমি সাতজনীমানহে হোষ্টেলত আছিলোঁ। তৃতীয় বৰ্ষৰ ৰুমীবা, ৰঞ্জিতা বা আৰু জিথনা বা আছিল। সেইদিনা গোটেই ৰাতিটো চি.ডি. চাইছিলো আৰু পুৱা টিউচনত টোপনীয়াই আছিলোঁগৈ।

আমাৰ হোষ্টেলত ভি.আই.পি. কাৰেণ্ট হোৱাৰ আগতে প্ৰায়েই ৰাতি বহুত দেৰীলৈকে কাৰেণ্ট গৈছিল আৰু যোৱাৰ কোনো সময় নাছিল। সেয়েহে মোৰ সদায়েই এটা ভয় হৈছিল যে, বাইদেউৱে যদি আমাক চেকিং কৰিবলৈ আহিছে, তেতিয়া কাৰেণ্ট গলে ক'ৰবাত খুন্দা খায় যদি.....। এদিন সেয়েই হ'ল। কিন্তু বাইদেউৱে খুন্দা খোৱা নাছিল, মোৰ ৰুমৰ দুৱাৰতহে টুকুৰিয়াইছিল। সেইদিনা কাৰেণ্ট যোৱাৰ লগে লগেই মই কথাটো ভাৱিছোঁ আৰু বাইদেউৱে দুৱাৰত টুকুৰিয়াইছে। মোৰ ইমানেই বেছিকৈ হাঁহি উঠিল যে দুৱাৰ খুলিব পৰা নাছিলো। আন্ধাৰে মুন্ধাৰে যেনেতেনে দুৱাৰ খুলিছিলো আৰু বাইদেউৰ সন্মুখত বৈ থাকিও হাঁহি আছিলো। মোৰ ৰুমমেটকেইজনী তেতিয়া জুইশলা বিচৰাত ব্যস্ত। পিছত বাইদেউৱে হাঁহি হাঁহি গুচি গৈছিল।

আৰু বহুতো আমোদজনক ঘটনা, হাঁহিৰ খোৰাক আছে যিবোৰ লিখি শেষ কৰিব নোৱাৰি। ভৱিষ্যতে এইবিলাকে মনত বৰ আমনি কৰিবহি। হোষ্টেলখনৰপৰা আঁতৰি থকাৰ অকণো ইচ্ছা নাই। হোষ্টেলীয়া জীৱন পোৱাবোৰেহে এইবোৰ অনুভৱ কৰিব পাৰিব। হোষ্টেলত বহুত অভিজ্ঞতা পোৱা যায়। মই অহাৰেপৰা এই হোষ্টেল বহুতেই সলনি হৈছে। হোষ্টেলৰ সকলোৰে পৰা পোৱা মৰম, উৎসাহ আদি আজীৱন পাহৰিব নোৱাৰিম। হোষ্টেলৰ লাৱণ্য বাইদেউ, বৰতা, সুনীল দা, অমৃত দা, পুতুল দাইঁতে বৰ ধুনীয়াকৈ ৰন্ধা বঢ়া কৰিছিল আৰু হোষ্টেলখন পৰিষ্কাৰকৈ ৰাখিছিল। এই হোষ্টেলৰ নিয়মবোৰ বৰ গুৰুত্বপূৰ্ণ। নিয়ম শৃংখলাইহে এখন সবল সমাজ গঢ় দিব পাৰে। যদিহে হোষ্টেলৰ সকলো আৱাসীয়ে সুন্দৰ পৰিবেশ গঢ়ি তুলিব পাৰে তেতিয়া পুনৰ NAAC TEAM আহি যোৱাবাৰৰ দৰে কবহি- "ইমান ধুনীয়া হোষ্টেল আগতে ক'তো দেখা নাই।" সেয়েহে মই ভগৱানক প্ৰাৰ্থনা কৰিছোঁ যে- আমাৰ মনবোৰক সৎ সাহস দিয়া আৰু সৎ চিন্তাৰে সমাজক আগুৱাই নিবলৈ শক্তি দিয়া। 'ৰংপুৰ ছাত্ৰী নিৱাস' আগুৱাই যাওঁক.....। ❑❑❑

# হোষ্টেলীয়া জীৱনৰ কিছুমান অভিজ্ঞতাৰে

– শ্ৰীমতী গংগোত্ৰী গগৈ
স্নাতক প্ৰথম বৰ্ষ

"ৰৈ যাব বিচৰা খোজ
ৰব খুজিও গৈ থাকে
গৈ থাকে
জীৱন পথেদি,
যাত্ৰাৰ শেষ নাই
আজি জীৱনৰ দলঙত বহি
মুখ ঘূৰাই চাইছো
এৰি অহা দীঘল বাটটি।।"

সময় গতিশীল, সময়ে গতিশীলতাৰ ছত্ৰ ভংগ নকৰি সংসাৰৰ প্ৰতিটো মূহুৰ্ত্ত আৱৰ্ত্তিত কৰিলৈ যায় ভৱিষ্যতৰ সম্ভাৱনাৰ পৃথিৱীখনলৈ। ৰৈ যায় প্ৰতিটো মূহুৰ্ত্তৰ স্মৃতিবোৰ, যিয়ে দোলা দিয়ে সকলোৰে মনত নিবিড়ভাৱে। এই স্মৃতি অভিজ্ঞতাবোৰেইটো হ'ল ভৱিষ্যত পথত জ্বলি থকা তেলটুপি। যিয়ে উজ্বলাই তোলে প্ৰত্যেক মনৰ ভৱিষ্যতৰ অলীক কল্পনাৰ স্বপ্নময় সৌধক। এই সংসাৰখনত অতীত নহলে বৰ্তমান আৰু ভৱিষ্যতৰ অৰ্থ নিস্তেজ হৈ পৰে। সেয়েহে অতীতৰ স্মৃতি জীয়াই থাকিবলৈ অতি প্ৰয়োজনীয় বুলি মই ভাবো।

মাতৃৰ কোলাত পৃথিৱীৰ পোহৰ দেখাৰ পৰা আজি ওঠৰটা বসন্ত গৰকি সৰুকালৰ অনুভৱবোৰত পাচত থৈ নতুন চিন্তা অনুভৱক মনত স্থান দি এখন সুপ্ৰতিষ্ঠিত ঐতিহ্যমণ্ডিত বিখ্যাত "শিৱসাগৰ ছোৱালী কলেজ"ৰ মই স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰী। মধুৰ স্বপ্নালীৰ আবেশেৰে ভৰা স্বাধীনতাৰ ৰস পান কৰি সাতোৰঙী ৰামধেনুৰ বৰ্ণালীময় সপোন দেখি নিজৰ ভৰিৰ ওপৰত থিয় হোৱাৰ দুৰ্বাৰ হেপাঁহৰ সময়েইতো হ'ল 'কলেজীয়া জীৱন'। এনে এটা স্থিতপ্ৰজ্ঞ মন লৈয়ে আহিছিলো এই "শিৱসাগৰ চোৱালী কলেজ"লৈ মেট্ৰিকৰ দেওনা পাৰ কৰি। জীৱনটোক নতুন ৰূপত সজাবলৈ এয়া যে আছিল এক দৃঢ় পদক্ষেপ।

"Without hostel life education life is not completed"

– হোষ্টেলীয়া জীৱনৰ অবিহনে শিক্ষা জীৱন অসম্পূৰ্ণ হৈ ৰয়। এই কথাকে সাৰোগত কৰি তথা ঘৰৰ পৰা কলেজৰ দূৰত্ব আৰু শ্ৰেণীত নিয়মীয়া হোৱাৰ লক্ষ্য আগত ৰাখি শিৱসাগৰ ছোৱালী কলেজ হোষ্টেল "ৰংপুৰ ছাত্ৰী নিবাস"ত ভৰি দিছিলোহি। মনত বহু আশা বান্ধি শিহৰণকাৰী অনুভৱেৰে মই ২০০৪ চনৰ জুলাই মাহৰ ১২ তাৰিখে হোষ্টেলৰ এটা নতুন পৰিবেশত সোমাই পৰিলোহি। পৰিবেশটো ইমানেই অচিনাকি লাগিছিল যে মই যেন নিজৰেই অচিনাকি হৈ পৰিছিলো। তথাপি দুদিনমানৰ ভিতৰতে হোষ্টেলৰ প্ৰতিটো বস্তু, প্ৰতিগৰাকী আবাসীৰ অকৃত্ৰিম মৰমৰ লগত পৰিচিত হৈ পৰিছিলো। মা-দেউতাৰ কাষৰপৰা আঁতৰি আহি যি নিৰাপত্তাহীনতাত ভুগিছিলো সেইয়া হোষ্টেলৰ অধিকৰ্ত্তী মহোদয়া উৎপলা বাইদেউৰ সান্নিধ্যত সকলো পাহৰি পেলাইছিলো। ক্ৰমে এই ছাত্ৰী নিবাসটো, প্ৰতিগৰাকী আবাসীৰ ভগ্নীপ্ৰতীম মৰম আৰু শাসনৰ মাজত মোৰ বাবে আপোন ঘৰখনৰ দৰে হৈ পৰিল।

"ৰংপুৰ ছাত্ৰী নিবাস"ত মোৰ আজি আঢ়ৈ বছৰীয়া অভিজ্ঞতাই তিতা মিঠা বহুতো অনুভূতি দিলে। যিবোৰ মোৰ মনত চিৰসজীৱ হৈ থাকিব ....

"ঐ, মই আৰু ব্লেক চুৰিদাৰহে পিন্ধো দেই। হেৰি অ' ব্লেক এণ্ড হোৱাইট বিউটি আকৌ"- এইয়াই আছিল হোষ্টেললৈ আহি প্ৰথমদিনা মোৰ ওপৰত স্নাতক তৃতীয় বৰ্ষৰ বাইঁতৰ প্ৰথম আক্ৰমণ।

ব্যঙ্গবাণ বা "কাটঃ" আজিও মনত পৰে হোষ্টেললৈ প্ৰথম অহাৰপৰা নৱাগতা আদৰণি সংগলৈকে স্নাতক তৃতীয় বৰ্ষৰ বাইঁতৰ আমাৰ ওপৰত কৰা ব্যঙ্গবাণ বৰ্ষণৰ কথা। ব্যঙ্গবাণৰ প্ৰকোপত ডাইনিং হলত সেইকেইদিনা নাকে মুখে এসোপামান গুজি সোনকালে উঠি যোৱাটোৱেই আছিল আমাৰ একমাত্ৰ উদ্দেশ্য। এজনী উঠাৰ লগে লগে (কাৰোবাৰ আধাখোৱা হলেও) উলৰ সূতাটনাৰ দৰে আটাইবোৰ দৌৰ মাৰি দিচ ধুবলৈ গৈছিলো। যিটো কথা মনত পৰিলে এতিয়াও মই অকলে অকলে হাহোঁ। নৱাগতা আদৰণি সভাৰ পাছত ব্যঙ্গবাণ মৰা যেতিয়া বন্ধ হৈ যায় তেতিয়া হোষ্টেলৰ পৰিবেশটো কিবা উৰুঙা উৰুঙা দৰে লাগে। সকলোৱে যেন নিজৰ মাজতেই ব্যস্ত হৈ পৰে, কোনেও কাৰো কথা ভাবিবলৈ যেন আহৰি নাই॥

কবলৈ গলে ব্যঙ্গবাণ মৰাৰ দুটা উদ্দেশ্য আছে। এটা হ'ল ধেমালীৰ 'কাট' আৰু আনটো শুধৰণিৰ 'কাট' হোষ্টেলৰ কিছুমান অঘোষিত নিয়ম (ডাঙৰ ছোৱালীক মাতবোল কৰা, ডাঙৰক সন্মান কৰা আদি...) যিবোৰ নিয়ম এগৰাকী নবাগতাক বুজাই দিয়াৰ পাচতো আওকাণ কৰিলে তাক 'কাট'ৰ জৰিয়তে বুজাই দিয়া হয় যাতে তাই দ্বিতীয়বাৰ ভুল নকৰে। এয়াই হৈছে হোষ্টেলৰ 'কাট' প্ৰথা। যি বৰ্তমান বিলুপ্তিৰ পথত .....

আঢ়ৈ বছৰীয়া হোষ্টেলীয়া সময়ছোৱাত মই যিমান অভিজ্ঞতা পালো তাৰ পাতনি যান্ত্ৰিক যুগত সকলোৱে ব্যস্ততাৰ প্ৰতি লক্ষ্য ৰাখি যিমান পাৰো সংক্ষিপ্ত কৰিবলৈ চেষ্টা কৰিছো।

হোষ্টেলৰ চিনাকি পৰ্বত মোৰ নামৰ সৈতে মিলাই নাম দিছিল মোক 'গংগাটোপ'। এই চিনাকি পৰ্বত নৱাগতাসকলৰ প্ৰতিভাবিলাকৰ উমান লোৱা হয়। প্ৰথম চিনাকি পৰ্বদিনা মোৰ 'হাৰ্টবীট' অসম্ভৱ ধৰণেৰে বৃদ্ধি পাইছিলে। কি কৰিব লাগিব কি ঠিক। অৱশ্যে ভবা ধৰণে একো নহ'ল বাবে মোৰ 'হাৰ্টবীট' নৰ্মেল অৱস্থালৈ আহিছিল।

সঁচা কথা কবলৈ গ'লে মই হোষ্টেলৰ আটাইতকৈ উৎপত্তীয়া ছোৱালী বুলি বহুতৰ চকুৰ কুটা দাঁতৰ শূল', হৈ পৰিছিলো। তথাপিও মৰম পাইছিলো বহুতৰপৰা অৱশ্যে বাইঁতৰ বুঁজনিত পিচলৈ অলপ ঠাণ্ডা হৈছিলো। তাকো মোৰ ৰূমমেটৰ পৰম কৃপাত। হোষ্টেলৰ এটা প্ৰধান সৌঁচৰা বেমাৰ হ'ল ঘণ্টাজুৰি শোৱাটো। এই চিকিৎসাহীন বেমাৰে মোৰ গাটো ভূত লম্ভাদি লম্ভিছিল। বিশেষকৈ দেওবাৰ দিনটোত। যেন কুম্ভকৰ্ণৰ sister বিলাকহে এই হোষ্টেলৰ বাসিন্দা। আড্ডা মৰাটো আমি কম নাছিলো। সামান্য এটা কথাৰ পৰা আমি একেবাৰে বিশ্বব্ৰহ্মাণ্ড ভ্ৰমি আহিছিলো। ৰূমমেট ৱালমেট আদি লগ লাগি আজৰি পৰত যিধৰণৰ গীতৰ লহৰ তুলিছিলো তাৰ প্ৰকোপত শ্ৰোতাসকলে কাণত সোপা দিব লগা অৱস্থা হৈছিল। মই মোৰ ৱালমেট উজ্জালাবাক ষ্টাইল কৰিবলৈ খেদি ফুৰিছিলো। সেই দৃশ্য দেখি পাৰ্টত ৰগৰ উঠিছিল। হোষ্টেলৰ প্ৰত্যেক আবাসীৰে "বাথৰুম ছিংগাৰ" হিচাপে এটা সুনাম আছে। গীতৰ বাহাৰত বাথৰুমত থকা মহ আৰু মকৰাই পাত্তাই নোহোৱা হৈছিল।

প্ৰথম বছৰ মোৰ ৰূমমেট শিখাবা জলিবা, ৰশ্মিবাৰ লগত খুব আনন্দেৰে পাৰ কৰাৰ পাচত দ্বিতীয় বছৰ মই ৰূমমেট হিচাপে পাইছিলো সুস্মিতাবা, মমিবা আৰু চিত্ৰালী বাক যিসকল স্বভাৱজাত স্ফূৰ্তিবাজ। ৰাতি ১ বজাত টয়লেটৰ পৰা ঘূৰি আহোতে মমীবা আৰু মই ৰাধা কৃষ্ণৰ যি ভংগীমাত আমাৰ ৱালমেটসকলৰ দৰ্জাত নক কৰিছিলো সেই দৃশ্য দেখি ৱালমেট সাধনাবাঁহত হাঁহিত ফাটি পৰিছিল।

প্ৰথম বছৰত শিৱৰাত্ৰিত ৰাতি দ'লত পানী দিয়াৰ আনন্দত প্ৰণামিকা বা আৰু মই শুৱাই নাছিলো। ইমানবোৰ কৰিও আমি নিজৰ কৰ্তব্যৰ প্ৰতি সদা সচেতন আছিলো। হোষ্টেলত সন্ধিয়া প্ৰাৰ্থনা কৰাৰ পাচত আমাৰ study hour আৰম্ভ হৈছিল। কেতিয়াবা পঢ়িবলৈ মন নাথাকিলেও আমি পঢ়িছিলো। কাৰণ

মাহঁতৰ দৰে চুপাৰ বাইদেউয়ে আমি পঢ়িছোনে নাই তাৰ চেকিং কৰিছিল। কেতিয়াবা অকস্মাতে পঢ়া টেবুলত নাথাকিলে বাইদেউ অহাৰ আগজাননী পাই নিজৰ নিজৰ পঢ়া টেবুলত বহিছিলো। তেনে অৱস্থাত যদি বাইদেউৰ সন্মুখীন হবলগীয়া হয় তেতিয়া বাইদেউক আমি 'ছাৰ' বুলিও কৈ দিওঁ। যোৱাৰ পাছতো হুত পৰলৈকে আমাৰ বুকুৰ ধপধপনিবোৰ মাৰ নাযায়।

তাৰ পিছতেই আহিল কলেজ সপ্তাহৰ কথা। মোক যদি কোনোবাই প্ৰশ্ন কৰে হোষ্টেলৰ প্ৰিয় সময়ছোৱাৰ কথা মই বিনাদ্বিধাই ডিচেম্বৰ মাহটোৰ কথাই উল্লেখ কৰিম। কিয়নো এয়া কলেজ উইকৰ সময়। এইসময়ছোৱাত হোষ্টেলখন খুবেই ব্যস্ততামুখৰ হৈ পৰে। ক্ৰিকেট প্ৰেকটিচ, হুঁচৰি, ৱালমেগাজিন আদিত সমূহ আবাসী ব্যস্ত হৈ পৰে। প্ৰথম বছৰ গিতাশ্ৰীবা, মিজি বা, উজ্জ্বালাবাহঁতে ঢোল পেঁপা বজাই যিদৰে হুচৰি গাইছিল তাকে দেখি মোৰ এনে লাগিছিল এলাপেচা ল'ৰা হুচৰি দল এটাই এই হুচৰিৰ দলটোৰ লগত মোকাবোলা কৰিব নোৱাৰিব। মই প্ৰথম বছৰ ক্ৰিকেট খেলিছিলো। আজিও মনত পৰে ফাইনেল মেটছখনৰ কথা- যেতিয়া আমি শ্বাসৰুদ্ধ অৱস্থাৰ মাজেৰে খেলি আছিলো তেতিয়া আমাৰ হাতৰপৰা খেলখন গুচি যোৱাৰ সম্ভাৱনা বেছি হৈ পৰিছিল। তেতিয়া হোষ্টেলৰ প্ৰতিগৰাকী আবাসীয়ে চকুলো টুকিছিল। আহ, ইমান মৰম, ইমান একতা, ইমান শ্ৰদ্ধা ... মই সঁচাই অভিভূত হৈ পৰিছিলো। শেষত ছোৱালীবোৰৰ প্ৰাৰ্থনাত আৰু ভগবানৰ কৃপাত জয়ী হৈছিলো। দ্বিতীয় বছৰো এনেকুৱা এটা পৰিস্থিতিৰ মাজেৰে সদায় চেম্পিয়ন হোৱাৰ দৰে পুনৰ চেম্পিয়ন হৈছিলো। এনেকৈয়ে ব্যস্ততাৰ মাজত আমি কলেজ উইক পাৰ কৰো আৰু ইয়াৰ প্ৰতিটো ক্ষেত্ৰতে চুপাৰবাইদেউৱে আমাক উৎসাহ অনুপ্ৰেৰণা যোগায়। এক কথাত কবলৈ গ'লে হোষ্টেলৰ প্ৰতিগৰাকী ছোৱালীৰ মাজত কিছুমান বিশেষ বিশেষ প্ৰতিভা আছে। হোষ্টেলত 'সঙ্গীত' হৈছে প্ৰত্যেকৰে অভিন্ন লগৰী। হোষ্টেলৰ প্ৰাক্তন আবাসী বনলতা বা, বৰ্তমানৰ মোৰ ৰুমমেট নবনীতা বা, ৱালমেট হেমলতাবাহঁতে গোৱা গীতবোৰ শুনি আমিও ভুলে শুদ্ধয়ে গীত গাবলৈ চেষ্টা কৰো। নজনাটো শিকো আৰু তেওঁলোকে আমাক অকপটে শিকায়। নৃত্যৰ ক্ষেত্ৰত কবলৈ গ'লে যোৱা বছৰৰ কথা বিশেষভাৱে উল্লেখ কৰিব বিচাৰো। বিজয়শ্ৰীবা, নবনীতাবা, চিন্ময়ী বা আৰু নিতুমণিবাৰ "হায়ৰে মুনীয়া" শীৰ্ষক গীতটোৰ লহৰে হোষ্টেলৰ প্ৰত্যেক আবাসীকে মতলীয়া কৰি তুলিছিল।

"তুমি যাবা তোমাৰ বাটেৰে
মই যাম মোৰ বাটেৰে
স্মৃতিৰ বগাফুল সিঁচি সিঁচি।"

এৰা সঁচাই হোষ্টেলৰ জীৱনৰ এই সোণালী দিনবোৰৰ কথা এই হোষ্টেলৰ পৰা বিদায় লোৱাৰ পিছতো মোৰ স্মৃতিৰ পেৰাত গৌৰৱময় গাথাৰূপে চিৰযুগমীয়া হৈ ৰব। পানীটেপত কৰা টনা আজোৰাবোৰ, যোৱাবছৰ ঘৰলৈ যোৱা আগদিনা ময়ুৰাক্ষী, কৃপাক্ষী, মাৰ্টিনা, নিতু, পল্লবীহঁতৰ লগ লাগি ৰুমবিলাকৰ চেণ্ডেল সলনা সলনি কৰা দুষ্টামিবোৰ দেওবাৰৰ মিঠাই দুটাৰ বাবে অপেক্ষাবোৰ, social service কৰা আদি কথাবোৰে মোৰ মনত মধুৰৰ পৰা মধুৰতৰ হৈ সদায় ৰিঙিয়াই মাতিব। কিমান যে কষ্ট হ'ব হোষ্টেলখন এৰি যাবলৈ। বৰ্তমানৰ ৰুমমেট ঝৰ্ণা বা, নবনীতা বা আৰু বুলুৰ সান্নিধ্যত মোৰ দুবছৰৰ স্মৃতিবোৰে মোক আজিও আমনি কৰে। সময়বোৰ যদি মই ধৰি থব পাৰিলোহেঁতেন.....

আজি স্মৃতিৰ ফলক মেলি আপোনালোকৰ আগত মোৰ হোষ্টেলীয়া জীৱনৰ কিছু স্মৃতিক সুগন্ধি চতিয়ালো। তাৰমাজত বহুত ত্ৰুটি ৰৈ যাব পাৰে তাৰবাবে এই অনভিজ্ঞ লেখিকাই ক্ষমাভিক্ষা মাগিছো।

❑❑❑

সম্পাদকীয় প্ৰতিবেদনঃ



# সাধাৰণ সম্পাদিকাৰ বছেৰেকীয়া প্ৰতিবেদন

শিৱসাগৰ ছোৱালী কলেজৰ বিগত ২০০৪-০৫ বৰ্ষৰ সাধাৰণ সম্পাদিকাৰ বছেৰেকীয়া প্ৰতিবেদন লিখাৰ আগমুহূৰ্ত্তত মই সেইসকল মহানুভৱী ব্যক্তিলৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনাইছো; যি সকল গুণমুগ্ধ ব্যক্তিয়ে তেখেতলোকৰ চিন্তা শালী মনেৰে এখন মহাবিদ্যালয় স্থাপন কৰাৰ ক্ষেত্ৰত শাৰীৰিক আৰু মানসিক শ্ৰম প্ৰয়োগ কৰি আমাৰ জ্ঞানৰ তৃষ্ণা পূৰণ কৰিলে। মহাবিদ্যালয় খনৰ সৰ্বাংগীন উন্নতিৰ বাবে সকলো ক্ষেত্ৰতে সমিধান আগবঢ়োৱা মাননীয় অধক্ষ্য মহোদয়ক প্ৰমুখ্য কৰি মহাবিদ্যালয়খনৰ শিক্ষাগুৰুবৃন্দলৈ আৰু মহাবিদ্যালয়ৰ কাৰ্য্যালয়ৰ কৰ্মচাৰীবৃন্দ তথা মহাবিদ্যালয়খনৰ লগত জড়িত প্ৰতিগৰাকী ব্যক্তিলৈ মোৰ হিয়াভৰা ওলগ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

বুৰঞ্জী প্ৰসিদ্ধ শিৱসাগৰ নগৰৰ চিৰনমস্য শিৱদৌলৰ কাষতে অৱস্থিত এখন ঐতিহ্যমণ্ডিত উচ্চশিক্ষাৰ অনুষ্ঠান "শিৱসাগৰ ছোৱালী কলেজ"ৰ সাধাৰণ সম্পাদিকাৰ দৰে এটা গধুৰ দায়িত্ব গ্ৰহণ কৰি এই জ্ঞান মন্দিৰত সেৱা আগবঢ়োৱাৰ সুবিধা দিয়াৰ বাবে মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় সমূহ শিক্ষাগুৰু আৰু ছাত্ৰীবৃন্দলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছো। মহাবিদ্যালয়ৰ দৰে উচ্চ শিক্ষাৰ এক অনুষ্ঠানৰ সাধাৰণ সম্পাদিকাৰ দৰে এনেধৰণৰ গধুৰ দায়িত্ব পালনৰ অভিজ্ঞতা নাছিল, গতিকে মই যিকোনো কাম কৰিবলৈ যাওঁতে তাক নতুনকৈ শিকিবলগীয়া হৈছিল, সেয়ে হয়তো কিছু কাম সুকলমে সমাধা কৰিব পৰা নাছিলো। এনেধৰণৰ পৰিস্থিতিৰ পাছতো মহাবিদ্যালয়ৰ উন্নতি আৰু ছাত্ৰীসকলৰ উন্নতিৰ হকে সদায় সৎমনেৰে কাম কৰিবলৈ চেষ্টা কৰিছিলো। সাধাৰণ সম্পাদিকা হিচাপে মোৰ কাৰ্য্যকালত মই তেনেই সামান্যখিনিহে কৰিবলৈ সক্ষম হ'লো, বহুত বাকী ৰ'ল মোৰ ব্যক্তিগত অক্ষমতাৰ বাবে। মোৰ অক্ষমতাৰ বাবে আৰু অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত এই আপাহতে ক্ষমা প্ৰাৰ্থনা কৰিছো।

২০০৪ চনৰ ৭ ডিচেম্বৰ তাৰিখে অপ্ৰত্যক্ষিত ভাৱে ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকাৰ দায়িত্বভাৰ গ্ৰহণ কৰিবলগা হয়। কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই সকলো ছাত্ৰীয়ে আগ্ৰহেৰে আপেক্ষা কৰি থকা বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ আয়োজন কৰা হয় আৰু সকলোৰে সহায় সহযোগিতাৰে সুকলমে অনুষ্ঠিত হৈ যায়। ছাত্ৰীসকলে নিজ নিজ দক্ষতা সুন্দৰ ৰূপত প্ৰকাশ কৰাৰ অনুপম সুবিধা হৈছে বাৰ্ষিক ক্ৰীড়া সপ্তাহ। সেয়ে সমূহ ছাত্ৰীবান্ধৱীলৈ অনুৰোধ জনালো তেওঁলোকে যেন নিজ নিজ প্ৰতিভা বিকাশৰ ক্ষেত্ৰত পিছহোঁহোকি নগৈ আগুৱাই আহে।

ইয়াৰ পাছতেই ছাত্ৰী সভাই অনুষ্ঠিত কৰা দ্বিতীয়টো কাৰ্য্যসূচী হ'ল সৰস্বতী পূজা। ইয়াৰোপৰি ৫ আগষ্ট তাৰিখে নৱাগতা ছাত্ৰীসকলক আনুষ্ঠানিকভাৱে আদৰণি জনোৱাৰ উদ্দেশ্যেৰে নৱাগতা আদৰণি সভা, ৮ জুলাই তাৰিখৰ দিনা বৰ্ণাঢ্য কাৰ্য্যসূচীৰে মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা দিৱস আৰু বহুকেইখন আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়। সাংস্কৃতিক বিভাগৰ সম্পাদিকা, বিভাগীয় উপদেষ্টা আৰু ছাৰ বাইদেউ তথা ছাত্ৰীসকল আৰু মহাবিদ্যালয়ত কাৰ্য্যৰত সমূহ কৰ্মচাৰীৰ সহযোগিতাৰে সকলো কাৰ্য্যাৱলী সুচাৰুৰূপে অনুষ্ঠিত হৈ যায়।

মহাবিদ্যালয়খনৰ জন্মলগ্নৰে পৰা বৰ্ত্তমানৰ যি এক উন্নত অৱস্থাত পৰিণত হৈছেহি সেইয়া হয়তো সকলোৰে দৃষ্টিগোচৰ হৈছে তাৰ বাবে আমি সকলো শিৱসাগৰ ছোৱালী কলেজ কতৃপক্ষৰ ওচৰত আজীৱন কৃতজ্ঞ

হৈ ৰম। তথাপিও ইয়াৰ মাজতো এতিয়াও কিছুমান অভাৱ মহাবিদ্যালখনৰ সমূহ ছাত্ৰীয়ে উপলব্ধি কৰিছে, আশা ৰাখিছো মহাবিদ্যালয় কৰ্ত্তৃপক্ষই বাকী সমস্যাসমূহ সমাধান কৰাৰ দৰে বাকী ৰোৱা সমস্যাসমূহো সমাধান কৰিবৰ বাবে বিশেষ পদক্ষেপ হাতত ল'ব।

ছাত্ৰ-ছাত্ৰীয়েই হৈছে এখন শিক্ষানুষ্ঠানৰ প্ৰাণস্বৰূপ। কিন্তু যেতিয়া শিক্ষানুষ্ঠানখনৰ প্ৰাণস্বৰূপ ছাত্ৰ-ছাত্ৰীয়েই ইয়াক অৱহেলা তথা অনাদৰ কৰিবলৈ লয় তেতিয়া অনুষ্ঠানটো পৰিচালনা কৰাত অসুবিধাৰ সৃষ্টি হয়। কাৰণ সকলোৰে আন্তৰিক সহযোগিতাৰ অবিহনে জানো কোনো কাৰ্য্য সুকলমে সমাধা হয়! মহাবিদ্যালয়খনত আয়োজন কৰা বিভিন্ন আলোচনা চক্ৰ, সভা-সমিতি, আনকি মহাবিদ্যালয় সপ্তাহতো ছাত্ৰীৰ উপস্থিতি তেনেই নগণ্য হোৱা পৰিলক্ষিত হয়; মহাবিদ্যালয়খনত এইদৰে উদ্‌যাপন কৰা অনুষ্ঠান সমূহৰ দ্বাৰা তাৰ ছাত্ৰ-ছাত্ৰী সকলৰ বৌদ্ধিক তথা মানসিক আৰু শাৰীৰিক উন্নতি সাধনৰ বাবেহে বহুত কষ্টৰে আয়োজন কৰা হয়, সেই কথা যেন সমূহ ছাত্ৰীয়ে উপলব্ধি কৰে। তেতিয়াহে আমাৰ কষ্ট সাৰ্থক হ'ব।

শেষত মহাবিদ্যালয়খনৰ লগত জড়িত প্ৰতিগৰাকী ব্যক্তিলৈ ছাত্ৰী একতা সভাৰ এটা গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত কৰি এই মহাবিদ্যালয়ৰ বাবে যৎকিঞ্চিত সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো আৰু অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা জনালো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ।"

"জয়তু ছাত্ৰী একতা সভা।"

শ্ৰীমতী মাধবী শইকীয়া
সাধাৰণ সম্পাদিকা
২০০৪-০৫

□□□

# সহকাৰী সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

সম্পাদকীয় প্ৰতিবেদনৰ বাটচ'ৰাতে এই জ্ঞানমন্দিৰত শিক্ষা গ্ৰহণ কৰিবলৈ অহা সতীৰ্থ বৃন্দলৈ শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী একতা সভাৰ তৰফৰ পৰা সম্ভাষণ জনাইছো।

হে' জ্ঞান পিপাসু সকল- মোৰ কাৰ্য্যকালৰ খাতিয়ান দাঙি ধৰিবলৈ যোৱাৰ আগতে একাজলি শ্ৰদ্ধাঞ্জলি যাঁচিছো স্বদেশ আৰু স্বজাতিৰ হকে জীৱন আহুতি দিয়া বীৰ বীৰংগণা সকলৰ পবিত্ৰ স্মৃতিত। শত সহস্ৰ প্ৰণাম যাঁচিছো সেইসকলক মহামানৱলৈ যি সকলৰ প্ৰচেষ্টাত জন্ম হ'ল এই জ্ঞান বৃক্ষৰ। যাৰ ছাঁৰ পৰশত আলোকিত হৈ উঠিছে শত সহস্ৰ জ্ঞান পিপাসুৰ শিক্ষা জীৱন।

ঐতিহ্যমণ্ডিত শিৱসাগৰ নগৰৰ মাজমজিয়াত এক পবিত্ৰ স্থানত অৱস্থিত শিৱসাগৰ নগৰৰ এক মাত্ৰ মহিলা শিক্ষানুষ্ঠান "শিৱসাগৰ ছোৱালী কলেজ"। জ্ঞান বৃক্ষৰ ছাঁত দীক্ষা লোৱাৰ উদ্দেশ্যে এদিন পদাৰ্পণ কৰিছিলোঁহি বুৰঞ্জীয়ে পৰশা শিৱসাগৰ নগৰৰ মাজ মজিয়াত অৱস্থিত "শিৱসাগৰ ছোৱালী কলেজ"ত। গৌৰৱ উজ্জ্বলিত এই জ্ঞান মন্দিৰত ২০০৪-০৫ চনত "ছাত্ৰী একতা সভা"ৰ সহকাৰী সাধাৰণ সম্পাদিকাৰ পদত অধিষ্ঠিত হওঁতে কলেজৰ যিসকল ছাত্ৰী বান্ধৱীয়ে সহায়-সহযোগ তথা উৎসাহ আগবঢ়ালে তেওঁলোকৰ ওচৰত মই চিৰ কৃতজ্ঞ। মহাবিদ্যালয়ৰ

“সহকাৰী সাধাৰণ সম্পাদিকা”ৰ দৰে এটা গুৰুত্বপূৰ্ণ দায়িত্ব লৈ অনুষ্ঠানটোৰ সৰ্বাংগীন উন্নতিৰ হকে নিজকে সম্পূৰ্ণৰূপে উচৰ্গা কৰাটো খুবেই কঠিন যদিও মই তথা আমাৰ ছাত্ৰী একতা সভাৰ সদস্য সকলে এই জ্ঞান মন্দিৰটিৰ উন্নতিৰ হকে নিজকে আত্মনিয়োগ কৰাত কোনো ত্ৰুটি কৰা নাছিলো। এই ক্ষেত্ৰত কিমানদূৰ সফল হ'লো সেইয়া আপোনালোকৰ বিচাৰ্য্য।

সংস্কৃতি এটা জাতিৰ মেৰুদণ্ড স্বৰূপ। সাহিত্য মানুহৰ জীৱনৰ ছন্দোময় ধাৰা আৰু ক্ৰীড়া হৈছে মানৱ সভ্যতাৰ বিচিত্ৰ চানেকি। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী সকলৰ মাজত সুপ্তভাৱে থকা প্ৰতিভা সমূহ বিকাশৰ বাবে একমাত্ৰ মাধ্যম হৈছে “বাৰ্ষিক কলেজ সপ্তাহ”। ২০০৪-০৫ বৰ্ষৰ বাৰ্ষিক কলেজ সপ্তাহ ৩/১/০৫ ৰ পৰা ১০/১/০৫ তাৰিখলৈকে অতি উলহ মালহেৰে উদ্‌যাপন কৰা হয়।

সহকাৰী সাধাৰণ সম্পাদিকা হিচাবে মোৰ কাৰ্য্যকালত বিভিন্ন কাৰ্য্যসূচী তথা অনুষ্ঠানবিলাক বিশেষকৈ শ্ৰীশ্ৰী সৰস্বতী পূজা, নৱাগতা আদৰণি সভা, কলেজৰ তথা পুথিভঁড়ালৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। লগতে বিগত বছৰত অনুষ্ঠিত আন আন সভাসমিতি আৰু অন্য কাৰ্য্যসূচীত ছাত্ৰী একতা সভাৰ তৰফৰ পৰা সহায়-সহযোগ আগবঢ়োৱা হয়।

মোৰ এবছৰীয়া কাৰ্য্যকালত সহায়-সহযোগিতা আগবঢ়োৱা মাননীয় অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি সন্মানীয় শিক্ষাগুৰু সকল, কলেজৰ সমূহ কৰ্মচাৰী আৰু ছাত্ৰী বান্ধৱী সকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

শেষত ইতিহাসৰ পাতৰ পৰা মূৰ দাঙি উঠা এই জ্ঞান মন্দিৰটিৰ সৰ্বাংগীন উন্নতি কামনা কৰি লগতে ইয়াৰ মাজত জ্ঞান আন্বেষণ কৰিবলৈ অহা সকলো জ্ঞান তৃষ্ণাতুৰৰ ভৱিষ্যত উজ্জ্বল কামনা কৰি অজানিতে বৈ যোৱা ভুল ত্ৰুটীৰ ক্ষমা প্ৰাৰ্থনা কৰি শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী একতা সভাৰ সহকাৰী সম্পাদিকাৰ প্ৰতিবেদন সামৰণি মাৰিছো।

“জয়তু শিৱসাগৰ ছোৱালী কলেজ
জয়তু শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী একতা সভা।।”

প্ৰণতী ফুকন
সহকাৰী সাধাৰণ সম্পাদিকা
ছাত্ৰী একতা সভা, শিৱসাগৰ ছোৱালী কলেজ

□□□

# সাহিত্য আৰু আলোচনী বিভাগীয় সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ বাটচ'ৰাতে অশ্ৰু অঞ্জলি যাঁচিছো সেই সকল সু-সন্তানলৈ যিসকলে অসম মাতৃৰ অস্তিত্ব আৰু গৌৰৱৰ ৰক্ষাৰ্থে জীৱন আহুতি দিলে।

ঐতিহ্যমণ্ডিত শিৱসাগৰ নগৰৰ মাজমজিয়াত অৱস্থিত শিৱসাগৰৰ একমাত্ৰ মহিলা মহাবিদ্যালয় “শিৱসাগৰ ছোৱালী কলেজ”। এই শিৱসাগৰ ছোৱালী কলেজৰ ২০০৪-০৫ বৰ্ষৰ সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকা পদত অধিষ্ঠিত হ'বলৈ পায় নিজকে ধন্য মানিছোঁ।

সাহিত্য আৰু আলোচনী বিভাগৰ দায়িত্ব যথেষ্ট গুৰু দায়িত্ব; তদুপৰি সাহিত্য জগতত এইয়াই

মোৰ প্ৰথম খোজ। গতিকে, এই ক্ষেত্ৰত মই কিমানদূৰ সফল হ'ব পাৰিলো সেইয়া মোৰ অজ্ঞ। এই পদত অধিষ্ঠিত হৈ মই আপোনাসৱক কি দিব পাৰিলো নাজানো। কিন্তু মই আপোনালোকৰ পৰা বহুত কিবা কিবি পালো। তথাপিও সকলোখিনি দায়িত্ব অতি নিষ্ঠা সহকাৰে কৰিবলৈ যত্নৰ ক্ৰুতি কৰা নাছিলো। এই ক্ষেত্ৰত মোক মোৰ বিভাগীয় উপদেষ্টাদ্বয় ড° লীলা মহন্ত বৰচেতিয়া বাইদেউ, শ্ৰীযুতা মুকুতা বৰকাকতি বাইদেউ, শ্ৰীযুতা সংগীতা হাজৰিকা বাইদেউ আৰু মঃ জাকিৰ হুছেইন ছাৰে যিখিনি পৰামৰ্শদানৰে সহায়-সহযোগিতা আগবঢ়ালে তেওঁলোকৰ ওচৰত মই বিশেষ ভাৱে কৃতজ্ঞ।

মোৰ কাৰ্য্যকাল আৰম্ভ হোৱাৰ পাছত সাহিত্য বিভাগৰ প্ৰতিযোগিতাসমূহ মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহত অতি নিয়াৰিকৈ সম্পাদন কৰিবলৈ যত্ন কৰিছিলো। প্ৰতিযোগীৰ যথেষ্ট সংখ্যক উপস্থিতিয়ে যথেষ্ট উৎসাহিত কৰি তুলিছিল। এই আপাহতে মই প্ৰতিযোগিতাত যোগদান কৰা ছাত্ৰী সকললৈ ধন্যবাদ জনাইছো। মহাবিদ্যালয় সপ্তাহৰ আৰম্ভণি দিনাই আমাৰ মহাবিদ্যালয়ত প্ৰাচীৰ পত্ৰিকাৰ প্ৰতিযোগিতা হয়। আগৰ কেইবাৰৰ দৰে এইবাৰো ছাত্ৰী একতা সভাৰ পৰা "প্ৰৱাহিনী" নামৰ প্ৰাচীৰ পত্ৰিকাখনি সজাই পৰাই তোলা হৈছেল। মোৰ কাৰণে আটাইতকৈ আনন্দৰ কথা যে এদিনৰ ভিতৰতে লিখনি সংগ্ৰহ কৰি সজাই তোলা প্ৰাৱাহিনীৰ মানদণ্ড যথেষ্ট উন্নত হৈছিল আৰু প্ৰৱাহিনীয়ে দ্বিতীয়স্থান লাভ কৰিছিল। এইখিনিতে মই প্ৰৱাহিনী সজাওঁতে বিশেষভাৱে সহায়-সহযোগিতা আগবঢ়োৱা মোৰ বান্ধৱী গৌৰিমা, পাপৰী, প্ৰিয়ংকা, কাকলি, মেঘালী আৰু ভণ্টী জাগৃতি আৰু অন্যান্য বান্ধৱীসকললৈ মোৰ অশেষ মৰম ও ধন্যবাদ যাচিলোঁ।

মোৰ কাৰ্য্যকালৰ সময়তে সাহিত্য সংস্কৃতি বিষয়ক আলোচনী "পাৰিজাত"ৰ সম্পাদকে শাৰদীয় সংখ্যাটিৰ বাবে পাৰিজাতত প্ৰকাশিত হোৱা বিশ্ববিদ্যালয় / মহাবিদ্যালয় শিতানৰ বাবে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী সকলৰ লেখনি প্ৰকাশ কৰিবলৈ পত্ৰ দিছিল। সেই মৰ্মে আমাৰ ছত্ৰীসকলৰ লেখনিসমূহ ২০০5 চনৰ শাৰদীয় সংখ্যাটি প্ৰকাশ পাইছিল।

প্ৰতিবেদনৰ শেষত মোৰ এবছৰীয়া কাৰ্য্যকালত মোৰ কৰ্মসূহত সহায়-সহযোগিতা আৰু পৰামৰ্শ আগবঢ়োৱা অধ্যক্ষ মহোদয়, বিভাগীয় উপদেষ্টা ছাৰ বাইদেউ সকলক প্ৰমুখ্য কৰি সমূহ শিক্ষাগুৰু আৰু কৰ্মচাৰী লৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালো। লগতে ছাত্ৰী একতা সভাৰ সতীৰ্থ সকললৈ মৰম আৰু ধন্যবাদ যাঁচিলো।

শেষত অনিচ্ছাকৃতভাৱে হোৱা ভুলৰ ক্ষমা প্ৰাৰ্থনাৰে।

জয়তু শিৱসাগৰ ছোৱালী কলেজ

জয়তু শিৱসাগৰ ছোৱালী কলেজ ছাত্ৰী একতা সভা।

মৌচুমী কাঁৱৰ

আলোচনী বিভাগৰ সম্পাদিকা

□□□

## RESULTS OF THE VARIOUS DICIPL!NES UNDER LITERARY AND MAGAZINE SECTION.

**a. Result of on the Spot Poetry Competition.**

**English :**

1st : Miss Poly Kumari Gogoi (T.D.C. 2nd Yr.)
2nd : Miss Shazia Ahmed Nilam (T.D.C. 1st yr)
3rd : Miss Lipi Phukan (T.D.C. 2nd Year)

**Assamese :**

1st - Miss Manika Chutia (T.D.C. 1st Year)
2nd - Miss Lipi Phukan (T.D.C. 2nd Year)
3rd. Miss Karbi Chaliha (T.D.C. 3rd Year)
Consolation:Miss.Anijyoti Dutta (T.D.C. 3rd Year)

**b. Results of on the Spot Story Competition**

**English -**

Consolation :Miss Poly Kumari Gogoi (T.D.C. 2nd Year)
Miss Bimla Devi (T.D.C. 1st Year)

**Assamese :**

1st : Miss Tutumoni Begum (T.D.C. 3rd Year)
2nd : Miss Anijyati Dutta (T.D.C. 3rd Year)
3rd : Miss Lipi Phukan (T.D.C. 2nd Year)

**c. On the spot Drawing and Painting Competition :**

1st : Miss Afriza Sultana (T.D.C. 1stYear)
2nd : Miss Salma Sultana (H.S. 1st Year)
3rd : Miss Happy Gogoi (T.D.C. 2nd Year)

**d. Result of Essay Competition:**

**English :**

1st : Miss Shabarna Bhattacharjee (T.D.C. 1st Year)
2nd : Miss Kaver[illegible] (T.D.C. 3rd Year)
3rd : Miss Ju[illegible] [illegible]hain (T.D.C. 2nd Year)

**Assamese :**

1st. Miss Pallabi Baruah (T.D.C. 2nd Year)
2nd Miss Monika Chutia (T.D.C. 1st Year)
3rd Miss Lipi Phukan (T.D.C. 2nd Year)

**e. Self Composed Assamese Story Competition:**

1st : Miss Lipi Phukan (T.D.C. 2nd Year)
2nd : Miss Anamika Baruah (T.D.C.)
3rd : Miss tutumoni Begum & Karbi Chaliha (T.D.C. 3rd Year)
Consolation : Miss Farnaz Naurin Gaman (T.D.C. 1st year)

**Results of News Reading Competition :**

**English :**

1st : Miss Kaberi Das (T.D.C. 3rd Year)
2nd : Miss Pallavi Gogoi (T.D.C.)
3rd : Miss Chanchal Sharma (T.D.C.)

**h. Results of Recitation Competition :**

**Assamese :**

1st - Miss Utpala Devi (T.D.C. 3rd Year)
2nd - Miss Sangita Baruah
3rd. Miss Karbi Chaliha (T.D.C. 3rd Year)

**English :**

1st - Miss Priyanka Borah (T.D.C. 2nd Year)
2nd - Miss Poly Kumari Gogoi (T.D.C. 2nd Year)
3rd. Miss Sangeeta Baruah (T.D.C. 2nd Year)

**Self composed English story Competition:**

1st - Miss Lipi Phukan (T.D.C. 2nd Year)

**f. Self Composed Poetry Competition :**

**English :**

1st - Miss Poly Kumari Gogoi (T.D.C. 1st Year)
2nd - Miss Lipi Phukan (T.D.C. 2nd Year)
3rd. Miss Sazia Ahmed Nilam (T.D.C. 1st Year)
Consolation : Sangeeta Baruah (T.D.C. 3rd Year)

**Assamese :**

1st - Miss Lipi Phukan (T.D.C. 2nd Year)
2nd - Miss Manika Chutia (T.D.C. 1st Year)
3rd. Miss Banilakha Phukan

**g. Results of News Reading Competition :**

**Assamese :**

1st - Miss Karbi Chaliha (T.D.C. 3rd Year)
2nd - Miss Mridushmita Chutia
3rd. Miss Proniti Phukan (T.D.C. 1st Year)

**Wall Magazine :**

1st Best : Chupohi - Gitasri Devi (Editor)
2nd Best : Probahini-Mousumi Konwar(Editor)
3rd Best : Spectrum - Science Section

**Best Editorial :**
Gitasri Devi for Chupohi

**Best Presentation :**
Tutumoni Begum and
Gitashri Devi for Chupohi

**Best Cover Page :**
Plabita Baruah for Spectrum.

**Best Story :**
Tutumoni Begum for Chupohi

**Best Poem :**
Lipi Phukan for Probahini

**Best Article:**
Noni Neog for
Ssncharini Deepsikha

**Best Literary Prize :**
Lipi Phukan.

□□□

# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



শিৱসাগৰ ছোৱালী কলেজৰ বিগত ২০০৪-০৫ বৰ্ষত ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ বছেৰেকীয়া প্ৰতিবেদন লিখাৰ প্ৰাক মুহূৰ্ত্তত মই সেইসকল চিৰ নমস্য ব্যক্তিলৈ প্ৰণিপাত জনালো, যি সকলৰ মহান প্ৰচেষ্টাত জ্ঞান-তৃষ্ণা পূৰাবৰ বাবে শিৱসাগৰ ছোৱালী কলেজখন স্থাপন হ'ল। লগতে মহাবিদ্যালয়খনিৰ সৰ্বাংগীন উন্নতিৰ বাবে সকলো সময়তে সহায় সহযোগ আগবঢ়োৱা মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শিক্ষাগুৰুবৃন্দ আৰু সমূহ কৰ্মচাৰীলৈ আৰু সতীৰ্থ ছাত্ৰী বান্ধৱী সকললৈ ধন্যবাদ জ্ঞাপন কৰিলো।

মোৰ এবছৰীয়া কাৰ্য্যকালত মোক সকলো ফালৰ পৰা সহায় সহযোগিতাৰ হাত আগবঢ়োৱাৰ বাবে অধ্যক্ষ মহোদয়ক প্ৰমূখ্য কৰি ছাত্ৰ জিৰণি কোঠা পৰিচালনাৰ উপদেষ্টাদ্বয় শ্ৰীযুক্তা উৎপলা গোঁহাই বাইদেউ আৰু কিশোৰ কুমাৰ দেউৰী চাৰক প্ৰমুখ্য কাৰ মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষাগুৰুলৈ, মোৰ সতীৰ্থ বান্ধৱী সকললৈ আৰু মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰী তথা কেণ্টিনৰ ৰুবুল দালৈ কৃতজ্ঞতা জনালো।

আপোনালোকৰ প্ৰচেষ্টাৰে মহাবিদ্যালয়খনৰ বাবে কাম কৰাৰ সুযোগ দিয়াৰ সত্বেও মোৰ ব্যক্তিগত অনভিজ্ঞতাৰ হেতুকে বিশেষ একা কৰিব নোৱাৰিলো, তাৰ বাবে ক্ষমা খুজি মই ছাত্ৰী জিৰণি কোঠাৰ সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিছো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ,
জয়তু ছাত্ৰী একতা সভা।।"

শ্ৰীমতী শোভামণি আৰন্ধৰা
ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা

□□□

# সমাজ সেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



এখন গতিশীল সমাজৰ অংশীদাৰ হিচাপে আমি প্ৰতিজন নাগৰিকেই সমাজখনৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে চেষ্টা কৰাটো অতি প্ৰয়োজনীয়। সেইবাবেই সমাজ- মানুহ আৰু তাৰ লগত শিক্ষাৰ এক এৰাব নোৰাৰা সম্পৰ্ক আছে। সু-শিক্ষাৰে পৰিপুষ্ঠ হৈ এজন ছাত্ৰ বা ছাত্ৰীয়ে সমাজৰ প্ৰতি থকা দায়বদ্ধতাক সুচাৰুৰূপে পালন কৰাতহে শিক্ষাৰ সফলতা নিহিত হৈ আছে।

এনে উদ্দেশ্য আগত ৰাখিয়ে মহাবিদ্যালয়ৰ সমাজসেৱা বিভাগৰ সম্পাদিকা ৰূপে মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকলৰ দ্বাৰা নিৰ্বাচিত হৈ দায়িত্ব গ্ৰহণ কৰিছিলো। এক সুন্দৰ প্ৰাকৃতিক বাতাবৰণ আৰু শিক্ষাৰ এক ওতঃপ্ৰোতঃ সম্বন্ধ আছে। সেয়ে মহাবিদ্যালয়ৰ চৌপাশৰ পৰিবেশে যাতে শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত এক অৰিহণা যোগাব পাৰে তাৰ প্ৰতি লক্ষ্য ৰখাটো আমাৰ উদ্দেশ্য হৈ পৰে। মোৰ কাৰ্য্যকালত হাতত লোৱা বিভিন্ন পদক্ষেপ সমূহ আছিল –

(১) মহাবিদ্যায়খনিত অনুষ্ঠিত হোৱা বিভিন্ন আলোচনা চক্ৰত মঞ্চ-মণ্ডপ সজোৱাৰ লগতে বিভিন্ন কামত সহায় কৰিছিলো।

(২) মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহত আগৰ দৰে চৌহদ, ছাত্ৰী জিৰণী কোঠা, ফুলনিবাৰী আদি চাফ-চিকুণৰ কাৰ্য্য হাতত লৈছিলো। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ ১৫ গৰাকী ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিছিল। তেওঁলোকক উদ্‌গণি স্বৰূপে পুৰস্কাৰ আৰু প্ৰশস্তিপত্ৰ প্ৰদান কৰা হৈছিল।

(৩) মহাবিদ্যালয়খনিৰ নিয়ম শৃংখলা বিশেষকৈ ইউনিফৰ্ম পৰিধান কৰাকে আদি কৰি বিভিন্ন ক্ষেত্ৰত ছাত্ৰীসকলৰ মাজত সজাগতা অনাৰ প্ৰয়াস কৰিছিলো।

আমি দেশৰ ভৱিষ্যত প্ৰজন্ম। আমাৰ হাততে ন্যস্ত হৈ আছে সমাজ আৰু দেশৰ উত্তৰণ। দেশৰ প্ৰতিজন সন্তানৰে সমাজৰ প্ৰতি এক দায়িত্ব আছে আৰু ইয়াক ভালদৰে অনুধাবণ কৰাটো প্ৰতিজন শিক্ষাৰ্থীৰে মহান কৰ্তব্য।

জুমি গগৈ
সমাজ সেৱা বিভাগৰ সম্পাদিকা।।

□□□

# ক্ৰীড়া বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদন লিখাৰ আৰম্ভনিতে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ ক্ৰীড়া বিভাগৰ সাধাৰণ সম্পাদিকাৰূপে নিৰ্বাচিত কৰি এই গুৰুভাৰ অৰ্পণ কৰাৰ বাবে কলেজৰ সমূহ ছাত্ৰী তথা শ্ৰদ্ধাৰ শিক্ষাগুৰুসকললৈ আন্তৰিক ধন্যবাদ আৰু শ্ৰদ্ধা জ্ঞাপন কৰিছো। বৰ্তমান খেলা ধূলা আমাৰ জীৱনৰ এটা অতি প্ৰয়োজনীয় অংশ হিচাপে পৰিগণিত

হৈছে। আজিৰ এই যুগ হৈছে প্ৰতিযোগিতাৰ যুগ। শিক্ষাৰ দৰেই আজি খেলা ধূলাও অতি প্ৰয়োজনীয় হৈ পৰিছে। খেলৰ যোগেদি আমি আমাৰ শাৰীৰিক তথা মানসিক সন্তোলন বজাই ৰাখিব পাৰো। ই কোনো ক্ষেত্ৰতে কোনো ধৰণৰ বিৰূপ প্ৰভাৱ নেপেলায়। শাৰীৰিকভাৱে অক্ষম লোকসকলৰ বাদে যিসকল সুস্বাস্থ্যৰ অধিকাৰী তেওঁলোকে ঈশ্বৰ প্ৰদত্ত শক্তি ক্ষয় কৰি নিজ মানসিক তথা শাৰীৰিক অৱস্থা অক্ষুন্ন ৰাখিবলৈ সক্ষম হ'ব। গতিকে প্ৰতিজন ব্যক্তিয়ে খেল-ধেমালীক পৰ্য্যমানে প্ৰাধান্য দিয়া উচিত। বৰ্ত্তমান ভাৰত চৰকাৰে খেল বিভাগৰ উন্নতিৰ বাবে বহুতো আঁচনি হাত হৈছে আৰু এই আঁচনিসমূহ ফলপ্ৰসু কৰিবলৈ যথেষ্ট বৰঙণি আগবঢ়াইছে।

অসম খেলৰ ক্ষেত্ৰত অন্য ৰাজ্যবোৰতকৈ তুলনামূলক ভাৱে পিছপৰা। অসম চৰকাৰে ৰাজ্যৰ প্ৰতিভাৱান খেলুৱৈ সকলক প্ৰয়োজনীয় সুবিধা আগবঢ়োৱাত অক্ষম হৈছে। ফলত বহুতো খেলুৱৈয়ে নিজ প্ৰতিভা বিকাশৰ সুবিধাৰ পৰা বঞ্চিত হৈছে। উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যৰ ভিতৰত অসমতেই বহুতো প্ৰতিভাৱান খেলুৱৈৰ জন্ম হৈছে। যি সকলে নিজ প্ৰচেষ্টাৰ ফলত আন্তঃৰাষ্ট্ৰীয় খ্যাতি পাবলৈ সক্ষম হৈছে। ভোগেশ্বৰ বৰুৱা, প্ৰমিলা ভৰালী, ৰঞ্জন ভৰালী, তৈয়বুন্নিছা আদি প্ৰতিভাৱান খেলুৱৈয়ে আন্তঃ ৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ খেলত অংশগ্ৰহণ কৰি পদক অৰ্জন কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। বৰ্ত্তমানৰ উদিয়মান খেলুৱৈ সকলৰ প্ৰতি যদি চৰকাৰে প্ৰয়োজনীয় সহায়-সহযোগিতা তথা মনোযোগিতা আগবঢ়াই তেনেহ'লে নিশ্চয় অসম খেলা ধূলাৰ ক্ষেত্ৰত লেখতল'বলগীয়া ৰাজ্য হিচাপে পৰিগণিত হ'ব।

শিৱসাগৰ ছোৱালী কলেজৰ হৈ ২০০৪-০৫ বৰ্ষৰ ক্ৰীড়া বিভাগৰ সম্পাদিকা পদৰ বাবে নিৰ্বাচিত কৰি সেৱা আগবঢ়োৱাৰ সুবিধা দিয়াৰ বাবে মোৰ বান্ধৱী সকল তথা কলেজৰ সমূহ ছাত্ৰীলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। শিৱসাগৰ ছোৱালী কলেজৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ ২০০৪-০৫ বছৰটো ক্ৰীড়া সপ্তাহ সুচাৰুৰূপে পালন কৰা হয়। বিগত বছৰটোত কলেজৰ বাৰ্ষিক সপ্তাহটোৰ বাহিৰে আমাৰ কলেজৰ ছাত্ৰীয়ে আনকোনো ক্ৰীড়া প্ৰতিযোগিতাত অংশ গ্ৰহণ নকৰাটো প্ৰকৃততে এটা দুখৰ বিষয়। আমাৰ কলেজৰ প্ৰতিযোগিতা সমূহত খুব কম সংখ্যক ছাত্ৰীয়েহে অংশ গ্ৰহণ কৰা দেখা গৈছে। এই কম সংখ্যক ছাত্ৰী সকলৰ ভিতৰত যি সকল খেলুৱৈ আমি পালে তেওঁলোকলৈ অন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।

শিৱসাগৰ ছোৱালী কলেজৰ ক্ৰীড়া সপ্তাহৰ আয়োজন দৰবাৰ খেলপথাৰত কৰা হৈছিল। প্ৰতিযোগিতাৰ আৰম্ভনিতে পাতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত হেমন্ত ফুকনদেৱে। যদিও সফলতাৰে ক্ৰীড়া সপ্তাহ সম্পন্ন হ'ল তথাপি মনত এটা কেৰুণ থাকি গ'ল এইবাবে যে শিৱসাগৰ ছোৱালী কলেজৰ নিজাকৈ এখন খেলপথাৰ নাই। বহুবছৰ ধৰি ই কেৱল আলোচনাৰ বিষয়হে হৈ আছে। কিন্তু এই অভাৱৰ প্ৰতি কোনো বিশেষ পদক্ষেপ লোৱা হোৱা নাই। সেয়ে মাননীয় অধ্যক্ষ মহোদয় তথা সমূহ কৰ্মকৰ্ত্তালৈ মোৰ বিনম্ৰ অনুৰোধ তেখেত সকলে যাতে এই অভাৱৰ প্ৰতি বিশেষ লক্ষ্য ৰাখে।

অৱশেষত ২০০৪-০৫ বৰ্ষৰ কলেজ সপ্তাহটো সুচাৰুৰূপে চলাই নিয়াত প্ৰতি খোজত সহায় কৰা বিভাগীয় উপদেষ্টা শ্ৰদ্ধেয় শ্ৰী বিমল দত্ত ছাৰ, শ্ৰী সঞ্জয়দাস চাৰ, সহকাৰী সম্পাদিকা মাইনু বৰুৱা আৰু সমূহ শিক্ষাগুৰু, বান্ধৱী আৰু ভাণ্টিসকললৈ- মোৰ শ্ৰদ্ধা আৰু আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। বিভাগীয় কাম কাজ কৰোতে কৰা ভুল ক্ৰুটিবোৰ যেন এইক্ষণত ক্ষমা কৰি দিয়ে তাৰ বাবে সকলোফালৰ পৰা আশা কৰিলো।

অধ্যক্ষ শ্ৰীযুত হেমন্ত ফুকনদেৱে আমাৰ বিভিন্ন কামত যিদৰে প্ৰেৰণা উৎসাহ যোগালে তাৰ বাবে তেওঁৰ ওচৰত আমি চিৰকৃতজ্ঞ। সপ্তাহযোৰা ক্ৰীড়া প্ৰতিয়োগিতা নিয়াৰিকৈ সমাপ্ত কৰাৰ সুবিধা দিয়াৰ

বাবে দৰবাৰ খেলপথাৰৰ কৰ্তৃপক্ষলৈ বিশষকৈ ধাইআলি ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী শ্ৰীযুতা অনিমা বেজবৰুৱাদেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা তথা কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সৰ্বশেষত কলেজৰ সমূহ কৰ্মচাৰী তথা কেণ্টিনৰ কৰ্মচাৰীসকলেলৈ ধন্যবাদ জনাই মোৰ এই প্ৰতিবেদন সামৰণি মাৰিলো।

" জয়তু শিৱসাগৰ ছোৱালী কলে
জয়তু ছাত্ৰী একতা সভা!"

অদিতি দেৱী
সম্পাদিকা, ক্ৰীড়া বিভাগ

□□□

# সংগীত বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ বাটচ'ৰাতে অশ্ৰু অঞ্জলি যাচিছোঁ, সেইসকল সু-সন্তানলৈ যি সকলে অসম মাতৃৰ অস্তিত্ব আৰু গৌৰৱ ৰক্ষাৰ্থে নিজৰ জীৱন আহুতি দিলে। শিৱসাগৰ ছোৱালী কলেজৰ অধ্যক্ষ মহোদয়ৰ লগতে সন্মানীয় শিক্ষাগুৰুসকললৈ মোৰ সহস্ৰ প্ৰণাম জনাইছো। মো কাৰ্য্যকালত কলেজৰ সমূহ কৰ্মচাৰীৰ বহুমূলীয়া দিহা পৰামৰ্শ তথা সহায় সহযোগিতাৰ বাবে তেখেত সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ। লগতে কৃতজ্ঞতাৰে সুঁৱৰিছো আমাৰ কলেজৰ সকলো বান্ধৱী তথা ছাত্ৰী, যাৰ উৎসাহ উদ্দীপনা, পৰামৰ্শই ২০০৪-০৫ বৰ্ষৰ সঙ্গীত বিভাগটো চলোৱাত সহায় কৰিলে।

মই এই কলেজখনৰ সঙ্গীত বিভাগৰ দায়িত্ব লৈ কিমানদুৰ সফল হ'লো সেইটো আপোনালোকৰ বিচাৰ্য্য। তথাপিয়ো মোৰ সীমিত ক্ষমতাৰে যিমানখিনি কৰিব পাৰি সিমানখিনি কৰিবলৈ মোৰ সৰ্বশক্তিৰে চেষ্টা কৰিছিলো। ২০০৪-০৫ বৰ্ষত হোৱা কলেজ সপ্তাহত সঙ্গীত প্ৰতিযোগিতাত ভালে সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিছিল। আমাৰ কলেজত বহুতো প্ৰতিভাৱান ছাত্ৰী আছে। উপযুক্ত প্ৰশিক্ষণ, নিয়মীয়া অনুশীলন আৰু সাধনা কৰিলে এইসকল প্ৰতিযোগীয়ে ভৱিষ্যতে দেশৰ সুনাম কঢ়িয়াই আনিব সেইয়া নিশ্চিত। এইবাৰ কলেজ সপ্তাহত শ্ৰেষ্ঠ গায়িকা হিচাপে সন্মান পাইছিল নমী আহমেদে।

শেষত আমাৰ কলেজ সপ্তাহত বিশেষ ভাৱে সহায় কৰা আমাৰ শিক্ষাগুৰু শ্ৰী প্ৰণৱ ভৰালী চাৰ আৰু শ্ৰীযুক্তা ৰীতা বৰকটকী বিশেষভাৱে ধন্যবাদ জনালো। লগতে ছাত্ৰী একতা সভাৰ সমূহ সতীৰ্থ, বন্ধৱীক ধন্যবাদ জনালো। সৰ্বশেষত শিৱসাগৰ ছোৱালী কলেজৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ এই প্ৰতিবেদনখনি সামৰণি মাৰিলো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"

শ্ৰীমতী প্ৰতিভা মহন
সংগীত বিভাগৰ সম্পাদিকা

□□□



# সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন

"স্বপ্ন স্বপ্ন কেৱল স্বপ্ন
স্বপ্নই আকাৰ লয় চিন্তাৰ
আৰু চিন্তাৰ ফল হ'ল কাৰ্য্য।"

ড° আব্দুল কালাম (তেজস্বী মন)

সপোন বাস্তৱৰ এটি অংশ। জীৱন সাগৰৰ সোণালী সপোনবোৰ বাস্তৱত পৰিণত কৰাৰ মানসেৰে ভৰি দিছিলো ঐতিহ্যমণ্ডিত দ'লসমূহৰ কাষত অৱস্থিত শিৱসাগৰ ছোৱালী কলেজত। কলেজৰ সাংস্কৃতিক বিভাগৰ সম্পাদিকা হিচাপে মোক নিৰ্বাচিত কৰি মোৰ ওপৰত যি বিশ্বাস আৰু আস্থা প্ৰকাশ কৰিছে আৰু মোৰ সপোনবোৰ বাস্তৱ ৰূপ দিয়াৰ বাবে মই সমূহ ছাত্ৰী আৰু শ্ৰদ্ধাৰ শিক্ষাগুৰুলৈ মোৰ হিয়াভৰা অভিনন্দন তথা কৃতজ্ঞতা জ্ঞাপন কৰিলো।

কাৰ্য্যভাৰ গ্ৰহণ কৰি আমি শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী একতা সভাৰ সকলোৰে ব্যস্ত হৈ পৰিছিলো বছৰটোৰ আটাইতকৈ আকৰ্ষণীয় অনুষ্ঠান, "বাৰ্ষিক কলেজ সপ্তাহ"। ২০০৪-০৫ চনৰ কলেজ সপ্তাহ অনুষ্ঠিত হৈছিল ২০০৫ চনৰ ৩ জানুৱাৰীৰ পৰা ১০ জানুৱাৰীলৈ।

সংস্কৃতি সমাজৰ এটি অংশ। প্ৰতি সমাজে নিজৰ সংস্কৃতিক জীয়াই ৰাখিবলৈ বিভিন্ন অনুষ্ঠান আয়োজন কৰে। ঠিক তেনেকৈ আমাৰ কলেজত তেনে কিছু অনুষ্ঠানৰ যোগেদি সংস্কৃতিক জীয়াই ৰখাৰ চেষ্টা কৰা হয়। সেই অনুষ্ঠানৰ মাজত আছে – বিহু নৃত্য, হুঁচৰি, জেং বিহু, আধুনিক নৃত্য, শাস্ত্ৰীয় নৃত্য, একাংকিকা নাট আদি প্ৰতিযোগিতা সমূহ। ইয়াৰ উপৰিও বাৰ্ষিক কলেজ সপ্তাহৰ মোহনীয় অনুষ্ঠান হৈছে "বিচিত্ৰানুষ্ঠান"। এই অনুষ্ঠান আছিল সকলো ছাত্ৰীৰে প্ৰিয় আৰু বিশেষ আকৰ্ষণীয়, কাৰণ প্ৰথমবাৰৰ বাবে অত্যাধুনিক বৈদ্যুতিক বাদ্যযন্ত্ৰৰে বিচিত্ৰানুষ্ঠান অনুষ্ঠিত হৈছিল।

ইয়াৰ পিচতে এটি উল্লেখনীয় বিষয় হৈছে, শ্ৰীশ্ৰী সৰস্বতী পূজা। ২০০৫ চনৰ ১৩ ফেব্ৰুৱাৰী তাৰিখে অধ্যক্ষ মহোদয় তথা সকলো চাৰ-বাইদেউ আৰু কৰ্মচাৰী বৃন্দৰ সহায়-সহযোগত পৰম্পৰাগত ভাৱে শ্ৰীশ্ৰী সৰস্বতী পূজা অতি উৎসাহ আৰু আনন্দৰে পালন কৰা হয়।

৮ জুলাই, শিৱসাগৰ ছোৱালী কলেজৰ প্ৰতিষ্ঠা দিৱস হিচাপে পালন কৰা হয়। ২০০৫ চনৰ ৮ জুলাই তাৰিখে, এই উপলক্ষে এক সাংস্কৃতিক-শোভাযাত্ৰাৰ আয়োজন কৰা হয়। এই শোভাযাত্ৰাত অসমৰ বিভিন্ন জাতি-জনজাতিৰ পৰম্পৰাগত সাজ-পাৰ পৰিধান কৰি ছাত্ৰীসকলে নিজৰ সংস্কৃতিৰ প্ৰতি থকা সন্মান আৰু উৎসাহ প্ৰকাশ কৰে।

শিৱসাগৰ ছোৱালী কলেজৰ সন্মানীয় অধ্যক্ষ ড° হেমন্ত কুমাৰ ছাৰ, মোৰ বিভাগৰ বিভাগীয় উপদেষ্টা অধ্যাপক সমৰজিৎ চৌধুৰী চাৰ আৰু অধ্যাপিকা অজন্তা বৰুৱা বাইদেউ তথা সকলো অধ্যাপক অধ্যাপিকালৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো আৰু যি সকলৰ উৎসাহ উদ্দীপনা, সহায়-সহযোগ মোৰ সাংস্কৃতিক সম্পাদিকা হিচাপে কাৰ্য্যকাল নিয়াৰিকৈ চলাই নিয়াত বৰঙণি যোগাইছিল তেওঁলোকৰ লগতে কলেজৰ সমূহ ছাত্ৰীলৈ আন্তৰিক অভিনন্দন, কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো।

শেষত সাংস্কৃতিক বিভাগৰ দুটি অভাৱৰ কথা উল্লেখ কৰিলো। প্ৰথম কলেজৰ বাদ্যযন্ত্ৰ সমূহ ব্যৱহাৰৰ বাবে উপযোগী নহয়। সেইবোৰ মেৰামতি কৰিব লাগে আৰু কিছু বাদ্যযন্ত্ৰ কিনাৰ প্ৰয়োজন। দ্বিতীয়তে,

বাদ্যযন্ত্ৰৰ দখলত আমাৰ ছাত্ৰীসকল পিছপৰা। আমি বিচাৰো যে নতুন প্ৰজন্ম ছাত্ৰী সকলৰ মাজৰ পৰা যদি বিভিন্ন অত্যাধুনিক বাদ্যযন্ত্ৰত দখল থকা ছাত্ৰী ওলায় আমাৰ কলেজ এই বিষয়ত বহু উন্নত হ'ব।

সদৌ শেষত মই জ্ঞাতে অজ্ঞাতে হোৱা ভুলৰ ক্ষমা বিচাৰিছো আৰু সেইসকল মহান ব্যক্তিৰ আত্মাৰ চিৰ শান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো, যি সকল বীৰ-বীৰঙ্গনাই আমাৰ দেশৰ স্বাৰ্থৰ হ'কে মাতৃভূমিৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত নিজৰ প্ৰাণ আহুতি দি আমাৰ মাজৰ পৰা আঁতৰি গ'ল।

জ্ঞান এক ধ্বংস ৰোধ কৰিব পৰা অস্ত্ৰ। ই এক শক্তিশালী সম্পদ। পৃথিৱী এক সুন্দৰ জ্ঞানৰ মন্দিৰ। এই সুন্দৰ পৃথিৱীত, আছে বহুত সপোন আৰু আশা।

The woods are lovely, dark and deep
But I have promises to keep
and miles to go before I sleep
and Miles to go before I sleep.

--- Robert Frost

শ্ৰী শিখামণি হাজৰীকা
সাংস্কৃতিক বিভাগৰ সম্পাদিকা

## RESULTS OF COMPETITIONS IN THE CULTURAL SECTION OF COLLEGE WEEK 2004-05.

***Classical Dance :***

1st Prize : Nandita Chetia
2nd Prize : Not considered
3rd Prize : Not considered

***Modern Creative Dance (Solo)***

1st Prize Jointly to : Manashi Borah, Niribili Kakoty
2nd Prize Jointly to : Nandita Chetia, Udita Eshani Das
3rd Prize Jointly to : Pakiza Rashid, Bimala Devi, Utpala Das

***Group Dance :***

1st Prize : Rangdhali Group
2nd Prize Jointly to : Sivam Group & Niribili Kakoty's Group
3rd Prize Jointly to : Jhankar Group & Momi Kalita's Group
Consolation Prize : Rongman Group

***Bihu Dance :***

1st Prize : Udita Eshani Das &Pakiza Rashid (Jointly)
2nd Prize : Utpala Das
3rd Prize : Rinkumoni Baruah & Pinki Saikia (Jointly)

***Jeng Bihu*** :

1st Prize : Rongpur Chatri Nivas
2nd Prize : Rongpuria Jeng Bihu Dal
3rd Prize : Sushmita Konwar and group

***Huchari***

1st Prize : Rangpur Chatri Nivas
2nd Prize : Rangdhali Huchari Group
3rd Prize : Shri [illegible]ishila huchari Group.
Consolation prize : Sushmita Konwar and her group.

***Drama Competition :***

Best Drama : Upalabdhi
Best Director : Jyotismita Borah (Upalabdhi)
2nd Best Drama : Abhinab Yatra
2nd best Director : Priyanka Borah (Abhinab Yatra)
3rd Best Drama : Pani Rangor Sobi
Best Actress : Jyotismita Baruah
2nd best actress : (Jointly) Priyanka Baruah & Nandita Chetia
3rd best actress : Princemoni Dutta & Pollavi Phukan

Special Prize from the Judges to - Utpala Das

❑❑❑



# তৰ্ক আৰু আলোচনা চক্ৰৰ সম্পাদিকাৰ প্ৰতিবেদন

"উদিত তপনত স্নিগ্ধ
আভাই বোৱাবনে
শান্তি ধাৰা.........?"

প্ৰতিবেদনৰ আৰম্ভনিতে মই শ্ৰদ্ধাৰে সুঁৱৰিচো যি সকল শ্বহীদ মাতৃভূমিৰ অস্তিত্ব ৰক্ষাৰ্থে মাতৃভূমিৰ বুকুত কেঁচা তেজ ঢালি দি প্ৰাণ আঁহুতি দিলে, সেই সকল শ্বহীদলৈ মোৰ শত সহস্ৰ শ্ৰদ্ধাঞ্জলি যাঁচিচো। মোৰ কাৰ্য্যকালত পূজনীয় শিক্ষাগুৰুসকলে মোক সকলো ক্ষেত্ৰতে দিহা পৰামৰ্শ দি যি সহায় আগবঢ়ালে তাৰ বাবে তেখেত সকলৰ ওপৰত মই চিৰকৃতজ্ঞ।

ঐতিহ্যমণ্ডিত শিৱসাগৰৰ মাজ-মজিয়াত অৱস্থিত ঐতিহ্যৰ শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী একতা সভাৰ তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত হোৱাত মই সঁচাই গৌৰৱ অনুভৱ কৰো। কৰ্য্যভাৰ গ্ৰহণ কৰি ছাত্ৰী একতা সভাৰ সদস্য সকলৰ সহযোগত মহাবিদ্যালয়ৰ সকলোবোৰ কাম কৰিবলৈ যৎপৰোনাষ্টি চেষ্টা কৰিছিলো। এই সম্পাদিকাৰ দায়িত্ব কিমান সফলতাৰে পালন কৰিব পাৰিলো তাৰ বিচাৰ পূজনীয় শিক্ষাগুৰু সকলৰ আৰু মহাবিদ্যালয়ৰ ছাত্ৰীৰহে বিচাৰ্য্য।

কেৱল পাঠ্যপুথিৰ সীমিত জ্ঞানেৰে পুষ্ট হৈ নিজক দেশৰ নাগৰিক ৰূপে গঢ় দিয়াটো এক দুঃসাধ্য মাথোন। মানুহ হিচাপে গঢ় দিবলৈ হ'লে কিতাপৰ জ্ঞানৰ লগতে অন্যান্য দিশসমূহৰ চৰ্চা ছাত্ৰীসকলে সমান্তৰালকৈ অব্যাহত ৰখাৰ প্ৰয়োজন। তৰ্ক হৈছে বাক্ পটুতাৰ পৰিচয়। বৰ্ত্তমান স্কুল, কলেজ সমূহকে ধৰি নানান অনুষ্ঠানত তৰ্ক বিষয়টো আমাৰ পৰিচিত হৈ পৰিছে। ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক আৰু মানসিক বিকাশৰ বাবে অধ্যয়নৰ লগত তৰ্ক, কুইজ, বক্তৃতা, Mock Parliament আলোচনা চক্ৰ আদিৰ প্ৰয়োজন।

প্ৰতি বছৰৰ দৰে এইবছৰো আমাৰ মহাবিদ্যালয়ত "বাৰ্ষিক কলেজ সপ্তাহ" সুকলমে পালন কৰা হয়। আমাৰ কাৰ্য্যকালত অংশ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলে আশানুৰূপে সফলতা দাঙি ধৰিব পাৰিছে। কিন্তু অতি দুখৰ বিষয় যে প্ৰতিযোগীৰ অভাৱত মোৰ কাৰ্য্যকালত Mock Parliament অনুষ্ঠিত কৰিব পৰা নহ'ল। ইয়াৰ বাবে মই আপোনাসৱৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছো। অৱশ্যে বাহিৰত অনুষ্ঠিত হোৱা বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি ছাত্ৰীসকলে মহাবিদ্যালয়খনিলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। ভৱিষ্যতেও তেওঁলোকে এইদৰে মহাবিদ্যালয়ৰ সুনাম অক্ষুন্ন ৰখাৰ চেষ্টা অব্যাহত ৰাখিব বুলি আশা ৰাখিলো।

মোৰ কাৰ্য্যকালৰ প্ৰতিটো ক্ষেত্ৰতে সহায় তথা পৰামৰ্শ আগবঢ়োৱা বিভাগীয় শিক্ষাগুৰুসকল তথা কলেজৰ কেণ্টিন আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মীবৃন্দলৈও মোৰ আন্তৰিক ধন্যবাদ তথা শ্ৰদ্ধা জ্ঞাপন কৰিছো।

সদৌ শেষত কাৰ্য্যকাল চলাই নিওতে অজানিতে হৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো। মোৰ প্ৰায়বোৰ কামত সহায় আগবঢ়োৱা মৰমৰ বান্ধৱী মৈত্ৰেয়ী, অপৰাশী, মৌচুমী, গায়ত্ৰী, প্ৰিন্স, ম'বিনা আৰু ছাত্ৰী একতা সভাৰ সমূহ সম্পাদিকালৈ মোৰ আন্তৰিক ধন্যবাদ যাঁচিছো। আমাৰ চিৰপূজ্য মহাবিদ্যালয়, আলোচনী আৰু ছাত্ৰী একতা সভাৰ সৰ্বাঙ্গীন উন্নতি আৰু দীৰ্ঘায়ু কামনা কৰি মোৰ এই বিভাগীয় প্ৰতিবেদনৰ যৱনিকা পেলাইছো।

ধন্যবাদেৰে —

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"
জয়তু শিৱসাগৰ ছোৱালী কলেজ ছাত্ৰী একতা সভা ঐক্য জিন্দাবাদ।"

শ্ৰী সংগীতা কলিতা
তৰ্ক আৰু আলোচনা চক্ৰৰ সম্পাদিকা

## ENGLISH SECTION:

# GENDER EQUALITY IN HEALTH - SOME OBSERVATIONS

- Mrs. Sorifa Begum Doullah
Deptt. of Economics

Gender equality is one of the most important social rights of an individual which is being proteced by the International Instruments, the Universal Declaration of Human Rights (1948) and the Preamble of the U.N. character. Every individuals right to health (promotion, prevention and treatment) comes under the purview of this social right which is a human right. As India was a party to the Universal commutment to achieve the goal of Health for all by 2000 A.D. which was declared al Alma Ata in 1978, different strategies have been adopted in this regard during the five year plans and observing April 7 all over the world as Health day every year on some specific themes. Besides, the National health policy, 1983 National Social Assistance Scheme (minimum needs programme), Expanded programme on immunisation (EPI, 1978) Universal immunization programme, 1948-1985 along with the child survival and safe motherhood programme (CSSM) in 1992 are some of the measures.

But till recently women's health was looked at in the context of reproduction. Hence the Govt. policies were highly issue based and centered around women's reproductive abilities only. At present "health" is a multidimentional complex phenomenon which is not merely the absence of disease or infirmity but a state of complete physical, mental and social well being of an individual (W.H.O.). It is a natural feeling of well being, a self contained judgement of happiness and fulfillment in which both body and mind are working togehter in the same direction towards a common end. Thus, health care is one of the most important of all human endeavours to improve the quality of life of an individual.

W.H.O. has announced "Healthy Mothers and children" as the theme for the World Health Day 2005. This also is the subject of the World Health Report 2005. The slogan for WHO is "Make Every Mother and Child Court."

Too many mothers and children in the world are dying or suffering from the effects of ill health, poor nutrition and inadequate health care.

Each year more than half a million mothers die in childbirth. At the same time almost 10.6 miilion children under the age of 5 years die from a handfull of preventable and treatable conditions. Nearly all these deaths occur in low and middle income countries and mainly amongst the poorest of the poor. Many of knowledge and affordable tools.

Women's health and well being are of utmost importance both for women themselves and for the next generation. Pregnancy and childbirth are a natural process but not

one that is free from risk. In many part of the world women still suffer and die because they do not have access to essential health services.

The cause of maternal deaths in developing countries to day is the same obtained in developed countries 50 years age, haemorrhave, post delivery infections and septic abortions are the immediate cause of most deaths related to pregnancy. A large scale immunisation programme has been instituted during the last few years in India to immunise each mother so that she and her baby will be protected.

Literacy, especially of women seems to be a significant factor in making a vast difference in the mortality and morbidity rates in various Indian states. The highest crude death and infant mortality rates coincide with a very low female literacy rate.

It has been found that India is facing the problem of women foetuses. It is reported that in 2011 the female ratio will come down to such a level that a large number of boys of marriageable age could not find female partner. In the report it has been seen that in 1981-91 census that there were more male than that of female which are less than one crore 37 lakhs of man, this is due to the abortion of female child in the country.

In a paper published in the proceedings of the National Academy of sciences, they said the growing number of men with no marriage prospects will lead to greater levels of antisocial behaviour, violence and "Utimately present a threat to the stability and security of society". A study during the early 1980, had showed a link between homicide rates in individual states and the sex ratio in those stater the greater the male to memale ratio or the more the men the higher the homicide rates.

In a joint paper published in 2005, valerie Hudson and Andrea Den Boer said "The sex imbalance could even impact regional security because India's neighbours Pakistan, Nepal and Bangladesh also have skewed sex rations.

In conclusion, it can be said that although it is well admitted that health of women is both the cause and effect of development of a ration, Yet there are miles to go to achieve full health status of women Because the status of every parameter of reproductive health is below in the N.E. Region corresponding to National average. Among the states of the N.E.Region Mizoram and Manipur seem to have made some headway in certain respect. Further enquiry is necessary to find out the factors responsible for the existence of differential in the status of parameters of differential in the status of parameters of reproductive health among states of the region. In this regard special emphasis shuld be given to find out relative role of medical and non-medical indicators for explaining the interested variations in the status of the reproductive health parameters.

# ANGER-THE DREADED DISEASE

-- *Chitralekha Saikia*
*Sivasagar*

Anger is a strong feeling of displeasure or belligerence(war like nature) aroused by a supposed wrong or it is a sudden violent displeasure ccompanied by an impulse to retaliate according to Webster's Encyclopedic Unabridged Dictionary. If we go in to the depth of anger, it is self image and proud awareness of one's own existence which gives rise to it.

Anger is a very often noticed wrongdoing, iniquity, arrogance which does not allow a person to lead a normal life. This is caused by lack of belief in one's worth and distracted mind. It is very sad to note everyone is very often driven by this dreaded weakness as the responsive mind is shut oil from the actual vigilance, because the people iti general are inflated , swollen by the flood of words and empty talks. Anger always begins with absurdity and ends in remorse, ruefulness or shame etc. It is not a solution nor any courage or strength. When anger heaves up its hideous head, even the people whom we love become our foes. People who do not have the ability to handle a situation with his personality, warmth and friendliness, with love, uses anger as an instrument to handle it or to get the work done. Some will agree, to maintain strictness at home anger is a must, again for some, they use it so that their partner will follow them and their children don't give them a stone deaf ear- What ever may be the reason, but anger is that physical and mental state which will never enable a man to carry off his occupation to the best. When we speak of 'Anger' we mean that one^s condition is not satisfactory, it is a temporary or permanent form of illness which will lower one's energy and prevent from doing all good- Anger, the strong negative emotion is noticeable both in adults and in children .

Anger is expressed in various forms, like when we say Leave me alone. My mood is off, I don't want to talk with him etc. further when we are screaming, trying to dominate others, assaulting others or avoiding eye contact and when we develop ill will for someone, hatred enmity , eruption, passion etc. etc. Even though this outburst will never allow us to experience a good relationship, as we know wars are bom in minds of men,, we happen to fall prey to this emotion Most of the time we start arguing and quarrelling and we try to make the other person guilty and brood over deep resentment for him or her whom we apprehend to be the cause for our displeasure- As a result we develop an embittered and clash prone relationship whether it is in the family, work place, friends or in the society. Now let us elaborate some predicaments with special significance sprouted in the famous book " *MEN ARE FROM MARS, Women Are from. Venu.* " by John Gray. Here he explains how arguments can be the most destructive factor in a relationship-(of course here he views men & women from different planets

having difference in their attitudes & thinking) "Most couples start out arguing about one thing and within live minutes are arguing about the way they ... arguing' When a conversation becomes dsslikmg and imeticouraging, many individ... start fighting, it is prompted by their instinct. Without losing a moment they march in... a highly irritating perspective. John Gray says, here the motto of the man is 'the be... defense is a strong offense". They will try to make the other people wrong by accusing, ...nouncing, assessing expressing lots of anger. In our day to day life various matters com... under discussion like financial matters, sex, child rearing, household task etc. and th... discussions turn into throbbing and heating arguments which leads to frustrations and disappointments, the consequence of which comes out in the shape of anger. The resultant effect of all these is that the things get puzzled very often and people fail to remember everything. They even forget how to love and nurture each others needs. They start feeling desperate and mistrust themselves and their partners, children, friends etc. and they become pessimistic. All these are possible because of our careless and uncherished attitudes at difficult times due to misunderstanding. As per his conception in this famous book, men and women differ in all areas of their lives. Not only do men and women communicate differently but think, feel perceive, react, respond, love, need and appreciate differemtly. And because of this there are inaccurate suppositions and fighting's. They have not acquired knowledge as to how to place a request and take for an answer. Women norimally, even before they ask, feel intuitively what their partners answer will be. This is the reason why they don't even bother asking. They feel neglected if they perceive that he would oppose her request. Generally a woman does not ask for help when she requires it, she considers "Love is never having to ask", she always assumes him to volunteer his service instead, if he loves her. A woman has the habit of giving as much as she can and she discovers that when she is exhausted and without content she has not received to her satisfaction. On the other hand, he will hardly have the conception of this happenings what might have gone in her head and in this way both of them will start bursting. This disturbing situation could have been quietened by simply asking for support and if he says no, instead of rejecting she could have accepted his no, by being benevolent and sympathetic. A healthy relationship can be expected ofafamily where everyone has the permission to say no if they choose" and ask for. In general, no matter how pleasingly a woman puts her request, if he senses a demanding mode of expression all he perceives is that he is not contributing enough.He inclineds then to give not so much until and unless she is grateful for what he is giving. As a woman appreciates him, he will be more positive in his response next time, because he will have an optimistic reminiscence other. Hits is quite possible for each and every member of the family.The art of positive communications should be generated. After we have requested for anything, we should keep quiet presuming him to lament, cry, scowl,complain, grumble .ite will grumble more if he is focuaedmore at the time, but all these have nothing to do with regard

